

# এৰিয়ান

৫৩ তম্ সংখ্যা, ২০২২-২৩

সম্পাদিকা
দিশা মিস্ত্ৰী

# শিল্পীৰ তুলিকাত













# এৰিয়ান

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

৫৩ তম্ সংখ্যা, ২০২২-২৩

# ARYAN

VOL-53, 2022-23


তত্ত্বাৱধায়িকা
ড° প্ৰণীতা বৰ্মন

সম্পাদিকা
দিশা মিস্ত্ৰী

**এৰিয়ান ঃ** আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৫৩ সংখ্যক বাৰ্ষিক মুখপত্ৰ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰ একতা সভা, গুৱাহাটী-১৬ ৰ দ্বাৰা প্ৰকাশিত, ২০২২-২৩

ARYAN : Vol. 53 (2022-23) : The Annual Magazine of Arya Vidyapeeth College (Autonomous), edited by Disha Mistry and Published by Arya Vidyapeeth College (Autonomous) Student's Union, Arya Vidyapeeth College (Autonomous), Guwahati-16

সম্পাদনা সমিতি

উপদেষ্টা ঃ

ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য, অধ্যক্ষ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

শ্ৰী অনিতা তালুকদাৰ, উপাধ্যক্ষ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

তত্বাৱধায়ক ঃ ড° প্ৰণীতা বৰ্মন

সম্পাদিকা ঃ দিশা মিস্ত্ৰী

শিক্ষক সদস্য ঃ ড° ৰুলী বৰঠাকুৰ
ড° দিপালী নেওগ
শ্ৰী উজ্জ্বলা বৰ্মন
ড° ৰংগিনা নাৰ্জাৰী
শ্ৰী লক্ষ্মণা দত্ত
ড° মানসী দেৱী

ছাত্ৰ সদস্য ঃ বিতোপন ৰাজবংশী
অনিমেষ ঠাকুৰীয়া




বেটুপাতৰ শিল্পী ঃ সপ্তৰ্ষি গাৰ্গ

মুদ্ৰণ ঃ শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেড
বামুণীমৈদাম, গুৱাহাটী-২১




স্বৰ্গীয় গিৰিধৰ শৰ্মা
জন্ম ঃ ৩০ জুলাই, ১৯১২
মৃত্যু ঃ ১০ মে', ১৯৭৮

আৰ্য্য পৰিয়ালৰ সমূহ সদস্যৰ হৈ 'এৰিয়ান'ৰ তৰফৰ
পৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ
স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱক
শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

# শ্ৰদ্ধাঞ্জলি

প্ৰজ্ঞাৰ সাধনাৰে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত জ্ঞানৰ জ্যোতি বিলাই
অনন্ত ধামলৈ গতি কৰা বৰেণ্য শিক্ষাবিদ দুগৰাকীলৈ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা শ্ৰদ্ধাৰে সুঁৱৰি পুষ্পাৰ্ঘ্য নিবেদন কৰিলোঁ।



**স্বৰ্গীয় দীনেশ চন্দ্ৰ বৰুৱা**
জন্ম ঃ ১০ ফেব্ৰুৱাৰী, ১৯৩৭
মৃত্যু ঃ ৭ ফেব্ৰুৱাৰী, ২০২৪



**স্বৰ্গীয় অশ্বিনী পাঠক**
জন্ম ঃ ২৩ জুলাই, ১৯৩৬
মৃত্যু ঃ ৯ মাৰ্চ, ২০২৪

अप्रमत्तेन वेदितव्यम्

উপাচাৰ্যৰ কাৰ্যালয়

# কটন বিশ্ববিদ্যালয়

পাণবজাৰ, গুৱাহাটী-০১

তাৰিখ ঃ ২৯ ডিচেম্বৰ, ২০২৩

## শুভেচ্ছাবাণী



আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'এৰিয়ান'ৰ এই বছৰৰ সংখ্যাটো প্ৰকাশ কৰিবলৈ আগবাঢ়িছে বুলি জানি সুখী হৈছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ বাবে মহাবিদ্যালয়ৰ আলোচনীখন অতি গুৰুত্বপূৰ্ণ। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি লক্ষ্য ৰাখি সম্পাদনা সমিতিয়ে আলোচনীখন সজাই তুলিব বুলি মোৰ দৃঢ় বিশ্বাস। প্ৰকৃতাৰ্থত এনেধৰণৰ প্ৰচেষ্টাই আমাৰ সাহিত্যৰ সমৃদ্ধি আৰু বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে, গতিকে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰো দায়িত্ব আছে।

আলোচনীখনৰ লগত জড়িত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক মই শুভেচ্ছা জনাইছোঁ।
তোমালোকৰ ভাল হওক।

(অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা)
উপাচাৰ্য, কটন বিশ্ববিদ্যালয়

জয় আই অসম

# সদৌ অসম ছাত্ৰ সন্থা

# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H. O. : GAUHATI UNIVERSITY, GUWAHATI-781014

প্ৰসঙ্গ.......................... দিনাংক..........................

## শুভেচ্ছাবাণী



ৰাজ্যখনৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান স্বায়ত্তশাসিত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে প্ৰতি বছৰৰ দৰে এইবেলিও বাৰ্ষিক মুখপত্ৰ "এৰিয়ান" প্ৰকাশৰ পথত বুলি জানি অতি সুখী হৈছোঁ। আশাকৰোঁ- জাতীয় ঐতিহ্য, জাতীয় সাহিত্য, পৰম্পৰা, সংস্কৃতি আদি ফুটি উঠাকৈ মুখপত্ৰখন প্ৰকাশ পাব। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, আমাৰ অতিকৈ সন্মানীয় শিক্ষাগুৰুসকলে নিজৰ লেখাৰ মাজেৰে জাতীয় জীৱনৰ প্ৰতিটো দিশ সামৰি ল'ব বুলি আমি আশাবাদী। জ্ঞান-গৰিমাৰে পুষ্ট আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ৫৩ সংখ্যক মুখপাত্ৰ "এৰিয়ান"য়ে জাতীয় সাহিত্যৰ প্ৰতি প্ৰচুৰ বৰঙণি আগবঢ়াব বুলি আশা ৰাখিলোঁ। জাতীয় জীৱনৰ সন্ধিক্ষণত এনে সাহিত্যৰ প্ৰয়োজনীয়তা আছে।

সদৌ শেষত মুখপত্ৰ সম্পাদনা সমিতি আৰু মহাবিদ্যালয়ৰ আটাইলৈকে আমাৰ ফালৰপৰা অলেখ শুভাশা।

(শ্ৰী উৎপল শৰ্মা)
সভাপতি
সদৌ অসম ছাত্ৰসন্থা

# অধ্যক্ষৰ মেজৰ পৰা.....



১৯৫৮ চনৰ ২৯ জুলাই তাৰিখে এক মনীষীৰ দ্বাৰা স্থাপিত আৰ্য্য মহাবিদ্যালয়খনে ৬৬ বছৰ সগৌৰৱেৰে অতিক্ৰম কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ পৰা বাৰ্ষিক ভাবে সাহিত্য-সংস্কৃতিৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশ সামৰি জ্ঞানৰ সম্ভাৰেৰে সমৃদ্ধ হৈ প্ৰকাশিত হৈ আহিছে বাৰ্ষিক মুখপত্ৰ 'এৰিয়ান'। এইবাৰৰ ২০২২-২৩ বৰ্ষৰ সংখ্যাটিও একেই জ্ঞানৰ বন্তি হৈ উজলি উঠিব বুলি আশা ৰাখিছোঁ।

ঐতিহ্যমণ্ডিত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ছাত্ৰ-ছাত্ৰীসকল মানসিক, বৌদ্ধিক সকলো দিশতে উদ্ভাসিত হৈ একোজন সুনাগৰিক হোৱা উদাহৰণ অলেখ। মহাবিদ্যালয়ৰ জ্ঞানৰ এই অবিৰত যাত্ৰাত শেহতীয়াকৈ 'নতুন শিক্ষা-নীতি ২০২০' সফলভাবে ৰূপায়িত কৰা হয় ২০২৩ বৰ্ষত। এই নীতি অনুসৰি মহাবিদ্যালয়ত শিক্ষাগত জ্ঞান প্ৰদান কৰাৰ লগতে বিভিন্ন জীৱিকামুখী অৰ্হতা লাভৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক বহুকেইটা দক্ষতা বিকাশ পাঠ্যক্ৰমৰ অন্তৰ্ভূক্তিৰে নতুন শৈলীগত শিক্ষা-প্ৰদানৰ ব্যৱস্থা কৰা হয়। ই মহাবিদ্যালয়ৰ এক নতুন ইতিহাস ৰচনা কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

**ডঃ প্ৰদীপ কুমাৰ ভট্টাচাৰ্য্য**
অধ্যক্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)



# EDITORIAL

"Aryan" step into 53rd year with its publication, an emerging plant flourishing into a self contending tree grounded firmly into the past and solidifying the future. The editorial board like every year went through a stupendous task of selecting and finalizing the best of the best creative material for the magazine. I am overwhelmed by the humongous response both by the students and the staff members with their drafts.

First of all, I thank our principle, Dr. Pradip Kumar Bhattacharya and my teacher in charge Dr. Pranita Barman along with the whole editorial board under whose guidence the successful completion of making this magazine was attained.

The essence of writing is the ability to convey throughts, ideas and information through the written word. Writing allows for the expression of creativity, the sharing of knowledge, and the preservation of history and culture. It is merely writer's craving to connect. Therby this magazine would picturize the authenticity of different indivitual thoughts, and creativity .

I am thankful to each and everyone, who invested their interest for 'ARYAN' 53rd edition.

Disha Mistry
Editor
Aryan
53rd Edition

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সঙ্গীত

কথা ঃ বিৰিঞ্চি কুমাৰ মেধি
সুৰ ঃ দীপক চক্ৰৱৰ্তী

জ্ঞান প্ৰদীপৰ শিখাত কঁপিছে
মহাসাধনাৰ গীত
প্ৰজ্ঞা, ধৃতিৰ ভেঁটিত জিলিকে
আৰ্য্য বিদ্যাপীঠ

হৃদয়ৰ আশা বিকশিত কৰি
ঢালে যে সঞ্জীৱনী
শতকে শিৰত পিন্ধাই দিয়ে
জ্ঞানৰ বিমল মণি
আকাশ বতাহ বিয়পি সফল
স্বপ্নৰ শুনো গীত।

অমোঘ নিবিড় ৰাতিৰ বুকুত
স্বপ্ন মদিৰ অলেখ চকুত
জ্যোতিধাৰা বাকি জ্বলিল প্ৰদীপ
নিগৰিল নৱনীত।

সুপ্তবীজৰ তন্দ্ৰা ভাগিল
হ'ল যে অংকুৰণ
পুষ্পে-পত্ৰে শোভিত তৰুই
ধিয়ালে নীল গগন
ধ্যান-ধাৰণাৰ জ্ঞান-গৰিমাৰ
শুনো সুধাময় গীত।।



# সূচীপত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ


- ৰাষ্ট্ৰীয় সেৰা আঁচনি ঃ এক অনুভৱ/অলি সোনোৱাল//৯
- অসমীয়া সমাজত ব্যৱহৃত গামখাৰু/মৃগেন শৰ্মা//১২
- শংকৰদেৱৰ ভক্তি ধৰ্মত বৈজ্ঞানিক ঃ দৃষ্টিভংগী/সুদীপ্তজিৎ নাথ//১৪
- প্ৰাচীন অসমৰ হাতেলিখা পুথি/মমী কলিতা//১৬
- ভাৰতীয় সংগীতৰ ইতিহাস/অনামিকা বৰ্মন//১৯
- ছাত্ৰ-যুৱ সমাজ, ছাত্ৰ সন্থা আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়/ছাজিছ আলম//২৪
- বিশ্বব্ৰহ্মাণ্ডত তৰাৰ তৰাৱলী/মৃণাল ঠাকুৰীয়া//২৮
- ভাৰতৰ বিকাশত নাৰী শক্তিৰ ভূমিকা/প্ৰদক্ষিণা কলিতা//৩০
- বিকশিত ভাৰত @2047, নাৰী আৰু সাম্প্ৰতিক সমাজ/ড° নীভাৰাণী দেৱী//৩১


### সাক্ষাৎকাৰ


- মৃগেন শৰ্মাৰ সৈতে এটি সাক্ষাৎকাৰ/অনিমেষ ঠাকুৰীয়া, বিতোপন ৰাজবংশী//৩২


### ভ্ৰমণ কাহিনী


- দ্বীপ মালাৰ দেশ ইণ্ডোনেছিয়া ভ্ৰমণৰ কিছু অনুভৱ/ড° স্বপ্নালী দত্ত//৩৪


### চুটিগল্প


- পশ্চিমৰ বেলি/কস্মিতা মানসী দাস//৩৭
- সুহৃদ/অনিমেষ ঠাকুৰীয়া//৩৮
- বিশ্বাসঘাটকতা/মমী বৈশ্য//৩৯
- হে মানৱতা !!!/বিদিশা হালৈ//৪০
- অভিশপ্ত নিশা/সুজাতা চক্ৰৱৰ্তী//৪১
- ভোকাতুৰ ঈশ্বৰ/বিতোপন ৰাজবংশী//৪৪
- ভেকো-ভাওনা/অনিমেষ ডেকা//৪৬

◆ "হত্যা নে আত্মহত্যা?"/প্ৰদক্ষিণা কলিতা//৪৮

◆ বিৰিয়ানি/পাৰ্থ প্ৰতিম শৰ্মা//৪৯

◆ উপহাৰ/নয়ন জ্যোতি নাথ//৫১

◆ ভোকাতুৰ/চিন্ময় চক্ৰৱৰ্তী//৫২

◆ স্বাভিমান/বিনীতা দেৱনাথ//৫৩

◆ ভীম/দিপামনি নাথ//৫৪

◆ সন্ধান/কাবেৰী কছাৰী//৫৫

◆ প্ৰতিশোধ/সুদিপ্তজিত নাথ//৫৬

◆ আলহী/দীপজ্যোতি চহৰীয়া//৫৭

◆ খলনায়িকাৰ প্ৰতিশোধ/তুলিকা বৈশ্য//৫৮

◆ পাশৱিকতা/সুদৰ্শনা বৰুৱা//৬০


## গ্ৰন্থ সমালোচনা শিতান


◆ গল্পকাৰ নমিতা তালুকদাৰৰ 'মেঘে ঢকা প্ৰভাতী বেলিৰ বাট'/লিখিতা ডেকা//৬১

◆ গল্পকাৰ দেৱজিৎ কলিতাৰ 'হাৰুকি মুৰাকামিয়ে পোহা খেতৰটো'/মমী বৈশ্য//৬৩

◆ গল্পকাৰ খনিন্দ্ৰ ভূষণ মহন্তৰ 'ৰূপালী মকৰাৰ বাট'/সুজাতা চক্ৰৱৰ্তী//৬৫


## অনুভৱৰ একাষাৰ


◆ আৰ্য্য বিদ্যাপীঠ ঃ এটি অনুভৱ/বৰ্ণিকা ঘোষ//৬৭

◆ "গৰম বন্ধ" ৰ স্মৃতি/মৃগাংক নেওগ//৬৮

◆ সোণচেঁকুৰাৰ পলবোৰ...../কস্তুৰী দাস//৬৯


## কবিতা


◆ ফাগুন /জুমন ঠাকুৰীয়া//৭১

◆ অভিজ্ঞতা! মৃত্যুক স্পৰ্শ কৰাৰ/ৰিদিপ ৰঞ্জন কলিতা//৭১

◆ বেশ্যা তাই এজনী নাৰী/চিন্ময় চক্ৰৱৰ্তী//৭২

◆ জ্ঞান মন্দিৰ/সুদৰ্শনা বৰুৱা//৭২

◆ মই গুলজাৰ/মৃণাল ঠাকুৰীয়া//৭৩

◆ অঁকৰা ফাগুন!/কাবেৰী কছাৰী//৭৩

◆ সমাজৰ এচুকৰ জাবৰৰ কথাৰে/ইমন বৰা//৭৪

- গৰখীয়াৰ স্বপ্ন/অভিনব কমল ভূএগ্রা//৭৪
- ফাগুন/জ্যোতিস্মান কলিতা//৭৫
- আকৌ উভতি আহিম/ঋতুপৰ্ণা চৌধুৰী//৭৫
- ৰেখা/পাৰ্থ প্ৰতিম শৰ্মা//৭৬
- ৰিক্তছায়া/কুলদীপ কলিতা//৭৬
- কিন্নৰ/সুদিপ্তজিত নাথ//৭৭
- মনৰ চিৎকাৰ/হৰ্ষজিত দাস//৭৭
- শৈশৱ/অগুষ্টিনা মহন্ত//৭৮
- পশ্চিমৰ বেলি/অভিনব কমল ভূএগ্রা//৭৮
- তোমাৰ নিজকে এটা বাৰ্তা/পিযুষ কলিতা//৭৯
- "তাই হেনো বেশ্যা"/প্ৰদক্ষিণা কলিতা//৮০
- এটা বাৰ্তা/চয়াস্মিতা দত্ত//৮০
- আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়/নিতুমনি বৰ্মন//৮১
- ঈ/বিতোপন ৰাজবংশী//৮১
- অনুভৱ/দ্বীপজ্যোতি চহৰীয়া//৮২
- মিনতি/ৰীমা বেগম//৮২
- নাৰী/নিকুমনি দাস//৮৩
- ল'ৰালি /ভিতালী কলিতা//৮৩
- তাইজনী/প্ৰস্তুতি গগৈ//৮৪
- এতিয়া দুঃখৰ সময়/বাগ্মিতা ভূএগ্রা//৮৪
- নীৰৱতাৰ গান/বৃষ্টি পাল//৮৫
- বৰষুণ/ৰিংকি মণি ভৰালী//৮৫
- পৰ্বতৰ সিপাৰে আছেনো কি?/নেন্সি নাথ//৮৬
- জীৱন/অনামিকা দাস//৮৬
- দুৰ্ঘটনাৰ দিনটো/উদয়ন চেতিয়া//৮৭
- স্নেহ/হিয়া ৰাণী ডেকা//৮৮
- বিদেশী চৰাইজনী/জোনমণি কলিতা//৮৮
- বেদনাৰ জুই/মেঘালী মাৰাক//৮৯
- কিছু স্মৃতিৰ সৈতে/মেঘালী মাৰাক//৮৯

# English Section

## Article


- G 20/Pahi Saikia// ৯২
- Flood in Assam/Tanuja Yasmin// ৯৩
- Landforms : Sculpting the Earth Surface/Mriganka Neog// ৯৪
- A Bird/Mriganka Neog// ৯৬
- Bagurumba/Raktim Boro// ৯৭


## Poems


- The Obscured Version of Pain/Bhaswati Goswami// ৯৮
- Live Your Life/Indro Pait// ৯৮
- A message to myself about Dance/Karishmita Das// ৯৯
- Woman/Nikumoni Das// ১০০
- Stories in the heart of Brahmaputra/Mrinal Thakuria// ১০০
- Alone/Saswati Kashyap// ১০১
- Life/Raktim Chakraborty// ১০১
- Teachers/Abhinab Gogoi// ১০১
- Walking in the Shore/Nazar Roy// ১০২
- A message to yourself/Biplab Chandra Hojai// ১০২
- Dreams remain Dreams/Sahil Rafique Ahmed// ১০৩
- Care Taker/Partha Pratim Sarma// ১০৩
- A story of Light/Bitopan Rajbongshi// ১০৪
- Earth Surface/Mriganka Neog// ১০৪

★ Voice of the Walls// ১০৫
★ From the Desk of the Secretaries of AVC Students' Union// ১১১
★ Ex-editors of 'Aryan'// ১২০

# অসমীয়া বিভাগ


ARYA VIDYAPEETH COLLEGE

প্ৰবন্ধ

# ৰাষ্ট্ৰীয় সেৱা আঁচনি ঃ এক অনুভৱ

**অলি সোনোৱাল**
স্নাতক, তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

NSS - ৰ প্ৰতি মোৰ অভিজ্ঞতাৰ বিষয়ে কোৱাৰ আগতে মই পঢ়া মোৰ মহাবিদ্যালয়ৰ অভিজ্ঞতাৰে আৰম্ভ কৰোঁ। যেতিয়া মই উচ্চতৰ মাধ্যমিক পৰীক্ষাত উৰ্ত্তীণ হৈ এইখন মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ তেতিয়া বহুতো প্ৰশ্ন মোৰ মনত উদয় হৈছিল, মানে এক প্ৰকাৰৰ ভয় লাগিছিল। মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰীসকল বা কেনেকুৱা হ'ব, স্কুলত পোৱা বন্ধু-বান্ধৱীবোৰৰ দৰে সংগ মহাবিদ্যালয়খনত পামনে নাই ইত্যাদি। ইয়াৰ বাহিৰেও আৰু বহুতো প্ৰশ্ন আহিছিল মোৰ মনলৈ। এইবোৰ প্ৰশ্ন লৈয়ে ৮ আগষ্টৰ দিনা মই প্ৰথম মহাবিদ্যালয়খনত ভৰি দিছিলোঁ। মহাবিদ্যালয়ত মোৰ বন্ধু-বান্ধৱী কোনো নাছিল কাৰণ মই উজনিৰ তিনিচুকীয়া জিলাৰ পৰাহে গুৱাহাটীলৈ পঢ়িবলৈ আহিছিলো।

আমাৰ মহাবিদ্যালয়খন এখন ঐতিহ্য মণ্ডিত মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ দৃশ্য অতি মনোৰোম আৰু চাৰিওফালে বকুল গছৰে ভৰা। মই কেতিয়াও এই ঐতিহ্য মণ্ডিত মহাবিদ্যালখনত পঢ়িব পাম বুলি ভবা নাছিলোঁ। প্ৰথম দিনা মহাবিদ্যালয়লৈ আহি মই মোৰ শ্ৰেণীকোঠাটো বিচাৰি পোৱা নাছিলো কিন্তু সকলোতকৈ ভাল লগা আৰু হাঁহি উঠা কথা এইটোৱে আছিল যে যেতিয়া শ্ৰেণী ৰুটিনখন চালোঁ আৰু চোৱাৰ পাছত গম পালোঁ যে মই মোৰ শ্ৰেণীৰ কোঠাৰ ঠিক দুৱাৰৰ সন্মুখতে থিয় হৈ আছোঁ। শ্ৰেণীকোঠাত সুমুৱাৰ পাঁচ মিনিট পাছত এগৰাকী শিক্ষয়িত্ৰী আহিল শ্ৰেণীত পাঠদান কৰিবলৈ। প্ৰথমতে ভাবিছিলোঁ শিক্ষয়িত্ৰীগৰাকী আমাৰ বিদ্যালয়খনৰ দৰে সকলোকে বুজি পোৱা হ'বনে? যদি নহয়! কিন্তু তেওঁ যেতিয়া শ্ৰেণীত পঢ়াবলৈ আৰম্ভ কৰিলে মই গম পাইছিলোঁ যে তেওঁৰ আমাৰ পূৰ্বৰ বিদ্যালয়ৰ শিক্ষকৰ দৰে পঢ়াব। প্ৰথম দিনাই ইমান ধুনীয়া, গুণী-জ্ঞানী, মৰম লগা শিক্ষয়ত্ৰী এগৰাকীৰ ক্লাছ কৰাৰ পাছত লাহে লাহে এগৰাকীৰ পাছত আন দুগৰাকী শিক্ষয়িত্ৰী আহিও পাঠদান কৰিলে। আমাৰ মহাবিদ্যালয়ত বহুত কেইটা বিভাগ আছে। ইয়াৰে ভিতৰত মই অসমীয়া বিভাগৰ ছাত্ৰী। মন কৰিবলগীয়া কথা হ'ল যে এজনো পুৰুষ শিক্ষক নাই, সকলোবোৰ মহিলা শিক্ষয়িত্ৰীয়ে আছে। আজিও মোৰ বিদ্যালয়ত পঢ়ি অহা শিক্ষক-শিক্ষয়িত্ৰীৰ কথা বহুত মনত পৰে। তেওঁলোকেও বহুত ভাল আছিল। এনেকৈয়ে সুখ-দুখৰ মাজেৰে ভাল-বেয়া পৰিস্থিতৰে হাঁহি মুখেৰে এবছৰ পাৰ হৈ গ'ল। সময়ৰ লগে লগে মোৰ বহুতো বন্ধু-বান্ধৱী হ'ল। সকলোবোৰ বৰ ভাল। ইজনে সিজনৰ সহায়-সহযোগিতা আগবঢ়োৱা মানসিকতাৰ।

এদিনাখন মোৰ বান্ধৱী এজনীৰ মুখত NSS ৰ বিষয়ে শুনিলো। যিহেতু মই NSS ৰ নামটো আগতে শুনা নাছিলো সেই কাৰণে NSS ৰ বিষয়ে আৰু গভীৰভাৱে জানিবলৈ মন গ'ল। তাইক মই NSS ৰ বিষয়ে বিতংকৈ ক'বলৈ দিলোঁ। তাই মোক ক'বলৈ ধৰিলে। NSS (ৰাষ্ট্ৰীয় সেৱা আঁচনি) হৈছে ভাৰত চৰকাৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ কেন্দ্ৰীয় খণ্ডৰ আঁচনি। ইয়াৰ জৰিয়তে ভাৰতৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ কাৰিকৰী প্ৰতিষ্ঠানৰ স্নাতক, আৰু স্নাতকোত্তৰ শিক্ষাৰ্থী যুৱক-যুৱতীসকলক, +২ ব'ৰ্ড পৰ্যায়ৰ বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-যুৱক-যুৱতীসকলক বিভিন্ন চৰকাৰী নেতৃত্বত সামূহিক সেৱাৰ কাৰ্যকলাপ আৰু কাৰ্যসূচীত অংশ গ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰা হয়। স্বেচ্ছামূলক সমাজ সেৱাৰ জৰিয়তে ছাত্ৰ, যুৱক-যুৱতীসকলৰ ব্যক্তিত্ব আৰু চৰিত্ৰ গঢ়ি তোলাৰ উপৰিও 'সেৱাৰ জৰিয়তে শিক্ষা' এন এছ এছৰ উদ্দেশ্য। ১৯৬৯ চনত ৩৭ খন বিশ্ববিদ্যালয়ত প্ৰায় ৪০,০০০ স্বেচ্ছাসেৱক জড়িত হৈ এন এছ এছ গোট আৰম্ভ কৰা হৈছিল যিয়ে এতিয়া ৬৫৭ খন বিশ্ববিদ্যালয় আৰু ৫১+২ খন পৰিষদ/সঞ্চালকালয়ত বিয়পি পৰিছে, ২০,৬৬৯ খন কলেজ/কাৰিকৰী প্ৰতিষ্ঠান আৰু ১১,৯৮৮ খন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় সামৰি লৈছে। আৰম্ভণিৰ

পৰাই ৭.৪ কোটিৰো অধিক ছাত্ৰ-ছাত্ৰী এন এছ এছৰ দ্বাৰা উপকৃত হৈছে।

**এন এছ এছ বেজ ঃ**

এন এছ এছৰ নেতৃত্বত সামূহিক সেৱাৰ জৰিয়তে জাতিটোৰ সেৱা কৰিবলৈ বাছি লোৱা সকলো যুৱ স্বেচ্ছাসেৱকৰ আৰ্তজনক সহায় কৰাৰ প্ৰতি গৌৰৱ আৰু দায়িত্ববোধ থাকে। এন এছ এছ বেজত থকা কৰ্নাক চকাটোৱে ৮ টা বাৰ থকাটোৱে দিনটোৰ ২৪ ঘন্টাৰ কথা বুজায়, যিয়ে পিন্ধাজনক সোঁৱৰাই দিয়ে যে দিন-নিশাই অৰ্থাত ২৪ ঘণ্টা ধৰি জাতিটোৰ সেৱাৰ বাবে সাজু থাকিব লাগে।

বেজটোত থকা ৰঙা ৰঙে এন এছ এছৰ স্বেচ্ছাসেৱক সকলে প্ৰদৰ্শন কৰা শক্তি আৰু আত্মাক বুজায়। নীলা ৰঙে সেই মহাবিশ্বক বুজায়। যাৰ এন এছ এছ এটা ক্ষুদ্ৰ অংশ, মানৱ জাতিৰ কল্যাণৰ বাবে নিজৰ অংশ অৱদান আগবঢ়াবলৈ সাজু।

**এন এছ এছৰ স্বেচ্ছাসেৱক হোৱাৰ সুবিধা ঃ-** সামূহিক সেৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰা এজন এন এছ এছৰ স্বেচ্ছাসেৱক হয় কলেজ পৰ্যায়ৰ ছাত্ৰ হ'ব নহয় জ্যেষ্ঠ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ হ'ব। সক্ৰিয় সদস্য হোৱাৰ বাবে এই ছাত্ৰ স্বেচ্ছাসেৱকসকলে বিভিন্ন এস্কপ'জাৰ আৰু অভিজ্ঞতা লাভ কৰি এজন নিপুন সামাজিক নেতা, এজন দক্ষ প্ৰশাসকৰূপে পৰিগণিত হ'ব পাৰিব।

**এন এছ এছ গণৰাজ্য দিৱসৰ পেৰেড শিবিৰৰ উদ্দেশ্যঃ-**

১) ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সতীৰ্থ সদস্য সকলৰ সৈতে স্বেচ্ছাসেৱকসকলক মত বিনিময় কৰিবলৈ সক্ষম কৰা। ভাৰতৰ সকলো ৰাজ্যৰ পৰম্পৰা, ৰীতি-নীতি, সংস্কৃতি, ভাষাৰ অভিজ্ঞতা লাভ কৰা।

২) ছাত্ৰ স্বেচ্ছাসেৱকসকলৰ সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ সুযোগ প্ৰদান কৰা।

৩) দেশপ্ৰেম, জাতীয় সংহতি, ভাতৃত্ববোধ আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বান্ধোন গঠন কৰা।

ৰাষ্ট্ৰীয় সংহতি শিবিৰ (এন. আই. চি) ঃ-

প্ৰতি বছৰে ৰাষ্ট্ৰীয় সংহতি শিবিৰ (NIC) আয়োজন কৰা হয় আৰু প্ৰতিষ্ঠা শিবিৰৰ সময়সীমা ৭ দিনৰ আৰু দিন-ৰাতি বৰ্ডিং আৰু লাজিং। এই শিবিৰসমূহ দেশৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হয়। প্ৰতিটো শিবিৰতে নিৰ্ধাৰিত কাম-কাজসমূহ গ্ৰহণ কৰিবলৈ ২০০ জন এন.এছ.এছ স্বেচ্ছাসেৱক জড়িত হৈ থাকে। প্ৰতি বছৰে এই শিবিৰসমূহ অনুষ্ঠিত হয় য'ত প্ৰায় ১৫০০ এন.এছ.এছৰ স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে য'ত কমেও ৫০% স্বেচ্ছাসেৱকে কন্যা ছাত্ৰী। এই শিবিৰসমূহ উত্তৰ-পূব অঞ্চলৰ হিমালয় অঞ্চল আৰু উত্তৰ-পূৰ অঞ্চলৰ অৰুণাচল প্ৰদেশত অনুষ্ঠিত হয়। এই শিবিৰসমূহ গ্ৰহণ কৰা দুঃসাহসিক কাৰ্য্যকলাপ সমূহৰ ভিতৰত আছে পাহাৰ ট্ৰেকিং, বাটৰে ৰাফটিং, পেৰা-চেলিং। এনেদৰে ইমানখিনিলৈ তাই মোক বুজাই দিছিল।

মোৰ শ্ৰেণী শেষ হোৱাৰ পাছত আমি সকলো বন্ধু-বান্ধৱী শ্ৰেণী কোঠাত বহি NSS ৰ বিষয়ে আলোচনা কৰি আছিলো। এনেতে আলোচনা কৰি থকা সময়ত আমাৰ লগৰ বন্ধু এজনে NSS ৰ ফৰ্ম দি আছে বুলি কৈ উঠিলে। এনেদৰে আমাৰ বন্ধু-বান্ধৱীৰ কিছুমানে NSS ৰ ফৰ্ম ফিলাপ কৰিলে। সিহঁতক চাই ময়ো NSS ৰ ফৰ্ম ফিলাপ কৰিলো। এনেদৰে ফৰ্মফিলাপ কৰাৰ পিছত লাহে লাহে NSS ৰ অনুষ্ঠানবোৰত মোৰ যোগদান আৰম্ভ হ'ল।

আমাৰ NSS ৰ ফালৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈও কেইটামান অনুষ্ঠান আয়োজন কৰা হৈছিল আৰু মইও NSS ৰ স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিলো। সেই অনুষ্ঠানসমূহ উল্লেখ কৰা হ'ল -

- NSS আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ইউনিট গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ NSS UNIT ৰ উদ্যোগত গুৱাহাটীৰ ডাঃ বি বৰুৱা কেন্সাৰ ইন্সটিটিউটৰ সহযোগত এক ৰক্তদান শিবিৰ। এই অনুষ্ঠানটো অতি সফলভাৱে হৈছিল।
- ৩০ মাৰ্চ ২০২৩ চনৰ তাৰিখে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) এন এছ এছ ইউনিটে তেওঁলোকৰ গৃহীত " নিউ জি এম চি কলনী" এলেকাত ২০ নং ৱাৰ্ড, ফটাচিল আমবাৰী, ঘাই-২৫ ৰ অন্তৰ্গত সামূহিক সেৱা আৰম্ভ কৰে। অনুষ্ঠানটো উদ্বোধন কৰে জি. এম. চিৰ উপ মেয়ৰ শ্ৰীমতী স্মিতা ৰায়ে। কৰ্তৃপক্ষৰ হৈ এভিচি, একাডেমিক ডীন ড° মৌচুমী বৰা আৰু আই কিউ এচিৰ সমন্বয়ক ড° অনুপমা দেৱী উপস্থিত থাকে। অৰ্থনীতি বিভাগৰ মুৰব্বী ছন্দা বিশ্বাসে "লিংগ সংবেদনীলতা, সামাজিক সমন্বয়ৰ বাবে

সজাগতা” ৰ ওপৰত আলোচনা কৰে। এন এছ এছৰ স্বেচ্ছাসেৱকৰ লগতে অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে সমাজৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। এন এছ এছ স্বেচ্ছাসেৱকসকলে সজাগতা অভিমানৰ অংশ হিচাপে শিশু বিবাহৰ ওপৰত 'ষ্ট্ৰীট প্লে'ও উপস্থাপন কৰে।

- ২০২৩ চনৰ ১ এপ্ৰিল তাৰিখে আৰ্য্য বিদ্যাপীছ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) এন এছ এছ ইউনিটে উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগত এন. এছ. এছ গ্ৰহণ কৰা “ নিউ জি এম চি কলনী” এলেকাত ২০ নং ৱাৰ্ড, ফটাশিল আমবাৰী, ঘাই -২৫ৰ অন্তৰ্গত প্লেনটেচন ড্ৰাইভ অনুষ্ঠিত কৰে। উদ্ভিদ বিজ্ঞান বিভাগে সেই অঞ্চলত ৰোপণৰ বাবে মূল্যৱান গছবোৰৰ ব্যৱস্থা কৰিছিল আৰু এন এছ এছ ইউনিটৰ লগতে 'ট্ৰি ফৰ লাইফ' ৰ ওপৰতো সম্প্ৰদায়ৰ লোকসকলক সংবেদনশীল কৰিছিল। আনুষদ, এভিচিৰ এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।
- ১০ মে', ২০২৩ তাৰিখে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) এন. এছ. এছ ইউনিটে বাংলা বিভাগৰ সহযোগত এন. এছ. এছ গ্ৰহণ কৰা “নতুন জি এম চি কলনী” অঞ্চলত ২০ নং ৱাৰ্ড, ফটাশিল আমবাৰী, ঘাই -২৫ ৰ অন্তৰ্গত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। বাংলা বিভাগৰ ছাত্ৰ-ছাত্ৰী দৰ্শকৰ আগত এখন বাটৰ নাট 'ইজ্জত' (ৱালিকাশিক্ষা ৱাল শ্ৰম, ৱাল বিবাহ পৰ আধাৰিত) উপস্থাপন কৰিছিল। বিভাগটোৰ হৈ বিভাগ মুৰব্বী ড° সুমিতা ভট্টাচাৰ্জী, ড° মোম্পী গুপ্তাই সমাজৰ লোকসকলক 'জীৱন কলা' ৰ ওপৰত কিছু অমূল্য শিক্ষা শিকাইছিল। বিভাগটোৱে মহাত্মা গান্ধী হৰিজন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। ড° সুমিতা ভট্টাচাৰ্জীয়ে দয়াৰ ভংগীমাক হিচাপে সেই নাৰ্তজনৰ মাজত ২৬ টা স্কুল বেগ প্ৰদান কৰে। সামগ্ৰিকভাৱে অনুষ্ঠানটো সফল আছিল। শিক্ষক, এন. এছ. এছৰ স্বেচ্ছাসেৱক সকলোৱে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।
- ১৩ মে' ২০২৩ তাৰিখে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ (স্বায়ত্ত শাসিত) অসমীয়া বিভাগে মহাবিদ্যালয়খনৰ এন. এছ. এছ ইউনিটৰ সহযোগত ৱাৰ্ডৰ অন্তৰ্গত “নিউ জি এম চি কলনী” এলেকাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু সম্প্ৰদায়ৰ লোকসকলৰ মাজত 'শিশু শ্ৰম আৰু শিশু নিৰ্যাতন' সম্পৰ্কে সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰে। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলেও উক্ত বিষয়ৰ লগত সংগতি ৰাখি 'মুক্তি' নামেৰে এখন বাটৰ নাট পৰিৱেশন কৰে। বিভাগটোৱে মহাত্মা গান্ধী হৰিজন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠ্যক্ৰমৰ পুথি বিতৰণ কৰে। সামগ্ৰিকভাৱে অনুষ্ঠানটো সফল আছিল। শিক্ষক, এন এছ এছৰ স্বেচ্ছাসেৱক, অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী, সম্প্ৰদায়ৰ লোক-সকলোৱে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।
- অসম চৰকাৰৰ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ উদ্যোগত, ১৩-০৮-২০২৩ তাৰিখে লতাশিল খেলপথাৰৰ পৰা ক্ৰমে আমবাৰী আৰু দীঘলীপুখুৰীলৈ আয়োজন কৰা Run-up অনুষ্ঠানত স্বায়ত্তশাসিত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ NSS স্বেচ্ছাসেৱকসকলে অংশগ্ৰহণ কৰে।
- আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) NSS UNIT ৰ সহযোগত AVCSU ৰ সহযোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত বেডমিণ্টন ইভেণ্টৰ আয়োজন কৰা হয় আৰু মুঠ ৪৮ টা দলে (পুৰুষ ডাবলছ আৰু মহিলা ডাবলছ) অংশগ্ৰহণ কৰে। অনুষ্ঠানটো সফল হৈছিল। ❖

অসমীয়া সমাজত মহিলাই পৰিধান কৰা বিবিধ অলংকাৰৰ ভিতৰত আঙঠি আৰু খাৰু প্ৰধান আছিল। সেইবোৰৰ ভিতৰত উকা সোণৰ গামখাৰু, উকা ৰূপৰ গামখাৰু, বাখৰুৱা গামখাৰু, সোণৰ চাৰিপতীয়া গামখাৰু আদি প্ৰধান। আকৌ আঙঠিৰ ক্ষেত্ৰত উকা আঙঠি, হীৰাপতা আঙঠি, বাখৰি আঙঠি, পদুম ফুলীয়া আঙঠি, ভাটৌ ঠোঁটীয়া আঙঠি, বাখৰাসি আঙঠি, মকৰানেজীয়া আঙঠি আদিয়ে প্ৰধান।

# অসমীয়া সমাজত ব্যৱহৃত-গামখাৰু



**মৃগেন শৰ্মা**
গৱেষণাগাৰ সহযোগী
শিক্ষা বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী - ১৬

গামখাৰু অসমৰ এবিধ পুৰণি অলংকাৰ। ইয়াক আগতে পুৰুষ আৰু মহিলা উভয়ে পিন্ধিছিল। বৰ্তমানো গামখাৰুৰ প্ৰচলন অসমীয়া সমাজত আছে। ইয়াক পিন্ধাৰ ফলত মানুহৰ সৌন্দৰ্য বৃদ্ধি পায়।

অসমীয়া সমাজত মহিলাই পৰিধান কৰা বিবিধ অলংকাৰৰ ভিতৰত আঙঠি আৰু খাৰু প্ৰধান আছিল। সেইবোৰৰ ভিতৰত উকা সোণৰ গামখাৰু, উকা ৰূপৰ গামখাৰু, বাখৰুৱা গামখাৰু, সোণৰ চাৰিপতীয়া গামখাৰু আদি প্ৰধান।

**গামখাৰু পুৰণি কালত জনজাতীয় মুখিয়ালসকলে পৰিধান কৰিছিল। বুৰঞ্জীত অসমৰ মিচিং, চুতীয়া, ডফলা, চিংফৌ আদি জনজাতিৰ গাওঁবুঢ়াসকলক গাম (গ্ৰাম শব্দৰ অপভ্ৰংশ) বুলিছিল। গামে পিন্ধা খাৰু বাবে ইয়াক ‘গামখাৰু’ বোলা হৈছিল। আগতে পুৰুষ-মহিলাই পিন্ধা এই অলংকাৰ এতিয়া মহিলাসকলে পৰিধান কৰে।**

আকৌ আঙঠিৰ ক্ষেত্ৰত উকা আঙঠি, হীৰাপতা আঙঠি, বাবৰি আঙঠি, পদুম ফুলীয়া আঙঠি, ভাটৌ ঠোঁটীয়া আঙঠি, বাখৰামি আঙঠি, মৰানেজীয়া আঙঠি আদিয়ে প্ৰধান।

গামখাৰু পুৰণি কালত জনজাতীয় মুখিয়ালসকলে পৰিধান কৰিছিল। বুৰঞ্জীত অসমৰ মিচিং, চুতীয়া, ডফলা, চিংফৌ আদি জনজাতিৰ গাঁওবুঢ়াসকলক গাম (গ্ৰাম শব্দৰ অপভ্ৰংশ) বুলিছিল। গামে পিন্ধা খাৰু বাবে ইয়াক ‘গামখাৰু’ বোলা হৈছিল। আগতে পুৰুষ-মহিলাই পিন্ধা এই অলংকাৰ এতিয়া মহিলাসকলে পৰিধান কৰে।

গামখাৰুৰ লগতে অন্যান্য গহনা তৈয়াৰ কৰা পদ্ধতিটো দক্ষিণ এচিয়াৰ পাৰম্পৰিক পদ্ধতি সৈতে সাদৃশ্য থকা। বিভিন্ন সজুঁলিসমূহ যেনে - হাঁতুৰী, ভাটী, নিয়াৰি, ডাইচ, ফলি, কৰ্ষণী, কাঁটি, নোৰনি, লেপ, বাখৰ আদিৰ সহায়ত হাতেৰে এই গহণা বিশেষ তৈয়াৰ কৰা হয়। সাধাৰণতে গহনাৰ জঁকাটো ৰূপ ধাতুৰ সহায়ত তৈয়াৰ কৰি তাৰ ওপৰত সোণৰ পাতল আৱৰণ দিয়া হয়। ইয়াৰ বাবে সোণ গলাই স্প্ৰে যন্ত্ৰৰ সহায়ত গহনাৰ ওপৰত নিৰ্দিষ্ট অনুপাতত এটা প্ৰলেপ দিয়া হয়। এই পদ্ধতিটোক ‘সোণ পাণী চৰোৱা’ বুলিও কোৱা হয়। প্ৰধানকৈ কেৰু, জাংফাই, গামখাৰু জনজাতীয় পাৰম্পৰিক আৰ্হিত তৈয়াৰ কৰা হয়।

গামখাৰু তৈয়াৰ কৰিবলৈ সাধাৰণতে সোণ আৰু ৰূপ ধাতু ব্যৱহাৰ কৰা হয়। সাধাৰণতে এই দুয়োবিধ ধাতু ব্যৱহাৰ কৰা হয় যদিও অসমত ৰূপৰ গামখাৰুৰ প্ৰচলনহে অধিক। গামখাৰু তিনিসৰীয়া আৰু মাজতে এডাল শলা থাকে। খাৰুপাত খুলিবৰ সময়ত প্ৰথমতে শলাডাল খুলি ল'ব লাগে। শলাডালে খাৰুপাত হাতৰ পৰা পৰি নোযোৱাকৈ ৰাখে। গামখাৰুত লতা, ফুল আদি খোদিত কৰা হয়। আকৌ কিছুমান সোণৰ গামখাৰুত বাখৰ পতোৱা হয়।

গামখাৰু বিভিন্ন প্ৰকাৰৰ আছে। সেইবোৰ হ'ল ঃ-

১) উকা সোণৰ গামখাৰু

২) উকা ৰূপৰ গামখাৰু

৩) বাখৰুৱা গামখাৰু

৪) সোণৰ চাৰিপতীয়া গামখাৰু আদি।

সৰু আকাৰৰ গামখাৰুক উজনি অসমৰ লোকে মুছিখাৰু বুলি কয়। কিন্তু নামনি অসমত মুঠিখাৰুবিধ বেলেগ। গামখাৰু পাতলকৈ আৰু ভিতৰফালে ৰূপৰ প্ৰলেপ এটা দি দুই ধৰণে বনোৱা হয়। পাতলকৈ বনালে কম খৰচী হয়। বৰপেটাত তৈয়াৰ কৰা ৰূপত সোণ পাণী চৰোৱা গামখাৰুৰ দৰে আৰু সুলভতাৰ বাবে গোটেই অসমত এনেবিধ গামখাৰুৰ প্ৰচলন বেছি।

বৰ্তমান বিহুৱতী নাচনীয়ে গামখাৰু পিন্ধে। ইয়াক পিন্ধি নাচনীসকলে ককালভাঙি নাচে।

এইদৰে সুদূৰ তাহানিৰে পৰা গামখাৰু আমাৰ সমাজত প্ৰচলন হৈ আহিছে অসমৰ জনজাতীয় লোকসকলৰ লগতে অসমীয়াসকলে ইয়াক পৰিধান কৰে। ❖

# শংকৰদেৱৰ ভক্তি ধৰ্মত বৈজ্ঞানিক দৃষ্টিভংগী



**শ্ৰী সুদীপ্তজিৎ নাথ**
তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যাল

ইটো লোক সমস্তকে কৰিব উদ্ধাৰ।
শংকৰ স্বৰূপে গৈয়া হৈব অৱতাৰ।।
আশ্চিনত প্ৰবেশি পঞ্চাদন গৈলা।
সেইদিনা শংকৰ দেৱৰ জন্ম ভৈলা।

পৰম ঈশ্বৰ কৃষ্ণই ১৩৭১ শকৰ শাওণ মাহৰ পঞ্চম দিনত যোৱাত সত্য সনাতন ধৰ্মৰ কপট ঢাকনি আঁতৰাই পূৰ্ব্বতে প্ৰতিষ্ঠিত সত্য সনাতন ধৰ্ম প্ৰতিষ্ঠাৰ কৰিবলৈ শংকৰ নামে ধৰাৰ বুকুত পিতৃ কুসুম্বৰৰ গৃহত জন্মগ্ৰহণ কৰিছিল। বোকাত পদুমৰ জন্ম হোৱাৰ দৰে সেই সময়ৰ বিশৃংখল অধঃপতিত সমাজ ব্যৱস্থাৰ সন্ধিক্ষণত গুৰুজনা মূৰ্তিমান হ'ল। সেই সময়ত ৰচিত হোৱা 'তন্ত্ৰৰ' কৰ্দমবাণীয়ে মানুহক পশুলৈ অবনমিত কৰিছিল। তাৰ উদাহৰণ হিচাপে বৃহৎ তন্ত্ৰসাৰৰ ৬৯ নং পৃষ্ঠাত আছে "মদ খোৱা, বাৰে বাৰে খোৱা, পৰি নোযোৱালৈকে খোৱা, পৰি গৈ উঠি পুনৰ খোৱা, তেতিয়া হলে তুমি মুক্তি পাৱা।" গতিকে যি বস্তু খালে মানুহৰ সৎ চেতনা বিলুপ্ত হয়, অসৎ কৰ্মৰ প্ৰয়াস বাঢ়ে সেই বস্তু খোৱাৰ বাবে তন্ত্ৰই উদগনি দিছে। সেই সন্ধিক্ষণত গুৰুজনাই আনিলে 'একশৰণ নামধৰ্ম'। সেই সময়ত চলি থকা দেৱ-দেৱী পূজা, ভূতপ্ৰেতৰ সাধনা, হাঁহ, পাৰ, ছাগলীৰ আনকি নৰবলি পৰ্যন্ত দি যি বিকৃত উপাসনাৰ ব্যৱস্থা অব্যাহত আছিল, তাৰ বিপৰিতে গুৰুজনাই আনিলে 'একদেৱ এক সেৱ' এক বিনে নাই কেৱ', এই মন্ত্ৰ যুক্ত এক ঈশ্বৰৰ বাদ ধ্বনিৰে বৈকুণ্ঠৰ ধৰ্ম। ভগৱন্ত কৃষ্ণই ইশ্বৰ।

ধৰ্ম প্ৰৱৰ্তনৰ লগতে মহাপুৰুষ গুৰুজনাই সাহিত্য, সংস্কৃতি, নাট-ভাওনা প্ৰৱৰ্তনেৰে অসমভূমিক পৱিত্ৰ কৰি ৰাখিছে। সেয়েহে বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱে কৈছে—

কোন দূৰ অতীতৰ মগন মগ্ন যোগী তুমি।
তব পুণ্য জ্ঞানেৰে কৰিলা এই পৱিত্ৰ ভূমি।

একশৰণ হৰিনাম ধৰ্মৰ প্ৰবৰ্তনেৰে একদেৱ এক সেৱ ধ্বনিৰে যি সমাজ গুৰুজনাই গঢ়ি গৈছে সেয়া এই পৃথিৱীতে বিৰল।

আজিকালি বিজ্ঞানৰ যুগ। বিজ্ঞানৰ দ্বাৰা আজিৰ মানৱ সমাজে সিপুৰীত থকা চন্দ্ৰলৈও যান পঠিয়াব পৰা হ'ল। সমাজৰ আচাৰ-ব্যৱহাৰৰ পৰা আদি কৰি প্ৰত্যেকটো কথাত বৈজ্ঞানিক দৃষ্টিভংগীৰ দিশটো আজিৰ সমাজে বিচাৰ কৰি আহিছে। বৰ্তমান সময়ত গুৰুজনাই প্ৰদান কৰা

আদৰ্শ সমূহ কিমান বৈজ্ঞানিক দৃষ্টিভংগী সম্পন্ন তাক প্ৰমাণ কৰাটো বৰকৈ প্ৰয়োজনীয় হৈ পৰিছে।

ধৰ্ম প্ৰচাৰ, সাহিত্য সংস্কৃতি প্ৰচাৰৰ লগতে গুৰুজনাৰ আদৰ্শসমূহৰ প্ৰত্যেকটো ক্ষেত্ৰতে, ৰাতিপুৱাৰ পৰা ৰাতিলৈ পোৱা নিয়মবোৰত বৈজ্ঞানিক দৃষ্টিভংগী দেখিবলৈ পোৱা যায়। গুৰুজনাই ১১৯ বছৰীয়া জীৱনত কঠোৰ স্বাস্থ্যনীতি মানি চলাৰ বাবে বহু দিন জীয়াই থাকিব পৰিছিল।

স্বাস্থ্য ভালে ৰাখিবলৈ যোগব্যায়ামৰ গুৰুত্ব আমি সকলোৱে জানো। বৰ্তমান সময়ত ইয়াৰ জনপ্ৰিয়তা বাঢ়িছে যদিও 'গুৰুচৰিত'ৰ পৰা ইয়াৰ প্ৰমাণ পোৱা যায়। সন্ত সমাজত প্ৰচলিত 'মাতি আখৰা' এক প্ৰকাৰৰ যোগাসন। শৰণত কোৱা হয় শৌচ প্ৰস্বাৱ কৰিলে কথা কোৱা অনুচিত আৰু তাৰ পৰা আহি সদায় হাত মুখ ধুব লাগে। এই কথাবোৰৰ অধিক তাৎ পৰ্য আছে। ভকতসকলে মাহ প্ৰসাদ বা মহাপ্ৰসাদ দিলে সদায় মুখমণ্ডল গামোচা এখন মাৰি লয় যাতে বিলনীজনৰ পৰা কোনো থু-খেকাৰ একো নপৰে। covid 19 ৰ পাছৰ পৰা এইবোৰৰ তাৎপৰ্য আজিৰ মানুহে কিছু বুজি উঠিছে। নাম পাবলৈ সদায় ভকত সকলে শুদ্ধ বগা আৰু পাতল সাজপাৰ পৰিধান কৰে। কাৰণ নাম গালে মানুহৰ শৰীৰৰ উষ্ণতা বৃদ্ধি হয় আৰু পাতল সাজ পাৰে শৰীৰৰ উষ্ণতা শুহি লয়। ভকতসকলে গুৰু সেৱা কৰিলে সদায় নামজপ কৰে। নাম জপ কৰিলে বায়ুমণ্ডলৰ বিশুদ্ধ অনুকূল বায়ু সেৱন কৰিলে দেহমন শান্ত কৰি পেলায়। মহাপুৰুষ জনাৰ ১১৯ বছৰীয়া জীৱন কালত নিৰামিষ আহাৰ গ্ৰহণ কৰিছিল যাৰ বাবে তেওঁ নিৰোগী হৈ থাকিব পাৰিছিল। আমিষ আহাৰে মানুহক সদায় আধ্যাত্মিকতাৰ পৰা বিৰত ৰাখে আৰু আমি জানো আধ্যাত্মিকতাৰ অবিহনে আজিৰ সমাজ অসাৰ। বিশ্বস্বাস্থ্য সংস্থাৰ এটা সমীক্ষামতে নিৰামিষ আহাৰ খালে মানুহৰ ৫০% কৰ্কত ৰোগ হোৱা সম্ভাৱনা কমাই দিয়ে। তদুপৰি আমিষ আহাৰৰ জৰিয়তে মানুহ মধুমেহ, হৃদৰোগ, মেদবহুলতা আদি ৰোগ হোৱা দেখা যায়। গুৰুজনাই ধৰ্মীয় উপাসনাৰ অৰ্পণ হিচাপে আগবঢ়োৱা দ্ৰব্যসমূহ ভাৰতৰ অন্য ঠাইৰ প্ৰসাদৰ সৈতে নিমিলে। প্ৰসাদ হিচাপে বুট, মগু, ফল-মূল আদি ব্যৱহাৰ হয়। ইয়াৰ দ্বাৰা প্ৰচুৰ পৰিমাণে উপকাৰ সাধন হয়। বুটমাহত চেলেনিয়াম নামৰ এবিধ খনিজ পদাৰ্থ থাকে। যাৰ জৰিয়তে কৰ্কত ৰোগ হোৱাত বাধা প্ৰদান কৰে। মহাপুৰুষ জনাই সেই সময়ৰ পৰাই আহাৰ বিতৰন মাহ প্ৰসাদ ৰাখিবলৈ বাঁহৰ খৰাহী, আহাৰ গ্ৰহণ কৰোঁতে কলপাত আদি ব্যৱহাৰ কৰিছিল। আজিৰ সময়ত ইয়াৰ উপকাৰ আমি ভালকৈ জানো।

তুলসী গছৰ বিষয়ে আমি সকলোৱে জানো। আজিৰ পৰা ৫০০ বছৰ আগতে গুৰুজনাই ছালৰ বগা পৰা ৰোগৰ বাৱে জয়ন্ত বৰভূঞাৰ পৰিনাতি তুলসীৰামক এশ এটা তুলসি ৰুবলৈ দি বৈজ্ঞানিক মনৰ পৰিচয় দাঙি ধৰিছিল। আজিৰ সময়ত ইয়াৰ উপকাৰ সকলো বুজি উঠিলে।

গতিকে মহাপুৰুষজনা সঁচাকৈ এগৰাকী বৈজ্ঞানিক চিন্তা ধাৰাৰ ব্যক্তি আছিল। গুৰুজনা একেধাৰে শাস্ত্ৰজ্ঞ, তত্ত্বজ্ঞ, বিদগ্ধ পণ্ডিত। একক আৰু অদ্বিতীয়। সেয়েহে তেখেতক সৰ্বগুণাকাৰ বুলি কোৱা হয়। বৰ্তমান সময়ত গুৰুজনাই জাতিটোৰ বাবে দি যোৱা অৱদানতকৈ তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মৰ দিশতহে আজিৰ অসমীয়াই গুৰুত্ব দিয়ে। জীয়াই থাকিবলৈ যিদৰে খাদ্য, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজন ঠিক তেনেদৰে এজন সঠিক অসমীয়া হ'বলৈ গুৰুজনাৰ জাউতীযুগীয়া অৱদানসমূহ মানি চলিলেহে জাতিটো আৰু এখোজ আগবাঢ়িব বুলি মোৰ মনে ধৰে। বৰ্তমান গুৰুজনাই বিলাই যোৱা আদৰ্শ ধৰ্মত নিজৰ স্বাৰ্থৰ ওপৰত ভিত্তি কৰি এখন বৃহৎ সমাজ বিভিন্ন সৰু বৰ সমাজখন ভাগ হৈ যোৱা দেখা গৈছে। আমাৰ দেশ ভাৰতবৰ্ষৰ প্ৰত্যেক ৰাজ্যতে বিভিন্নজনে ধৰ্ম গুৰুৱে বিভিন্ন ধৰ্ম প্ৰৱৰ্তন কৰিছিল। প্ৰত্যেক জাতিয়ে আজিৰ দিনত নিজ ধৰ্মগুৰু, নিজ ভাষা, নিজ ধৰ্ম-সংস্কৃতি লৈ ব্যস্ত। কিন্তু বৰ্তমান সময়ত আজিৰ অসমীয়াই নিজৰ এই এক শুদ্ধ ধৰ্ম পাহৰি আন ধৰ্মত দীক্ষিত হোৱা দেখা যায়। গুৰুজনাই দিয়া সত্য শুদ্ধ বিজ্ঞানসন্মত ধৰ্ম থাকোতেও আমাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৰৰ ভাষাত ওপৰত এচামে আন ধৰ্মৰ প্ৰতি আসক্ত হোৱা দেখা যায়। আমি সদায় নিজৰ সংস্কৃতি গুৰুজনাই বিলাই যোৱা ধৰ্মত সদায় গুৰুত্ব দিব লাগে। আন ধৰ্মক শ্ৰদ্ধা কৰা উচিত কিন্তু নিজৰ ধৰ্মক কেনেকৈ আগবঢ়াই জগত সভাত প্ৰতিষ্ঠা কৰিব পাৰো তাৰ ওপৰত গুৰুত্ব দিব লাগে।

এই কথাবোৰ মানি নচলিলে জাতিটোৱে নিজস্ব চিনাকি হেৰুৱাই পেলাব। এনেবোৰ সত্য কথা মানি নচলিলে গুৰুজনাক বাহিৰত প্ৰচাৰ কৰতো ডাঙৰে কথা নিজৰ মাজতে হেৰাই যাব। ❖

# প্ৰাচীন অসমৰ হাতেলিখা পুথি

**মমী কলিতা**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



অসমৰ সভ্যতা, ভাষা-সংস্কৃতিৰ ঐতিহ্য অতি প্ৰাচীন। সুদূৰ অতীতৰ পৰাই অসমত ধাৰাবাহিকভাৱে উচ্চখাপৰ সাহিত্য চৰ্চা চলি আহিছে। গোলাঘাট জিলাৰ সৰুপথাৰৰ খনিকৰ গাঁৱত উদ্ধাৰ হোৱা আৰু বৰ্তমান গুৱাহাটীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত ৫ ম শতিকাৰ নগাজৰী খনিকৰ শিলালিপি, যোৰহাট জিলা সংগ্ৰহালয়ত সংৰক্ষিত কাছমাৰী এলেকাৰ অচিনাক্ত নাৰী মূৰ্তিৰ গাত খোদিত ৭ ম শতিকাৰ শিলালিপি আদি পুৰাৱশেষে মূল পূৰ্ব ব্ৰাহ্মী লিপিৰ পৰা বিকশিত হোৱা অসমীয়া লিপি আৰু সেই প্ৰাচীন কালতো চৰ্চা হোৱা ভাষা সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন। প্ৰাচীন কালত সাহিত্য চৰ্চা কৰা হৈছিল হাতে লিখা পুথিৰ ৰচনাৰে। বাণভট্ট ৰচিত 'হৰ্ষ চৰিত' ত উল্লেখ আছে যে সপ্তম শতিকাৰ কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে তেওঁৰ মিত্ৰ কনৌজৰ অধিপতি হৰ্ষবৰ্দ্ধনলৈ কটকী হংসবেগৰ হাতত যিবোৰ উপহাৰ পঠাইছিল, তাত অগৰু গছৰ ছালত পকা তিয়ঁহৰ ৰঙেৰে লিখা গ্ৰন্থও আছিল। ইয়াৰ পৰা অসমত তাৰ বহুকাল আগৰে পৰাই পুথি লিখিবলৈ অগৰু বা সাচীপাত আৰু উন্নত ধৰণৰ লেখন সঁজুলিৰ প্ৰচলনৰ কথা উল্লেখ কৰিব পাৰি।

অসমত প্ৰাচীন কালত হাতে লিখা পুথি লিখিবৰ বাবে অগৰু বা সাঁচীপাত আৰু তুলাপাত ব্যৱহাৰ কৰা হৈছিল। সাঁচী গছৰ পৰা লিখিবলৈ সাঁচীপাত প্ৰস্তুত কৰা পদ্ধতিৰ বিষয়ে ছাৰ এডোৱাৰ্ড গেইটে 'এ হিষ্ট্ৰী অৱ আসাম' ত এনেদৰে বৰ্ণনা কৰিছে - 'গছবোৰ ১৫/১৬ বছৰৰ আৰু তাৰ ঘেৰ হ'ব লাগে ৩০/৩৫ ইঞ্চি। এনে গছৰ পৰা মাটিৰ পৰা প্ৰায় ৪ ফুট ওখত দীঘলে দীঘলে বাকলি এৰুৱাই অনা হয়। এনে বাকলি দীঘলে ৬ ৰ পৰা ২৮ ফুট আৰু বহলে ৩ ৰ পৰা ২৭ ইঞ্চিলৈকে এৰুওৱা হয়। তাৰ পিছত এই বাকলিবোৰ নুৰিয়াই বান্ধি থোৱা হয়। বান্ধোতে বাকলিৰ বাহিৰৰ সেউজীয়া ভাগটো ভিতৰত আৰু ভিতৰৰ বগা ভাগটো ওপৰকৈ বন্ধা হয়। এনেদৰে নুৰিয়াই থোৱা বাকলিবোৰ বহু দিনলৈকে ৰ'দত শুকুৱাব লাগে। তাৰ পিছত এইবোৰ কাঠৰ তক্তা বা তেনে টান বস্তুৰ ওপৰত মেলি দি হাতেৰে মোহাৰি মোহাৰি বাকলিৰ বাহিৰৰ খপলা-খপলি অংশ বোৰ এৰুৱাই পেলোৱা হয়। এইবাৰ বাকলিবোৰ এনিশাৰ বাবে নিয়ৰত দিব লাগে। পিছদিনা বাকলিৰ ওপৰৰ ভাগটো সাৰধানে এৰুৱাই

অসমত প্ৰাচীন কালত হাতে লিখা পুথি লিখিবৰ বাবে অগৰু বা সাঁচীপাত আৰু তুলাপাত ব্যৱহাৰ কৰা হৈছিল। সাঁচী গছৰ পৰা লিখিবলৈ সাঁচীপাত প্ৰস্তুত কৰা পদ্ধতিৰ বিষয়ে ছাৰ এডোৱাৰ্ড গেইটে 'এ হিষ্ট্ৰী অৱ আসাম' ত এনেদৰে বৰ্ণনা কৰিছে - 'গছবোৰ ১৫/১৬ বছৰৰ আৰু তাৰ ঘেৰ হ'ব লাগে ৩০/৩৫ ইঞ্চি। এনে গছৰ পৰা মাটিৰ পৰা প্ৰায় ৪ ফুট ওখত দীঘলে দীঘলে বাকলি এৰুৱাই অনা হয়। এনে বাকলি দীঘলে ৬ ৰ পৰা ২৮ ফুট আৰু বহলে ৩ ৰ পৰা ২৭ ইঞ্চিলৈকে এৰুওৱা হয়। তাৰ পিছত এই বাকলিবোৰ নুৰিয়াই বান্ধি থোৱা হয়। বান্ধোতে বাকলিৰ বাহিৰৰ সেউজীয়া ভাগটো ভিতৰত আৰু ভিতৰৰ বগা ভাগটো ওপৰকৈ বন্ধা হয়। এনেদৰে নুৰিয়াই থোৱা বাকলিবোৰ বহু দিনলৈকে ৰ'দত শুকুৱাব লাগে। তাৰ পিছত এইবোৰ কাঠৰ তক্তা বা তেনে টান বস্তুৰ ওপৰত মেলি দি হাতেৰে মোহাৰি মোহাৰি বাকলিৰ বাহিৰৰ খপলা-খপলি অংশ বোৰ এৰুৱাই পেলোৱা হয়। এইবাৰ বাকলিবোৰ এনিশাৰ বাবে নিয়ৰত দিব লাগে। পিছদিনা বাকলিৰ ওপৰৰ ভাগটো সাৱধানে এৰুৱাই দিয়া হয়। এইবাৰ বাকলিবোৰ প্ৰয়োজন অনুসৰি দীঘলে ২ ৰ পৰা ২৭ ইঞ্চি আৰু বহলে ৩ ৰ পৰা ১৮ ইঞ্চিলৈকে জোখৰ জোখৰ হিচাপে কাটিব লাগে। এই কটা জোখৰ বোৰ এঘন্টা পানীত জুবুৰিয়াই থোৱা হয়। তাৰ পিছত ইয়াৰ বাকলিত লাগি থকা খাৰজাতীয় বস্তুবোৰ উলিয়াই দিয়া হয়। এইবাৰ কটাৰীৰে বাকলিবোৰ ধুনীয়াকৈ চুচি আধা ঘন্টা ৰ'দত শুকোৱাব লাগে। বাকলিবোৰ ভালকৈ শুকালে পোৱা ইটাৰে এইবোৰ ঘঁহি ঘঁহি মিহি কৰিব লাগে। এইবাৰ মাটি মাহৰ পৰা তৈয়াৰ কৰা এক প্ৰকাৰৰ কৰাল বাকলিবোৰত সনাৰ পিছত তাত হাইতালৰে ৰং দিয়া হয়। এই বাকলিবোৰ আকৌ ৰ'দাই, মোহাৰি মাৰ্বলৰ দৰে মিহি কৰা হয়। এইদৰে প্ৰস্তুত বাকলিবোৰ এতিয়া লেখাৰ বাবে উপযুক্ত হ'ল।

দিয়া হয়। এইবাৰ বাকলিবোৰ প্ৰয়োজন অনুসৰি দীঘলে ২ ৰ পৰা ২৭ ইঞ্চি আৰু বহলে ৩ ৰ পৰা ১৮ ইঞ্চিলৈকে জোখৰ জোখৰ হিচাপে কাটিব লাগে। এই কটা জোখৰ বোৰ এঘন্টা পানীত জুবুৰিয়াই থোৱা হয়। তাৰ পিছত ইয়াৰ বাকলিত লাগি থকা খাৰজাতীয় বস্তুবোৰ উলিয়াই দিয়া হয়। এইবাৰ কটাৰীৰে বাকলিবোৰ ধুনীয়াকৈ চুচি আধা ঘণ্টা ৰ'দত শুকোৱাব লাগে। বাকলিবোৰ ভালকৈ শুকালে পোৱা ইটাৰে এইবোৰ ঘঁহি ঘঁহি মিহি কৰিব লাগে। এইবাৰ মাটি মাহৰ পৰা তৈয়াৰ কৰা এক প্ৰকাৰৰ কৰাল বাকলিবোৰত সনাৰ পিছত তাত হাইতালৰে ৰং দিয়া হয়। এই বাকলিবোৰ আকৌ ৰ'দাই, মোহাৰি মাৰ্বলৰ দৰে মিহি কৰা হয়। এইদৰে প্ৰস্তুত বাকলিবোৰ এতিয়া লেখাৰ বাবে উপযুক্ত হ'ল।

প্ৰাচীন কালত ব্যৱহৃত পুথি লিখাৰ সঁজুলি আৰু চিয়াঁহী সম্পৰ্কে বেণুধৰ শৰ্মাই 'অসমীয়া সংস্কৃতি' গ্ৰন্থত এনেদৰে লিখিছে - 'পুথি লিখাৰ সঁজুলি আছিল কাপ, মহীচুঙা, কুটনী, আঁকমাৰি আৰু বিন্ধনা। লেকেচীয়া বাঁহৰ বা ঢেঁকীয়াৰ নাইবা খাগৰি কাপেৰে লিখিব লাগিছিল। চিয়াহীক বুলিছিল মহী আৰু চিয়াহী তৈয়াৰ কৰা হৈছিল এইদৰে - চৰু ছাই বা বৰা চাউলৰ ছাই, কেঁহেৰাজৰ ৰস, লোৱাচুৰ, গৰুমূত, শিলিখা, আম ছাল, জাম ছাল এইবোৰ বস্তু একেলগে লৈ কেৰাহীত সিজাই মাটিৰ চৰুত ওৰাই নিয়ৰত থৈ দিব লাগে। চৰুটোৰ বাহিৰে যি ৰস ঘামি ঘামি নিগৰি ওলাব সেয়ে অসমীয়া মহী। এই মহীৰে লিখা আখৰৰ বোল পানী নপৰিলে কেতিয়াও মাৰ নাযায়, কত বছৰলৈকে যে ফটফটীয়া হৈ থাকে এতিয়াও নিৰ্ণয় কৰিব পৰা নাই।

সাঁচীপাতৰ লগতে প্ৰাচীন কালত অসমত তুলাপতো ব্যাপক ভাৱে ব্যৱহাৰ কৰা হৈছিল। 'কথাগুৰু চৰিত' ত উল্লেখ আছে যে শ্ৰীমন্ত শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ প্ৰথম অৱস্থাত লিখা 'চিহ্নযাত্ৰা' ভাওনাৰ চিত্ৰপট অংকন কৰা হৈছিল তুলাপাতত। প্ৰাচীন কালত পুথি লিখাৰ কামত ব্যৱহৃত অন্যান্য আহিলা আছিল কোমল দৈ, বাঁহৰ চোঁচ, মদুৰি বনৰ পাতৰ নিচিনা দীঘল আৰু তাতকৈ বহল এবিধ বনৰ পাত, ভুটিয়াই অনা ভুজপাত আদি আৰু মাজে সময়ে পশুৰ ছাল আদিও পুথি লিখাত ব্যৱহাৰ কৰা হৈছিল। এইবোৰৰ ভিতৰত সাঁচীপাত আৰু তুলাপাতৰ ব্যৱহাৰেই আছিল অতি ব্যাপক আৰু সাঁচীপাতৰ ব্যৱহাৰ আছিল সৰ্বাধিক। কোনো আহিলা ব্যৱহাৰৰ নিৰ্দিষ্ট ধৰা বন্ধা নিয়ম নাথাকিলেও দেখা যায় যে মূল্যৱান পুথি বা দলিল আদি, যেনে - ৰাজকীয় পুথি পাজি আৰু দলিল আদি, ঐতিহ্যপূৰ্ণ ধৰ্মগ্ৰন্থ

আৰু মূল্যৱান বুলি বিবেচনা কৰা পুৰণি পুথি, ব্যক্তিগত চিঠি পত্ৰ, দলিল ৰাজকীয় সূচনা, বিচাৰ গোচৰ আদি তুলাপাতত লিখা হৈছিল।

অসমৰ পুৰণি হাতে লিখা বেছিভাগ মূল্যৱান পুথি ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু সত্ৰসমূহত সংৰক্ষিত হৈছিল। এওঁলোকৰ ভিতৰত কোঁচ ৰজা নৰনাৰায়ণ, কমতাৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহ, শিৱসিংহ, আৰু ৰাজেশ্বৰ সিংহ আদি বিশেষভাৱে উল্লেখযোগ্য। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলী, ভট্টদেৱ, কবিৰাজ চক্ৰৱৰ্তী আদি বিশিষ্ট লোকসকলে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অমূল্য পুথিসমূহ ৰচনা কৰিছিল। আহোম দিনত লিখোৱা আৰু নকল কৰি সংৰক্ষণ কৰা পুথিসমূহৰ ভিতৰত 'হস্তী বিদ্যাৰ্ণৱ', 'ঘোৰা নিদান' আৰু অসীম মূল্যৱান বুৰঞ্জীসমূহ উল্লেখযোগ্য। কোঁচ ৰজা নৰনাৰায়ণৰ দিনত শংকৰদেৱৰ ৰচনাসমূহে অসমীয়া সাহিত্যত নতুন যুগৰ সুচনা কৰিছিল। নৰনাৰায়ণে পণ্ডিতসকলক সংস্কৃতৰ বিখ্যাত গ্ৰন্থসমূহক যেনে ৰামায়ণ, পুৰাণ, ভাগৱত, লীলাৱতী, ৰত্নমালা ব্যাকৰণ আদি অসমীয়ালৈ অনুবাদ কৰিবলৈ নিযুক্ত কৰিছিল। শংকৰদেৱৰ ৰচনাসমূহ আৰু ১৬ শ শতিকাত ভট্টদেৱৰ 'ভাগৱত'ৰ অসমীয়া অনুবাদ 'কথা ভাগৱত' অসমীয়া সাহিত্যৰ সেই সময়ৰ উচ্চ মানৰ সাহিত্যৰ পৰিচয়। নামঘৰ বা সত্ৰসমূহত সংৰক্ষণ কৰি ৰখা পুথিসমূহৰ ভিতৰত ১৫ শ আৰু ১৬ শ শতিকাৰ শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ সমসাময়িক পণ্ডিতসকলৰ ৰচনাই প্ৰধান। সত্ৰত সংৰক্ষণ কৰি ৰখা পুথিসমূহৰ ভিতৰত কীৰ্তন, দশম, ৰামায়ণ, মহাভাৰত, ভাগৱত, নামঘোষা, ৰত্নাৱলী আদি আৰু অংকীয়া নাট বৰগীত আদি বৈষ্ণৱ অনুভূতিপ্ৰৱণ পুথিসমূহ প্ৰধান। অসমীয়া হাতে লিখা পুথিসমূহৰ বেছিভাগেই ধৰ্মগ্ৰন্থ আৰু ধৰ্মবিষয়ক হ'লেও যথেষ্ট সংখ্যক বুৰঞ্জী, মন্ত্ৰপুথি, বংশাৱলী, স্মৃতি পুথি, জ্যোতিষপুথি, বনৌষধি পুথি, কাব্যসাহিত্যৰ পুথি আদি প্ৰধান।

অসমৰ প্ৰাচীন হাতে লিখা পুথিসমূহৰ কিছু সংখ্যক আছিল চিত্ৰশোভিত আৰু বাকীবোৰ আছিল চিত্ৰবিহীন। এই সচিত্ৰ সাঁচীপতীয় পুথিসমূহৰ বিষয়ে ড° সূৰ্যকুমাৰ ভূঞাই লিখিছে 'এই পুথি লিখোতাসকলক পুথিত অংগসজ্জাৰ বাবে সাধাৰণতে চিত্ৰশিল্পী নিয়োগ কৰা হৈছিল। কেতিয়াবা লিখোতা নিজেই চিত্ৰশিল্পী আছিল। নহ'লে লিখোতাই পুথিত চিত্ৰৰ বাবে এৰি যোৱা খালী ঠাই কোনো চিত্ৰ শিল্পীয়ে যথাযথ চিত্ৰৰে পূৰ্ণ কৰি দিছিল। মহাকাব্য সমূহ বিশেষকৈ ৰাজকোঁৱৰ, ডা-ডাঙৰীয়া আৰু মুখ্য গোসাঁইসকলৰ মনোৰঞ্জনাৰ্থে লিখা পুথিসমূহ সাধাৰণতে চিত্ৰিত কৰা হৈছিল। কোনো কোনো ক্ষেত্ৰত চিত্ৰসংযোগ সম্ভৱ নহ'লে, দাঁতিৰ খালী ঠাইসমূহৰ অলংকৰণে চিত্ৰৰ অভাৱ পূৰাইছিল। ধৰ্মনিৰপেক্ষ চিত্ৰসমূহত সাধাৰণতে সিংহাসন বা হাতীৰ ওপৰত বহি থকা ৰজা আৰু ৰাণীৰ চিত্ৰ অথবা যুদ্ধক্ষেত্ৰৰ সৈন্যদলৰ চিত্ৰ আছে। চিত্ৰসমূহত প্ৰায় সকলো ৰঙেই ব্যৱহাৰ হ'লেও, হালধীয়া আৰু সেউজীয়া ৰঙেই আছিল আটাইতকৈ বেছি উজ্জ্বল। দীৰ্ঘস্থায়ী এই ৰংবোৰৰ প্ৰস্তুত প্ৰণালীও আজি কাৰ্যতঃ লোপ পাইছে। দাঁতিত আঁকা চিত্ৰ পুথিসমূহক বোলা হৈছিল 'লতা কটা পুথি'। সচিত্ৰ হাতে লিখা পুথিসমূহৰ ভিতৰত ১৭৩৪ খ্ৰীষ্টাব্দত সুকুমাৰ বৰকাথে ৰচনা কৰা 'হস্তী বিদ্যাৰ্ণৱ'ত দিলবৰ আৰু দোচায়ে চিত্ৰ অংকিত কৰা হাতী আৰু আহোম ৰাজসভাৰ চিত্ৰসমূহ উচ্চখাপৰ বাবে বিশেষভাৱে উল্লেখযোগ্য বুলি সত্ৰত পোৱা ১৫৩ খ্ৰীষ্টাব্দত শংকৰদেৱে তুলাপাতত অংকন কৰা 'দশম স্কন্ধ ভাগৱত' সচিত্ৰ পুথিখন আৰু স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত (১৬৯৬-১৭১৪ খ্ৰীঃ) কবিৰাজ চক্ৰৱৰ্তীয়ে মূল সংস্কৃতৰ পৰা অনুবাদ কৰা গীত গোবিন্দৰ ৰাধা কৃষ্ণ আৰু গোপিনীসকলৰ বৃন্দাবনৰ চিত্ৰসমূহ অসমৰ এক বিশিষ্ট চিত্ৰকলাৰ পৰিচয়।

অসমৰ পুৰণি হাতে লিখা পুথিসমূহৰ সংৰক্ষণৰ বিশেষভাৱে উপায় নকৰা হেতুকে বহুতো আপুৰুগীয়া প্ৰাচীন পুথি ধ্বংস পাইছে। ৰেভাৰেণ্ড নাথান ব্ৰাউনে ১৮৪০-৫০ চনত শিৱসাগৰত প্ৰথম প্ৰাচীন হাতে লিখা পুথিসমূহ সংগ্ৰহ আৰু সংৰক্ষণৰ কাম আৰম্ভ কৰে। পাছলৈ ছাৰ এডোৱাৰ্ড গেইট, ছাৰ আৰ্চডেল, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ড° সূৰ্যকুমাৰ ভূঞা আদি ব্যক্তিসকল আৰু কামৰূপ অনুসন্ধান সমিতি, অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম ৰাজ্যিক সংগ্ৰহালয়, অসম সাহিত্য সভা, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আদিৰ প্ৰচেষ্টাতেই বৰ্তমান পোৱা পুথিসমূহ সংগ্ৰহ আৰু সংৰক্ষণ সম্ভৱ হৈছে। ❖

# ভাৰতীয় সংগীতৰ ইতিহাস

**অনামিকা বৰ্মন**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মানৱ ভাৱধাৰাৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ পেলোৱা কলাটোৱে হ'ল সংগীত কলা। সংগীত কলা অতি প্ৰাচীন কলা। সংগীতে মানুহৰ মনত আনন্দ দান কৰাৰ লগতে মনকো সতেজ কৰি থকাত সহায় কৰে। সংগীতৰ সৈতে সাহিত্য, গণিত, বিজ্ঞান, কাৰিকৰী বিদ্যা আদিৰ অনেক সম্বন্ধ আছে।

সংগীত এক প্ৰকাৰৰ সাহিত্য। সংগীত হৈছে স্বৰযুক্ত। বিশেষ বিশেষ সজ্জিত স্বৰৰ সংযোগ কৰি সংগীতৰ ৰূপ প্ৰদান কৰা হয়। সেইবাবে সংগীতক স্বৰযুক্ত সাহিত্য বুলিও কোৱা হয়।

ত্ৰয়োদশ শতিকাত ৰচিত শাৰঙ্গদেৱৰ "সঙ্গীত ৰত্নাকৰ" গ্ৰন্থৰ মতে সঙ্গীত হৈছে -
"গীতম বাদ্যম তথা নৃত্যম ত্ৰয়ম সঙ্গীত মুচ্যতে।"

অৰ্থাত গীত, বাদ্য আৰু নৃত্য এই তিনিও কলাৰ সমাবেশকে সঙ্গীত বুলি কোৱা হয়।

সঙ্গীত জন্ম কেতিয়া হৈছিল, কেনেকৈ হৈছিল এই বিষয়ে এটা ধাৰণা কৰা বাহিৰে সঠিকভাৱে ক'ব পৰা নাযায়। পৃথিৱীত মানৱ জাতিৰ উদ্ভৱ হোৱাৰ লগে লগে কণ্ঠস্বৰৰ জন্ম হয় আৰু ই কণ্ঠস্বৰ আছিল ভাষাহীন হাঁহি-কান্দোন, আৰ্ত চিঞৰ, আনন্দ-অনুৰাগ আদিৰ ভাবব্যঞ্জক এক প্ৰকাৰ স্বতঃস্ফূৰ্ত ধ্বনি মাথোন। মানুহৰ কণ্ঠত ভাষাই গঢ় লোৱাৰ লগে লগে ভাবব্যঞ্জক স্বতঃস্ফূৰ্ত ধ্বনিসমূহেই সুৰ আৰু ছন্দত পৰিণত হয়। ভাষাৰ মাধ্যমেৰে মানুহৰ কণ্ঠত প্ৰকাশ পাবলৈ ধৰা ছন্দোময় ধ্বনিসমূহৰ পৰা সঙ্গীতৰ পাতনি মেলে।

ঐতিহাসিক দৃষ্টিৰ পৰা অধ্যয়ন কৰিলে সঙ্গীত জগতক চাৰিটা ভাগত ভাগ কৰিব পাৰি ঃ-

(ক) অতি প্ৰাচীন কাল, (খ) প্ৰাচীন কাল, (গ) মধ্যকাল আৰু (ঘ) আধুনিক কাল।

(ক) অতি প্ৰাচীন কাল ঃ

অতি প্ৰাচীন কালক সঙ্গীত কলাৰ প্ৰাৰম্ভৰ পৰা ধৰা হৈছিল। ভাৰতীয় তথা পাশ্চাত্য সঙ্গীত বিদ্বানসকলৰ মতে সঙ্গীত কলাৰ জন্ম প্ৰায় খৃঃ পূঃ আঠ - ন হাজাৰ বছৰ আগতে হৈছিল। সংগীতৰ জন্ম কেনেকৈ হ'ল এই বিষয়ে বিভিন্ন মত পোৱা যায়।

হিন্দু মতাৱলম্বী অনুসৰি সংগীতৰ উৎপত্তি আৰম্ভণিতে বেদৰ নিৰ্মাতা ব্ৰহ্মাৰ দ্বাৰা হৈছিল বুলি কোৱা হয়। ব্ৰহ্মাই এই সংগীত কলা শিৱক দিছিল আৰু শিৱৰ পৰা সৰস্বতীয়ে এই কলা পাইছিল। সেইবাবে সৰস্বতীক 'বীণা পুস্তক ধাৰিণী' বুলি সঙ্গীত আৰু সাহিত্যৰ অধিষ্ঠাত্ৰী মাতৃ হিচাপে গণ্য কৰা হয়। সৰস্বতীৰ পৰা নাৰদে সংগীত কলাৰ জ্ঞান গ্ৰহণ কৰে আৰু নাৰদে স্বৰ্গৰ গন্ধৰ্ব, কিন্নৰ তথা অপেশ্বৰীসকলক সংগীতৰ শিক্ষা দিছিল। তাৰ পৰাই ভৰত, নাৰদ আদি ঋষিয়ে সংগীত কলা আহৰণ কৰি ভূলোকত প্ৰচাৰ কৰে।

দামোদৰ পণ্ডিতৰ 'সঙ্গীত দৰ্পন' নামৰ গ্ৰন্থখনটো সংগীতৰ উৎপত্তি ব্ৰহ্মাৰ দ্বাৰা হৈছিল এই কথা লিপিবদ্ধ আছে। তেওঁ নিজৰ মত স্পষ্ট কৰাৰ হেতু এনেদৰে লিখিছিল -

"দ্রু হিনেত যদন্বিষ্টং প্ৰযুক্ত যদন্বিষ্টং প্ৰযুক্ত ভৰতেন চ।
মহাদেবস্য পুৰতস্তন্মাৰ্গাখ্য বিমুক্তদম।"

অৰ্থাৎ ব্ৰহ্মা (দ্ৰুহিণ) য়ে গবেষণা কৰি সংগীত উলিয়াইছিল, ভৰত মুনিয়ে মহাদেৱৰ সন্মুখত যাক প্ৰয়োগ কৰিছে তথা যি মুক্তিদায়ক, সেইয়া হৈছে সংগীত।

পাশ্চাত্য বিদ্বানসকলৰ মতে মানুহে যেতিয়াৰ পৰাই কথা কবলৈ শিকিলে, তেতিয়াৰ পৰা স্বাভাৱিকভাৱে সংগীতৰো জন্ম হয়।

(খ) প্ৰাচীন কাল ঃ

প্ৰাচীন কালৰ সময়ছোৱাত সংগীত কলা ধাৰ্মিক পৰিবেশত আবদ্ধ হৈছিল। যজ্ঞ কৰোতে সামমন্ত্ৰৰ প্ৰয়োগ হৈছিল। এই সময়ত জাতি গায়নৰ প্ৰচাৰ কৰিছিল। এই সময়ছোৱাত মূৰ্ছ্ছনা পদ্ধতিৰে গায়ন হৈছিল। ইয়াক মাৰ্গী সঙ্গীত বুলি কোৱা হয়। জাতি গায়নৰ পিছত 'ৰাগ'ৰ প্ৰাদুৰ্ভাৱ হয়। তাৰ পিছত প্ৰবন্ধ ধ্ৰুপদ আদি গায়ন শৈলীৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। সামবেদ আৰু ভৰতৰ 'নাট্যশাস্ত্ৰ' ৰ আধাৰত সঙ্গীতৰ বহুতো সঙ্গীত শাস্ত্ৰকাৰৰ জন্ম হয় আৰু তেওঁলোকেই সঙ্গীতৰ বহুতো ক্ষেত্ৰত শিৱ মত, সোমেশ্বৰ মত, কৃষ্ণ মত, ভৰত মত আৰু হনুমন্ত মত আদি প্ৰচাৰ হৈছিল।

(গ) মধ্যকাল ঃ

এই সময়ছোৱাত সঙ্গীত কলাৰ পৰ্যাপ্ত পৰিমাণে উন্নতি হয়, কিন্তু ইয়াৰ লগে লগে সঙ্গীত কলা ধাৰ্মিক পৰিৱেশৰ পৰা কিছু ফালৰি কাটি আহিব ধৰে। এই সময়চোৱাক মুছলিম কাল বুলি কোৱা হয়। কাৰণ এই সময়ত ভাৰতত মুছলমানসকলৰ আগমন হৈছিল। তেওঁলোকৰ প্ৰভাৱ ভাৰতীয় সঙ্গীতৰ ওপৰতো পৰিল। ফলত ভাৰতীয় সঙ্গীতৰ বহুতো পৰিৱৰ্তন হৈছিল। ৰাজ্যৰ ৰাজদৰবাৰ আৰু নবাব, বাদশ্বাহসকলৰ মহলত এই কলা প্ৰবেশৰ লগে লগে সঙ্গীত কলাৰ আধ্যাত্মিকতাৰ ঠাইত বিলাসীতাৰ প্ৰৱেশ হ'ল। এই সময়ত সঙ্গীতৰ প্ৰায় সকলো বিভাগ আশ্চৰ্য্যজনকভাৱে বৃদ্ধি হ'বলৈ ধৰে আৰু ক্ৰিয়াত্মক দিশত যথেষ্ট উন্নতি হ'বলৈ ধৰিলে। এই সময়ছোৱাত গীত, বাদ্য আৰু নৃত্যত অভিনবত্বৰ প্ৰযোগ হৈছিল। ফলত বিভিন্ন ৰাগৰ লগতে নতুন নতুন বাদ্যযন্ত্ৰৰো সৃষ্টি হৈছিল।

বাদশ্বাহ, নবাব আদিৰ পৃষ্ঠপোষকতাত সংগীতৰ বিখ্যাত শিল্পীসকলে সংগীত পৰিৱেশন কৰিছিল। এই সঙ্গীতসমূহ আধ্যাত্মিকতাৰ ঠাইত নিজৰ নিজৰ আশ্ৰয়দাতাৰ ৰুচিৰ ওপৰত গুৰুত্ব দি ৰচনা কৰা হৈছিল।

কিন্তু এনে সময়তো ভাৰতৰ অ'ত ত'ত চুকে-কোণে কিছুমান এনে মহান শিল্পী তথা সংগীত শাস্ত্ৰকাৰৰ জন্ম হৈছিল যিসকলে ভাৰতীয় সঙ্গীত কলাক শুদ্ধ আৰু সাত্ত্বিক ৰূপত জীৱাই ৰাখিছিল। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ জয়দেৱ, স্বামী হৰিদাস, সুৰদাস, তুলসী দাস, মীৰাবাই, ভক্ত কবীৰ, অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰী শ্ৰী মাধবদেৱ আদি শিল্পীসকলে সঙ্গীতৰ আত্ম - শুদ্ধি আৰু মোক্ষৰ সম্বল গোটাই থৈ গৈছে।

আমীৰ খুশ্ৰু (১২৫৩ - ১৩২৫) ঃ-

সুপ্ৰসিদ্ধ সংগীতজ্ঞ, কবি, সাহিত্যিক তথা ৰাজনীতিবিদ আমীৰ খুশ্ৰু সৰুৰে পৰাই চতুৰ আৰু তীক্ষ্ণ বুদ্ধিৰ আছিল। তেওঁ খুউব কম সময়তেই তুৰ্কী, পাৰ্চী, আৰবী আৰু ব্ৰজভাষা আয়ত্ব কৰিছিল। তেওঁ যথাযোগ্য শিক্ষা গ্ৰহণ কৰাৰ পিছত দিল্লীৰ অধিপতি গিয়াচুদ্দিন বলবনৰ আশ্ৰয়ত চাকৰি কৰিছিল। এই সময়চোৱাত তেওঁ চুফী নিজামুদ্দিন আউলিয়াৰ সংস্পৰ্শলৈ আহে আৰু চুফী মতবাদ আহৰণ কৰে। তেওঁ পঞ্জ-গঞ্জ নামৰ পাঁচোটা চুফীবাদী কবিতা ৰচনা কৰি সমগ্ৰ দেশতে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। গিয়াচুদ্দিনৰ শাসনৰ পতনৰ পিছত খিলজী বংশ আহে। আমীৰ খুশ্ৰু খিলজী বংশৰ প্ৰাতাপী ৰজা আলাউদ্দিন খিলিজীৰ প্ৰিয় পাত্ৰ হৈ পৰিল। ১২৯৪ চনত আলাউদ্দিন খিলিজী দেৱগিৰি ৰাজ্য জয় কৰিবলৈ যাওঁতে আমীৰ খুশ্ৰুও লগত গৈছিল। তাতেই দেৱগিৰি বিখ্যাত সঙ্গীতজ্ঞ তথা দৰকাৰ সভাৰ গায়ক গোপাল নায়কৰ লগত পৰিচয় আৰু গোপাল নায়কক দিল্লীলৈ লৈ আহে। দিল্লীৰ ৰাজদৰবাৰত দুয়োগৰাকী মহান সঙ্গীতজ্ঞই ভাৰতীয় সঙ্গীত ক্ৰিয়াত্মক দিশত নতুনত্ব আনিলে। ভাৰতীয় সংগীতত পাৰস্য আৰু আৰাবীয় সঙ্গীত আৰু সাহিত্যৰ প্ৰভাৱ পৰি প্ৰাচীন ভাৰতীয় সংগীত প্ৰণালীৰ নতুন সংস্কৰণ হ'বলৈ ধৰিলে।

আমীৰ খুশ্ৰুৱে বাদ্যযন্ত্ৰ আৰু তালৰ ক্ষেত্ৰতো নতুনত্ব আৱিস্কাৰ কৰিছিল। তেওঁ পাখোৱাজৰ পৰা তবলা, বীণা আৰু তানপুৰাৰ পৰা চেতাৰ আদি বাদ্যযন্ত্ৰৰ সৃষ্টি কৰিছিল। তালৰ ক্ষেত্ৰত তেওঁ আড়া চৌতাল, চাৰতাল, সাৱৰী, ঝুমুৰা, ত্ৰিতাল আদিৰ ৰচনা কৰিছিল। মুঠতে আমীৰ খুশ্ৰুৱে ভাৰতীয় সংগীত আৰু সাহিত্যত নতুনত্বৰ সূচনা কৰে।

তানসেন (১৫৩২ - ১৫৮৫ খ্ৰীষ্টাব্দ) ঃ-

সঙ্গীত সম্ৰাট তানসেনৰ গুৰু আছিল স্বামী হৰিদাস। তানসেন গুৰুৰ সান্নিধ্যত অতি কম সময়ৰ ভিতৰতে সুগায়ক হৈছিল। তেওঁৰ সঙ্গীতৰ প্ৰতিভাৰ কথা চাৰিওফালে বিয়পি আছিল। ৰেবা নামৰ এখন সৰু ৰাজ্যৰ ৰাজসভাত সভাগায়ক হিচাপে তানসেন নিযুক্ত আছিল। সেই সময়ত মোগল সম্ৰাট আকবৰ দিল্লীৰ সিংহাসনত আছিল। তেওঁ আছিল সঙ্গীতপ্ৰিয়। সেইবাবে ৰেবা ৰাজ্যৰ ৰজাই আকবৰৰ লগত থকা বন্ধুত্ব দৃঢ় কৰিবলৈ তানসেনক উপহাৰ হিচাপে আকবৰক ৰাজসভালৈ পঠিয়াইছিল। আকবৰে তানসেনৰ সঙ্গীতত মুগ্ধ হৈ 'সঙ্গীত সম্ৰাট' উপাধি দিয়ে।

তানসেনক ভাৰতীয় ৰাগ সঙ্গীতৰ যুগ প্ৰবৰ্ত্তক বুলি কোৱা হয়। তেওঁ পুৰণি কলীয়া নিয়ম নীতিৰ সংস্কাৰ সাধন কৰি ভাৰতীয় সঙ্গীতক স্বৰ্ণ আসনত বহুৱাই থৈ গৈছে। তেওঁ বহুতো সুন্দৰ ধ্ৰুপদ গীত ৰচনা কৰিছিল। তানসেন দৰেবাৰী, কানাড়া, মিঞা মলহাৰ, মিঞাকি টৌড়ী আদি বিভিন্ন নতুন ৰাগৰ সৃষ্টি কৰিছিল।

জয়দেৱ (১২০০ খৃঃ আসেপাসে) ঃ-

জয়দেব আছিল সংস্কৃতৰ মহাকবি। যিজনে 'গীত গোবিন্দ' আৰু 'ৰতিমঞ্জৰী' ৰচনা কৰিছিল।

জয়দেব এজন বৈষ্ণৱ ভক্ত আৰু সন্ত হিচাপে সন্মানিত কৰা হৈছে। 'গীত গোবিন্দ' ক শ্ৰীমদ্ ভাগবতৰ পিছত ৰাধা কৃষ্ণৰ লীলাৰ অনুপম সাহিত্যৰ অভিব্যক্ত হিচাপে মানি লোৱা হৈছে। জয়দেৱে 'গীত - গোবিন্দ' ৰ মাধ্যমেৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল।

সংস্কৃত কবিসকলৰ ভিতৰত শেষৰ জন মহাপতিয়ে জয়দেৱক শ্ৰী মদ্‌ভাগৱতৰ ৰচক ব্যাসদেৱৰ অৱতাৰ হিচাপে মানি লৈছিল।

জয়দেৱৰ সঙ্গীত সমূহ ৰাধা কৃষ্ণৰ শৃংগাৰ ৰসেৰে পৰিপূৰ্ণ ভক্তিমূলক আছিল। তেওঁ ৰাধাকৃষ্ণক সৰ্বত্ৰ তথা পূৰ্ণ নিৰাকাৰ হিচাপে মানি লৈছে। তেওঁৰ কাব্য সমূহতো ৰাধাকৃষ্ণৰ লীলাৰ কথা বৰ্ণনা পোৱা যায়।

স্বামী হৰিদাস (১৪৮০ - ১৫৭৩ খৃঃ) ঃ-

স্বামী হৰিদাস আছিল এজন আধ্যাত্মিক কবি আৰু শাস্ত্ৰীয় সঙ্গীতজ্ঞ। তেওঁক শ্ৰী ললিতা সখীৰ অৱতাৰ বুলিও কোৱা হয়।

স্বামী হৰিদাস শ্ৰী আশুদ্বীৰ মহাৰাজৰ শিষ্য আছিল আৰু আকবৰৰ ৰাজসভাৰ নটা ৰত্নৰ অন্যতম তানসেনৰ গুৰু আছিল। তেওঁ প্ৰখ্যাত ধ্ৰুপদ গায়ক আৰু সুৰকাৰ বাইজু আছিল বুলি জনা যায়।

তেওঁ বৃন্দাৱনৰ নিধিবনত আশ্ৰম নিৰ্মাণ কৰি তাত ৰাধা কৃষ্ণৰ প্ৰেমৰ গান গাইছিল। স্বামী হৰিদাসৰ ৰচনাৰাজিক বিষ্ণুপদ হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। তেওঁ তিৰৱত, ৰাগমালা আৰু অন্যান্য ৰূপ লিখিছিল বুলি কোৱা হয়। তেওঁ প্ৰায় ১২৪ টা ৰচনা আছ, যাৰ ভিতৰত ১৮ টা দাৰ্শনিক (সিদ্ধান্ত পদ) আৰু ১১০ টা ভক্তিমূলক (কেলিমালা) পোৱা যায়।

সুৰদাস (১৪৭৮ - ১৫৮৩ খৃঃ) ঃ-

হিন্দী সাহিত্যত ভগৱান কৃষ্ণৰ অনন্য উপাসক আৰু ব্ৰজভাষাৰ শ্ৰেষ্ঠ কবি যাক হিন্দী সাহিত্যৰ সূৰ্য্য বুলি গণ্য কৰা হয়। তেওঁৱেঁই হৈছে কবি সুৰদাস। কবি সুৰদাস সৰুৰে পৰাই অন্ধ আছিল।

সুৰদাস শ্ৰী বল্লভাচাৰ্য্যৰ গুৰু আছিল। বল্লভাচাৰ্য্যৰ পৰা শিক্ষা গ্ৰহণ কৰা পিছত সুৰদাস কৃষ্ণভক্তিত সম্পূৰ্ণৰূপে নিমজ্জিত হৈ পৰিছিল। সুৰদাসৰ ভক্তিমূলক গীতবোৰ চাৰিওফালে প্ৰতিধ্বনি হৈছিল। সেইসময়ৰ সম্ৰাট আকবৰেও তেওঁৰ সঙ্গীতত মুগ্ধ হৈছিল।

হিন্দী সাহিত্যত প্ৰধানকৈ সুৰদাসৰ দ্বাৰা ৰচিত পাঁচখন গ্ৰন্থৰ নাম উল্লেখ আছে। সেই কেইখন হ'ল - সুৰসাগৰ, সুৰচাৰাৱলী, সাহিত্য-লাথৰি, নলদময়ান্তী আৰু ব্যাহলো।

তুলসী দাস (১৫৫৪ - ১৬২৩ খৃঃ) ঃ-

হিন্দু বৈষ্ণৱ কবি সকলৰ ভিতৰত আন এজন কবি আছিল তুলসী দাস। তেওঁৰ দ্বাৰা ৰচিত সাহিত্য সমূহত ৰাম ভক্তি ধাৰা প্ৰধান আছিল। বাল্মীকিৰ "ৰামায়ণ" খন তেওঁ অৱধি ভাষালৈ অনুবাদ কৰি "ৰামচৰিত মানস"ৰ ৰচনা কৰিছিল।

তুলসী দাসে ৰচনা কৰা ৰচনাৰাজি সমূহ হৈছে - "ৰাম চৰিত মানস", "বৰবৈ ৰামায়ণ", "ৰাম গীতাৱলী", "বিনয় পত্ৰিকা", "কবিতাৱলী", "ৰামাজ্ঞাপশ্ন", "জ্ঞানকীমঙ্গল" আৰু "দোহাৱলী" আদি। ইয়াৰ ভিতৰত "ৰামচৰিত মানস" কাব্যখন হৈছে এখন পূৰ্ণাঙ্গ কাব্য। "ৰামচৰিত মানস" ধৰ্মীয় আৰু

সাহিত্যিক উভয় ক্ষেত্ৰতে মহত্ত্বপূৰ্ণ। বাকী ৰচনাৰাজিত ৰামৰ অংশবিশেষে বৰ্ণনা আছে।

মীৰাবাই (১৪৯৮ - ১৫৪৬ খৃঃ) ঃ-

"ৰাজস্থান কী ৰাধা" নামেৰে খ্যাত কৃষ্ণভক্তি কাব্যধাৰাৰ কবিসকলৰ মুখ্য কবি আছিল মীৰাবাই। তেখেতে শৈশৱতে কৃষ্ণক নিজৰ আৰাধ্য দেৱতা তথা স্বামী হিচাপে গ্ৰহণ কৰিছিল।

মীৰাবাইয়ে চাৰিগ্ৰন্থ ৰচনা কৰিছিল। সেইকেইখন হ'ল -

১) নৰসী কা মায়ৰা
২) গীত গোবিন্দ টীকা
৩) ৰাগ গোবিন্দ
৪) ৰাগ চৌৰঠ কেপদ

"মীৰাবাই কী পদাৱলী" নামৰ এখন গীতৰ গ্ৰন্থও প্ৰকাশিত হৈছে। তেওঁৰ গীতসমূহক ভজন বুলিও কোৱা হয়। তেওঁ কাব্যগ্ৰন্থসমূহৰ মুখ্য ভাষা ৰাজস্থানী যদিও খড়ীবোলী, ব্ৰজ, পঞ্জাৱী আৰু গুজৰাটী ভাষাৰ শব্দও পৰিলক্ষিত হয়।

শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯ -১৫৬৮ খৃঃ) ঃ-

নৱ বৈষ্ণৱ ধৰ্ম তথা অসমৰ জাতীয় জীৱনৰ নতুনকৈ প্ৰাণ প্ৰতিষ্ঠা কৰা শ্ৰীমন্ত শংকৰদেৱ আছিল একেধাৰে ধৰ্ম প্ৰৱৰ্ত্তক, গ্ৰন্থকাৰ, নাট্যকাৰ, কবি, গীতিকাৰ, সঙ্গীতজ্ঞ, চিত্ৰকৰ আৰু পৰম বৈষ্ণৱ ভক্ত। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁ গীত, বাদ্য, নৃত্য আৰু নাট্যৰ প্ৰচলন কৰিছিল। তেওঁ ৰচনা কৰা শাস্ত্ৰীয় তালযুক্ত বৰগীতসমূহ অসমীয়া জাতিৰ বাবে গৌৰৱ। মহাপুৰুষ জনাৰ সঙ্গীত জগতলৈ দিয়া অঙ্কীয়া গীত, চপয়, টোটয়, ভটিমা আদি আপুৰুগীয়া অবদান। মহাপুৰুষ জনাৰ সাহিত্যৰ প্ৰতিভাৰ বিজয় স্তম্ভ হৈছে "কীৰ্তন ঘোষা"। "কীৰ্তন ঘোষা" অসম বাসীৰ বাবে অতি আপোন, চিৰপৰিচিত আৰু আপুৰুগীয়া সম্পদ।

মহাপুৰুষ শংকৰদেৱৰ ৰচনা ৰাজিক সাহিত্যিক সমালোচক সকলে ৬ টা ভাগত ভগাইছে।

(ক) অনুবাদ মূলক ঃ-

ভাগৱতৰ ১ম, ২য়, দশম, একাদশ, দ্বাদশ স্কন্ধ আৰু উত্তৰাকাণ্ড।

(খ) কাব্য ঃ-

হৰিচন্দ্ৰ, ৰুক্মিণী হৰণ।

(গ) নাট ঃ-

পত্নীপ্ৰসাদ, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, কালিয় দমন আৰু ৰামবিজয়।

(ঘ) গীত ঃ-

বৰগীত, ভটিমা, টোটয়, চপয়।

(ঙ) নাম প্ৰসংগ সম্বন্ধীয় ঃ-

কীৰ্তন ঘোষা আৰু গুণমালা।

(চ) ভক্তিতত্ব মূলক গ্ৰন্থ ঃ-

ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, অনাদি পতন আৰু নিমি নৱসিদ্ধ সংবাদ।

প্ৰায় ছকুৰি বছৰ জীয়াই থাকি মহাপুৰুষ শংকৰদেৱে অসমীয়া জাতি, অসমীয়া সমাজ আৰু অসমীয়া ভাষাক নতুন ভেটি প্ৰতিষ্ঠা কৰিলে।

শ্ৰী শ্ৰী মাধৱদেৱ (১৪৮৯ - ১৫৬৯ খৃঃ ) ঃ-

নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক তথা মহাপুৰু শংকৰদেৱৰ প্ৰিয় শিষ্য আছিল মাধৱদেৱ। মাধৱদেৱ আছিল একেধাৰে কবি, নাট্যকাৰ, গীতিকাৰ, কলাকাৰ, বিশিষ্ট পণ্ডিত আৰু এগৰাকী সুগায়ক। তেওঁ তেওঁৰ গুৰুৰ আজ্ঞামতে নকুৰি এঘাৰটা বৰগীত ৰচনা কৰিছিল।

তেওঁৰ ৰচনাৰাজিসমূহ হ'ল -

(ক) তত্ত্বমূলক ৰচনা ঃ-

'জন্মৰহস্য', 'ভক্তিৰত্নাৱলী', 'নামঘোষা', 'নামমালিকা'।

(খ) নাটসমূহ ঃ-

'চোৰধৰা', 'পিম্পৰা গুচোৱা', 'দধিমথন', 'ভমি লেটোৱা' আৰু 'ভোজন বিহাৰ'।

(গ) আখ্যামূলক ৰচনা ঃ-

'ৰামায়ণৰ আদিকাণ্ড' আৰু 'ৰাজসূয় কাব্য'।

(ঘ) গীত ঃ-

'বৰগীত' আৰু 'ভটিমা'।

(ঘ) আধুনিক কাল ঃ-

ইংৰাজসকল ভাৰতত অধিপত্য স্থাপন কৰাৰ মূল উদ্দেশ্য

আছিল ভাৰতত শাসন কাৰ্য চলোৱা। তেওঁলোকে ভাৰতীয় সঙ্গীতক সুদৃষ্টিৰে চোৱা নাছিল আৰু পশ্চিমীয়া সঙ্গীতৰ প্ৰতিহে তেওঁলোক আগ্ৰহী আছিল। ফলস্বৰূপে ৰজাসকলেও ভাৰতীয় সঙ্গীতৰ প্ৰতি উদাসিন হৈ পৰিছিল আৰু যি সকল সঙ্গীতজ্ঞই ৰজাৰ আশ্ৰয় সংগীতৰ সাধনা কৰিছিল তেওঁলোকৰ ওপৰতো বাধাৰ সৃষ্টি হব ধৰিলে। আনহাতে সেই সময়ৰ শাসক বৰ্গই সংগীতৰ প্ৰতি উদাসীন হোৱাৰ ফলত এই কলা নিম্নশ্ৰেণীৰ ব্যৱসায়ী পুৰুষ মহিলাৰ মাজত আবদ্ধ হৈ পৰিছিল আৰু নতুন শিক্ষা প্ৰাপ্ত ভদ্ৰ সমাজে এই কলাক হেয় জ্ঞান কৰা হৈছিল। ফলত সঙ্গীত কলাই ভদ্ৰসমাজত স্থান পোৱা নাছিল। কিন্তু এনে সময়তে ভাৰতীয় সংগীত জগতৰ ভাগ্য সলনি হ'বলৈ ধৰিলে। কেইজনমান প্ৰসিদ্ধ ইংৰাজে যেনেঃ- উইলিয়াম জোন্স, কেপ্তেইন ৱিলৰ্ড, কেপ্তেইন ডে আদিয়ে ভাৰতীয় সঙ্গীতৰ ওপৰত অধ্যয়ন কৰি বিভিন্ন গ্ৰন্থ ৰচনা কৰিছিল। ফলত শিক্ষিত ভদ্ৰ সমাজত সঙ্গীত কলাই স্থান পাবলৈ ধৰিলে।

১৭৭৯ - ১৮০৮ ইং চনত জয়পুৰৰ মহাৰাজা প্ৰতাপ সিংহই এখন বিশাল সঙ্গীত সন্মিলন আয়োজন কৰে আৰু তাত ভাৰতত বিখ্যাত সঙ্গীতজ্ঞসকলক একগোট কৰি বিচাৰ বিনিময় কৰাৰ পাচত "সঙ্গীত সাৰ" নামৰ এখন গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থ খনত বিলাৱত ঠাটক শুদ্ধ ঠাট হিচাপে স্বীকাৰ কৰে। ১৮৮৩ ইং চনত পাটনাৰ মুহম্মদ ৰাজাই 'নগমাতে আফী' নামৰ এখন গ্ৰন্থ ৰচনা কৰি তাত বিলাৱল ঠাটক শুদ্ধ হিচাপে মানি লৈ পূৰ্ব প্ৰচলিত ৰাগ-ৰাগিনী পদ্ধতিৰ সংশোধন কৰি ছয় ৰাগ ছয়ত্ৰিশ ৰাগিনী মাতি নতুন প্ৰথাৰ সৃষ্টি কৰিছিল।

এই সময়ত ভাৰতীয় সঙ্গীত জগতত দুজন মহান ব্যক্তিৰ জন্ম হয়, যাৰ প্ৰচেষ্টাত ভাৰতীয় সঙ্গীত এখন উচ্চ আসন আৰু উচ্চ মৰ্যাদা পাবলৈ সক্ষম হয়। আজি সঙ্গীত জগতৰ বিভিন্ন ক্ষেত্ৰত যি প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰিছে। এই ব্যক্তি দুজন হৈছে - পণ্ডিত বিষ্ণু নাৰায়ন ভাটখাণ্ডে আৰু বিষ্ণু দিগম্বৰ পুৰস্কৰ।

**পণ্ডিত বিষ্ণু নাৰায়ন ভাটখাণ্ডে (১৮৬০ - ১৯৩৬ খৃঃ) ঃ-**

ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কৰা এজন সঙ্গীতজ্ঞ হৈছে পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডে। এওঁ বহু পৰিশ্ৰম, দেশভ্ৰমণ আদিৰ দ্বাৰা দেশৰ বিভিন্ন প্ৰান্তৰ সঙ্গীতজ্ঞ এটি শকত আৰু বহল ভেটিৰ নিৰ্মাণ কৰে।

ভাটখাণ্ডেজীয়ে শাস্ত্ৰীয় আৰু ব্যৱহাৰিক (theory and practical) সঙ্গীতৰ ভিতৰত সমন্বয় গঢ়ি তুলিছিল। তেওঁ বিলাৱল ঠাটক শুদ্ধ হিচাপে মানি লৈ হিন্দুস্থানী সঙ্গীত পদ্ধতিৰ সকলোবোৰ ৰাগক দহোটা ঠাটত অন্তৰ্ভুক্ত কৰিছে।

তেওঁ "শ্ৰী মৎলক্ষ্য সঙ্গীত আৰু "অভিনব ৰাগমঞ্জৰী" নামে দুখন অতিমূল্যৱান গ্ৰন্থ ৰচনা কৰিছিল। ইয়াৰ উপৰিও ব্যৱহাৰিক সঙ্গীত ক্ষেত্ৰতো তেওঁ প্ৰচলিত ধ্ৰুপদ, ধামাৰ, খেয়াল আদি গীতসমূহৰ স্বৰলিপি কৰি "হিন্দুস্থানী সঙ্গীত পদ্ধতি ক্ৰমিক পুস্তক মালিকা" নামেৰে ছয়টা খণ্ডত কিতাপ আকাৰে প্ৰকাশ কৰে। তেওঁ "হিন্দুস্থানী সঙ্গীত পদ্ধতি" নামৰ চাৰিখন অতি মূল্যবান গ্ৰন্থ মাৰাঠা ভাষাত ৰচনা কৰে। তেখেতে ইংৰাজী ভাষাতো অতি মূল্যবান দুখন গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ উপৰিও তেওঁ বহুটো ঠাইত সঙ্গীতৰ বিদ্যালয় প্ৰতিষ্ঠা কৰে। ভাৰতীয় সঙ্গীতলৈ দিয়া অৱদানে তেখেতক অমৰত্ব প্ৰদান কৰিব।

**পণ্ডিত বিষ্ণু দিগম্বৰ পুৰস্কৰ (১৮৭২ - ১৯৩১ খৃঃ) ঃ-**

শাস্ত্ৰীয় সঙ্গীতৰ একনিষ্ঠ সাধক দিকদৰ্শন, শিক্ষাগুৰু আছিল পণ্ডিত বিষ্ণু দিগম্বৰ পুৰস্কৰ। গোৱালিয়ৰ ঘাৰাণাৰ প্ৰখ্যাত সঙ্গীতচাৰ্য্য বালকৃষ্ণ বুআৰ পৰা তেওঁ সংগীতৰ শিক্ষা লাভ কৰিছিল। গুৰুৰ পৰা তেওঁ সঙ্গীতৰ তাত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশতে জ্ঞান অৰ্জন কৰে। তেখেতৰ প্ৰচেষ্টাত সঙ্গীত কলাই সভ্য সমাজত বিশেষ মৰ্যাদা লাভ কৰিলে। তেখেতে লাহোৰ আৰু বোম্বাইত গন্ধৰ্ব মহাবিদ্যালয় নামৰ সঙ্গীত বিদ্যাৰ প্ৰতিষ্ঠান কৰে। তেওঁ ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত "সঙ্গীত বালবোধ", "ৰাগ প্ৰবেশ", "সঙ্গীত শিক্ষক", "সঙ্গীত দৰ্শন" আদি অন্যতম।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত ভাৰতীয় সঙ্গীতৰ বহুখিনি উন্নতি হ'বলৈ ধৰে। সঙ্গীতৰ চৰ্চা, প্ৰসাৰ আৰু উন্নতিৰ কাম কৰিবৰ বাবে চৰকাৰে "সঙ্গীত নাটক একাডেমী" স্থাপন কৰে। বিদ্যালয়, মহাবিদ্যালয়সমূহতো সঙ্গীতৰ পাঠ্যক্ৰমৰো অন্তৰ্ভুক্ত কৰিছে আৰু নিয়মীয়া পাঠদান কৰি সেই সঙ্গীত শিক্ষাৰ্থীসকলক উপযুক্ত শিল্পী হিচাপে গঢ় দিছে। বৰ্তমান সময়ত শাস্ত্ৰীয় সঙ্গীতৰ লগতে আধুনিক গীত, লোক সঙ্গীত, ৰবীন্দ্ৰ সংগীত আদিৰ লগতে আধ্যাত্মিক ভাৱৰ উপাসনাৰ গীত হিচাপে ভজন, অসমৰ বৰগীত আদিৰ প্ৰচলন হৈ আছে। ইয়াৰ উপৰিও আকাশবাণী, কথাছবি, দূৰদৰ্শন, কেছেট আদি বিভিন্ন মাধ্যমেৰে এই ভাৰতীয় সঙ্গীতকলাই বিদেশতো প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছে। ❖

# ছাত্ৰ-যুৱ সমাজ, ছাত্ৰ সন্থা আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

**ছাজিছ আলম**
স্নাতক, তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

"বাজক দবা বাজক শঙ্খ বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।"

অসমৰ ১০০ বছৰীয়া ছাত্ৰ সংগ্ৰামৰ ইতিহাসত সদৌ অসম ছাত্ৰ সন্থাৰ নাম সদায় সোণালী আখৰেৰে লিখা হৈ আহিছে। মাধ্যম আন্দোলন, ভাষা আন্দোলন কিম্বা অসম আন্দোলন এইবোৰ জাতীয় বিষয়ত ছাত্ৰ সন্থাৰ অৰিহণা আৰু উদ্যোগ সকলোৱে একেমুখে স্বীকাৰ কৰি আহিছে। বৰ্তমান সদৌ অসম ছাত্ৰ সন্থা কেবলমাত্ৰ অসম আৰু অসমীয়া মানুহৰ বাবে এটা ছাত্ৰ সংগঠন হৈ থকা নাই, ই জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছে, অসমীয়া মানুহৰ আবেগ জড়িত হৈ পৰিছে।

অসমত বিভিন্ন দল-সংগঠন হ'ল, কিন্তু ছাত্ৰ সন্থাৰ ভাৱ মূৰ্তি অতুত থকাৰ একমাত্ৰ কাৰণ হ'ল ছাত্ৰ সন্থাই শৈক্ষিক, সাংস্কৃতিক, বৌদ্ধিক আৰু বিভিন্ন ক্ষেত্ৰৰ লৈ অহা কাৰ্যসূচী সমূহ। অসমীয়া মানুহৰ যেতিয়াই বিপদ হৈছে, যেতিয়াই দৰকাৰ হৈছে তেতিয়াই ছাত্ৰ সন্থা মানুহৰ লগত থিয় দিছে। বহু পুৰণি কথা যদি আলোচনা নকৰি ২০১৯ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হোৱা কা' বিৰোধী আন্দোলনৰ কথা আমি আলোচনা কৰিব পাৰোঁ। ডিচেম্বৰ মাহত ভাৰত চৰকাৰে অসমীয়া মানুহৰ আবেগক গুৰুত্ব নিদিয়াকৈ নাগৰিকত্ব সংশোধনী বিধায়ক খন নিম্ন আৰু উচ্চ সদনত গৃহীত কৰিছিল। গোটেই অসম স্তব্ধ হৈ পৰিছিল। সেইসময়ত গোটেই অসমীয়া ৰাইজক নেতৃত্ব দিছিল সদৌ অসম ছাত্ৰ সন্থাই। ৰাজপথৰ লগতে ন্যায়ালয়ৰ মজিয়াটো সংগ্ৰামখন আগুৱাই লৈ গৈ আছে ছাত্ৰ সন্থাই। তাৰ পিছত অসম চৰকাৰে অসমীয়া ভাষা, বড়ো ভাষা আৰু মাতৃ ভাষা বিৰোধী যি সিদ্ধান্ত লৈছে তাৰ বিৰুদ্ধে কৰা আন্দোলনবোৰ দেখিছোঁ। শিক্ষকক অনা শৈক্ষিক কামত ব্যৱহাৰ, উন্নত মানৰ বিদ্যালয় স্থাপন, মূল্যবৃদ্ধি আদি বিষয়ৰ ওপৰত সদায় ছাত্ৰ সন্থা সৰব হোৱা দেখিবলৈ পোৱা যায়।

ছাত্ৰ সন্থা যে কেৱল মাত্ৰ আন্দোলন কৰা সংগঠন তেনে নহয়। বিহুৰ পৰা আদি কৰি মাধ্যম আন্দোলন, তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলন, কা' বিৰোধী আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতি দিৱস, অসম আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতিত "কেন্দ্ৰীয় শ্বহীদ দিৱস" ড° ভুপেন হাজৰিকাৰ জন্ম তিথিৰ দিনা "উদ্দীপনা", জ্যোতি প্ৰসাদ

আগৰৱালাৰ স্মৃতিত "কেন্দ্ৰীয় শিল্পী দিৱস", পথৰুঘাট ৰণৰ শ্বহীদ সকলৰ স্মৃতিত "কেন্দ্ৰীয় কৃষক শ্বহীদ দিৱস", বিষ্ণু ৰাভাৰ স্মৃতিত "কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস" আদিৰ লগতে অসমৰ মহান মনীষীসকলৰ স্মৃতি দিৱস, বিভিন্ন সময়ত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা, ক্ৰীড়া কৰ্মশালা, শৈক্ষিক কৰ্মশালা, অভিনন্দন আদি অনুষ্ঠিত আহিছে ছাত্ৰ সন্থাই। হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৰাজ্যৰ ভিতৰত স্থান পোৱা ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় সমূহৰ প্ৰধান সকলক সম্বৰ্ধনা জনায়। গোটেই বছৰটোত ৰাজ্যখনৰ বাবে গৌৰৱ কঢ়িয়াই অনা বিশিষ্ট ব্যক্তিসকলক সদৌ গুৱাহাটী ছাত্ৰ সন্থাই বিহুৰ দিনা বিশেষ সম্বোধনা জনায়। কিতাপ-পত্ৰৰ পৰা আদি কৰি চাইকেল, বিদ্যালয়ৰ সা-সজুলি ছাত্ৰ সন্থাই ছাত্ৰ-ছাত্ৰী সকলক প্ৰদান কৰি আহিছে।

অসমৰ যি সংস্কৃতি, যি ভাষা সেয়া অক্ষুন্ন ৰখা দায়িত্ব আমাৰ। সনাতন সংস্কৃতিৰ পৰা আদি কৰি নৱ-বৈষ্ণৱ আদৰ্শ আৰু খিলঞ্জীয়া মুছলমানৰ যি সংস্কৃতি সেয়া সকলো মিলি অসমৰ ভেটি সুদৃঢ় কৰিছে। মই হৈ কাম কৰাতকৈ আমি হৈ কাম কৰিব লাগিব। বৃহত্তৰ অসমীয়া জাতি গঠনৰ হোতা হিচাপে আমি প্ৰথমেই নাম ল'ব লাগিব — মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। তেওঁৰেই পদাংক অনুসৰণ কৰি পৰৱৰ্তী সময়ত মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱ, দামোদৰ দেৱ, হৰিদেৱ আদি বৈষ্ণৱসকলে বিভিন্ন দিশত অৱদান আগবঢ়াই থৈছে। এওঁলোকৰ উপৰিও সম্প্ৰীতি বজায় ৰখাৰ ক্ষেত্ৰত আজান ফকিৰ, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, চৈয়দ আব্দুল মালিক, ড° ভূপেন হাজৰিকা আদি মনীষীসকলেও বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। এই সকলৰ লগতে অতীত কালৰে পৰা অসমত বসবাস কৰি অহা বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ সন্মিলিত ৰূপটোতহে আমি প্ৰকৃত অসমখনক বিচাৰি পাব পাৰোঁ। এইসকলৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য আদিৰ সমন্বয়ে অসমখনক বৈচিত্ৰময় কৰি তুলিছে। আহোম, কাৰ্বি, কোচ ৰাজবংশী, গৰিয়া মৰিয়া দেশী, গাৰো, চাওতাল, চুতীয়া, ঠেংগাল কছাৰী, ডিমাছা, কলিতা, তিৱা, দেউৰী, গোৰ্খা, বড়ো, মটক, মিচিং, মণিপুৰী, ৰাভা, সোণোৱাল কছাৰী, হাজং, নাথযোগী, আদিবাসী আদি কাৰোৰে অৱিহণা নুই কৰা সাহস কোনোৱে কৰিব নোৱাৰে। অসম বাৰেবৰণীয়া সংস্কৃতিৰ মিলনভূমি। বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়ৰ মাজেৰে অসমীয়া সমাজ আৰু সংস্কৃতি গঢ়ি উঠিছে। বিভিন্ন জাতি জনগোষ্ঠীৰ উত্থান-পতন, সমন্বয় আৰু সংমিশ্ৰণৰ ৰূপেই হ'ল আজিৰ অসমভূমি। সাতামপৰুষীয়া ঐক্য আৰু সংহতি অক্ষুন্ন ৰাখি আধুনিক অসমে বিশ্বৰ বুকুত নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিছে। আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ ৭৭ টা বছৰ হ'ল। এই মুহূৰ্তত আমাৰ চুবুৰীয়া বা গাৰ ছাঁৰ দৰে থকা জনজাতিসকলক, গভীৰভাৱে বুজি পাইছো বা তেওঁলোকৰ সম্পৰ্কত যথেষ্ট অধ্যয়ন, গৱেষণা হৈছে বুলি ক'ব নোৱাৰোঁ। বৰঞ্চ পূৰ্বতে থকা চেনেহ-সম্প্ৰীতিৰ বান্ধোন বহু পৰিমাণে শিথিলহে হ'ল। আজি অসমৰ গৰিষ্ঠ সংখ্যক জনগোষ্ঠীয়ে ৰাজনৈতিক, আৰ্থ-সামাজিক কাৰণত স্বতন্ত্ৰ হৈছে বা হ'ব খুজিছে। কিন্তু ইয়াৰ পিছতো, জনগোষ্ঠীসমূহৰ বিকাশ, উন্নয়ন আদি চকু লগা হোৱা নাই। গোষ্ঠী সংঘৰ্ষ, ভাষিক সংঘৰ্ষ আৰু মৰ্যাদা ৰক্ষাৰ সংগ্ৰামে, অসমীয়া সমাজখনৰ ক্ষতি কৰিছে, সেইদৰে জনগোষ্ঠীসমূহৰ সমাজখনকো পিছুৱাই ৰাখিছে। অসমীয়া ভাষা গ্ৰহণ কৰা নকৰাকলৈও জনগোষ্ঠীসমূহৰ মাজত মনস্তাত্ত্বিক সংঘাত আহিছে আৰু এই সকলোবোৰ সমস্যা হৈছে আমাৰ আভ্যন্তৰীণ সমস্যা। ঘৰৰ সমস্যা। আমি ঘৰৰ মানুহখিনিয়েই ইয়াক থিক কৰিব লাগিব। নেতৃত্ব নৱ-প্ৰজন্মই ল'ব লাগিব। ছাত্ৰ সন্থাই নেতৃত্ব ল'ব লাগিব। বিভিন্ন জাতীয় জনগোষ্ঠীয়ে মানুহৰ লগত, তেওঁলোকৰ সংগঠন বোৰৰ লগত আলাপ আলোচনা কৰিব লাগিব আৰু ছাত্ৰ সন্থাই কৰিও আহিছে। বিভিন্ন ক্ষেত্ৰত অসমৰ ৩০টা জাতীয়-জনগোষ্ঠীয় সংগঠন এক হোৱা দেখা যায়। লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ লগতো ছাত্ৰ সন্থাই এক সম্ভাৱ ৰাখি চলি আছে। উত্তৰ পূব ছাত্ৰ সংগঠন নামৰ উমৈহতীয়া সংগঠনটোৱে থলগিৰি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিটো খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ বাবে কাম কৰি আছে।

সমাজৰ সকলো ক্ষেত্ৰতে ছাত্ৰ সমাজে নিজৰ ইতিবাচক ভূমিকা পালন কৰিব পাৰে। এই ভূমিকা পালন কৰিব পাৰে চিন্তা আৰু কামেৰে। সমাজমুখী চিন্তাই পথৰ সন্ধান দিব। খিলঞ্জীয়া অসমীয়া মানুহৰ পৰিচয় ৰক্ষাৰ বিষয়ৰ লগতে অসমত এটা পৰিকল্পিত সাংস্কৃতিক আন্দোলনৰ প্ৰয়োজন। অসমৰ প্ৰতিগৰাকী মানুহ সমাজত মৰ্যদা সহকাৰে জীয়াই থকাৰ পথৰ সন্ধান দিবলৈ অসমত এটা পৰিকল্পিত অৰ্থনৈতিক সংগ্ৰামৰ অত্যন্ত প্ৰয়োজন হৈছে। চৰকাৰ আৰু ৰাজনৈতিক নেতা সকলৰ চূড়ান্ত ব্যৰ্থতাৰ বাবে সংস্থাপনৰ বিষয়ত অসমীয়া ল'ৰা-ছোৱালীৰ মনত ভীষণ হতাশা আহি পৰিছে। এনে পৰিস্থিতিত আমাৰ সমনীয়াহঁত অধিক আত্মবিশ্বাসেৰে আগুৱাই যাব লাগিব। পৰিকল্পিত অৰ্থনৈতিক সংগ্ৰামে এই সমস্যা সমাধানৰ একমাত্ৰ

উপায়। অৰ্থনৈতিক সংগ্ৰামৰ লগতে এক সাংস্কৃতিক সংগ্ৰামো অসমীয়া ল'ৰা-ছোৱালীয়ে কৰিব লাগিব। ছাত্ৰ শক্তিয়ে এহাতে কাম আৰু আনহাতে সাংস্কৃতিক পদক্ষেপৰ সম্পৰ্কেৰে অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সাঁকোখন আৰু মজবুত কৰিব লাগিব। নিজৰ সমাজখনৰ বাবে, নিজৰ জাতিটোৰ বাবে, নিজৰ ৰাজ্যখনৰ বাবে সৰ্বোচ্চখিনি ত্যাগ আৰু উৰ্চগা কৰিবলৈ আমি সক্ষম হ'ব লাগিব। যোৱা কেইটামান দশক ধৰি ছাত্ৰ সন্থা আৰু ছাত্ৰ-যুৱ শক্তিয়েহে অসমক নিশ্চিত সংকটৰৰ পৰা ৰক্ষা কৰি আহিছে। অসম চুক্তি সম্পাদনাৰ ৩৮টা বছৰ আৰু আন্দোলনৰ ৪৪ টা বছৰৰ পিছতো অসমৰ ভৱিষ্যতে সুৰক্ষিত হোৱা নাই। সংবিধানিক ৰক্ষা কবচৰ ব্যৱস্থা এতিয়াও হোৱা নাই। অবৈধ অনুপ্ৰবেশকাৰীক প্ৰতিপালন কৰা ৰাজনৈতিক শক্তি এতিয়াও অসমত সক্ৰিয়। জাতিটোৰ অস্তিত্বৰ প্ৰশ্নটো সৰ্বাধিক গুৰুত্ব পাবই লাগিব। আমি ছাত্ৰ সমাজ, আমি আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু সদৌ অসম ছাত্ৰ সন্থা সদায় সক্ৰিয় হৈ থাকিবই লাগিব। মোৰ ঠাই মোৰ আপোন হ'ব লাগিব, মোৰ ঠাই মোৰ সপোন হ'ব লাগিব।

এতিয়া ছাত্ৰ সন্থাক লৈ কেইটামান ঋনাত্মক প্ৰশ্নৰ উত্তৰ দিব বিচাৰিছোঁ আৰু এই উত্তৰকেইটা দিয়া উচিত। ছাত্ৰ সন্থা কোনো অনা-অসমীয়াৰ শত্ৰু নহয়। কিন্তু এইটো সচা কথা, ছাত্ৰ সন্থাই সদায় পক্ষপাতিত্ব কৰে। ছাত্ৰ সন্থাই সদায় অসম আৰু অসমীয়া মানুহৰ পক্ষ লয়, ছাত্ৰ সন্থাই সদায় সেইসকল ন-অসমীয়াৰ পক্ষ লয় যিসকলে নেকি অসম আৰু অসমীয়া মানুহৰ লগত, আমাৰ লগত জিন গৈছে। হিন্দু, মুছলমান, শিখ, জৈন, খ্ৰীষ্টান, বড়ো, কাৰ্বি. মিছিং, আহোম, মণিপুৰী, চুতিয়া, কোচ ৰাজবংশী আদি সকলোকে লগত লৈ আগবাঢ়ি আছিল এতিয়াও আগবাঢ়ি আছে। ছাত্ৰ সন্থা কোনো বাঙালী ভাষী বা হিন্দী ভাষীৰ শত্ৰু নহয়। কিন্তু যিসকল অসমত আছে, তেওঁলোকে অসমক প্ৰথম স্থান দিবই লাগিব। বাঙালী, বিহাৰী, মাৰোৱাৰী আদিও নিজৰ নিজৰ ভাষা, সংস্কৃতি আগবঢ়াই লৈ যাওক আমাক ক'বলগীয়া নাই। কিন্তু অসম প্ৰথম, সদায় আৰু চিৰদিন এই কথা মনত ৰাখিব লাগিব। আজি যদিও আমাৰ মাজত লাচিত বৰফুকন, বীৰ চিলাৰায় বা ইছমাইল ছিদ্দিকি নাই কিন্তু তেওঁলোকৰ বীৰত্ব আৰু সেই সাহস অসমীয়াই পাহৰা নাই। আমাৰ ইতিহাস তেজেৰে লিখা ইতিহাস।

দ্বিতীয় কথা, বহুতে প্ৰশ্ন কৰে, ছাত্ৰ সন্থা কেৱল মাত্ৰ আন্দোলন কৰা সংগঠন নেকি? আৰু ছাত্ৰ সন্থাই আন্দোলন কৰি কি পালে? যি সকলে এনেকুৱা প্ৰশ্ন কৰে, তেওঁলোকে যে নাগপুৰ বা দিল্লীৰ ওচৰত আঁঠু লৈছে আমাৰ আৰু বুজিবলৈ বাকী নাই। তেওঁলোকে নিজৰ জাতিটোক অপমান কৰিছে। অসমে আজিলৈকে যিবোৰ বস্তু পাইছে মাত্ৰ আন্দোলনৰ বলত পাইছে। আমাৰ যে অসমীয়া ভাষাটো জীয়াই আছে একমাত্ৰ ছাত্ৰ সন্থাই কৰা মাধ্যম আন্দোলন আৰু ভাষা আন্দোলনৰ বাবে জীয়াই আছে। আন্দোলনকাৰীসকলক ঠাট্টা কৰি তেওঁলোকে কিন্তু এটা প্ৰজন্মক অপমান কৰিছে। কাৰণ আমাৰ দেউতাহঁতৰ প্ৰজন্মটোৱেইটো কেৱল মাত্ৰ আন্দোলনেই কৰিছিল আৰু আন্দোলন কৰিয়েইটো নিজৰ নিজৰ ঠাইত সমৰ্পিত হৈ আছে। কোনোবাই শিক্ষকতা কৰিছে, কেনোবাই গেলামালৰ দোকান দিছে, কোনোবাই খেতি কৰিছে। যিবোৰ কাম, যিবোৰ কথা বাস্তৱ সত্য তাক অনুধাৱন কৰিব লাগিব।

আৰু এটা কথা। আমাৰ শিকিবলগীয়া বহুত আছে। দক্ষিণ ভাৰতৰ পৰা, মাৰাঠী আৰু পাঞ্জাবীসকলৰ পৰা আমি জাতীয়তাবাদৰ শিক্ষা ল'ব পাৰোঁ। কেতিয়াও তেওঁলোকক দিল্লী বা নাগপুৰৰ ওচৰত শৰণ লোৱা দেখা নাই আৰু তেওঁলোকে প্ৰকৃত জাতীয়তাবাদ কৰে বাবেই সেইবোৰ ঠাই অসমৰ তুলনাত আগবাঢ়ি গৈছে। পেটত ভোক লৈ জাতীয়তাবাদ কৰাৰ এতিয়া আৰু সময় নাই। জাতিটো অৰ্থনৈতিকভাবে টনকিয়াল হ'ব লাগিব। ভাল ব্যৱসায়ী ওলাব লাগিব আমাৰ পৰা। কৃষি বিপ্লৱ কৰিব লাগিব। ডাক্তৰ, ইঞ্জিনিয়াৰ, IPS, IAS, APS, ACS আদিত অসমীয়া ল'ৰাৰ সংখ্যা বাঢ়িব লাগিব। কৰ্ম সংস্কৃতি গঢ়ি তুলিব লাগিব। আমাৰ ল'ৰাই পঢ়া-শুনাও কৰিব, সংগ্ৰামো কৰিব আৰু কৰ্মও কৰিব। জাতীয় সমস্যাবোৰৰ ওপৰত আমি আগতেও সৰৱ আছিলোঁ আৰু এতিয়াও আছোঁ। আজি ছাত্ৰ সন্থাই খেতি কৰিছে, বিহু পাতিছে, খেলা পাতিছে, দুৰ্গা পূজা পাতিছে, ভাওনা পাতিছে। বিশিষ্ট ব্যক্তিৰ পৰা আদি কৰি গাঁৱৰ অন্তিমজন মানুহৰ মৃত্যুটো ছাত্ৰ সন্থাই শোক প্ৰকাশ কৰিছে, শোকসন্তপ্ত পৰিয়ালৰ লগত থিয় দিছে। দুখৰ সময়ত মাত এষাৰ দিছে। বিয়া সকামৰ পৰা আদি কৰি মন্দিৰৰ কাজলৈকে ছাত্ৰ সন্থা ৰাইজৰ লগত আছে। যেন পৰিয়ালৰ একো একোজন সদস্য। তাৰ ফলশ্ৰুতিতে গোটেই অসমৰ মানুহে আদৰি লৈছে। উদাহৰণস্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত ছাত্ৰ-ছাত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্থাক আদৰি লৈছে। সৌ সিদিনা ডিব্ৰুগড়, বিশ্বনাথ, তেজপুৰ আৰু টংলাত বঙালী ভাষাত লিখা পোষ্টাৰসমূহ গুচাই দিছে।

আমাৰ সমস্যা বঙালী ভাষাত লিখাৰ বাবে নহয়, অসমীয়া ভাষাত নিলিখাটোহে আমাৰ সমস্যা আৰু এই সমূহ সমস্যা দেখিও বদন বৰফুকনৰ ভাও লোৱা সকলক সাৱধান কৰিব দিব বিচাৰিছোঁ। ইতিহাসে কেতিয়াও তেওঁলোকক ক্ষমা নকৰে।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ এটা নাম আছে। এই ঐতিহ্য আৰু পৰম্পৰা আমি অক্ষুণ্ণ ৰাখিব লাগিব। আজিয়েই আমি সংকল্প ল'ব লাগিব যে, আৰ্য্যৰ পৰা কেতিয়াও জাতীয়তাবাদৰ পতাকা তল পৰিবলৈ নিদিওঁ। এই সংগ্ৰাম খন আমি আগুৱাই নিব লাগিব। আমাৰ অনুজসকলে ইয়াৰ নেতৃত্ব ল'ব লাগিব। এই মহাবিদ্যালয়ৰ পৰা গৈয়েই যতীন্দ্ৰ নাৰায়ণ চৌধুৰী সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দৰে দায়িত্ব লাভ কৰিছিল। শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰখনৰ গিৰিধৰ শৰ্মা, কাব্যঋষি নীলমণি ফুকন, ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মা, ড° বিৰিঞ্চি কুমাৰ মেধি, ড° শিৱনাথ বৰ্মন, ড° জয়শ্ৰী গোস্বামী মহন্ত, ড° নবীন চন্দ্ৰ শৰ্মা, ড° দীনেশ বৈশ্য, ড° প্ৰবীণ চন্দ্ৰ শৰ্মা, হৰেকৃষ্ণ ডেকা, শৰীৰ চৰ্চাত মহাদেৱ ডেকা, অভিনেতা বাহাৰুল ইছলাম, নয়ন নীলিম, ৰবী শৰ্মা, সাংবাদিক প্ৰণয় বৰদলৈ, প্ৰাণজিৎ শইকীয়া, নৰজিৎ বৰঠাকুৰ আদিৰ দৰে বিশিষ্ট ব্যক্তিৰ স্মৃতিৰে জ্যোতিস্মান আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ শিক্ষা মন্ত্ৰী ডা° ৰনোজ পেগুক কেইটামান কথা ক'ব বিচাৰিছোঁ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠতম মহাবিদ্যালয়। ৰাজ্য চৰকাৰে স্বায়ত্তশাসন প্ৰদান কৰিছে। ভাল পাইছোঁ। বিশ্ববিদ্যালয়লৈ আৰ্য্য উন্নতিকৰণ হ'ব লাগিব। আৰ্য্যৰ বিভিন্ন সমস্যা আছে, সমাধান হ'ব লাগিব। বিজ্ঞান আৰু ক'লা শাখাৰ দৰে বাণিজ্য শাখাটোও সম্পূৰ্ণ চৰকাৰীকৰণ কৰিব লাগিব। আৰ্য্যৰ প্ৰাক্তন বহু কেইগৰাকী ছাত্ৰ আজি অসম চৰকাৰৰ মন্ত্ৰী, বিধায়ক, উদাহৰণস্বৰূপে পিযুজ হাজৰিকা, দেবব্ৰত শইকীয়া, মৃণাল শইকীয়া, ফণীভূষণ চৌধুৰী, ৰণজিৎ দাস, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ইত্যাদি। ইয়াৰোপৰি ৰাজনৈতিক ক্ষেত্ৰখনত ৰাজ্যসভাৰ উপাধ্যক্ষ ভুৱনেশ্বৰ কলিতা, নুৰুল হুছেইন, বিনন্দ কুমাৰ শইকীয়া, ৰমেন ডেকা, কুমাৰ দ্বীপক দাস, জগদীশ ভূঞা, ঘন বুঢ়াগোহাঁই, ৰূপম গোস্বামী আদি ব্যক্তিয়ে অসমৰ ৰাজনীতিত দপদপাই আছে। আপোনালোকৰ আপোনালোকে পঢ়ি যোৱা মহাবিদ্যালয় খনৰ প্ৰতি দায়িত্ব আছে। সেই দায়িত্ব তেওঁলোকে পালন কৰক।

সদৌ অসম ছাত্ৰ সন্থা অসমীয়া মানুহৰ আবেগ। ছাত্ৰ সন্থা অসমীয়া মানুহৰ লগত সদায় আছিল আৰু সদায় থাকিব। ছাত্ৰ সন্থাৰ কোনো ৰাজনৈতিক উদ্দেশ্য নাই। ছাত্ৰ সন্থা এটা জাতীয় অনুষ্ঠান। ছাত্ৰ সন্থাৰ প্ৰতিগৰাকী কৰ্মী অসম আৰু অসমীয়াৰ বাবে অৰ্পিত। ৮৫৫ জন শ্বহীদৰ ৰক্ত ৰঞ্জিত সংগঠন সদৌ অসম ছাত্ৰ সন্থা।

আমি জিলিকিম
আৰ্য্যক জিলিকাম
লুইতৰ দুয়োপাৰ জিলিকাম
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ক জিলিকাম
অসম জিলিকিব। ❖

# বিশ্বব্ৰহ্মাণ্ডত তৰাৰ তৰাৱলী

**মৃণাল ঠাকুৰীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

লুইতৰ আকাশত তৰাৰ তৰাৱলী...... গীতটো শেষ হোৱাৰ লগে লগে নিছানখন সাৰতি থকা লভিতাৰ মূৰটো ঢলি পৰিছিল। জ্যোতিপ্ৰসাদৰ কালজয়ী নাট লভিতাত থকা গীতটিৰ কথাকে উনুকিয়ালো। তেনেদৰেই ডন মেকলীনে বিখ্যাত চিত্ৰকৰ ভিনচেণ্ট ভেন গঘৰ বাবে গাইছিল 'Starry starry night', কিমান প্ৰেমিকৰ কবিতাত প্ৰেমিকা হৈ পৰে জিলিকি থকা তৰা! আকৌ, কিছুমানৰ বাবে ইহসংসাৰ এৰি যোৱা জন সেই আকাশত তৰা হৈ জিলিকি তললৈ চাই থাকে হেনো। এই বিশ্বাস অবিশ্বাসৰ মাজতেই হওঁক আমি তৰা বোৰৰ কথা ভাবো, সেয়া লাগিলে গৰমৰ সন্ধিয়া এটাত ঘৰৰ মানুহকেইটাৰ লগত চোতালত বহি আকাশলৈ চাই থকা সময়কণতেই নহওঁক কিয়! তৰা ভৰা আকাশখনক লৈ মানুহৰ আদিৰে পৰা অলী কল্পনা। তাকেই লৈ তলত কেইটামান কথা আলোচনা কৰো আহক...

আমাৰ আটাইতকৈ ওচৰত থকা তৰা কোনটো জানেনে। সেইটো হৈছে সূৰ্য্য। সূৰ্য্যৰ পৰা পৃথিৱীৰ দূৰত্ব প্ৰায় ১৫০ মিলিয়ন কি.মি আৰু আমি জানো পোহৰৰ গতিবেগ প্ৰায় ৩০০,০০০ কি.মি. প্ৰতি ছেকেণ্ড। সেই হিচাপত পৃথিৱী পৃষ্ঠলৈ পোহৰ আহি পাবলৈ ৮ মিনিট ২০ ছেকেণ্ড সময়ৰ প্ৰয়োজন। তাৰ মানে আমি যি সূৰ্য পোহৰ দেখো সেয়া ৮ মিনিট ২০ ছেকেণ্ড পুৰণি নেকি বাৰু!

সূৰ্য্যৰ পোহৰ আচলতে পোহৰৰ সৰু সৰু মোনাৰে গঠিত, যাক কোৱা হয় ফটন (Photon)। সূৰ্য্যৰ অন্তৰ্ভাগত পৰমাণুবীয় সংলয়ন (nuclear fusion) ৰ ফলত এই Photon বোৰৰ সৃষ্টি হয়, যেতিয়া হাইড্ৰজেন পৰমাণুবোৰে লগ হৈ হিলিয়ামৰ অণু এটা সৃষ্টি কৰে। বিক্ৰিয়াটোত লগে লগেই দেখিব পৰা Photon ৰ সৃষ্টি নহয়, অতি শক্তিশালী এই সংলয়নৰ ফলত আচলতে গম্মা-ৰশ্মি ফটন (gamma-ray photon) ৰ হে সৃষ্টি হয়। তাৰ পিছত অন্তৰ্ভাগৰ পৰা সূৰ্য্যৰ বহিপৃষ্ঠলৈ এই ৰশ্মিৰ যাত্ৰা আৰম্ভ হয়। কিন্তু যাত্ৰা বৰ সুচল নহয়। এই ফটন বোৰে চলাচল কৰিলেই অন্তৰ্ভাগত

ভৰ্ত্তি হৈ থকা সৌৰ সামগ্ৰী কণা (হাইড্ৰজেন বা হিলিয়াম) ৰ লগত খুন্দা খাই বেলেগ দিশত গতি কৰে আৰু শক্তিৰ ক্ষয় হয়। এনেদৰে বাৰে বাৰে খুন্দা খোৱাৰ ফলত উৰ্জাৰ ক্ষয় হৈ প্ৰথমতে X- ৰশ্মি (X- ray) তাৰ পিছত UV ৰশ্মিলৈ পৰিৱৰ্তিত হয় আৰু তেনেদৰেই যাদৃচ্ছিক অহা যোৱাৰ ফলত অৱশেষত বহিৰ্পৃষ্ঠৰ সংবহনী ক্ষেত্ৰ (convective zone) ত অৱতীৰ্ণ হয়। ইয়াৰ এই ধৰণৰ চলাচলক আচলতে গণিতৰ ভাষাত যাদৃচ্ছিক খোজ তত্ত্ব (random walk theory) ৰ লগত তুলনা কৰিব পাৰি। যা হওঁক, অৱশেষত এই Photon মুক্ত দৃশ্যমান স্থিতি পায়গৈ আৰু পৃথিৱীপৃষ্ঠলৈ ৮.২০ মিনিটত আহি পায়।

এই গোটেই প্ৰক্ৰিয়াটোত কিমান সময় লাগিব পাৰে বাৰু! অনুমান কৰিব পাৰিনে? কল্পনাতীতভাৱে এই প্ৰক্ৰিয়াটোই ১,৭০,০০০ বছৰ সময় লয়। তাৰমানে, আমি পোৱা এই সূৰ্য্যৰ ৰশ্মি ১৭০,০০০ বছৰ ৮.২০ মিনিট পুৰণি! আমোদজনক নহয়নে!

সূৰ্য্যৰ ওচৰৰ তৰাটি হৈছে প্ৰক্সিমা চেন্তাউৰি (proxima centauri), যিটো সূৰ্য্যৰ পৰা প্ৰায় ৪.২ আলোক বৰ্ষ দূৰত অৱস্থিত। অৰ্থাৎ তাৰ পৰা পোহৰ আহি আমি তৰাটো দেখা পোৱালৈ ৪ বছৰতকৈও বেছি সময়ৰ প্ৰয়োজন। তেনেদৰেই আকাশত খালী চকুৰে দেখিব পোৱা প্ৰায় ছয় হাজাৰ তৰা আছে, যিবোৰৰ অধিকাংশই সূৰ্য্যৰ পৰা ১০০০ আলোকবৰ্ষ দূৰত্বত। অতি উজ্জ্বল তৰাবোৰ আৰু অধিক দূৰত আছে, কিছুমান যেনে ডেনেব (১৫০০-২০০০ আ. বৰ্ষ), কেৰিনি (carinae, ৭০০০ আ. বৰ্ষ), Rho Cassiopeia (৮০০০-১২০০০ আ. বৰ্ষ) ইত্যাদি।

এই তৰাবোৰৰো বয়স থাকে। হয়, আমাৰ দৰেই সিহঁতো মৰণশীল। কিছুমান মৰহি যায়, বিস্ফোৰিত হয়, কিছুমান ৰঙা পিণ্ড লৈ পৰিণত হয়। কিন্তু জীৱনকালো বহুত বহুত বেছি। সূৰ্যটোৱেই বিলিয়ন বছৰ ধৰি জীয়াই আছে। গতিকে অনুমান কৰিব পাৰিছে নিশ্চয়। আমাৰ এটি চকুৰ টিপ হয়তো হাজাৰ বছৰো হ'ব পাৰে তৰাবোৰৰ বাবে।

ওপৰৰ কথাবোৰৰ পৰাই বুজিব পাৰি যে, আমি ৰাতি তৰাবোৰক চাই যি ভাবি থাকো, সেই আচলতে আমি এখন অতীতৰ দুনীয়াক চাই কল্পনা কৰি থাকো!

আকৌ Photon ৰ কথালৈ আহো। আইনষ্টাইনৰ আপেক্ষিকতা বাদৰ সুত্ৰ মতে আমি যদি পোহৰৰ গতিৰ লগত যাত্ৰা কৰো সময় স্থিৰ হৈ ৰয়। গতিকে আমাৰ বাবে লাখ বছৰ পুৰণি Photon বোৰৰ নিজৰ বাবে সময় স্থিৰ, কোনো দূৰত্বও অতিক্ৰম নাই কৰা। আমোদজনক নহয়নে!

<u>সৰু এটা ট্ৰিভিয়া</u> ঃ সূৰ্য্যৰ বৰ্হিভাগৰ বায়ুমণ্ডলৰ নামটি আমাৰ সকলোৰে বাবে পৰিচিত, সেইটো হৈছে কৰোণা (Corona)! ❖



# ভাৰতৰ বিকাশত নাৰী শক্তিৰ ভূমিকা

**প্ৰদক্ষিণা কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

যি ঠাইত নাৰীৰ পূজা হয় সেই ঠাইত দেৱতাই বাস কৰে। যিবোৰ ঠাইত এনে নহয়, তেনেবোৰ ঠাইত সকলো কাম বিফল হয়। ভাৰতীয় দৰ্শনৰ দিশৰ পৰাই চাবলৈ গ'লে আমাৰ সমাজত নাৰীৰ স্থান উৰ্দ্ধত। কিন্তু বহু ক্ষেত্ৰত নাৰীৰ গুৰুত্ব, নাৰীৰ মৰ্যদা, সম অধিকাৰ এইবোৰ ভাষণতেই সীমাবদ্ধ হ'ব যেন অনুভৱ হয়। কিন্তু নাৰীশক্তিৰ বৰ্তমানৰ সফলতাসমূহে পুৰুষৰ সমকক্ষ হোৱাত সহায় কৰিছে; বহু ক্ষেত্ৰত নাৰীশক্তি দেশৰ স্বাভিমানৰ কাৰণ হৈ পৰিছে। নাৰীক বাদ দি বিকাশৰ ধাৰণা অমূলক। সেয়েহে বৰ্তমান এই বিষয়টোত বেছিকৈ গুৰুত্ব দিছে। স্বাধীনতাৰ শতবৰ্ষ অৰ্থাৎ ২০৪৭ চনলৈকে ভাৰতক উন্নত ৰাষ্ট্ৰৰ শাৰীত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এই দিশটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

অন্য উন্নত ৰাষ্ট্ৰ লক্ষ্য কৰিলে গম পোৱা যায় যে লিংগৰ ব্যৱধান একেবাৰেই নাই; গতিকে কৰ্মক্ষেত্ৰত হওক অথবা অন্য ক্ষেত্ৰত ভাৰততো লিঙ্গৰ সেই ব্যৱধান নোহোৱা হ'লেও ই ভাৰতৰ বিকাশত সহায়ক হ'ব। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ প্ৰতিবেদনমতে ভাৰতবৰ্ষত যদিহে মহিলা শক্তিক পুৰুষৰ সমানে কৰ্মক্ষেত্ৰত সুবিধা প্ৰদান কৰিব পৰা যায় তেন্তে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ২৭ শতাংশ বৃদ্ধি পাব। যদিহে কৰ্মক্ষেত্ৰত ৫০ শতাংশ দক্ষ মহিলা অন্তৰ্ভুক্ত হৈ পৰে তেতিয়া বিকাশৰ হাৰ ১.৫ শতাংশ বৃদ্ধি হৈ প্ৰতিবছৰে ৯ শতাংশ লৈ বৃদ্ধি পাব। শিক্ষাৰ ক্ষেত্ৰটো ভাৰতত নাৰীৰ মাত্ৰ ৭ শতাংশ। বৰ্তমান নাৰীৰ সন্মান আৰু সম অধিকাৰে মহিলাসকলক কিদৰে সহায় কৰিছে সেয়া দেশৰ সামাজিক জীৱনত কিছু পৰিমাণে প্ৰতিফলিত হৈছে। "বেটি বচাওঁ, বেটি পঢ়াওঁ" শীৰ্ষক অভিযান, সুকন্যা সমৃদ্ধি আঁচনি অনুপাত কিছু পৰিমাণে বৃদ্ধি কৰিছে।

প্ৰথমবাৰৰ বাবে প্ৰতি এক হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ১০২০ হৈছে। বিশ্ববিদ্যালয়বোৰৰ পৰা কন্যা সন্তানৰ অব্যাহতিৰ গড় হ্ৰাস পাইছে। এতিয়া ছোৱালীৰ বিবাহৰ নূন্যতম বয়স ২১ বছৰ কৰা হৈছে; এইবোৰ আশাৰ দিশ। কিন্তু ইমানতেই ৰৈ দিলে অথবা দিশবোৰ আৰু বেছি টনকিয়াল কৰিব নোৱাৰিলে, এইবোৰ সম্ভৱপৰ হৈ নুঠিব। নাৰীৰ সুৰক্ষা অবিহনে দেশৰ উন্নতি অনৰ্থক। নাৰীৰ সুৰক্ষাৰ ক্ষেত্ৰত আঁচনি বহুত হৈছে যদিও বৰ্তমানে বাতৰিকাকতৰ পৃষ্ঠাত নাৰী নিৰ্যাতনৰ বাতৰি প্ৰায় সদয়ে দেখা যায়। তথাপিও "বিকাশিত ভাৰত সংকল্প যাত্ৰা"ৰ এই অমৃত কালত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই নাৰী শক্তিক যি গুৰুত্ব প্ৰদানৰ কথা উল্লেখ কৰিছে, সেইখিনি ভাষণতে সীমিত নাথাকি কামে কাজে হলে বিকাশত ই বহুখিনি প্ৰভাৱ পেলাৱ।

বহু কথা লক্ষ্য কৰিলে দেখা যায় দেশৰ বিকাশত নাৰীৰ ভূমিকা বহুতো আছে। নাৰীক এৰি দেশৰ বিকাশৰ স্বপ্ন দেখাতো আকাশত চাং পতাৰ দৰে হ'ব। ❖

# বিকশিত ভাৰত @ 2047, নাৰী আৰু সাম্প্ৰতিক সমাজ

**ড° নীভাৰাণী দেৱী**
সহকাৰী অধ্যাপিকা
ভূতত্ত্ব বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

'বিকশিত ভাৰত @ 2047' — অনুসৰি ভাৰতবৰ্ষৰ স্বাধীনতাৰ এশতম্ বছৰ 2047 চনৰ ভিতৰত ভাৰতক অৰ্থনৈতিক সমৃদ্ধি, পৰিবেশৰ স্থায়িত্ব আৰু সুশাসনৰ মাধ্যমেৰে এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ মহান লক্ষ্য আৰু দৃষ্টি-ভঙ্গীৰে চৰকাৰৰ লগতে দেশৰ জনসাধাৰণ সংকল্পবদ্ধ হৈছে। এই বিকাশৰ চাৰিটা স্তম্ভৰ (মুৰ, গৰীব, মহিলা আৰু কৃষি) ভিতৰত নাৰী হ'ল অন্যতম অংশীদাৰ।

নাৰী হ'ল ত্যাগৰ প্ৰতিমূৰ্তি আৰু শক্তিৰ আধাৰ। নাৰীসকলৰ এই শক্তি আৰু ত্যাগৰ ফলশ্ৰুতিতেই দৃঢ় হয় এখন সুস্থ সমাজৰ সুদীৰ্ঘ ভেটি য'ত প্ৰোজ্জ্বলিত হয় দেশৰ ভৱিষ্যত। কিয়নো দেশৰ ভৱিষ্যত প্ৰজন্ম শিশুসকলৰ ওপৰত মাতৃৰ সুশিক্ষা, সজ আদৰ্শ, উপযুক্ত পৰিপুষ্টি আৰু দিশ দৰ্শনৰ প্ৰভাৱ অপৰিসীম। সেয়েহে সমাজ বা দেশৰ উন্নয়নৰ প্ৰমুখ হ'ল নাৰীশিক্ষা। মহিলাসকল সুশিক্ষিত হ'লেহে দেশৰ ভৱিষ্যত প্ৰজন্ম সুশিক্ষিত হৈ সৎ চৰিত্ৰ গঠন কৰি আত্মনিৰ্দেশিত আৰু আত্মনিয়ন্ত্ৰিত সুনাগৰিক হিচাবে গঢ় লৈ উঠিব আৰু দেশৰ সৰ্বাঙ্গীণ উত্তৰণৰ সুচনা কৰিব।

প্ৰাচীন কালৰে পৰা ভাৰতীয় দৰ্শনত নাৰী শিক্ষাই গুৰুত্ব পাই আহিছে। উদাহৰণস্বৰূপে ৰামচন্দ্ৰ আৰু সীতাৰ পুত্ৰদ্বয় লৱ-কুশৰ লগত একেলগে আত্ৰেয়ীক শিক্ষাদানৰ কথাই নাৰী শিক্ষাৰ স্পষ্ট আভাস দিয়ে। ভাৰতবৰ্ষৰ ইতিহাসত জ্যোতিস্মান হৈ থকা গাৰ্গী, আত্ৰেয়ী, মৈত্ৰেয়ী, কুন্তী, সীতা, দ্ৰৌপদী, মীৰাবাই, ঝাঞ্চীৰ ৰাণী লক্ষ্মীবাই, জয়মতী, কনকলতা, চন্দ্ৰপ্ৰভা শইকীয়ানি, ইন্দিৰা গান্ধী....... আদি নাৰীসকলে স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ পৰিছে।

সাম্প্ৰতিক কালত আধুনিকতাৰ পৰশত সমাজৰ দ্ৰুত গতিত পৰিবৰ্তন হব ধৰিছে। আজি নাৰীয়ে সুশিক্ষিত হৈ আত্মনিৰ্ভৰশীল হৈছে আৰু অৰ্থনৈতিক, ৰাজনৈতিক, শিক্ষা, স্বাস্থ্য, বিজ্ঞান প্ৰযুক্তিবিদ্যা, কলাৰ উদ্ভাৱন আদি সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা দেখুৱাইছে। কিন্তু পৰিতাপৰ কথা এই যে এই সংখ্যা তেনেই সীমিত। তেনে সীমিত সংখ্যাক মহিলাৰ উন্নতিয়ে সামগ্ৰিকভাৱে দেশৰ উত্তৰণ ঘটাব নোৱাৰে। আমাৰ দেশৰ বেছিভাগ মহিলা শোষিত আৰু নিষ্পেষিত হৈ অসুৰক্ষিত অৱস্থাত জীৱন নিৰ্বাহ কৰিছে। গ্ৰামাঞ্চলৰ বহুতো মহিলা নিৰক্ষৰ হৈয়ে আছে। সম অধিকাৰৰ কথা বাবে বাবে উচ্চাৰিত হ'লেও প্ৰকৃতাৰ্থত ফলপ্ৰসূ হোৱা নাই। এই নাৰীসকলক সবল কৰি তুলিবলৈ হ'লে উপযুক্ত শিক্ষাই হ'ব প্ৰধান আহিলা।

"বিকশিত ভাৰত @ 2047' - ৰ অংশীদাৰ হিচাবে প্ৰতি গৰাকী নাৰীৰে দায়িত্ব আৰু কৰ্তব্য আছে। প্ৰতিগৰাকী নাৰীয়ে আনগৰাকী নাৰীৰ মনোকষ্ট হৃদয়ঙ্গম কৰি নিজৰ লগতে আনকো স্বাৱলম্বনৰ পথ দেখুৱাবলৈ যত্নপৰ হ'ব লাগিব। প্ৰতি গৰাকী নাৰীক নিজৰ অধিকাৰ, সুৰক্ষা আৰু চৰকাৰী নাৰীকল্যানকামী আঁচনিসমূহৰ বিষয়ে সজাগ কৰিব লাগিব। এগৰাকী কন্যাসন্তানক অলপ বয়সতে বিয়া দিয়াতকৈ শিক্ষা দীক্ষাৰে এগৰাকী স্বনিৰ্ভৰশীল মহিলা বিচাবে গঢ়ি তোলাৰ গুৰুত্ব অৱগত কৰিব লাগিব।

এনেদৰে নাৰীসকলে সংস্কাৰমুখী দৃষ্টিভঙ্গীৰে নাৰীকল্যানকামী কাৰ্য্যসমূহৰ দায়িত্ব বহন কৰি সমাজৰ লগতে দেশৰ উন্নতি সাধিবলৈ অগ্ৰণী ভূমিকা লব লাগিব। এগৰাকী নাৰীয়ে আনগৰাকী নাৰীক সঠিক দিশত আগবঢ়াই আনিব পাৰিলেহে এখন ন্যায়সঙ্গত আৰু সমতাপূৰ্ণ সমাজ গঠন হ'ব আৰু এই বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত হ'ব। পৰিবেশত নেপোলিয়ন বোনাপাৰ্টৰ ভাষাতেই ক'ওঁ —

"মোক কেইগৰাকী মান সুমাতৃ দিয়া
মই তোমালোকক সুস্থ সবল এটা জাতি দিম।" ❖

সাক্ষাৎকাৰ

# মৃগেন শৰ্মাৰ সৈতে এটি সাক্ষাৎকাৰ

সাক্ষাত গ্ৰহণ কৰোঁতা ঃ অনিমেষ ঠাকুৰীয়া, বিতোপন ৰাজবংশী
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মহাবিদ্যালয়ৰ দীঘলীয়া ইতিহাসত আমি এনে কিছুমান ব্যক্তিক মনত ৰাখিবলৈ পাহৰি যাওঁ, যাৰ হয়তো এই শিক্ষানুষ্ঠানৰ উত্তৰণৰ বাটত ভালেখিনি কায়িক-বৌদ্ধিক অৰিহণা আছে। প্ৰচাৰৰ আৰত থাকিয়েই তেওঁলোকে যিখিনি কাম কৰি আহিছে সেয়া নিতান্তই প্ৰশংসাৰ পাত্ৰ। তেনে এগৰাকী ব্যক্তি হ'ল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্বশাসিত) ৰ চতুৰ্থ বৰ্গৰ সহায়ক কৰ্মচাৰী মৃগেন শৰ্মা, যিয়ে সুদীৰ্ঘ কাল ধৰি মহাবিদ্যালয়খনত সেৱা আগবঢ়াই আহিছে। কিন্তু বহুতেই নজনা কথাটো হ'ল তেখেত এজন নামজ্বলা সাহিত্যৰ সাধক, যিয়ে এতিয়ালৈ কেইবাখনো গ্ৰন্থ লিখি প্ৰকাশ কৰি উলিয়াইছে। নৱ প্ৰজন্মক তেখেতৰ বিষয়ে কোৱাৰ লগতে কিছু অনুপ্ৰাণিত কৰাৰ হেতুকে আমি ওচৰ চাপিছিলোঁ মৃগেন শৰ্মাদেৱৰ, এটি সাক্ষাৎকাৰৰ উদ্দেশ্যৰে। তাৰেই কিয়দাংশ আপোনালোকলৈ বুলি আগবঢ়ালোঁ।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ খুড়া, আপুনি এতিয়ালৈকে কিমানখন গ্ৰন্থ লিখি উলিয়ালে?

<u>মৃ. শ</u> ঃ চাৰিখন হ'ল।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ আপোনাৰ গ্ৰন্থসমূহৰ বা ৰচনাৰাজিৰ মূল বিষয়েটো সাধাৰণতে কি হয়?

<u>মৃ. শ</u> ঃ বেলেগ বেলেগ বিষয়ৰ ওপৰত লিখোঁ যদিও ঘাইকৈ সংস্কৃতি বিষয়ক লেখাই লিখোঁ। বিশেষকৈ অসমৰ সংস্কৃতিৰ ওপৰত বেছিকৈ লিখা হয়।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ সংস্কৃতিৰ প্ৰতি আপোনাৰ টানটো কিয় বেছি?

<u>মৃ. শ</u> ঃ সৰুৰ পৰাই ভাল পাওঁ। সেয়েই কাৰণ।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ আপুনি লিখা মেলা কেতিয়া আৰম্ভ কৰিছিল?

<u>মৃ. শ</u> ঃ বহুত সৰুতেই। পঢ়ি থকা দিনৰ পৰাই লিখি আহিছোঁ।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ কৰ্মজীৱনত ইমান ব্যস্ত থকাৰ পাছতো আপুনি কেনেকৈ সাহিত্য চৰ্চাৰ প্ৰতি নিজকে নিয়োজিত কৰি ৰাখিব পাৰিছে?

<u>মৃ. শ</u> ঃ আচলতে ইচ্ছাই সকলো। ইচ্ছা কৰিলে পাৰি। দিনত যদি কলেজত কাম কৰোঁ, ৰাতি পঢ়া-লিখাৰ কামত থাকোঁ। মন কৰিলে সময় মিলে। আপোনালোক অহাৰ সময়তো মই এনেই বহি নাথাকি কিতাপ এখনৰ প্ৰুফ ৰিডিংৰ কামত ব্যস্ত আছিলোঁ।

<u>প্ৰশ্নকৰ্ত্তা</u> ঃ বৰ্তমান সময়তো আপুনি এখন কিতাপৰ কামত ব্যস্ত হৈ আছে। সেইখন কিতাপৰ বিষয়ে কিছু কওঁকচোন।

<u>মৃ. শ</u> ঃ এইখনো ঐতিহ্য সংস্কৃতিৰ লগতে জড়িত কিতাপ। ২০২৪ বৰ্ষত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

তাৰ লগতে অন্যান্য সাধাৰণ জ্ঞান বিষয়ক লিখাৰ কামতো ব্যস্ত আছোঁ।

প্ৰশ্নকৰ্ত্তা ঃ আপুনি নতুন কিতাপ এখন লিখিলে কেনেকৈ প্ৰকাশকৰ কাষ চাপে?

মু. শ ঃ লিখা হ'লে মই গৈ তেওঁলোকক কওঁ যে এনেকুৱা এখন কিতাপ লিখিছোঁ, আপোনালোকে প্ৰকাশ কৰিব নেকি? সেইমৰ্মে তেওঁলোকে কিতাপখন চালি-জাৰি চাই, অৱশ্যে সকলো প্ৰকাশকে নতুন বা প্ৰচাৰবিমুখ লেখক হিচাপে গুৰুত্ব দিব নোখোঁজে।

প্ৰশ্নকৰ্ত্তা ঃ বহুসময়ত লেখকসকলে ৰয়েল্টিৰ বিষয়ে অভিযোগ কৰে। আপোনাৰ মত সেই বিষয়ক কি?

মু. শ ঃ মই দুখন কিতাপৰ ৰ'য়েল্টি ঠিকমতেই পাইছোঁ। আন দুখনৰ নাই পোৱা এতিয়ালৈকে।

প্ৰশ্নকৰ্ত্তা ঃ আমাৰ বাবে এটা অতি বেছি সুখৰ খবৰ যে আপোনাৰ এখন গ্ৰন্থ এইবাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম ষাণ্মাসিকৰ নতুন পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হৈছে। সেই বিষয়ে আপুনি কি ক'ব?

মু. শ ঃ ভাল লাগিছে মোৰ। এইবোৰ খবৰেই আমাক উৎসাহ দিয়ে। গ্ৰন্থখন হ'ল "পুৰণি অসমৰ কাৰীকৰি শিল্পৰ ইতিহাস"। কেইবাটাও প্ৰবন্ধ আছে অসমৰ কাৰিকৰী শিল্পৰ ওপৰত। আচলতে মই এইটো উদ্দেশ্যতেই লিখা মেলা কৰোঁ যে যাতে ল'ৰা-ছোৱালীৰ সহায় হয়।

প্ৰশ্নকৰ্ত্তা ঃ দেখা যায় যে নতুন প্ৰজন্মই সাহিত্য চৰ্চাৰ প্ৰতি আকৃষ্ট নহয়। সেই ক্ষেত্ৰত আপুনি কি ক'ব?

মু. শ ঃ আজিকালি ল'ৰা-ছোৱালীয়ে পঢ়াটো বহুত কমিছে। বেছিভাগেই মোবাইলতে সময় কটাই। তাৰ মাজতহে কাচিতহে দুই এটা আছে যিয়ে কিতাপ পঢ়ে বা লিখা-মেলা কৰে।

প্ৰশ্নকৰ্ত্তা ঃ নিজৰ মাতৃভাষা অসমীয়াৰ প্ৰতি নৱপ্ৰজন্মৰ বাঢ়ি অহা অনীহাৰ প্ৰতি আপুনি কি ক'ব?

মু. শ ঃ আমাৰ অসমীয়া ভাষাৰ অৱস্থা তেনেই তথৈবচ এতিয়া। ল'ৰা-ছোৱালীয়ে শিকিবলৈ, জানিবলৈ আগ্ৰহ নকৰে। যি এজন-দুজনে জানে, তেওঁলোকৰ মাজতো বানানৰ শুদ্ধতাৰ প্ৰতি গুৰুত্ব নাই। এয়া ভাল লক্ষণ নহয়। সংস্কৃতিৰ ক্ষেত্ৰতো, এতিয়া কথাবোৰ আগৰ দৰে হৈ থকা নাই। আজিৰ ল'ৰা-ছোৱালীয়ে উৎসৱ পাৰ্বণ, আচাৰ-অনুষ্ঠানসমূহৰ বিষয়ে খুব কমেইহে জানে। লোককলা-লোকসংস্কৃতি হেৰাই যাবগৈ এনেকুৱা হৈ থাকিলে। আমি সংশয় অনুভৱ কৰোঁ। নিজে সচেতন নহ'লে, চেষ্টা নকৰিলে আমাৰ ভাষা-সংস্কৃতি ধৰি ৰখাৰ আৰু গত্যন্তৰ নাই।

প্ৰশ্নকৰ্ত্তা ঃ মহাবিদ্যালয়ত কাম কৰা ২৩ বছৰীয়া সময়ছোৱাত আপুনি তেতিয়াৰ আৰু এতিয়াৰ মাজত কেনে পৰিৱৰ্তন দেখিছে?

মু. শ ঃ আগতে আলোচনীবোৰ বছৰে বছৰে ওলাইছিল। এতিয়া নোলায়। আন্তঃ গাঁথনি ভালেখিনি উন্নত হ'ল কিন্তু বৌদ্ধিকভাৱে অৱক্ষয়হে ঘটিল। পঢ়াৰ আগ্ৰহবোৰ কমিছে। সাহিত্যৰ মান কমিছে। ভাষাগত শুদ্ধতা কমিছে। এয়া শুভ লক্ষণ নহয়।

প্ৰশ্নকৰ্ত্তা ঃ আগলৈ আপোনাৰ পৰিকল্পনাসমূহ কি কি?

মু. শ ঃ লিখি যাম। বিশ্বকোষ এখন প্ৰকাশ কৰাৰ ইচ্ছা আছে। পঢ়ি আছোঁ সমল গোটাই আছে।

প্ৰশ্নকৰ্ত্তা ঃ আপোনাৰ সাহিত্যিক যাত্ৰাটোত পৰিয়ালৰ ভূমিকা কোন?

মু. শ ঃ সকলোবোৰ তেওঁলোকৰ উৎসাহৰ ফলতেই সম্ভৱ হৈছে আচলতে। পঢ়াৰ পৰিৱেশতো পাইছোঁ। তেওঁলোকে পাৰ্যমানে সহায় কৰি আহিছে আজিলৈ। সমলবোৰ কিতাপ পঢ়ি চাওঁ, পুথিভঁৰালত প্ৰায়ে যাওঁ। ঘৰখনেও ভালেখিনি সহায় কৰে।

প্ৰশ্নকৰ্ত্তা ঃ খুড়া, আপুনি আগবাঢ়ি যাওঁক। আমাৰ শুভেচ্ছা থাকিল।

মু. শ ঃ ধন্যবাদ। ❖

ভ্ৰমণ কাহিনী

# দ্বীপ মালাৰ দেশ ইণ্ডোনেছিয়া ভ্ৰমণৰ কিছু অনুভৱ

**ডঃ স্বপ্নালী দত্ত**
সহকাৰী অধ্যাপিকা
ভূতত্ত্ব বিভাগ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



আমাৰ মানে, আমাৰ পৰিয়ালটো আৰু আন এটা পৰিয়ালৰ ইণ্ডোনেছিয়া যাত্ৰা আৰম্ভ হৈছিল ১১.০৭.২০২৩ তাৰিখে। আমি সন্ধিয়া গুৱাহাটীৰ পৰা প্ৰথম কোলকাতালৈ গ'লো তাৰ পৰা ৰাতি ১২.৩০ বজাত আমাৰ ফ্লাইট আছিল মালেছিয়ালৈ। আমি মালেছিয়া গৈ পালো ৰাতি ৩.৩০ বজাত। মাছেছিয়াৰ পৰা ৭.৩০ বজাত যাত্ৰা আৰম্ভ কৰি ১২.০৭.২৩ তাৰিখে তেওঁলোকৰ সময়মতে দিনৰ ১.৩০ মান বজাত বালি চহৰৰ ডেনপাছাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ পালোগৈ। ভাৰত আৰু ইণ্ডোনেছিয়াৰ সময়ৰ পাৰ্থক্য প্ৰায় ২ ঘণ্টা ৩০ মিনিটৰ। ডেনপাছৰ বিমান বন্দৰটো ঠিক সাগৰৰ পাৰতে থকা এটা অতি ধুনীয়া বিমান বন্দৰ। বিমানখন নমাৰ সময়ত, ওপৰৰ পৰা চালে বিমানখন সাগৰতে পৰিব যেন লাগে। বালি চহৰখন প্ৰকৃতিৰ অকৃপণ হাতেৰে সজোৱা সৰু সৰু কেইটামান দ্বীপৰ সমষ্টি। ইয়াৰ ৮৭% মানুহেই হিন্দু ধৰ্মালম্বী। তেওঁলোকেও বিষ্ণু শিৱ আদি দেৱতাক পূজা কৰে। ২০১৮ চনৰ সমীক্ষা মতে বালিৰ জনসংখ্যা প্ৰায় ৩,৬৮২,৪৮৪.

আমি যিহেতু বালিৰ কুটা নামৰ ঠাইত থাকিম বুলি ঠিক কৰিছিলো, বিমানবন্দৰৰ পৰা টেক্সি লৈ আমি কুটাৰ এখন হোটেলত উঠিলো। তাৰ পাছৰ দিনা অৰ্থাৎ ১৩.০৭.২৩ তাৰিখে আমাৰ ল'ৰাৰ গা বেয়া আছিল বাবে আগবেলা বিশেষ ওলোৱা নহ'ল। আবেলি কুটা সমুদ্ৰ তীৰৰ ফালে ওলাই গ'লো।

১ আগষ্ট তাৰিখে কলেজৰ গৰমৰ বন্ধ খোলাৰ দিনা অসমীয়া বিভাগৰ ড° প্ৰণীতা বাইদেউৰে লগ পাই ক'লে যে আমাৰ ইণ্ডোনেছিয়া ভ্ৰমণৰ বিষয়ে এটা ভ্ৰমণ কাহিনী কলেজৰ আলোচনীৰ বাবে লিখিব লাগে। মই যদিও বিশেষ লিখা-মেলা নকৰো, বাইদেউৰ অনুৰোধ ৰক্ষা কৰি ভ্ৰমণ কাহিনীটো লিখো বুলি ভাবিলো।

ইণ্ডোনেছিয়া দক্ষিণ-পূব এছিয়াৰ সৰু ডাঙৰ দ্বীপৰ সমষ্টিৰে এখন সৰু দেশ। এই দেশখন ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰেৰে আবৃত। ইণ্ডোনেছিয়াৰ দ্বীপসমূহৰ বেছি ভাগেই গছ-গছনিৰে ভৰপূৰ, আগ্নেয়গিৰিৰ পৰা হোৱা পাহাৰ। ইণ্ডোনেছিয়া এখন ভূমিকম্প প্ৰৱণ দেশ কাৰণ ই বিভিন্ন ফলক সীমাৰ ওপৰত অৱস্থিত। ইণ্ডোনেছিয়াৰ জাভা, বালি আৰু চুন্দাৰ মানুহখিনি মুলতঃ হিন্দু আৰু বুদ্ধ প্ৰতি অনুগত।

কুটা সমুদ্ৰ তীৰলৈ ওলাই গৈ মনটো ভাল লাগি গ'ল। বিশাল জলৰাশি, বিভিন্ন দেশৰ পৰ্য্যটক, বিভিন্ন খাদ্য আৰু লগতে দূৰৰ পৰা বিমান সমূহৰ অৱতৰণৰ অতি মনোমোহা দৃশ্য। কুটাৰ সমুদ্ৰ তীৰত বিভিন্ন জল-খেলাৰ ব্যৱস্থা আছে। সেইদিনা অলপ সময় তাত কটাই হোটেললৈ উভতি আহিলো। পিছদিনা আমি 'নুচা-পেনিডা' নামৰ দ্বীপটোলৈ যাম বুলি ঠিক কৰিলো।

'নুচা-পেনিডা' (Nusa Penida) বালিৰ পৰা প্ৰায় ১২ কিঃমিঃ দক্ষিণ-পূৱ দিশে অৱস্থিত এটি ক্ষুদ্ৰ দ্বীপ। সৰু সৰু পাহাৰীয়া ৰাস্তা, গছ-গছনীৰে ভৰপূৰ এটি অটি সুন্দৰ দ্বীপ। ভাৰত মহাসাগৰেৰে আবৃত এই দ্বীপটোৰ সমুদ্ৰ তীৰ সমূহৰ দৃশ্য অতি মনোমোহা। এই দ্বীপটোত যিহেতু এতিয়াও যান্ত্ৰিকতাৰ স্পৰ্শ বেছি পৰা নাই, পৰ্য্যটকসমূহে ইয়াৰ প্ৰাকৃতিক দৃশ্য ভালদৰে উপভোগ কৰিব পাৰে আৰু তেওঁলোকৰ সংস্কৃতিৰ (বালিনিজ কালচাৰ) বিষয়েও ভালদৰে জানিব পাৰে।

পিছদিনা অৰ্থাৎ ১৪.০৭.২০২৩ তাৰিখে হোটেলত ৰাতিপুৱাৰ আহাৰ খাই আমি আগতে ঠিক কৰি থোৱা দুখন টেক্সি লৈ চানুৰ (Sanur) বন্দৰ অভিমুখে আগবাঢ়িলো। নুচা-পেনিডালৈ যাবলৈ বন্দৰৰ পৰা সুন্দৰ সৰু সৰু জাহাজৰ ব্যৱস্থা আছে। আমি বন্দৰলৈ গৈ থাকোতে বালি চহৰৰ গছ-গছনিৰে ভৰা সুন্দৰ অলি বাটবোৰ দেখি মনলৈ আহিল আমাৰ গুৱাহাটীত বাট-পথ-উৰণসেতু বনোৱাৰ নামত কিমান যে পুৰণি গছ-গছনি ধ্বংস কৰিলে! গৈ থকা ৰাস্তাটোৰ কাষে কাষে শাৰী-শাৰীকৈ থকা কেবাখনো নাৰ্চাৰী দেখা পালো। নাৰ্চাৰীবোৰত বিভিন্ন গছ-ফুলৰ লগতে বহুতো ধুনীয়া ধুনীয়া ব'নছাইৰ টাবও সজাই থোৱা দেখিবলৈ পালো। আমি চানুৰ বন্দৰ গৈ পাওঁতে আধা ঘন্টামান সময় লাগিল। টিকট ক্ৰয় কৰি আমি বন্দৰলৈ আগবাঢ়িলো। বন্দৰত সোমাই এঠাইত বেগ-সুওইটকেছ আদি থৈ আমি ভিতৰলৈ সোমাই গ'লো। নুচা-পেনিডালৈ বালিৰ পৰা পেকেজ টুৰ ও আছে। দিনটো বিভিন্ন স্থান দেখুৱাই আকৌ সন্ধিয়া বালি চহৰলৈ উভতাই লৈ আহে। আমি কিন্তু এদিন নুচা-পেনিডাত থকাটো ঠিক কৰিলো। বন্দৰৰ ভিতৰলৈ সোমাই গৈ দেখিলো কি সুন্দৰ অপূৰ্ব দৃশ্য। বিশাল গাঢ় নীলা সাগৰ। শাৰী-শাৰীকৈ সজাই থোৱা সৰু সুন্দৰ জাহাজবোৰ। অলপ সময় তাতে কটাই আমাৰ জাহাজৰ সময় হোৱাত আমি জাহাজলৈ আগুৱাই গ'লো। প্ৰায় ৫০ মিনিটমান তীব্ৰবেগি জাহাজখনেৰে ভাৰত মহাসাগৰৰ বুকুৰেদি যোৱাৰ পাছত আমি গন্তব্যস্থান পালো। তাত দুখন টেক্সিলৈ প্ৰথমে আমি হোটেল এখনত উঠিলো।

আমি নুচা-পেনিডাৰ পশ্চিমৰ ফালে আছিলো আৰু পশ্চিমৰ ফালৰ আকৰ্ষণীয় স্থান সমূহ হ'ল কিলংকিং বীচ্ছ, ব্ৰোকেন বীচ্ছ, এঞ্জেল বিলাবং আৰু ক্ৰিস্টল বে। গছ-গছনিৰে ভৰপূৰ সৰু সৰু পাহাৰীয়া ৰাস্তাৰে গৈ আমি প্ৰথমে কিলংকিং বীচ্ছলৈ আগবাঢ়িলো। গন্তব্যস্থান পাবলৈ গাড়ী ৰখোৱা ঠাইৰ পৰা তললৈ নামি যাব লাগে। আমি নামি গৈ থাকোতে দেখিলো দূৰৈত সাগৰ। ওচৰ পোৱাৰ লগে লগে মনটো উৎফুল্লিত হৈ উঠিল। ইমান ধুনীয়া গাঢ় নীলা ৰঙৰ সমুদ্ৰ! আৰু অলপ নামি যোৱাৰ পিছত দেখিলো কি সুন্দৰ দৃশ্য। সমুদ্ৰৰ অৱক্ষয়ণৰ ফলত সৃষ্টি হোৱা পাহাৰৰ কি ধুনীয়া ভাস্কৰ্য্য! কিলংকিং বীচ্ছৰ পাৰটো থিয় থিয় শিলেৰে গঠিত। তললৈ নামি যাবলৈ সুন্দৰ খট্‌খটীৰ ব্যৱস্থা আছে। মোৰ আৰু বেছি কিয় ভাল লাগিল কাৰণ আমি যিবোৰ কথা আমাৰ বিষয়ত পঢ়াও, সদায় কিতাপৰ পাতত দেখি থকা বা ফটোত দেখা, সাগৰৰ ক্ষয়কাৰ্যৰ ফলত সৃষ্টি হোৱা অৱয়ব সমূহ নিজ চকুৰে দেখিবলৈ পাইছো। একেবাৰে তললৈ নামি যোৱাৰ ব্যৱস্থা আছে যদিও বহু ঠিয় আৰু সময়ও বহুত লাগে বাবে আমি নামি নগলো।

ইয়াৰ পিছত আমি ৰাওনা হ'লো 'ব্ৰোকেন বীচ্ছ' লৈ। 'ব্ৰোকেন বীচ্ছ' নামটোৰ তাৎপৰ্য এয়াই যে শিলাখণ্ডবোৰ ভাঙি ধেনুভিৰীয়া আকৃতি লৈছে, যেন এখন তোৰণৰহে সৃষ্টি কৰিছে। প্ৰকৃতিৰ কি অপূৰ্ব ভাস্কৰ্য্য। গাঢ় নীলা পানীৰ ঢৌবোৰে শিলত খুন্দা মাৰি থকাৰ দৃশ্য, সেউজীয়া গাঢ়-নীলা পানী, শিলত ঠেকা খাই চিটিকি অহা পানীৰ স্পৰ্শ, কি যে বুজাব নোৱাৰা ভাল লগা পৰিবেশ। ব্ৰোকেন বীচ্ছৰ নয়নাভিৰাম দৃশ্য উপভোগ কৰি আমি ৰাওনা হ'লো ওচৰতে থকা 'এঞ্জেল বিলাবঙ' লৈ। প্ৰকৃতিৰ অপৰূপ সৃষ্টি এঞ্জেল বিলাবঙৰ সুন্দৰ দৃশ্য উপভোগ কৰাৰ পিছত আমি ৰাওনা হ'লো 'ক্ৰিস্টল বে' লৈ। এই সমুদ্ৰ তীৰৰ এঠাইৰ বালিখিনি ক'লা বৰণৰ। বিদেশী পৰ্য্যটকসকলে বালিবোৰ গাত সানিলৈ বহি আছে। হয়তো কিবা ঔষধি গুণো থাকিব পাৰে। গম নাপালো।

ইতিমধ্যে সন্ধিয়া লাগি গৈছে। এই আকৰ্ষমীয় বীচ্ছটোত কিছু সময় কটাই আমি হোটেললৈ উভতিলো। বালিৰ খাদ্যৰ তালিকাৰ 'নাচিগোৰে' নামৰ খাদ্য বিধ অতি জনপ্ৰিয়। 'ষ্টিম' বা 'ফ্ৰাইড ৰাইচ'ৰ লগত কমী, মাংস ভজা, আলু ভজা বা সাগৰীয় সৰু সৰু মাছ আদিৰে পৰিবেশন কৰে। খাই বেয়া নালাগে।

পিছদিনা অৰ্থাৎ ১৫.০৭.২৩ তাৰিখে আমি আকৌ

জাহাজেৰে আহি 'চানুৰ' বন্দৰ পালো। তাৰ পৰাই বাহিৰে বাহিৰে আমি 'মাউন্ট বাটুৰ' আগ্নেয়গিৰি অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। মাউন্ট বাটুৰ আগ্নেয়গিৰি 'কিন্তামণি' (Kintamani district) ত অৱস্থিত। এইটো এটা সক্ৰিয় বা জাগ্ৰত আগ্নেয়গিৰি। ২০০০ চনত ইয়াৰ শেষৰবাৰ উদ্‌গীৰণ হৈছিল। আমাৰ বিষয়ৰ লগত সম্পৰ্ক থকা বা সদায় ফটোত দেখা আগ্নেয়গিৰিটো নিজ চকুৰে দেখি নিজকে ভাগ্যবান যেন অনুভৱ হ'ল। আগ্নেয়গিৰিটো বিপৰীত দিশৰ পাহাৰ এখনৰ পৰা চাব দিয়ে। ৰাস্তাৰ কাষে কাষে পৰ্য্যটকৰ বাবে শাৰী শাৰী ৰেষ্টোৰা। তাৰ পৰা ধুনীয়াকৈ আগ্নেয়গিৰিটো চাব পৰাকৈ ব্যৱস্থা কৰি থোৱা আছে।

ইয়াৰ পিছৰ গন্তব্যস্থান আছিল 'উবুদ'। ৰাস্তাৰ পাৰে পাৰে অতি মনোমোহা ঝুম খেতিৰ দৃশ্য, কমলাৰ বাগান আদি চাই কেতিয়া উবুদ পালোহি গমকে নাপালো। 'উবুদ' পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। এখন পাহাৰ ঝুম খেতিৰ দৰে খাপ খাপকৈ কাটি পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ বিভিন্ন খেলৰ ব্যৱস্থা, ধুনীয়া বাগান, মূৰ্তি আদিৰে আকৰ্ষণীয় কৰি তোলা হৈছে। ইমান ধুনীয়া যে ভাষাৰে বুজাব নোৱাৰি। ইয়াতে বিভিন্ন দুঃসাহসিক খেলৰও ব্যৱস্থা আছে। উবুদৰ 'উবুদ চুইং' (Ubud Swing) বা ঝুলনা অতি বিখ্যাত। ফটো উঠিবলৈ ধুনীয়া ধুনীয়া পোছাকো ভাবাত পায়।

ইতিমধ্যে সন্ধিয়া নামি আহিল। আমাৰ গন্তব্যস্থান য'ত আমি থাকিম, ইয়াৰ পৰা প্ৰায় ২ ঘন্টামানৰ বাট। ভাগৰো লাগিছিল যথেষ্ট। আমি তাৰপৰা আৰু ক'তো নগৈ চিধা হোটেললৈ আহিলো। যিহেতু আমাৰ বালি চহৰখন চোৱা হোৱা নাছিল, পিছদিনা আমি বালি চহৰখন চাম বুলি ঠিক কৰিলো।

পিছদিনা ৰাতিপুৱা অৰ্থাৎ ১৬.০৭.২৩ তাৰিখে আমি প্ৰথম 'উলুৱাটো' মন্দিৰলৈ গ'লো। এই মন্দিৰটো বালিৰ দক্ষিণ দিশে সমুদ্ৰৰ গাতে লাগি থকা এখন শিলৰ পাহাৰৰ ওপৰত অৱস্থিত। মন্দিৰটোক গোটেই ঠাইখিনিত পুৰণি স্থাপত্যকলা আৰু ভাস্কৰ্য আদি দেখা যায়। মন্দিৰৰ একেবাৰে ভিতৰলৈ বাহিৰা মানুহক সোমাব নিদিয়ে। গেটৰ ভিতৰলৈ সোমোৱাৰ আগতে ককালত তেওঁলোকে দিয়া এখন কাপোৰ মেৰিয়াই ল'ব লাগে। পাহাৰৰ ওপৰৰ পৰা দেখা সমুদ্ৰৰ দৃশ্য, বিভিন্ন ফুল, গছ-গছনি, ভাস্কৰ্য আদিৰে ভৰপূৰ এখন মনোৰম ঠাই। বাহিৰত বিভিন্ন খাদ্যৰ দোকান, ডাৱৰ পানী আদি পোৱা যায়। ডাৱবোৰ কিন্তু আমা ইয়াত দেখাবোৰতকৈ বহুত ডাঙৰ।

ইয়াৰ পিছত আমি ৰাওনা হ'লো Garuda Wisn Kencana Cultural Park লৈ। ইয়াতেই পৃথিৱীৰ চতুৰ্থত ওখ মূৰ্তিটো আছে। এই মূৰ্তিটোক গড়ুডা ৱিষ্ণু কেনকানা মূ (Garuda Wisnu Kencana Statue) বুলি কোৱা হয়, যা উচ্চতা ১২২ মিঃ. এটা ডাঙৰ গড়ুৰ পক্ষীৰ ওপৰত বিষ্ণুৰ এ মূৰ্তিটো অৱস্থিত। গড়ুৰ পক্ষী ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰীয় চিহ্ন ভিতৰলৈ যাবলৈ সৰু সৰু বাছৰ ব্যৱস্থা আছে। ভিতৰলৈ গ'লো তাত এখন ধুনীয়াকৈ সজাই থোৱা মুকলি ফিল্ড আছে। তা সন্ধিয়া সদায় সাংস্কৃতিক অনুষ্ঠান হয়। আমাৰ ভাওনাৰ দৰে আমাৰ পিছে সময়ৰ অভাৱত সেই অনুষ্ঠানটো চোৱাৰ ভাগ নহ'ল। তালৈ গৈ গম পালো যে সৰু সৰু গাড়ী কিছুমানে আ ওপৰলৈ লৈ যায়। ওপৰৰ পৰা মূৰ্তিটো অতি ধুনীয়াকৈ দে যায়। এটা কথা ভাল লাগিল, তেওঁলোকে পাহাৰখন গোটে কাটি শেষ নকৰি মাজে মাজে বৰ্গ আকাৰৰ সমান ঠাই কিছুমা ৰাখি থৈছে। ইমান ধুনীয়া চাফাকৈ সজাই পৰাই ৰাখিছে দেখিলেই ভাল লাগি যায়।

আমি ড্ৰাই ভাৰজনক বালিৰ পৰম্পৰাগত বস্তু পোৱা কি দোকান আছে নেকি সোধাত 'কৃষ্ণা মাৰ্কেট' বুলি বৃহৎ দোকা এখনলৈ লৈ গ'ল। 'কৃষ্ণা মাৰ্কেট'ত বিভিন্ন ইণ্ডোনেছিয়াৰ বস্ত লগতে খাদ্যৰ পৰা আৰম্ভ কৰি কাপোৰ, বিভিন্ন সজোৱা বস্ত বেগ, পেইন্টিং আদি পোৱা যায়। দামবোৰ অৱশ্যে অলপ বেছি পৰ্য্যটকে কিনিব পৰা সকলো আছে। আমি অনাৰ অসুবিধা বা দুই এপদ সৰু-সুৰা বস্তু লৈ হোটেললৈ আহিলো। পিছদিনা যিহে ভাৰতলৈ উভতিম, ৰাতিপুৱাই ওলাব লাগিব, আমি আৰু ক'তে নোযোৱাটোকে ঠিক কৰিলো। ১৭.০৭.২৩ তাৰিখে ৰাতিপুৱা আহাৰ খাই আমি বিমান বন্দৰলৈ ওলালো। আমি ইণ্ডোনেছিয়া পৰা প্ৰথমে বেংককলৈ আহিলো বেংককত বহুত সময় ৰখিবলগীয়া হ'ল। তাৰপৰা কোলকাতালৈ আহি পিছদিন ৰাতিপুৱা প্ৰায় ৬.৩০ মান বজাত গুৱাহাটী পালো।

ইণ্ডোনেছিয়া যাত্ৰাটো সদায় মনত থাকিব কাৰণ বিভি ধুনীয়া ধুনীয়া ঠাইবোৰ দেখাৰ লগতে আমাৰ বিষয়ৰ যিবো কথা আমি পঢ়াও, ফটোত হে দেখো নিজ চকুৰে দেখি কিব এটা বুজাব নোৱাৰা আনন্দত মনটো ভৰি উঠে। ❖

চুটিগল্প

# পশ্চিমৰ বেলি

**কস্মিতা মানসী দাস**
স্নাতক তৃতীয় ষাণ্মাসিক, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

সপোনবিহীন, লক্ষ্যহীন জীৱন মাৰ যোৱা বেলিৰ দৰে,

সময়ৰ সোঁতে প্ৰৱাহিত হৈ ঢৌৰ মাজত বিলীন হৈ যায় গভীৰ আন্ধাৰত,

আকৌ আৰম্ভ হয় এক নতুন পুৱাৰ; য'ত গঢ়ি উঠে এক নতুন আশা জীৱনৰ সেই গভীৰ আন্ধাৰৰ পৰা কিবা শিকাঁৰ এক অবিৰাম প্ৰয়াস।

জীৱনৰ প্ৰতিটো পুৱাতে সপোনে কেতিয়াবা পাহ মেলি ফুলৰ দৰে ফুলি উঠে,

আকৌ, কেতিয়াবা মৰহি যায় মৰহা কলিৰ দৰে, এই সময়ৰ সোঁতে;

কেতিয়াবা আকৌ লক্ষ্যত উপনীত হ'বলৈ স্বপ্নবোৰে ৰাতি টোপনিত খেদি খেদি আওঁৰাই ফুৰে জীৱনত সফলতা প্ৰাপ্ত কৰিবলৈ আৰু জগাই তোলে এক নতুন প্ৰেৰণা, আৰু কেতিয়াবা স্বপ্নবোৰে পুৱাৰ উজ্জ্বল বেলিৰ দৰে উদয় হৈ এক নতুন প্ৰভাতৰ সৃষ্টি কৰে সপোন অনুৰাগীৰ মনত, জগাই তোলে নতুন আশা জীয়াই থকাৰ,

আকৌ কেতিয়াবা সময়ৰ কঠোৰ ধাৰাত স্বপ্নবোৰ হেৰুৱাই পেলাই বিফলতাৰ চাপত, ভয়ত আৰু নিজৰ আত্মবিশ্বাস নথকাৰ বাবে নিজৰে প্ৰতিভাবোৰ লুকাই থয় সমাজৰ আগত, জানোঁ কোনোবাই কিবা কয়!

সেই স্বপ্নবোৰ মাৰ যায় পশ্চিমৰ বেলিৰ পোহৰত, নমাই আনে কাল অমানিশা স্বপ্নহীন জীৱনত।

স্বপ্ন দেখাৰ কোনো সীমা নাই, বাধা নাই। কিন্তু কিয়? যে মানুহে বিফলতাৰ ভয়তে স্বপ্ন দেখিবলৈ এৰি দিয়ে, লক্ষ্য মঞ্চস্থ কৰিব পাহৰি যায়।

এবাৰ বিফলতা লাভ কৰাটো ডাঙৰ কথা নহয়, আমি সফল হ'বলৈ নিজৰ কঠোৰ চেষ্টা নকৰাটোহে ডাঙৰ কথা। কিয়? যে সেয়া বুজি নাপাই। নিজৰ লক্ষ্যত উপনীত হ'বলৈ জীৱনৰ যুদ্ধ ক্ষেত্ৰত যুজিঁবই লাগিব এবাৰ নহয় দুবাৰ, বাৰ-বাৰ চেষ্টা কৰিবই লাগিব বিজয়ৰ সুৰত।

উদয় হ'ব লাগিব এক নতুন প্ৰেৰণা বুকুত বান্ধি বিজয়ী হোৱাৰ,

জিলিকিব লাগিব জীৱনৰ বাটত, সক্ষম হ'ব লাগিব আনক অনুপ্ৰাণিত কৰাত।

পশ্চিমৰ মাৰ যোৱা বেলি আৰু পুৱাৰ উজ্জ্বলিত বেলিৰ দৰে উদয় হয়, জানো? কোনোবাই বুজি পাই ইয়াৰ গভীৰ মহত্ব, এয়া বুজি পোৱাটোহে জীৱনত সফলতা লাভৰ এক মূল অৰ্থ।

কোনোবা বুজি পাই, ভাবি চাই।
প্ৰকৃতিৰ মাজৰ সৌন্দৰ্য্যতাৰ ৰহস্য,
এই মানুহৰ ব্যস্ত জীৱনত।

প্ৰকৃতিৰ প্ৰতিটো সৌন্দৰ্য্যতাৰ মাজত যে কিমান মহত্ব লুকাই আছে।

প্ৰকৃতিৰ পৰিৱৰ্তনশীলতাই অনুৰাগীসকলৰ মনত এক নতুন আশা জগাই তুলিছে। ❖



# সুহৃদ

অনিমেষ ঠাকুৰীয়া
তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

“খুৰী..... এই গাখীৰখিনি লওঁক। পিছবেলা পৰীক্ষাও আছে নহয় অলপ পঢ়ো। অমলে পঢ়ি আছেনে?” নিবিড়ে অমলৰ মাকক গাখীৰখিনি দিবলৈ মাতিলে? পঢ়াত খুব ভাল নিবিড়। দেউতাকৰ মৃত্যু দুবছৰ আগতে সি অষ্টম শ্ৰেণীত থাকোঁতেই হৈছিল, এটি পথ দুৰ্ঘটনাত। পঢ়া এৰিব খোজা অমলক স্কুলৰ প্ৰধান শিক্ষকে পঢ়ুৱাৰ দায়িত্ব বহন কৰি স্কুল এৰিব নিদিলে। গৰু দুজনীৰ গাখীৰখিনি বেচি দুয়ো মাক-পুতেকে কোনোমতে নিজৰ খৰচ উলিয়ায়। কিন্তু মাজে মাজে নিবিড়ে ভাবে এখন চাইকেল হ'লে সি গাখীৰ টাউনলৈ গৈয়ো বেচিব পাৰিলেহেঁতেন। অমল তাৰ খুব ভাল লগা বহু ক্ষেত্ৰত তাক সহায় কৰে। সি নিজে কৰিব নোৱাৰা বিলাসীতা কিছুমান অমলৰ সহায়ে সম্ভৱ কৰি তোলে। আজি সিহঁতৰ ছমহীয়া পৰীক্ষাৰ শেষ পৰীক্ষা। নিবিড়ে সিদ্ধান্ত লৈছে যে আজি অমলৰ মাকক পইছা ধাৰলৈ খুজি এখন চাইকেল কিনিব, তেতিয়া সি টাউনলৈ গৈ গাখীৰ বেছিব পাৰিব।

“অ'ই ল'ৰা, অথনি নিজেই মোক ইমান চিঞৰি চিঞৰি মাতিলি, এতিয়া আকৌ কিয় ভেবা লাগি আছ? দে আকৌ গাখীৰখিনি।” অমলৰ মাকৰ মাতে তাৰ চিন্তাত যতি পেলালে, লৰালৰিকৈ গাখীৰখিনি দিলে।

“অমলে পঢ়ি আছেনে খুৰী?”

“আছে আছে। খুব কষ্ট কৰিছে সি। আজি অংকৰ পৰীক্ষা বুলি সি যোৱা ৰাতি তিনিটা বজালৈ পঢ়ি আছিল। পুৱাও পাঁচটাতেই উঠি অংক কৰিব ধৰিছে। তই পঢ়ি আছ নে নাই?”

“যিখিনি সময় পাওঁ সেইখিনি সময়তে পঢ়িব চেষ্টা কৰিছো আৰু খুৰী। আজিকালি মাৰো গা ভাল নাথাকে নহয়... খুৰী, আপোনাক কথা এটা ক'ব লগা আছিল।” সি অলপ খেৰোগেৰো কৰিলে।

“কি কথা? ক আকৌ?”

“মানে খুৰী......”

“কি কথা কচোন!”

“মোক টকা অলপ দিব পাৰিব নেকি খুৰী? চাইকেল এখন কিনিম বুলি ভাবিছিলো। টাউনলৈ গৈ গাখীৰ বেচিলে দুপইছা বেছি পাম। আপুনি এইখিনি সহায় কৰিব পাৰিব নেকি খুৰী? মই যিমান পাৰোঁ সোনকালে আপোনাৰ টকাখিনি ঘুৰাই দিম।” আশাভৰা দৃষ্টিৰে সি অমলৰ মাকলৈ চাই সুধিলে।

‘নাই অ', অমলৰ দেউতাকৰ এইবাৰ দৰমহাই হোৱা নাই।” নিবিড়ৰ মনটো বেয়া লাগি গ'ল হয়তো তাৰ মুখত সেইটো ফুটি উঠিছিল অমলৰ মাকে তাৰ মুখলৈ চাই ভাবিলে অমলে পোৱা সুবিধাৰ এক শতাংশও ই নাপায় হ'লেও ক্লাছৰ সৰ্বোচ্চ নম্বৰ পাই এইবাৰো তাৰ ব্যতিক্ৰম নহ'ব..... হঠাৎ তেওঁৰ মনটো উজ্জ্বলি উঠিল আৰু তেওঁৰ চকু মুখ এক অনামী ধূৰ্ততাই জিলিকাই তুলিলে.....

“অমলে যদি ছমহীয়া পৰীক্ষাত অংকত তোতকৈ বেছি নম্বৰ পায় তাৰ পুৰণা চাইকেলখন তোক দিম, তাক বোলে নতুন এখন লাগে।”

“অমলে অংকত ভাল হৈছে খুৰী, ছাৰেও তাক প্ৰশংসা কৰে আজিকালি। সি এনেও বেছি পাব মোতকৈ, মই অংক প্ৰেকটিছ কৰাৰ সময়েই পোৱা নাই। মই গৈ থাকো দিয়ক।” ফৰকাল মন এটা লৈ সি ঘৰলৈ বুলি বাট ল'লে। অমলৰ মাকে কাৰোবাক জব্দ কৰাত সক্ষম হোৱা বাবে এটা সফলতাৰ হাঁহি মাৰি ভিতৰ সোমাল।

পৰীক্ষা হৈ গ'ল। অমলক সি এদিনো লগ নাপালে কেনেকুৱা হ'ল তাৰ পৰীক্ষা সুধিবলৈ। আজি সিহঁতৰ অংকৰ বহী দিব নিবিড়ৰ মনটো উৎকণ্ঠাৰে ভৰি পৰিছে। আগৰ দুটা ক্লাছত তাৰ মন নবহিল। সময় হ'ল, অংক শিকোৱা কলিতা ছাৰে লগত পৰীক্ষাৰ বহীখিনি লৈ ক্লাছত সোমাল। সকলোকে বহীবোৰ দিলে শেষত সি আৰু অমল বাকী থাকিল। অমলে বিৰাশী নম্বৰ পালে আৰু নিবিড়ে পয়সত্তৰ। অমলক কলিতা ছাৰে প্ৰশংসা কৰিলে আৰু নিবিড়ক কলিতা ছাৰে এবাৰ তেওঁক লগ ধৰিব দিলে। এনেতে বেল পৰিল আৰু ছাৰ ওলাই গ'ল লগতে নিবিড়কো মাতিলে।

নিবিড়ৰ মনটোৰ পৰা যেন এচপৰা ডাৱৰ আঁতৰি গ'ল। সি পেপাৰৰ পঁচিছ নম্বৰৰ প্ৰশ্ন এৰি নিদিলে আজি সি চাইকেলখন নাপালে হয়। এতিয়া সি টাউনলৈ গৈ গাখীৰ বেচিব পাৰিব, দুপইছা বেছিকৈ পাব, মাকৰ বাঢ়ি যোৱা কাহটো ডাক্তৰক দেখুৱাব পাৰিব। তাৰ এবাৰ জপিয়াবলৈ মন গ'ল। অমলৰ মাকৰ প্ৰতি কৃতজ্ঞ সি। তেওঁহে তাৰ প্ৰকৃত সুহৃদ? গোটেই পৃথিৱীখন যেন বৰ্তমান তাৰ হাতত......। ❖

# বিশ্বাসঘাটকতা

**মমী বৈশ্য**
স্নাতক তৃতীয় ষাণ্মাসিক, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আজি ৰাতিপুৱাৰে পৰাই বৰুৱা দম্পতীৰ গাত ততে নাই ঘৰ খনতো এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে কাৰণ আজি তেওঁলোকৰ হিয়াৰ আমঠু জীয়ৰী তুলিকাৰ বিয়াৰ দিন বাৰ ঠিক কৰিব। দুপৰীয়া প্ৰায় বাৰ মান বজাত দৰা ঘৰৰ পৰা ছয় সাত জন মান মানুহ আহি পালেহি চাহ, মিঠাই আদি নানাবিধ বস্তুৰে তেওঁলোকক আলপৈচান ধৰা হ'ল। তাৰ পিছত দুয়োখন ঘৰৰে ঘৰৰ ডাঙৰবোৰে আলোচনা কৰি বিয়াৰ বাবে ব'হাগ মাহৰ ২৮ তাৰিখটো ঠিক কৰিলে।

বিয়ালৈ প্ৰায় এমাহ মান থাকোঁতেই খুব ধুম ধামেৰে আৰম্ভ কৰিলে। ঘৰখনৰ শেষ বিয়া বুলি দুৰ-দূৰণিৰো সকলো আত্মীয়কে নিমন্ত্ৰণ জনোৱা হ'ল। বৰুৱা-বৰুৱানীৰ পুত্ৰই ইতিমধ্যে বিয়া পাতিছে তেওঁলোকে ছোৱালী জনীক নিজৰ সামৰ্থৰে যিখিনি পাৰে সকলো দিয়াৰ চেষ্টা কৰিলে। বিয়াৰ প্ৰাস এসপ্তাহমান আগৰে পৰাই আত্মীয় স্বজনেৰে ভৰি পৰিল ঘৰখন।

অৱশেষত আহি পালেহি উৎকণ্ঠাৰে ভৰা সেই দিনটি ঘৰখনত উদুলি-মুদুলি পৰিৱেশ সিদিনা আটকধুনীয়াকৈ ৰভা সজা হৈছে, গেটত আমডালি গাঁথিছে, আয়তী সকলে বিয়ানাম গায় তুলিকাক কলতলত নুৱাইছে। ঘৰখনৰ সকলো ব্যস্ত নিজ নিজ কামত পিছে তুলিকাৰ মাকৰ বুকুখনতহে শোকে খুন্দা মাৰি ধৰিছিল আপোন হাতেৰে কনমানি তুলিকাক আজি ডাঙৰ দীঘল কৰি আন এঘৰলৈ উলিয়াই দিবলগীয়া হোৱাত। দিনতো হাঁহি ধেমালিৰ মাজেৰে ভালে ভালে পাৰ হৈ গ'ল নিশা প্ৰায় ১০.৩০ মান বজাত দৰা আহিল তুলিকাৰ ঘৰখনে সুন্দৰভাৱে আপ্যায়ণ কৰিলে দৰা ঘৰৰ মানুহখিনিক সুকলমে পাৰ হৈ গ'ল বিয়াখন, তেতিয়ালৈ কোনেও বুজি উঠিব পৰা নাছিল তুলিকাৰ গিৰীয়েক প্ৰণৱৰ আচল স্বৰূপ। সকলোকে লগত ভাল ব্যৱহাৰ কৰা, মিঠা মিঠা কথাৰ আঁৰৰ মানুহজনক তুলিকাই চিনিব পাৰিছিল বিয়াৰ প্ৰথম নিশাই যেতিয়া এটা সৰু কথাৰ বাবেই ন-কইনা জনীক চৰ সোধাইছিল আৰু গালি পাৰিছিল। তেতিয়া তুলিকাৰ আৰু বুজিব বাকী নাথাকিল যে প্ৰণৱে এই বিয়াখনক লৈ সুখী নহয় বুলি। তথাপি তুলিকাই সময়ৰ লগে লগে সকলো ঠিক হৈ যাব বুলি কাকো একো নকলে।

এনেদৰে বিয়া হোৱা এমাহ পাৰ হৈ গ'ল। কিন্তু তুলিকাই তাইৰ প্ৰতি গিৰীয়েকৰ কোনো গুৰুত্ব থকা নেদেখিলে। গিৰীয়েক তাই ভবা মতে নহলেও ঘৰ খনৰ আন মানুহবোৰৰ পৰা পোৱা মৰমৰ বাবে তাই ঘৰখন এৰি যাব পৰা নাছিল আৰু কাকো একো গম পাব দিয়া নাছিল তাইৰ দুখৰ কথা। তাই সদায় এটাই প্ৰশ্ন কৰিছিল প্ৰণৱক তুমি এই বিয়াত মান্তি নাছিলা যদি বিয়া খন হব দিছিলা কিয় এনেদৰে সদায় প্ৰশ্নৰ সন্মুখীন হৈ থকাত এদিন ব্যতিবস্ত হৈ খঙতে সকলো কৈ পেলাইছিল প্ৰণৱে মই আন ছোৱালীক ভাল পাওঁ মই তাইক নিজৰ কৰি ল'ব বিচাৰো কিন্তু তাই অইন ধৰ্মাৱলম্বীৰ হোৱা বাবে ঘৰৰ মানুহে তাইক বিয়া পাতিব নিদিয়ে, ঘৰৰ মানুহৰ জোৰতহে তোমাক বিয়া পাতিছোঁ। মই তোমাক কেতিয়াও মোৰ সহধৰ্মিনীৰ স্থান দিব নোৱাৰো। কথাখিনি কৈয়েই ৰুমৰ পৰা ওলাই গৈছিল প্ৰণৱ আৰু কান্দোনত ভাগি পৰিছিল তুলিকা চাৰিওকাষ অন্ধকাৰ দেখিছিল তাই।

বিয়াৰ প্ৰায় চাৰি মাহ পাৰ হৈ গ'ল তুলিকাই কাকোৱেই এইবোৰ কথা জানিব নিদিলে কিন্তু ভিতৰি ভিতৰি শেষ হৈ গৈ আছিল তুলিকা। তুলিকাৰ এই জীৱন জীয়াই থকাৰ ইচ্ছা আৰু শক্তি দুয়োটাই নোহোৱা হ'ল আৰু এদিনাখন নিশা তাই ঘৰৰ সকলো শুই থকাৰ সময়ত চিৰদিনৰ বাবে শেষ কৰি পেলালে তুলিকাই নিজকে। আত্মহত্যা কৰিলে মাক দেউতাক আৰু ঘৰখনৰ সকলোবোৰৰ নয়নৰ মণি তুলিকাই।

পাছদিনা ৰাতিপুৱাতে দুখবৰটি পাই কান্দোনত ভাঙি পৰিল মাক দেউতাক মৰম জীয়ৰী কিহৰ দুখত এনেকুৱা এটা কাম কৰিলে বহুত ভাবি চিন্তিও কোনো কাৰণ উলিয়াব নোৱাৰিলে। অকালতে একমাত্ৰ জীয়ৰীজনীক হেৰাই অসুস্থ হৈ পৰিল তুলিকাৰ মাক। ঘৰখনৰ সকলো মানুহে দউখত ভাঙি পৰিছিল যদিও তুলিকাৰ গিৰীয়েক প্ৰণৱৰ কোনো অনুশোচনা নহল সি এবাৰৰ বাবেও নাভাবিলে যে সি আৰু তাৰ ঘৰখনে কৰা বিশ্বাসঘাটকতাৰ বাবেই এজনী মাক-দেউতাকৰ বুকুৰ মাজৰ পৰা হেৰাই যাব লগা হ'ল। কিছুদিন পাৰ হৈ যোৱাত সময়ৰ লগে লগে সকলোৱে পাহৰি গ'ল তুলিকাক। সকলো ব্যস্ত হৈ পৰিল নিজ নিজ জীৱনত। ঘৰৰ অমতত হ'লেও বিয়া কৰালে প্ৰণৱে তাৰ পছন্দৰ ছোৱালীজনীক। প্ৰণৱৰ মাক দেউতাকে ল'ৰাৰ অমতত পাতি দিয়া বিয়া খনৰ বাবেই হেৰাই পেলাব লগীয়া হ'ল তুলিকাই নিজৰ জীৱনটি চিৰদিনৰ বাবে শুদা হৈ গ'ল এগৰাকী মাতৃৰ বুকু.......! ❖

# হে মানৱতা!!!

**বিদিশা হাঁলৈ**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পৰী ঘৰৰ ডাঙৰ ছোৱালী। তাইৰ ঘৰত মাক-দেউতাক আৰু এজন সৰু ভায়েক আছে। তাই দশম শ্ৰেণীৰ ছাত্ৰী। ৰাতিপুৱা ৬-৩০ মান বজাত তাই নাকে-মুখে ভাতকেইটামান গুজি টিউচনলৈ যাব ওলালে। তাই বাছত উঠিবলৈ জিৰণি কোঠাত থিয় হৈ আছিল। ৰাতিপুৱাৰ সময়, বাছবোৰো এখন-দুখন। তাই থকা জিৰণি কোঠাৰ ওচৰত এটা ডাষ্টবিন থাকে। সদায় মানুহবোৰে ডাষ্টবিনৰ আগেৰে পাৰ হৈ অহা-যোৱা কৰিলে নাকত ৰুমাল দি দি অহা যোৱা কৰে। কিন্তু তাইৰ বাবে গোন্ধটো পৰিচিত হৈ পৰিছিল।

কিছু সময়ৰ পিছত তাই ডাষ্টবিনৰ পৰা কিবা এটা শব্দ শুনিবলৈ পালে। তাই ভাবিলে কুকুৰৰ পোৱালি খেলি আছে। অলপ পিছতে তাই শব্দটো আকৌ শুনিলে, কিন্তু বেলেগ ধৰণে। তাই ডাষ্টবিনটোৰ পিনে চালে, কিন্তু কুকুৰ পোৱালি এটাও দেখা নাপালে। মাত্ৰ দেখিলে দুটা টোপোলা। এটা টোপোলা তেজৰ দৰে অলপ অলপ ৰঙা হৈ আছিল। তাই তেতিয়া অলপ ভয় খালে। তাই ভয়তে ইফালে-সিফালে চাবলৈ ধৰিলে। তাই হঠাৎ ৰমেশ খুড়াক দেখিলে। তাই দেৰি নকৰি তেখেতৰ ওচৰলৈ গৈ সকলো কথা বিৱৰি ক'লে। খুড়াকে ক'লে — 'তুমি মা-দেউতা আৰু চুবুৰীয়া কাৰোবাক মাতি লৈ আহা। মইয়ো আহো ৰ'বা।' তাই অলপ সময়ো তাত ৰৈ থকা কথা চিন্তা নকৰি ঘৰলৈ গ'ল। ৰমেশ খুড়াকো উপস্থিত হ'ল। পিছত পৰীৰ ঘৰৰ ওচৰৰ এজনী খুড়ীয়েকে ডিঙি মেলি-মেলি ডাষ্টবিনটোৰ পিনে চাবলৈ ধৰিলে আৰু খুড়ীজনীয়ে এখন সৰু হাত দেখা যেন পালে। তেওঁ কথাটো জনোৱাত সকলোৱে চাবলৈ ধৰিলে। সকলোৱে ক'লে হাতেই চাগে সেইখন। অলপ-অলপকৈ মানুহো ভৰ্তি হ'বলৈ ধৰিলে। সিহঁতে সকলোকে ক'লে — 'দেৰি নকৰি পুলিচক মাতা।' তেতিয়া সময়ো প্ৰায় ৭.৩০ মান হৈছিল। তেওঁলোকে দেৰি নকৰি পুলিচক ফোন কৰি সকলো কথা কৈ দিলে। পুলিচো অলপ সময়ৰ পিছত তাত উপস্থিত হ'ল। পুলিচে ডাষ্টবিনটোৰ পিনে চাবলৈ ধৰিলে আৰু সকলোকে ডাষ্টবিনটোৰ ওচৰৰ পৰা অলপ দূৰত যাবলৈ দিলে। সকলোৱে আঁতৰি গ'ল আৰু পুলিচজনে ক'লে — কোনে প্ৰথমে কোনে দেখিছে। পৰীয়ে ক'লে — 'মই দেখিছো ছাৰ।'

পুলিচজনে ক'লে ঃ 'অঁ-অঁ। আৰু কিবা ক'ব পাৰিবানে?'

পৰী ঃ 'মই ৬.৩০ বজাত টিউচনলৈ আহোতে শব্দ শুনিলো আৰু এই বোৰ দেখা পাই সকলোকে মাতি আনিলো। পুলিচজনে 'অ-অ হব দিয়া' বুলি কয় আৰু জাৱৰ পেলোৱা মানুহ আহি সেই টোপোলা দুটা খুলি চাই দেখিলে এটা টোপোলাত এজনী নৱজাত শিশু কন্যা। লগে লগে শেৱালী খুড়ীয়ে চিঞৰি চিঞৰি ক'লে — 'ভগৱানে আমাক এটাও সন্তান নিদিয়ে, সেই অভদ্ৰ মানুহবোৰক ঠিকেই দিয়ে, যিবোৰে সন্তানবোৰক য'তে-ত'তে পেলাই থৈ যায় কিয় ভগৱান' বুলি কৈ শেৱালী খুড়ীয়ে কান্দিবলৈ ধৰিলে।

পুলিচে কেচুঁৱাটো লাৰি চাই দেখিলে যে কেচুঁৱাটোৰ ইতিমধ্যে মৃত্যু হৈছে। তেতিয়া সকলোৱে খবৰটো পাই দুঃখিত হ'ল। সকলোৰে মুখত এটা কথা — কোন এই অভদ্ৰ মানুহ? কিয় এনেকৈ নৱজাত কন্যা শিশুটিক পেলাই থৈ গৈছে? এইবোৰ আলোচনা-বিলোচনা কৰি সকলোৱে তাৰ পৰা আঁতৰি ঘৰা-ঘৰি গ'ল।

পৰীৰ সেইদিনা টিউচন যোৱা নহ'ল। তাই ঘৰতে থাকিল আৰু সেই নৱজাত কন্যা শিশুটিৰ কথাকে ভাবিলে। তাইৰ মনত আৰু এটা ভাব আহিল যে তাইয়ো এজনী ছোৱালী। ঘৰৰ ডাঙৰ ছোৱালী, ভায়েক এজন আছে। মা-দেউতাই কেতিয়াও মই ছোৱালী বুলি কম মৰম ভাইটি ল'ৰা বুলি বেছি মৰম কৰা মই অনুভৱ কৰা নাই। কিন্তু কোন অভদ্ৰই এই চৰম কাৰ্য কৰিছে? কন্যা সন্তান বুলিয়েই তেওঁৰ সমাজত কোনো মান নাই নেকি? এই ভাব যাৰ আছে তেওঁ সকলোতকৈ মূৰ্খ। তাই ভাবি ভাবি হঠাৎ ক'লে — হে মানৱতা!!! ❖

# অভিশপ্ত নিশা

**সুজাতা চক্ৰৱৰ্তী**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়



প্ৰফেছাৰ! প্ৰফেছাৰ শব্দটো শুনিলেই এজন গহীন গম্ভীৰ দায়িত্ববোধ, শৃংখল, জ্ঞান, আদৰ্শ সম্পন্ন ব্যক্তিৰ প্ৰতিচ্ছবি আমাৰ চকুৰ আগত ভাহি উঠে। তেনেকুৱাই এজন প্ৰফেছাৰ আছিল শ্বিলং চহৰৰ বিখ্যাত বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ প্ৰফেছাৰ অনুৰাগ শইকীয়া। তেওঁৰ জীৱনৰ আদৰ্শৰ কথা মানুহৰ মুখে মুখে প্ৰচাৰিত হৈছিল। কিন্তু আজি প্ৰফেছাৰ শইকীয়া খুব চিন্তিত। কাতি মাহ, নিশা প্ৰায় দহ বাজিছে। প্ৰফেছাৰ শইকীয়াই তেখেতৰ পৰিবাৰক হস্পিটেলত ভৰ্তি কৰিলে আৰু প্ৰথম জীয়ৰী মৌপ্ৰিয়াৰ সৈতে হস্পিটেলৰ বাৰাণ্ডাত গভীৰ আগ্ৰহেৰে ৰৈ আছে। তেনেতে অপেক্ষাৰ অন্ত পৰিল আৰু তেখেতৰ ঘৰ উজলাই পুনৰাই এজনী কন্যা সন্তান জন্ম পালে। মৌপ্ৰিয়া ভনীয়েক হোৱা খবৰ পাই আনন্দত আত্মহাৰা হ'ল কিন্তু

**প্ৰফেছাৰ ! প্ৰফেছাৰ শব্দটো শুনিলেই এজন গহীন গম্ভীৰ দায়িত্ববোধ, শৃংখল, জ্ঞান, আদৰ্শ সম্পন্ন ব্যক্তিৰ প্ৰতিচ্ছবি আমাৰ চকুৰ আগত ভাহি উঠে। তেনেকুৱাই এজন প্ৰফেছাৰ আছিল শ্বিলং চহৰৰ বিখ্যাত বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ প্ৰফেছাৰ অনুৰাগ শইকীয়া। তেওঁৰ জীৱনৰ আদৰ্শৰ কথা মানুহৰ মুখে মুখে প্ৰচাৰিত হৈছিল। কিন্তু আজি প্ৰফেছাৰ শইকীয়া খুব চিন্তিত।**

প্ৰফেছাৰ শইকীয়াই খবৰ পাই অলপ হতাশাৰ সৈতে কেৱল পত্নী অপৰূপাৰ সুস্থতাৰ খবৰ ল'লে। হতাশাৰ আঁৰত দৰাচলতে তেওঁৰ পুত্ৰ সন্তানৰ অভিলাষ আছিল। সি যি কি নহওক দ্বিতীয় গৰাকী কন্যাক তেওঁলোকে সংযুক্তা নামেৰে নামাকৰণ কৰিলে। ধীৰে ধীৰে সময় পাৰ হ'ল সংযুক্তা বায়েক মৌপ্ৰিয়াৰ সৈতে স্কুললৈ যাবলৈ আৰম্ভ কৰিলে। লাহে লাহে দেখা গল যে মা আৰু বাইদেউয়ে তাইক যথেষ্ট আদৰ যত্ন কৰে যদিও প্ৰফেছাৰ শইকীয়াৰ বাবে তাই হৈ পৰিল অৱহেলিত। দেউতাকৰ অৱহেলাৰ কাৰণ তাই ধৰিব নোৱাৰিলে। ঘৰখনত মৌপ্ৰিয়াৰ লগতে সংযুক্তাৰ অধিক আত্মীয়তা আছিল আৰু মৌপ্ৰিয়াইও ভনীয়েকক যথেষ্ট মৰম কৰিছিল। সংযুক্তাই প্ৰায়েই বায়েকক এটা প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি তুলিছিল যে দেউতাকে কিয় তাইক মৰম নকৰে? কিয় তাইক দেউতাকে ঘৃণা কৰে? মৌপ্ৰিয়াই তাইক দেউতাকে সেইবোৰ এনেই ধেমালি কৰে বুলি শান্তনা দিছিল। লাহে লাহে সংযুক্তা যিমানেই ডাঙৰ হ'বলৈ ধৰিলে দেউতাকৰ পৰা পোৱা অৱহেলিত ভাৱটো তাই সহ্য কৰিব নোৱাৰা হ'ল, তাই দেউতাকক ঘৃণা কৰিবলৈ ধৰিলে।

মৌপ্ৰিয়া আৰু সংযুক্তা দুয়ো গান শিকিছিল। মৌপ্ৰিয়াই ভাল গান গায় হয় কিন্তু সংযুক্তাই তাইতকৈও ধুনীয়া গান গায়। বিদ্যালয়তো মৌপ্ৰিয়াতকৈ সংযুক্তা পঢ়াত যথেষ্ট ভাল আছিল। কিন্তু ভনীয়েকৰ সাফল্যতাই মৌপ্ৰিয়াক কিন্তু কিঞ্চিত মানো হিংসিত কৰা নাছিল বৰঞ্চ যথেষ্ট আনন্দ প্ৰদান কৰিছিল। এনেদৰে গান, পঢ়া-শুনা সকলোতে থকা দক্ষতাই সংযুক্তাৰ ঘৰ বিভিন্ন পুৰস্কাৰেৰে ভৰি পৰিছিল। কিন্তু এইবিলাকেও প্ৰফেছাৰ শইকীয়াৰ মন ভৰাব পৰা নাছিল। যিহেতুকে শইকীয়া ডাঙৰীয়াৰ সমাজত প্ৰফেছাৰ হিচাপে এটি সুখ্যাতি সেয়েহে তেওঁ কেতিয়াও বিচৰা নাছিল যে তেওঁৰ ছোৱালীবোৰে কোনো বেয়া কামত লিপ্ত হওঁক। নদীৰ সোঁতৰ নিচিনাকৈ সময়ৰ সোঁত আগবাঢ়িল। দুয়োভনীয়ে যথাসময়ত মেট্ৰিক পৰীক্ষা দিলে। মৌপ্ৰিয়া ৭৪% নম্বৰ পাই উৰ্ত্তীণ হ'ল আৰু তাৰে দুবছৰ পাছ সংযুক্তা ৯৪% নম্বৰ পাই উৰ্ত্তীণ হ'ল। কিন্তু দেখা গ'ল মৌপ্ৰিয়াৰ যিখিনি নম্বৰতে শইকীয়া উৎফুল্লিত হৈছিল সংযুক্তা পোৱা তাতকৈ অধিক বেছি নম্বৰতো তেওঁৰ মুখত এটি হাঁহি বিৰিঙণিও দেখা নগ'ল। মাথোঁ 'ঠিকে আছে' বুলি কৈ সামৰিলে এনেকৈয়ে সময় বাগৰিল আৰু দুয়োয়ে উচ্চ মাধ্যমিক সফলতাৰে অতিক্ৰম কৰিলে। মৌপ্ৰিয়া শ্বিলঙতে থাকি পঢ়িবলৈ লৈছিল কিন্তু সংযুক্তাৰ পিছৰখিনি শ্বিলঙৰ বাহিৰত ক'ৰবা পঢ়িবলৈ মন হ'ল। অৱশেষত তাই যোৰহাটত থাকি ওকালতি পঢ়িম বুলি থিৰ কৰিলে। প্ৰফেছাৰ শইকীয়াৰ এই ক্ষেত্ৰত যথে আপত্তি আছিল কিন্তু তাইৰ দেউতাকৰ প্ৰতি থকা ঘৃণাভা কোনো বাধাকেই নামানিলে। তাই ওলাই গ'ল ঘৰখনৰ প তাইৰ সপোন দিঠকত পৰিণত কৰিবলৈ।

যোৰহাটলৈ গৈ তাই হোষ্টেলত থাকি পঢ়িবলৈ ল'লে সময়বোৰ সুন্দৰকৈ পাৰ হ'বলৈ ধৰিলে। তাই মাজে মাজে বন্ধ ঘৰলৈকেও গৈছিল, থাকিছিল আনন্দ কৰিছিল। কিন্তু হঠাতে তাই বন্ধৰ দিনবৰতো ঘৰলৈকে নোযোৱা হ'ল, ঘৰৰ কোনো খবৰ নোলোৱা হ'ল, ঘৰৰ লগত কোনো যোগাযোগ নৰখা হ'ল তেনেহ'লে হঠাতে কি হ'ল তাইৰ? দৰাচলতে তাই বেয়া সংগত পৰিল। পঢ়া-শুনাত নিচেই বেয়া হৈ যাবলৈ ধৰিলে। তাই তাতে প্ৰায়েই কলেজলৈ নোযোৱা হৈ পৰিল। তাই নিচা কৰিবলৈ ধৰিলে। মদৰ নিচা, দিনে দিনে নিশাই তাই মদাহীৰ নিচিনকৈ বন্ধুবৰ্গৰ লগত উদ্ভাণ্ডালী কৰি ফুৰিবলৈ তাই এই বন্ধুবৰ্গ হোষ্টেলৰ বা কলেজৰ কোনো বন্ধু নাছিল। কলেজৰ বাহিৰ এজাক দল আছিল। তাই এইবোৰ কৰাৰ আৰত আছিল তাইৰ মনত সৰুৰে পৰা দেউতাকৰ প্ৰতি থকা ক্ষোভ। তাইৰ মন লাহে লাহে জৰ্জৰিত বেদনাত নিষ্ঠুৰ হৈ পৰিছিল। দেউতাকৰ মৰম তাই সৰুৰে পৰা কেতিয়াও পোৱা নাছিল। মৰমেৰে মূৰৰ ওপৰ

হাত বুলাই দিব পৰাকৈ দেউতাকৰ হাত তাই কেতিয়াও অনুভৱ কৰা নাছিল। তাৰ ফলস্বৰূপে তাই নিজৰ জীৱনটো ভুল পথে চালিত কৰিলে। ৰাতি ৰাতি অধিক নিশাকৈ তাই হোষ্টেললৈকে উভতাৰ বাবে তাইক হোষ্টেলৰ পৰা উলিয়াই দিলে। এই খবৰ তাই ঘৰলৈকে জনাব নিদিলে আৰু তাইৰ লগত থকা কু-বন্ধুবৰ্গৰ সহায়ত এটি ভাড়া ঘৰত থাকিবলৈ ল'লে। ঘৰৰ পৰা ফোন আহিলে ভালে আছো বুলি ভালকৈ কথা পতাৰ ফলত প্ৰফেছাৰ শইকীয়া হঁতে একো গমকে পোৱা নাছিল। এদিন তাই নিচা কৰি কলেজলৈকে গ'লত কলেজত জানিব পাৰি প্ৰিন্সিপালে তাইক কলেজৰ পৰা বৰ্খাস্ত কৰিলে আৰু তাইৰ ঘৰলৈকেও এখন চিঠি দি পঠিয়ালে। চিঠিখন পাই ঘৰতে প্ৰফেছাৰ শইকীয়া লাল-কাল হৈ জ্বলি-পকি উঠিল। ইতিমধ্যে প্ৰফেছাৰ শইকীয়া অবসৰ প্ৰাপ্ত হৈছিল। তেওঁ লগে লগেই পত্নী অপৰূপাক লৈ যোৰহাট পালেগৈ। সংযুক্তাৰ সেই ভাড়াঘৰখন বিচাৰি তেওঁলোকে উপস্থিত হ'ল। প্ৰফেছাৰে খঙতে তাইৰ ওপৰত হাত তুলিবলৈয়ে গৈছিল কিন্তু অপৰূপাৰ বাধা দিলত নোৱাৰিলে। লগে লগে তেওঁলোকে তাইক যোৰহাটৰ পৰা শ্বিলঙলৈ নিজৰ ঘৰখনলৈ লৈ গ'ল। শ্বিলঙলৈ যোৱাৰ পিছত তাই কিছুদিন নিৰৱতাৰে পাৰ কৰিলে। কিন্তু তাই থাকিব নোৱাৰিলে। তাই দেখিলে যে মদ্যপাম কৰিহে তাই তাইৰ দুঃখ যন্ত্ৰণাবোৰ পাহৰি থাকিব পাৰে। অন্যথা তাই বিচনাতে ছটফটাই থাকে। কিছুদিন পিছত তাই বাহিৰলৈ যাবলৈ খুজিলে। তাইক অকপৰে শান্ত দেখি ভাল হ'ল বুলি ভাবি বাহিৰলৈ যাবলৈ দিলে। মৌপ্ৰিয়াও তাইৰ লগত গ'ল। মৌপ্ৰিয়া লগত গ'লত তাই কিছু অসুবিধা পাইছিল যদিও সুযোগ বুজি তাই তাইৰ উদ্দেশ্যত সফল হ'ল। তাই মদৰ বটল এটা কিনি ল'লে। এনেদৰে তাই প্ৰায়েই ওলাই যোৱা হ'ল আৰু মদৰ বটলবোৰ কিনি আনি লুকাই পান কৰিব ধৰিলে। এনেদৰে নিচা বাঢ়ি যোৱাত তাই বাহিৰলৈ গৈও নিচা কৰি ঘৰত সোমোৱা হ'ল। অধিক নিশাকৈ ঘৰত সোমোৱা হ'ল। সমাজে লেই-লেই চেই-চেই কৰিব ধৰিলে প্ৰফেছাৰৰ ঘৰলৈ আঙুলি টোৱাই। দেউতাকৰ কথা শুনাতো দূৰৰে কথা তাই আৰু দেউতাকৰ সন্মান হানি কৰিবলৈ দ্বিধাবোধ নকৰিলে। তাইৰ অসভ্যতা দিনে দিনে বাঢ়ি গ'ল। মৌপ্ৰিয়া যিহেতু তাইৰ অতি মৰমৰ আছিল সেয়ে সংযুক্তা কেৱল মৌপ্ৰিয়াৰ বুজনিতহে বুজিছিল কিন্তু এইবাৰ তাইক মৌপ্ৰিয়াইও বুজাব ব্যৰ্থ হ'ল। প্ৰফেছাৰৰ প্ৰতি থকা অতিৰিক্ত ঘৃণাই তাইক নিৰ্লজ্জ কৰি পেলালে। প্ৰফেছাৰৰ বাবে তেওঁৰ সন্মানেই কেৱল একমাত্ৰ সম্বল আছিল। এইজনী ছোৱালীৰ বাবে তেওঁ সকলোখিনি হেৰাই যাবলৈ ধৰিলে। প্ৰফেছাৰে খ্যাতি শূন্যতাৰ প্ৰভাৱত অশান্তিত ভুগিবলৈ ধৰিলে আৰু এদিন এটা অঘটনীয় ঘটনা ঘটি গ'ল।সিদিনাখন ৰাতি সংযুক্তা প্ৰাস ২.৩০ মান বজাত ঘৰ সোমাল। মাদকতাই ইতিমধ্যে তাইক গ্ৰাস কৰিছিল। প্ৰফেছাৰ শইকীয়া জাগি আছিল আৰু তেওঁলোকৰ মাজত কথোপকথন আৰম্ভ হ'ল। এনেদৰে তৰ্ক-বিতৰ্ক কৰি থাকোঁতে তেওঁলোকৰ মাজত তুমুল অশান্তি হ'ল। তাৰ পিছত তাই নিজৰ কোঠালিলৈকে সোমাই গৈ কান্দিবলৈ ধৰিলে। দুই-এবাৰ বমিও কৰিলে আৰু তাইৰ কোঠালিৰ বিছনাতে বাগৰিল। লাহে লাহে কোঠালিটো শব্দ শূন্য হৈ পৰিল। অস্থিৰতাৰ ফলত প্ৰফেছাৰে তাইৰ কোঠালিলৈকে সোমাই গৈ তাইৰ বাবে হোৱা তেওঁৰ সন্মানহানিৰ কথা ভাবি ক্ষোভতে তাইৰ মূৰত এটি বিৰাট ৰডেৰে আঘাত কৰিলে লগে লগে তাই চিৰজীৱনীৰ বাবে গভীৰ নিদ্ৰাত বিলীন হৈ গ'ল। প্ৰফেছাৰৰ হাতৰ পৰা ৰড পৰাৰ শব্দত মাকে সাৰ পালে আৰু আহি এই দৃশ্য দেখিবলৈ পালে যে তেওঁৰ স্বামীৰ হাতেৰে তেওঁৰ পুত্ৰী নিহত হ'ল। সিদিনাখন মৌপ্ৰিয়া ঘৰত নাছিল। অপৰূপাই তেওঁৰ প্ৰফেছাৰ স্বামীৰ এনে হিংস্ৰ ৰূপটো প্ৰথমবাৰৰ বাবে দৰ্শন কৰিছিল। অপৰূপা হতভম্ব হৈ তেওঁৰ সৰুটি কন্যাৰ নিহত দেহটো নিজৰ কোচত লৈ স্বামীৰ ফালে ওৰেটো নিশা বিনা চকুলোৰে থৰ লাগি চাই আছিল। প্ৰফেছাৰ শইকীয়া কিন্তু অনুতপ্ত হোৱা নাছিল বৰঞ্চ তেওঁ তেওঁৰ পত্নী অপৰূপাক সংযুক্তাৰ মৃত্যুৰ কাৰণ সকলোৰে আগত আত্মহত্যা বুলি ক'বলৈ আদেশ দিছিল। কান্দোনতো দূৰৰ কথা অপৰূপাৰ উচুপিবলৈকে ভয় কৰিছিল। পাছদিনা পুৱা হ'লও তেওঁলোকে সংযুক্তাৰ মৃত্যুৰ কাৰণ আত্মহত্যা বুলিয়ে কৈছিল। মৌপ্ৰিয়াই এই খবৰ পাই অতি মৰ্মান্তিক আঘাতত ভাঙি পৰিছিল। সংযুক্তাৰ প্ৰতি থকা অত্যাধিক মৰমেৰে তাইক মানসিক সন্তুলন নাইকিয়া কৰি পেলালে আৰু তাই মানসিক ৰোগী হৈ পৰিল। প্ৰফেছাৰে মৌপ্ৰিয়া এনে দশাত পৰিণত হ'ব বুলি কল্পনাও কৰিব পৰা নাছিল। এসময়ৰ সুখী দম্পতিয়ে সকলো হেৰুৱালে। প্ৰফেছাৰ হৈও এনে অবিবেচক মানসিকতাৰ ফলত নিজৰ দুয়োগৰাকী সন্তানক নিজ হাতেৰে বলি দিলে। তাৰে কেইমাহমানৰ পাছত তেওঁৰ পত্নী অপৰূপা আৰু বাচি নাথাকিল আৰু মৌপ্ৰিয়া নিৰুদ্দেশ হৈ গ'ল।

এগৰাকী পিতৃৰ অলপ খঙৰ বাবে চিৰদিনৰ বাবে নিঃশেষ হৈ গ'ল এটি পৰিয়াল....... ❖

**প্ৰথম** শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীখিনিক ক-ফলা আৰু দ্বিতীয়ৰ ছাত্ৰ-ছাত্ৰীখিনিক ৫০ ৰ পৰা ১ লৈ ওলোটাকৈ লিখিবলৈ দি বীণা বাইদেউ পাকঘৰত সোমাল। এইখিনি সময়তে খিচিৰীখিনি চৌকাত নবহালে ছুটিৰ সময় পাৰ হৈ যাব। মাহটোৰ বেছিভাগ দিনতে বীণা বাইদেৱে এনেকৈয়ে ল'-ছালীখিনিক চম্ভালে। হেডছাৰ ঢুকুৱা ছয়মাহ হোৱাৰ পাছতো চৰকাৰে আজিলৈ নতুন হেড মাষ্টৰ নিযুক্তি নিদিলে। নগাঁওৰ পৰা গবৈমাৰীৰ এনে এখন ভিতৰুৱা গাঁৱলৈ টেটৰ চাকৰি কৰিব অহা মুকুতা বাইদেৱো প্ৰসৱকালীন ছুটিত ঘৰত থকা তিনিমাহেই হ'ল। এতিয়া গাঁৱৰ ডেৰকুৰি ল'ৰা-ছোৱালীকনো কোনে চাই কোনে! নামঘৰত মেল পাতি ৰাইজে কলে, যিহেতু অংগনবাদীৰ চাকৰিটোত বাইদেউ আছেই, এতিয়া শিক্ষক নহা পৰ্যন্ত ল'-ছালীখিনিক ৰান্ধি খুওৱাৰ লগতে পঢ়ুৱাৰ দায়িত্বও বীণা বাইদেৱেই ল'ব লাগিব। এবাৰ নিজৰ মাহে মাথোন তিনিহেজাৰ টকা দৰমহা পোৱা চাকৰিটোৰ কথা ভাবি আৰু এবাৰ ল'-ছালীকেইটাৰ মুখলৈ চাই বাইদেৱেও ৰাইজৰ কথাক পেলাব নোৱাৰিলে। হাজাৰ হ'লেও আনৰ মাটিত আধি খোৱা, মূলতঃ কৃষিজীৱী এই হ'ল। সি যি ভাঁজে নিৰুদ্দেশ হৈছিল, হাজাৰ মংগল ছোৱাইও তাক বিচাৰি পোৱা নগ'ল। গাঁৱৰ ৰাইজে মিলি নতুনকৈ স্থাপন হোৱা গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনত বীণা বাইদেউক ৰান্ধনিৰূপে নিযুক্তি দিয়ালে। আজি নবছৰ হ'ল, বীণা বাইদেউৰ জীৱন বুলিবলৈ এতি সেই ৰন্ধনগৃহটো আৰু চৰকাৰী টিঙৰে বনোৱা নিজৰ চালিঘৰটো।

অৱশ্যে, হেড ছাৰ ঢুকুৱাৰ পাছত বীণা বাইদেউ অকণো নাকান্দিলে। যদিও আধা জীৱন কান্দিয়েই পাৰ কৰা বিধৱা এজনীৰ হৃদয়ত কান্দিবলৈ শকতি নাথাকেই, তথাপি হেড ছাৰৰ কথাটো অলপ বেলেগ। সেয়া অকল তেওঁ নিজেই, মুকুতা বাইদেউ আৰু হেড ছাৰেহে জানিছিল।

কেইবছৰমান আগতে বীণা বাইদেউৰ দৰমহাটো প্ৰায় আঠমাহ মানলৈ বন্ধ হৈ আছিল। তাতে সেই সময়ত দৰমহা বুলিবলৈ তেওঁ মাত্ৰ টকা এহেজাৰ পায়। নিজে কৰি খাবলৈ বাইদেউৰ নিজা মাটিও নাই, আৰু গাতো বল নাই। হ'ল বুলিয়েইনো কিমানদিন গাঁৱৰ নিচলা মানুখিনিক খুঁজি খুঁজি তেওঁলোকৰো মুখৰ ভাত কাঢ়ি খাব? এদিন বাইদেৱে সিদ্ধান্ত

# ভোকাতুৰ ঈশ্বৰ

**বিতোপন ৰাজবংশী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মানুহখিনিয়ে নিজৰ সন্তানক বেলেগকৈ পঢ়াবৰ সামৰ্থ্যৰ কথা ভাবিবও নোৱাৰে। এতেকে ৰাইজৰ মততে নিজৰ মত ৰখাৰ বাদে বীণা বাইদেউৰ আন উপায়ো নাথাকিল।

ৰান্ধনিঘৰৰ নতুনকৈ লেপি লোৱা মাটিৰ চৌকাটোত জুই উঠিবলৈ ভালেখিনি সময় লাগে। এই সময়খিনিত গোটেই পৃথিৱীৰ চিন্তাবোৰ আহি যেন বীণা বাইদেউক খুলি খুলি খায়। পেটৰ পো সাতমাহ থাকোঁতেই বীণা বাইদেউৰ গিৰিয়েক, ৰতন হাবিলদাৰ ঢুকাইছিল। এনেহেন ভাগ্যহীন তিৰোতাজনীক আৰু যাতনাৰে খুলি খুলি খাবলৈ ল'ৰাটোও ছয়বছৰ বয়সতে নোহোৱা ললে যে, দৰমহা নেপালেওটো তেওঁ স্কুলত একেই দেহা খাটি কাম কৰি আছে, গতিকে প্ৰত্যেক দিনাই আহিবৰ পৰত অকণমান চাউল-দাইল আৰু থাকিলে আলুগুটি দুটামান ঘৰলৈ লৈ আহিব। হেডছাৰে বীণা বাইদেৱক স্কুলত খিচিৰী খাবলৈ নিদিয়ে। সেয়া হেনো অকল ছাত্ৰ-ছাত্ৰীখিনিৰহে খাদ্য। এই কথাত বীণা বাইদেৱৰ ইতিমধ্যেই ছাৰৰ ওপৰত খং। এতিয়া একেজন ছাৰৰ আগত গৈ তেওনো কি সাহত চাউল-দাইল অলপৰ বাবে থোঙা পাতে? বাইদেৱে সিদ্ধান্ত ল'লে, তেওঁ মনে মনে হ'লেও আনিবই। হাজাৰ হ'লেও সেয়া তেওঁৰ প্ৰাপ্য। গৰম-ঠাণ্ডাই অত



সামান্যও লৰচৰ নকৰাকৈ বীণা বাইদেউৰ সন্মুখত থিয় হৈ থাকিল। বাইদেৱে আত্মসমৰ্পণ কৰিলে, কথাবোৰ খুলি ক'লে সকলো। কিন্তু, ইমানতো ছাৰে কথাবোৰ নুবুজিলে। বীণা বাইদেৱক উদ্দেশি তেওঁ ধাৰাসাৰ গালি দিলে। সততা, অন্যায়, নিষ্ঠাৰ কথা কৈ তেওঁ বীণা বাইদেৱক যেন গালি নহয়, প্ৰচণ্ড চৰ দুটামানহে গালে-মুখে দিলেহি। লাজে-অপমানে কান্দি কান্দি বীণা বাইদেউ ঘৰ আহি সোমালহি। তাৰ পিছতো ছাৰে কথাতো মুকুতা বাইদেউক কোৱাতেই সন্তুষ্ট নাথাকি কষ্ট কৰি তেওঁ ল'ছালীকেইটাক ৰান্ধি খুৱাই আছে, এতিয়া দৰমহা নোপোৱা দিনকেইটাত তেওঁলৈ বাৰু দুটামান চাউল-দাইল নোজোৰিবনে? নহ'লে সিহঁতকেইটাক ৰান্ধি খুৱাবলৈ তেওঁ জীৱাই থাকিবই বা কিদৰে!

প্ৰথম দুদিনমান তেনেদৰেই গ'ল। কিন্তু এসপ্তাহমান পিছত এটা ঘটনা ঘটিল। ছাৰ যোৱাৰ পাছত চাদৰৰ আচলত চাউল এবাটি আৰু ছয়াবিন দুটামান বান্ধি ঘৰলৈ যাবৰ পৰতেই হঠাৎ হেডছাৰে মাজবাটৰ পৰা উভটি আহিল। কিবা এটা ফাইল নিবলৈ বৈ গৈছিল হেনো তেওঁৰ। কিন্তু আহিয়েই ছাৰৰ চকু বীণা বাইদেৱৰ আচলতে ওলমি থকা টোপোলাটোলৈ গ'ল। ছাৰৰ তীক্ষ্ণ চকুৰ চাৱনি সহ্য কৰিব নোৱাৰি বীণা বাইদেৱে থিতাতে কান্দি দিলে। ছাৰে মুখেৰে একো নক'লেই সদায় মাছ খাই পেলোৱা মেকুৰী এটা ধৰাৰ দৰে গৌৰৱ আৰু খঙত সুযোগ পালেই বীণা বাইদেউক ঠাট্টা কৰা হ'ল, চোৰণী বুলি ছাত্ৰ-ছাত্ৰীৰ সন্মুখতো হঁহা হ'ল।

বীণা বাইদেৱে চকুটো মুদি দিলে। ফুৰাই থকা খৰিৰ ধোঁৱা আৰু মনৰ যন্ত্ৰণাত তেওঁৰ চকুৰে পানী নিগৰি আহিল। বীণা বাইদেৱে ভাবিলে, সততা আৰু নিষ্ঠাৰ আগত যেন জীৱনো গৌণ। ভোকৰ জ্বালাত কেঁকাই থকা বাঘ এটাক গৈ হৰিণাৰ মঙহৰ সোৱাদ কেনেকুৱা বুলি সুধিলে বাঘটোৱে যেনেকৈ চাব, ঠিক তেনেকৈ তেওঁ ওপৰলৈ চালে আৰু ঈশ্বৰক উদ্দেশি শাপ দিলে। "তই নুবুজিবি ভগৱান, এই দুখুনীক কষ্ট দি তই কিমান ভুল কৰিছ তই নাজান। যি মানুহে নিজেই উপবাস খাটি তোক ভোগ দিয়ে, সেই মানুহেই এদিন বাচি নাথাকিব চাবি।" বীণা বাইদেৱে চকু পানীখিনি মচি খৰিডাল আগবঢ়াই দিলে। ❖

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

# ভেকো - ভাওনা

**অনিমেষ ডেকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পুৱাৰ ভাত খোৱাৰ পিছতেই অহা ফোন ক'লটোৱে প্ৰফুল্ল ডেকাক অস্থিৰ কৰি তুলিছে। কোনোবাই হেনো খবৰ দিছে 'সাহিত্য মঞ্চৰ নিৰ্বাচনত প্ৰফুল্ল ডেকাৰ বিৰুদ্ধে সভাপতি পদত ড° শংকৰজ্যোতি মহন্তই প্ৰতিনিধিত্ব কৰিছে।

"হেৰি, আপুনিনো ইমান কিহৰ চিন্তা কৰি আছেহে? যি হয় দেখা যাব দিয়ক" প্ৰফুল্ল ডেকাৰ পত্নী মধুলতাই তেওঁৰ অৱস্থা দেখি ক'লে। কথাষাৰ শুনিয়ে প্ৰফুল্ল ডেকাই এক খণ্ডৰ চাৱনিৰে পত্নীৰ ফালে চালে আৰু পিছ মুহূৰ্ততে ক'লে, "তুমি কি বুজিবা নিৰ্বাচনৰ কথা। ঘৰত থকা মানুহে ঘৰৰ কথা চিন্তা কৰিব লাগে, এইবোৰ বুজিবলৈ তোমালোকৰ মগজু ক'ম হ'ব।" কথাষাৰ শুনি মধুলতা মনে মনে ভিতৰৰ কোঠাত সোমাই গ'ল।

কিছু সময় পিছত পুনৰ ধুৰন্ধৰ নবীনৰ ফোন আহিল প্ৰফুল্ল ডেকালৈ। নবীন হ'ল "সাহিত্য মঞ্চৰ নিৰ্বাচন কমিটীৰ সদস্য। লেচতৱা ৰাজনীতিত সি হ'ল নিপুণ। কেতিয়া কাক বোকাত ঠেলিব লাগে, কেতিয়া কাৰ ভৰি চেলেকিব লাগে যি ভালদৰেই জানে। এইবাৰ যি আছে প্ৰফুল্ল ডেকাৰ পক্ষত, যিহেতু ডেকাদেৱে নিৰ্বাচনত জিকিলে এখন SUV গাড়ী দিব বুলি কৈছে, গতিকে যি সৰ্বশক্তি দি নিৰ্বাচনত লাগিছে। নবীনে সেইফালৰ পৰা ফোনত ডেকালৈ ক'লে, "ছাৰ, ক'ৰ পৰা তপকিল এই শংকৰজ্যোতিটো। ই গোটেই খেলখনতে খেলিমেলি লগালে। এই ফালৰ পৰা প্ৰফুল্ল ডেকা খঙতে ক'লে "তোক মই কৈছিলোৱে সকলোখিনি মেনেজ কৰিব লাগে, যিমান টকা লাগে সিমান দিম বুলিও কৈছিলো, এতিয়া তয়ে চণ্ডাল, কিবা কাৰণত ইলেকচনত হাৰিব লাগিলে তোক মই দি আছো ৰ"। কথা শুনি নবীনে ক'লে "ছাৰ, আপুনি ইমান টেনচন নল'ব মই কিবা মেনেজ কৰি আছোঁ। আপুনি নিঃচিন্ত হৈ থাকক।"

"সাহিত্য মঞ্চ" ক লৈ সকলোৰে দৃষ্টি আছে। এই সংগঠনটোৱে জাতিটোক আগুৱাই লৈ যোৱাত বহুত সহায় কৰিলে। সকলো মানুহৰ আৱেগ জড়িত হৈ আছে, ডাঙৰ ডাঙৰ সাহিত্যিক যিসকলে জাতিটোক সাহিত্যৰ দিশত আগুৱাই লৈ গৈছে তেওঁলোকে "সাহিত্য মঞ্চ" ৰ সভাপতি আসনত বহি ইয়াক নেতৃত্ব দিছে। যোৱা কেইবাবছৰৰ পৰাই কিন্তু সভাপতি আসনত কোনো যোগ্য মানুহ বহিব পৰা নাই। কাৰণ ৰাজনীতি। এইবাৰো প্ৰথমে তেনেকুৱাই হ'ব বুলি মানুহে ভাবিছিল কিন্তু ড° শংকৰজ্যোতি মহন্তৰ মনোনয়ন পত্ৰ গ্ৰহণে মানুহৰ মাজত যেন এক আশাৰ ৰেঙণি ঢালি দিছে।

"সাহিত্য মঞ্চ" ক লৈ সকলোৰে দৃষ্টি আছে। এই সংগঠনটোৱে জাতিটোক আগুৱাই লৈ যোৱাত বহুত সহায় কৰিলে। সকলো মানুহৰ আৱেগ জড়িত হৈ আছে, ডাঙৰ ডাঙৰ সাহিত্যিক যিসকলে জাতিটোক সাহিত্যৰ দিশত আগুৱাই লৈ গৈছে তেওঁলোকে "সাহিত্য মঞ্চ" ৰ সভাপতি আসনত বহি ইয়াক নেতৃত্ব দিছে। যোৱা কেইবাবছৰৰ পৰাই কিন্তু সভাপতি আসনত কোনো যোগ্য মানুহ বহিব পৰা নাই। কাৰণ ৰাজনীতি। এইবাৰো প্ৰথমে তেনেকুৱাই হ'ব বুলি মানুহে ভাবিছিল কিন্তু ড° শংকৰজ্যোতি মহন্তৰ মনোনয়ন পত্ৰ গ্ৰহণে মানুহৰ মাজত যেন এক আশাৰ ৰেঙণি ঢালি দিছে।

মনোনয়ন পত্ৰ দাখিল কৰা পাছত দুয়োজন প্ৰাৰ্থীয়ে প্ৰচাৰ চলাবলৈ আৰম্ভ কৰিছে। কেৱল প্ৰফুল্ল ডেকাই প্ৰচাৰ চলোৱাৰ লগতে বিভিন্ন কুবুদ্ধিৰে নিৰ্বাচন জিকাৰ সপোন দেখিছে।

এদিন দুপৰীয়া প্ৰফুল্ল ডেকাৰ গৃহৰ চ'ৰাঘৰত বহি নবীন আৰু ডেকাই চিন্তা কৰি আছে কেনেদৰে নিৰ্বাচনৰ পথাৰৰ পৰা গোৰ মাৰিব পাৰি ড° মহন্তক। ক্ষন্তেক পৰ যেনি হোৱাৰ পিছত প্ৰফুল্ল ডেকাই ক'লে, "নবীন, ড° মহন্তৰ মনোনয়ন পত্ৰখন কিবাকৈ অবৈধ কৰিব পাৰি নেকি?" নবীনে তৎক্ষণাৎ উত্তৰ দিলে, "ছাৰ আপুনি বৰ ভাল বুদ্ধি দিলে, ইলেকচন কমিটীখন যিহেতু আমাৰ হাতত আছেই কিবা সৰু ভুল এটা ওলাবলৈ চেষ্টা কৰো"। প্ৰফুল্ল ডেকাই ক'লে, "যা তই এতিয়া, চা গৈ যা, কিবাটো উলিয়াব পাৰিবি"। "তেন্তে ছাৰ মই আহো এতিয়া, কিবা এটা হাতত খবৰ দিলে ভাল আছিল" নবীনে বহাৰ পৰা উঠি ক'লে। প্ৰফুল্ল ডেকাই পকেটৰ পৰা ৫০০০ টকা উলিয়াই দিলে।

সন্ধিয়া নবীনৰ ফোন, অতি উৎসাহত "ছাৰ এটা খুত উলিয়াইছো। ড° মহন্তই নিজৰ জন্মৰ তাৰিখতো লিখিটো অভাৰ ৰাইট কৰিছে। সেইটোৰ দ্বাৰাই অবৈধ ঘোষণা কৰি দিব পাৰিব। কাইলৈ ৰাতিপুৱা আপুনি টেলিভিছনটো অন্ কৰি চালে হ'ল"।

পুৱা সকলো নিউজ চেনেলতে Breaking News কৰি ডাঙৰ ডাঙৰ লাইনত আহি আছে — "সাহিত্য সভাৰ সভাপতি পদৰ নিৰ্বাচনৰ পৰা ড° শংকৰজ্যোতি মহন্ত বাহিৰ। তেওঁৰ মনোয়ন পত্ৰ অবৈধ ঘোষণা কৰা হৈছে। এতিয়া প্ৰফুল্ল ডেকাই বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচনত জয়যুক্ত হ'ব। তেওঁ হ'ব "সাহিত্য মঞ্চৰ পৰৱৰ্তী সভাপতি"। এই খবৰে যেন প্ৰফুল্ল ডেকাৰ এক ভাবিব নোৱাৰা শান্তি দিছে। "পাৱল্কিকহে সৱ জানতে হে", ৰাইজে সকলোখিনি বুজি পাইছে। ড° শংকৰজ্যোতি মহন্তও সকলোখিনি বুজি পাইছে। সাহিত্য মঞ্চৰ লবীত যেন প্ৰকৃত সাহিত্যিক জিকিব নোৱাৰে সেয়া সকলোৱে বুজিছে। সকলোখিনিয়ে অৰ্থহীন, সকলোখিনিয়ে ভেকা-ভাওনা। ❖

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

# "হত্যা নে আত্মহত্যা ?"

**প্ৰদক্ষিণা কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বিশাল ৰাজপ্ৰসাদৰ কোনোবাটো কোঠাৰ ঠিক সোঁমাজৰ চিলিং ফেনখনতে ওলমি ৰৈছিল এটা জীৱন; সপোনৰ দিক্ বিদিক্ হেৰুৱাই সৰ্বহাৰা হৈয়ো ৰাজনীতিৰ মকৰাজালখন ভাঙিবলৈ নতুনকৈ জী উঠা প্ৰিয়াৰ মৰাশ, মৰাশ নহৈ যে এবোজা প্ৰশ্নৰ মালা।

প্ৰিয়া হাজৰিকা; বিখ্যাত ৰাজনীতিবিদ সূৰ্য্য হাজৰিকাৰ একমাত্ৰ জীয়ৰী। ছবি আঁকি ভালপোৱা প্ৰিয়াৰ প্ৰতিটো কথা-কাম সূৰ্য্য হাজৰিকাৰ বিপৰীতে গতি কৰিছিল। গাঁৱৰ মানুহৰ ওপৰত এই বিখ্যাত ৰাজনীতিবিদসকলে পেলাই দিয়া মকৰাজালখন দেখি প্ৰিয়াই হতাশাত ভুগিছিল। সৰুতেই মাকক হেৰুৱাই তাই বহুত ক্ষেত্ৰত নিজক ৰিক্ত বুলি ভাবি লৈছিল। "মাজনী, বাহিৰত অহা গাঁৱৰ মানুহখিনিক মই ঘৰত নাই বুলি কবি" দেউতাকৰ এই কথাষাৰৰ পৰাই তাই ক্ষোভিত হৈছিল; তাই কথা পাতিছিল, তাই বুজিছিল। কিছুমান আৱৰ্জনা পুলিয়ে-পোখাই উঘালিবলৈ তাই তেতিয়াই ঠিৰাং কৰিছিল। ফুলকুমলীয়া বয়সতে দেউতাকৰ দেহত বগাই ফুৰা লেতেৰাবোৰ দেখি তাই দেউতাকক ঘিণ কৰিছিল। কিন্তু দেউতাকৰ তাইৰ প্ৰতি মৰমখিনি বিশেষ আছিল। চাওতে চাওতে প্ৰিয়া গাভৰু হ'ল; সেইদিনাই তাইৰ কলেজৰ কোনো ডেকা প্ৰেমিকে ভূপেন হাজৰিকাদেৱৰ সুৰত গাইছিল "আজি বতৰ গাভৰু হ'ল"। দুষ্মন্ত-শকুন্তলাৰ ব্যাখ্যাৰে ক'লে ক'ব পাৰি সেইদিনাও চাৰিচকুৰ মিলন হৈছিল; তাতো ৰাজনীতি আছিল (?) দুখ-চিন্তাই আৱৰি ৰখা প্ৰিয়াই লাহে লাহে পাহাৰ, নদী, প্ৰেমৰ কথা পাতিছিল। প্ৰথমে চিনাকি, নাম হেনো গীত।

সময় পাখিলগা কাঁড়ৰ দৰে; এদিন দুদিনকৈ মকৰাজাল সাধুকথা পাতোতেই গীতে ক্ৰাইম ব্ৰাঞ্চৰ বিষয়া পদত অধিষ্ঠিত হৈছিল। সময়-সুযোগ আহি পদূলিমুখত ভুমুকিয়াইছিল সেইদিনা; ৰাজনীতিৰ মকৰাজালৰ ফান্দত পৰিছিল সূৰ্য হাজৰিকা। হঠাতে প্ৰিয়াৰ ফোনলৈ আহিছিল সেই আচৰিত মেচেজটো; তই পদুম বুলি মেটেকাকহে আদৰিলে। "আপোনাৰ ছোৱালীয়ে কাইলৈ আপোনাৰ কৰ্মকাণ্ড ফাদিল কৰিব।" গোটেই মন্ত্ৰীসভা কঁপি যাব বুলি গীতে মেছেজটো সূৰ্য হাজৰিকালৈ পঠাইছিল। পিছে ৰাজহাড়-কামিহাড় কঁপোৱা এই বাৰ্তাটো আহিল প্ৰিয়ালৈ।

কিমান মকৰাজাল ভাঙিব ! এখন ভাঙিলে আনখন সাজে এমুঠি ভাতত ৰাজনীতি, এখনি বস্ত্ৰত ৰাজনীতি, এখন ঘৰত ৰাজনীতি, মৰম ভালপোৱাতো ৰাজনীতি। গোটেই সমাজখন গো-গ্ৰাসে গিলিছে ৰাজনীতিয়ে। আজিৰ দিনত কোনে জানে মহাভাৰতৰ ৰাজনীতি; শ্ৰী কৃষ্ণৰ দৰে ৰাজনীতিবিদ আছে কেইজন?

"এয়া হত্যা নে আত্মহত্যা"; "কিয় আত্মহননৰ পথ বাছি ল'লে প্ৰিয়া হাজৰিকাই?" টিভিৰ স্ক্ৰীণত বাৰম্বাৰ বাজি থকা এই বাতৰিটোৰে সেইদিনাৰ দিনটোৰ আৰম্ভণি হৈছিল গীত প্ৰতীম বৰুৱাৰ। ❖

(মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)



# বিৰিয়ানি

**পাৰ্থ প্ৰতিম শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

চৌদিশে চাইৰেণৰ শব্দ। টেও...টেও...টেও...টেও....। লাউড স্পীকাৰত জাননী দিয়া হৈছে যাতে কোনো নিজৰ ঘৰৰ ভিতৰৰ পৰা নোলায়। ওলালে হেনো জৰিমনা বিহা হ'ব। বাসন্তীহতঁৰ সন্মুখেৰেও পাৰ হৈ গ'ল দুই তিনিখন চৰকাৰী গাড়ী। "অনুগ্ৰহ কৰি কোনো যেন এসপ্তাহ নিত্যান্তই আৱশ্যাক কোনো কাম কাম নাথাকিলে ঘৰৰ পৰা বাহিৰলৈ নোলায়।" বাসন্তীৰ ওঠত এক তাচ্ছিল্যসূচক হাঁহি বিৰিঙি উঠিল। নিজৰ ওপৰতে যেন তাইৰ কৰণা উপজিল। নিয়তিৰ পৰিহাৰ দেখি।

ৰেল ষ্টেচনৰ কামৰ পদপথ এটাত ঈষৎ নীলা ৰঙৰ তম্বু এটা টানি আৰু তলত বাস কৰে তিনিটা প্ৰাণী — বাসন্তী আৰু তাইৰ ল'ৰা ছোৱালীহাল ধন আৰু ৰুণু। সেই তম্বুটোক জানো ঘৰ বুলিব পাৰি? — বাসন্তীৰ মনত ওপজা প্ৰথম প্ৰশ্ন যেতিয়া তাইক পুলিচৰ বৰ বিষয়া এজনে কৈছিল "ঘৰ এৰি এইকেইদিন ৰাস্তাত অলৌ টলৌকৈ ঘূৰি নাথাকিবি। ভিক্ষা খুজিবলৈ এনেও কাকো নাপাওঁ ৰাস্তাত।"

কিবা হেনো ডাঙৰ বেমাৰ এটা আহিছে। বহুত মানুহ সেই বেমাৰটোত পৰি মৰিছেও। এতিয়া সেইকাৰণে চৰকাৰে সকলোকে কেইদিনমান ঘৰত সোমাই থাকিব কৈছে। প্ৰথমতে এক সপ্তাহ, তাৰ পিছত পোন্ধৰদিন, তাৰ পিছত এক মাহ আৰু এতিয়া নতুনকৈ এক সপ্তাহ। এই চৰকাৰখনে পাহৰিলে নেকি যে খাব নাপাইও মানুহ মৰে — বাসন্তীয়ে নিজৰ মনতে কথাবোৰ ভাবি ভাবি এবাৰ ভোৰভোৰাই উঠিল।

নিজক লৈ তাইৰ চিন্তা নাই। কিন্তু পানী খুৱাই খুৱাই নো এই কণ কণ ল'ৰা-ছোৱালী দুটাক কেনেদৰে জীয়াই ৰাখিব পাৰি। তাইৰ নিজৰ ওপৰতে খং উঠিল এবাৰ। নিজৰ দুৰ্বলতাৰ ওপৰত। সেই কামাতুৰ বিকাশৰ কামনাৰ ওপৰত। সেই কামাতুৰ বিকাশৰ কামনাৰ ওচৰত ইমান সহজে হাৰ মনা বাবে। তাকো দুবাৰকৈ। ছিঃ এবাৰলৈ নিজকে পৃথিৱীৰ সকলোতকৈ অপবিত্ৰ

বস্তু যেন লাগিল তাইৰ। ধনৰ জন্মৰ ৫ মাহ আগত কলিকতালৈ কাম বিচাৰি যোৱা বুলি কৈ প্ৰায় ডেৰ বছৰলৈ বিকাশৰ দেখা দেখি নাই। ঘূৰি আহি নানা চলাহী কথাৰে ভোলাই প্ৰায় ছমাহমান সি আৰু বাসন্তীৰ লগতে থাকিল। ধনক কৰা মৰম দেখিয়ে নে কি! তাইৰ বিকাশক বিশ্বাস কৰিবলৈ মন গ'ল। কিন্তু এদিন ৰাতিপুৱা শোৱাৰ পৰা উঠি দেখিলে যে সি শোৱাপাটীত নাই। কাষৰে মুন্নাক হেনো কৈ গৈছে সি এইবাৰ বিহাৰলৈ গৈছে। কাম বিচাৰি। আহি সিহঁত তিনিওকে লৈ যাব। সেই কথাৰ আজি ৫ বছৰ পাৰ হৈ গ'ল। ছয় বছৰো হ'ব পাৰে। এতিয়া আৰু তাইৰ সেইবোৰ মনত নাই। মনত কৰাৰ কাৰণো নাই!

ধনে এতিয়া বুজি পোৱা হৈছে। বয়সত বৰ বেছি ডাঙৰ নহ'লেও নিষ্ঠুৰ বাস্তৱে তাক ঠিকে শিক্ষা দিছে। খাবলৈ নাপালেও পৰালৈকে সি ভোক লগা বুলি মাকক নোকোৱা কৈয়ে থাকে। মাকৰ মনৰ কষ্ট মুখত বিশেষ ফুটি নুঠিলেও সি বাৰুকৈয়ে উপলব্ধি কৰে। কিন্তু বেচেৰী ৰুণুজনীলৈহে তাৰ বেছি বেয়া লাগে। ভোকত যেন তাইৰ এতিয়া কণমানি জীৱটো যাবহে। কিন্তু কিনো কৰিব পাৰে সিহঁতে। বাটেৰে অহা-যোৱা কৰি থকা দুই এজনক খুজিবলৈও গোটেই ৰাস্তাই জনশূন্য। মহানগৰী নহয় যেন এইয়া মৰিশালিহে।

মাকে নিচুকাই নিচুকাই বোকত লেবেজান হৈ পৰা ৰুণুক শুৱাবলৈ চেষ্টা কৰিলে। তেনেতে, মুন্নাই আহি সিহঁতক খবৰ দিলে — "এখন ডাঙৰ গাড়ী আহিছে। কিবা এন. জি. অ' কিবাহৰ গাড়ী হেনো। বন্ধ (লকডাউন) ৰ সময়ত দুখীয়া মানুহ খোৱা বস্তু বিলাই ফুৰিছে। আজি আমাৰ ফালে আহিছে। তই আহ! কিবা অলপ লৈ আহিব পাৰিব খাবলৈ। "তাকে শু বাসন্তীয়ে ধনক ৰুণুৰ সৈতে ৰাখি মুন্নাৰ লগত গ'লগৈ এ জি. অ' ৰ খানা আনিব।

দুঘণ্টাৰ মূৰত বাসন্তী আহি ওলালহি হাতত তিনিটা খাদ্য পেকেট লৈ। তাই ধনক ক'বলৈ ধৰিলে — "আমাৰ দৰে বহু ভোকাতুৰ মানুহ আছে অ"। আজি দেখি আহিলো নহয় কিমানে সেই খানাৰ পেকেট নিব আহিছে। সেই বুলি এ পেকেট ধনলৈ আগুৱাই দি আনটো পেকেট খুলি তাই ৰুণু মাতিবলৈ ল'লে। নিজে পিছতো খাব পাৰিব। প্ৰথমে ৰুণুজনী কিবা এটা খুৱাই ল'ব।

ৰুণু। এই ৰুণু। উঠ। চাচোন কি আনিছো। বিৰিয়ানি। খা আহ।

তই আৰু কি চাই আছ'। খা সোনকাল। পেকেটটো হাতত লৈ আছ যে? — বাসন্তীয়ে ধনক ক'লে।

ৰুণুই নাখাই মা। তাই আৰু কেতিয়াও নাখায়। তাই মহামাৰীয়ে মাৰিব নোৱাৰিলে। ভোকেহে মাৰিলে তাইক! — ধনে মাকক ক'লে। ❖

# উপহাৰ

**নয়ন জ্যোতি নাথ**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

নিজান ৰাতি। সময় তেতিয়া ১১.৫০ বাজিছে। ৰাতি নিৰজে অকলে এক নিজান ঠাইত খোজকাঢ়ি যায় আছে। কিন্তু সি গময়েই নাপায়। যেতিয়া সি গম পালে যে সি নিজান ঠাইত অকলে অকলে খোজ কাঢ়ি যায় আছে তেতিয়া তাৰ নিজৰ ঘৰলৈ মনত পৰিল। আচলতে নিৰজ বিবাহিত পুৰুষ। তাৰ এটি সন্তান আৰু পত্নী গৰিমা আছে। সি হ ঠাৎ মনত পৰিল যে আজি তাৰ ল'ৰা নিবীড়ৰ জন্মদিন। ল'ৰাই দেউতাক নিৰজক তাৰ জন্মদিনত এক উপহাৰ বিচাৰিছিল। কিন্তু বেচেৰা নিৰজে উপহাৰ দিব পৰা নাই কাৰণ তাৰ কাম নাই। ঘৰত তাৰ পত্নী আৰু তাৰ সন্তান বখি আছে। তাৰ লগত এক টকাও নাই। এনে তাৰ আৰ্থিক অৱস্থা টনকিয়াল। ঘৰত খাবলৈও চাউল নাই। সি ঘৰত তাৰ পত্নীক কৈ আহিছিল যে কামৰ পৰা আহি চাউল আনিব বুলি। কিন্তু তাৰ হাতত এক টকাও নাই. সি সেই ঠাইৰ পৰা আহি তাৰ ঘৰলৈ যাব ধৰিলে। সি তাৰ ঘৰ যাই পোৱাৰ পিছত সৰু ল'ৰাটো কৈছিল —

নিবীড় ঃ- দেউতা তুমি আহিলা ! মোৰ জন্মদিনৰ কি আনিলা ?

নিৰজ ঃ- ৰ'বা সোণ ! মই তোমাৰ কাৰণে উপহাৰ আনিছো। কিন্তু এতিয়া মই নিদিও। মই তোমাক কাইলৈ ৰাতিপুৱা দিম।

পত্নী গৰিমা ঃ- হেৰা আহি পালা। চাউল আনিছা নে?

নিৰজ ঃ- উম ! আনিছো। মই এতিয়া শুই আৰু তোমালোকে ভাত বনাই খাই লোৱা।

(আচলতে নিৰজে আগতীয়াকৈ বিপদৰ বাবে চাউল যোগাৰ কৰি থৈছিল)।

হঠাৎ ৰাতি নিৰজে টোপনিৰ পৰা শুই উঠি সাৰ পালে আৰু ভাবিলে 'যদি মোৰ কোনোবা দিন কিবা হয় যাই তেতিয়া তাৰ পিছত ইহঁতৰ কি হ'ব ?' সি নিজৰ মাজতে ভাবিলে। এনেকৈ ৰাতিপুৱা হ'ল।

ৰাতিপুৱা সি তাৰ পত্নী গৰিমাক ক'লে, "হেৰা আজি মই তোমালোকক এঠাইত লৈ যাম। তোমালোকে সোনকালে ওলোৱা। সেইবুলি সি গোটেইকেইজনে লৈ বাহিৰলৈ উলিয়াই লৈ গ'ল। নিৰজে সিহতক ব্ৰহ্মপুত্ৰ নদী পাৰত লৈ গৈছিল। (আচলতে নিৰজে সিহঁতক তাৰ অন্য এক উদ্দেশ্য দি লগত লৈ গৈছিল। কাৰণ তাৰ বৰ্তমান আৰ্থিক অৱস্থাত একেবাৰে টনকিয়াল)। তাৰ লগত এতিয়া একটকাও নাই আৰু ইহঁতক কেনেকৈ খোৱাৰ কেনেকৈ ইহঁতক চোৱা চিন্তা কৰিব তাৰ চিন্তাৰ তাক ভিতৰি ভিতৰি খাই পেলাইছে। দুদিনৰ পিছত সিহঁতে ভোকাতুৰ হৈ ভিক্ষাৰী হৈ কেনে দিন কটাব লাগিব।

নিৰজ ঃ- হেৰা কেনেকুৱা লাগিছে ঠাইখিনি ?

গৰিমা ঃ- ভাল লাগিছে।

নিবীড় ঃ- তুমি দেখোন মোক ব্ৰহ্মপুত্ৰ নদীৰ পাৰত লৈ আনিলা।

নিৰজ ঃ- উম সোণ ! এয়াই তোমাৰ উপহাৰ।

এইবুলি কোৱাৰ পিছত সি তাৰ সন্তানক নদীৰ পাৰৰ পৰা থেলা মাৰি পেলাই দিলে। (হঠাৎ পানীত পৰাৰ শব্দ) মাক গৰিমাই থ'ৰ লাগি চাই ৰ'ল। তেতিয়া নিৰজে গৰিমাকো ধৰি পানীত থেলা মাৰি পেলাই দিলে। (আকৌ পানীত পৰাৰ শব্দ) আৰু ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ সোতেতে সিহঁতক উটুৱাই লৈ গ'ল। তাৰ পিছত সি ব্ৰহ্মপুত্ৰ নদীৰ পাৰত বহী কান্দি কান্দি ক'বলৈ ধৰিলে, "হেৰা গৰিমা আৰু মোৰ সোণ। মোৰ তাত উপায় নাই। তোমালোকৰ ওচৰতো কোনো ভুল নাই। মই তোমালোকক এইকাৰণে পানীত থেলা মাৰি দিলো কাৰণ মোৰ তাত কোনো উপায় নাছিল। নহ'লে আমি তিনিও ভোকত থাকি টিলটিলকৈ মৰিব লাগিব। মোক ক্ষমা কৰি দিবা গৰিমা।

নিৰজে আকৌ কান্দি কান্দি ক'বলৈ ধৰিলে — "সোণ তুমি মোক ক্ষমা কৰি দিবা। তোমাৰ জন্মদিনৰ বাবে একো উপহাৰ আনিব নোৱাৰিলো। তুমি মোক ক্ষমা কৰি দিবা।"

নিৰজে নিজৰ পৰিয়ালৰ কথা ভাবি কামটো কৰিবলৈ বাধ্য হৈছিল। নহ'লে তাৰ লগতে তাৰ পত্নী আৰু ল'ৰা নিবীড়ৰ ভোকত খাব নাই টিলটিলকৈ মৰিব লাগিব।

নিৰজে শেষত কলে, "তোমালোকে চিন্তা নকৰিবা। ময়ো তোমোলোকৰ ওচৰত আহি আঁছো।"

এইবুলি কৈ নিৰজে ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা নদীত জাপ দিলে। ব্ৰহ্মপুত্ৰ নদীয়ে তাক নদীৰ সোঁতৰ লগত উটুৱাই লৈ গ'ল আৰু তাৰ শৰীৰটো নিৰুদ্দেশ কৰি পেলালে। ❖

বিয়াৰ কাম জাকজমকতেই চলি আছে। মাংসৰ মলমলীয়া গোন্ধে যদুৰামৰেই জিভাৰ পানী পেলাই দিলে। অমিষাইতো কান্দিয়ে দিলে মাংস খাম বুলি। কিন্তু যদু কাই যে নিৰুপায়। মাংস কিনিবলৈ যে তেওঁৰ হাতত ইমান পইচা নাই। কিন্তু পেটৰ ভোকটোৱেও কলমলাই আছে।

# ভোকাতুৰ

**চিন্ময় চক্ৰৱৰ্তী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আজি অনন্ত জাজচাহাবৰ ডাঙৰ পুতেকৰ বিয়া। বিৰাট কাৰবাৰ। সেই বিশাল অট্টালিকাটো কিমান যে ধুনীয়াকৈ সজাঁই তোলা হৈছে! যদুৰামে শুনিছে তাত বোলে এশতকৈও বেছি 'আইটেম' আছে।

এৰা, যদুৰাম জাজচাহাবৰেই বিশাল বাংলোৰ কাষত থকা জুপুৰিটোত থাকে। পৰিয়াল বুলিবলৈ তিনিজন। সি, তাৰ ঘৈণীয়েক আৰু মৰমৰ ছোৱালীজনী তাইৰ নাম অমিষা। সৰু, কজলা চকুকেইটাৰে ছোৱালীজনী বৰ মৰমলগা।

পিছে যদুৰামহঁতক বিয়ালৈ মতা নাই। কাৰণ সেই বিশাল অট্টালিকাৰ পৰা বৰষুণৰ পানী আহি চালিঘৰত পৰে বুলি যে সি অভিযোগ দিছিল। তেতিয়াৰেই পৰা যদুৰামৰ ঘৰখন জাজচাহাবৰ পৰম শত্ৰু। তাতেই আৰু ঠেলাৱালাক ইমান ডাঙৰ তথা শুভ ঘটনাত কোনেনো মন দিয়ে।

বিয়াৰ কাম জাকজমকতেই চলি আছে। মাংসৰ মলমলীয়া গোন্ধে যদুৰামৰেই জিভাৰ পানী পেলাই দিলে। অমিষাইতো কান্দিয়ে দিলে মাংস খাম বুলি। কিন্তু যদুকাই যে নিৰুপায়। মাংস কিনিবলৈ যে তেওঁৰ হাতত ইমান পইচা নাই। কিন্তু পেটৰ ভোকটোৱেও কলমলাই আছে।

সন্ধিয়া হ'ল। যদুকাইয়ে দেখিলে যে মানুহৰ আগম পূৰাদমে চলি আছে। তেওঁও এপাক বিয়ালৈ যাবলৈ ম মেলিলে। জীয়েকক ক'লে যে আহোঁতে তাইৰ বাবেও মাং অলপ লৈ আহিব। কিন্তু ভবামতে নহ'ল। জাজচাহবৰ সৰু পুতেকজনে তেওঁক খেদি পঠিয়ালে।

খেদি পঠিওৱা বাবেও যদুকাইৰ দুখ নহ'ল কিন্তু দুখ হ'ল ছোৱালীজনীৰ বাবে। তাই যে মাংসৰ বাবে ৰৈ আছে। যদুকাইয়ে জানে তাইৰ ভোক লাগিছে কাৰণ তেওঁৰ নিজৰেই লাগিছে।

হঠাৎ যদুকাইয়ে দেখিলে যে পাতত ৰৈ যোৱা পেলনীয়া কিছুমান নি এঠাইত পেলাই দিছে মানুহকেইজন যোৱাৰ পিছত যদুকাইও চুৰাপাত পেলোৱা ঠাইখিনিলৈ গ'ল। তাত কুকুৰ এটাই মাংসৰ টুকুৰাবোৰ চোবাই আছিল। কুকুৰটোক দেখি যদুকাইৰ তীব্ৰ ভোক লাগিল। তাৰ তেওঁ সেই ঠাইৰ পৰা খেদি পঠিয়ালে।

ৰাতি হ'ল। অমিষাৰ মাকে ভাত বাঢ়িলে। অমিষাইও খুব তৃপ্তিৰে ভাতসাঁজ খালে। কাৰণ দেউতাকে বিয়াঘৰৰ পৰা মাংস লৈ আহিছে। নিজৰ ছোৱালীজনীৰ মুখত ধুনীয়া হাঁহিটো দেখি যদুৰামৰ মনটো তৃপ্তিৰে ভৰি পৰিল। ❖

# স্বাভিমান

**বিনীতা দেৱনাথ**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কি ক'লি তই ? তই সেইখন ঘৰত আৰু কেতিয়াও নাযাবৰ! কিন্তু কিয় ? কিনো হ'ল তাত? তই কেলৈ গুচি আহিলি? তেতিয়া পদ্মাৱতীয়ে উত্তৰ দিলে, "অ'.... তুমি ঠিকে শুনিছা, মই আৰু সেইখন ঘৰলৈ কেতিয়াও উভতি নাযাওঁ"।

তেতিয়া তেওঁৰ দেউতাকে ক'লে, "তই জাননে মাজনী তই কি কৈ আছ সেইখন তোৰ নিজৰ ঘৰ! তোৰ স্বামীৰ ঘৰ। ৰমেনে প্ৰায় উত্তেজনাৰেই ক'লে তেতিয়া পদ্মাৱতীয়ে খং আৰু অভিমানৰ সুৰত ক'লে..... তুমি কি ক'লা দেউতা,..... সেইখন মোৰ নিজৰ ঘৰ? মোক বিয়া দি উলিয়াই পৰ কৰি দিলা। সৰুৰ পৰা যাৰ শৰীৰত এটা দাগ পৰিব নিদিলা তোমালোকে, এবাৰো ভাবিচানে মই কেনেকৈ সেই ঘৰখনত আছোঁ, ধনী ঘৰলৈ ছোৱালী বিয়া দি শান্তিৰে বহি ভাবি আছা যে,..... মই তাত বৰ সুখী..... অকল ধনী ঘৰলৈ বিয়া দিলেই নহয় দেউতা.....

তেতিয়া মাকে কলে..... চুপ...চুপ থাক বাপেৰৰ মুখে মুখে ইমান কথা কোৱাৰ সাহস ক'ত পালি তই।....

লগে লগে পদ্মাৱতীয়ে ক'লে, "ৰ'বা মা.... মোৰ কথা এতিয়াই শেষ হোৱা নাই মোক মোৰ কথা ক'বলৈ দিয়া...."

মাকে ক'লে.... কি ক'বি তই হা.... কি কঁবি... সমাজত কি মুখ দেখুৱাম আমি... ছিঃ ছিঃ

পদ্মাৱতীয়ে ক'লে মা... তুমি সমাজৰ কথা ভাৱিছা... মই যে সেইখন ঘৰত দিনে-ৰাতিয়ে অত্যাচাৰৰ বলি হৈ আছোঁ... সিহঁতৰ কথা শুনি আছোঁ... মোৰ আত্মসন্মান নাই, স্বভিমান নাই জানো মোৰ? (আৱেগিক সুৰত কান্দি কান্দি ক'লে)

দেউতা.. আমি দুখীয়া হ'লোঁ বুলি আমাৰ কোনো আত্মসন্মান নাই! তুমি মোক বিয়াত যৌতুক দিব নোৱাৰাৰ বাবে মোক অত্যাচাৰ কৰে... মোক কথাই কথাই ভিক্ষাৰী বুলি কয় সিঁহতে....। মই ইমান কিয় সহিম ক'ব পাৰিবানে তোমালোকে....। মা তুমি সেইখনঘৰক মোৰ নিজৰ ঘৰ বুলি কৈছা। তাতে মোৰ কোন নিজৰ মা...? নিজৰ হ'লে অত্যাচাৰখিনি কৰিলে হয়নে...? আৰু ৰাহুল যাৰ লগত মোক বিয়া দিছা তাৰতো বাহিৰত বেলেগ ছোৱালীৰ সম্পৰ্ক... তাক মই কেনেকৈনো স্বামী বুলি মানি ল'ম...! কথাখিনি শুনি দেউতা আৰু মাকৰ চকু পানীৰে উপচি পৰিল। তেওঁলোকে ভাবিলে! যিজনী ছোৱালীৰ গাত আমি সৰুৰ পৰা আঁচ এটা পৰিবলৈ দিয়া নাছিলো, আলফুলকৈ ডাঙৰ দীঘল কৰিছো... সেইজনী ছোৱালী অতবছৰে কিমান যে অত্যাচাৰ সহ্য কৰিলে।

মাকে ক'লে... আপুনি শুনিছেনে কিবা এটা কৰক। সহ্যৰো এটা সীমা আছে, মোৰ মৰমৰ মাজনীক পাষণ্ড কেইটাই কেনেকৈ অত্যাচাৰ কৰিলে..... (কথাখিনি কৈ মাকে হুকহুকাই কান্দিলে।) দেউতাই চকুপানী মচি পদ্মাৱতীক ওচৰলৈ আনি ক'লে... আই তই ইমানদিনে এইবোৰ কথা আমাক কিয় কোৱা নাছিলি? কিয় লুকুৱাই ৰাখিছিলি। (কথাখিনি কৈ সাৱটি ধৰোঁতে তাইৰ গাৰ চাদৰখন গুচি গ'ল) মাকে চিঞৰি ক'লে চাওঁক চাওঁক মোৰ ছোৱালী জনীক কেনেকৈ মাৰিছে গোটেই গাত ক্ষত-বিক্ষত হৈ আছে। মাজনী তই আৰু সেইখন ঘৰত কেতিয়াও নাযাবি। এই পাষণ্ডকেইটাক উচিত শিক্ষা দিম চাই থাক।

দেউতা, তুমি ঠিকে কৈছা, মোৰ আত্মসন্মান আছে দেউতা, দুখীয়া হ'লো বুলি সিঁহতৰ কথা, সিহঁতৰ অত্যাচাৰ আমি কেতিয়াও সহ্য নকৰো। মই মোৰ ছোৱালীজনীৰ সৈতে ইয়াতেই থাকিম। জানা মা মোৰ ল'ৰা নহৈ ছোৱালী হোৱা বাবে ছোৱালীজনীকো মৰম নকৰে।

কি কোৱা আই... ইমান পাষণ্ড সিহঁত। (দেউতাকে ক'লে)

অ, দেউতা পৰিয়ালৰ সদস্য বঢ়াৰ বাবে তুমি চিন্তা কৰিব নালাগে.... মই নিজে উপাৰ্জন কৰিম। সমাজৰ সকলো বাধা নেওচি মই আগুৱাই যাম.....

মই পাৰিম দেউতা মই পাৰিম। ❖

# ভীম

**দিপামনি নাথ**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ভীম লৰাটো সঁচাই খুব কামৰ। সি গাঁওখনৰ ভিতৰতে চহকী। সকলো ৰাজহুৱা কাম-কাজত সি সদায় আগভাগ লয়, সকলোকে সহায় কৰি ভাল পায়। লগতে ভীমে খোৱা-বোৱাৰ ক্ষেত্ৰতো সদায় ৰসিয়াল। সি খাই খুব ভাল পায়। সদায় সি ৰাতিপুৱা উঠিয়েই ভাত খাইহে বাকী কাম কৰে। যিদৰে সি খাই ভাল পায় ঠিক সেইদৰে আনক সহায় কৰা, ডাঙৰক সন্মান কৰাৰ ক্ষেত্ৰতো খুবেই সজাগ। ৰাতিপুৱাই ভাত এগাল খাই ঘৰৰ পৰা ওলাই গৰু-চৰাবলৈ বুলি। তাত লগৰীয়াবোৰৰ লগত আৰ বাৰীয়ে-তাৰ বাৰীয়ে ঘূৰি ফুৰি কাৰ বাৰীত কি ফলমূল লাগিছে সেইবোৰ বিচাৰি ফুৰে। সেইবোৰ কৰি লগৰীয়াৰ লগত খেলা ধূলা কৰিব ধৰিলেই ভীমৰ আকৌ ভোক লাগেই। খাব নোপোৱালৈকে সি ধৈৰ্য্য ধৰিব নোৱাৰে ঘৰলৈ আহি কিবা এটা খালেহে ভীম শান্ত হয়। ঠিক সেইদৰে কাৰোবাক সহায় কৰাৰ ক্ষেত্ৰত সি একেই। কোনোবাই কিবা সহায় খুজিলে সেই কামতো নকৰালৈ তাৰ শান্তিয়েই নালাগে। গাঁৱৰ ভাওনা সভা কিবা হ'লে ভীমে সদায় আগ-ভাগ লয়। ভীমৰ এই সহায় কৰা স্বভাৱটোৰ বাবে গাঁৱৰ সকলোৱে তাক খুব মৰম কৰে। কাৰোবাক কিবা সহায় কৰিব লাগিলে সি কেতিয়াও নোৱাৰে বুলি নকয়, লাগিলে কামতো যিমানে টান নহওক কিয়। সেইবাবে গাঁৱৰ প্ৰতি ঘৰে ভীমক নিজৰ সন্তান বুলি ভাৱে। ঘৰত কিবা ভাল খাবলৈ বনালে ভীমক এৰি কোনো নাখায়। ভীমক ভাল পোৱা গাঁৱৰে আন কেইটামান একে বয়সৰ ল'ৰা-ছোৱালীয়ে তাক খকুৱা, ৰাক্ষস বুলিও জোকায়। এই কথাটোত ভীমে খুব দুখ পায় মনত। সি ভাবে সি কি কৰিবনো তাৰ ভোক লাগিলে। এইবোৰ ভাৱি ভাৱি সি কেতিয়াবা খুব কান্দে আৰু চেষ্টাও কৰে কমকৈ খাবলৈ। কিন্তু নোৱাৰে, নোৱাৰে নিজৰ ভোক লগাটো কমাবলৈ। লাহে লাহে তাক আৰু বেছিকৈ জোকাবলৈ ধৰিলে। এইদৰে সময় পাৰ হৈ গৈ থাকিল, অৱশেষত সি সহ্য কৰিব নোৱাৰা হ'ল। লাহে লাহে সি সেই আগৰ ভীমটো হৈ নাথাকিল। সেই আনক সহায় কৰা, সকলো কামত আগভাগ লোৱা, আদি কৰিবলৈ সি মন নকৰা হ'ল। অনবৰতে সি ঘৰতে থকা হ'ল আৰু মন বেয়া লাগিলেই সি খাবলৈ ধৰে আৰু খাইয়েই থাকে। এইদৰে ভীমৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যাবলৈ ধৰিলে। সি লাহে লাহে শকত হ'বলৈ ধৰিলে। কাৰণ সি কাম কাজ নকৰা হ'ল আৰু দিনৰ দিনটো ঘৰতে থাকে। এইবোৰ দেখি ভীমৰ মাক দেউতাকৰ চিন্তা লাহে লাহে বাঢ়িবলৈ ধৰিলে তাৰ লগৰীয়াবোৰেও বহু বেছি চেষ্টা কৰিলে, তাক ভাল কৰিবলৈ, কিন্তু নোৱাৰিলে।

এইদৰে সময় বাগৰি গৈ থাকিল আৰু ভীমৰ অৱস্থাও বেয়া হৈ গৈ আছিল। সকলোৱে ভীমক ভাল কৰা চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে। সকলোৱে আশা বাদ দিছিল ভীম ভাল হোৱাৰ। কিন্তু হঠাৎ এদিন এজন ব্যক্তি গাঁৱলৈ কিবা কামত আহিছিল। তেওঁ এই কথাটো গম পাই ভীমৰ ঘৰলৈ আহিলে আৰু ভীমৰ লগত বহি তাৰ লগত কিছুমান কথা পাতিলে। প্ৰথম অৱস্থাত ভীমে কথা পাতিবলৈ মন কৰা নাছিল যদিও লাহে লাহে তেওঁৰ ভাল কথাবোৰ শুনি ভীমে তেওঁৰ লগত কথা পাতিবলৈ ধৰিলে। বহু দিনৰ পিছত তাৰ মুখত এটা হাঁহি বিৰিঙিছে। তাকে দেখি ঘৰত সকলোৱে মনবোৰ মুকলি হোৱা যেন অনুভৱ হৈছিল। লাহে লাহে ভীমে আকৌ সুস্থ হ'বলৈ ধৰিলে আৰু আগৰ দৰে কাম-কাজ কৰিবলৈ আৰম্ভ কৰিলে। সি গম পালে যে আনৰ কথা শুনি কেতিয়াও নিজকে কষ্ট দিব নালাগে। বেলেগে তোমাৰ সুখবোৰ দেখি সহ্য কৰিব নোৱাৰিহে তেনেকুৱা কথা কয়। সেইবোৰ কথা কৈ তেওঁলোকে নিজৰ অসন্তোষ্টিহে প্ৰকাশ কৰে।

যিবোৰ ব্যক্তিয়ে নিজক লৈ সুখী হ'ব নোৱাৰে সেইবোৰ ব্যক্তিয়েই আনৰ সুখ দেখিব নোৱাৰে। সেয়েহে আনৰ বাবে নিজকে কেতিয়াও সলনি কৰিব নালাগে বা দুখ দিব নালাগে। ❖

# সন্ধান

**কাবেৰী কছাৰী**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এই আন্ধাৰ ৰাতি এজন মানুহে হাতত এটা মদৰ গিলাচ লৈ কি ভাবত হুমুনিয়াহ কাঢ়িব পাৰে সঞ্জয়, তুমি নাজানা? সঞ্জয় নিমাত। কি ক'ব সঞ্জয়ে, কমলক আতি গুড়ি মাৰি জানে সঞ্জয়ে। আগৰ সেই কমল আৰু বৰ্তমানৰ মিষ্টাৰ কমল দুৰৰাৰ মাজত আকাশ-পাতাল প্ৰভেদ। এটা ৰাতিৰ ঘটনাই যেন এজন শান্ত-শিষ্ট ল'ৰাৰ জীৱনৰ অৰ্থই সলাই দিলে। নামটোৰ দৰেই কোমল আছিল তাৰ হৃদয়খন। কিন্তু এতিয়া!

মিষ্টাৰ কমল দুৰৰা এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী, এগৰাকী যথেষ্ট অকলশৰীয়া মানুহ, সঞ্জয় তেওঁৰ বাল্যকালৰে বন্ধু। মনৰ মানুহ, সন্ধ্যা কমলৰ এৰি অহা সহধৰ্মিনী। সন্ধ্যা আছিল তেতিয়াৰ এম এল এ ৰ জীয়েক ; কমলে যাৰ তলত এটা কৰতলীয়া চাকৰিত সোমাই আছিল। সদায় দেখি থকাত সন্ধ্যা কমলৰ এটা সম্পৰ্ক গঢ় লৈ উঠিছিল। দুয়োয়ে অলিক সপোন দেখিছিল। কিন্তু! "সঞ্জয়, সঞ্জয়," কমলৰ মাতত সম্বিৎ ঘূৰাই পালে সঞ্জয়ে। "আজিকালি দেখিছো তুমি বেলেগ দুনিয়াতে থাকা। এগিলাচ শেষ নকৰোতে এইটো অৱস্থা। ক'ৰবাত প্ৰেম চেম হোৱা নাইতো।" — কমল। "ধেই কি যে কোৱা। এতিয়া আৰু এই বয়সত প্ৰেম কৰি মৰিলেহে হ'ব। আচ্ছা কমল, তোমাৰ বাৰু সন্ধ্যালৈ মনত নপৰেনে?" — সঞ্জয়। "তুমিতো সকলো জানা সঞ্জয় বাদ দিয়া সেইবোৰ কথা।"

আচলতে কমলে আজিকালি সেইবোৰ কথা মনত পেলাব নিবিচাৰে। সন্ধ্যাৰ এম এল এ দেউতাকে বিচাৰিছিল জোৱাই এম এল এ হ'ব। ধন ঘটি কৌটি টকাৰ মালিক হ'ব। কিন্তু কমলৰ উচ্চকাংক্ষাই তেনেবোৰ কথা কাহানিও মনলৈ আহিবলৈ সুবিধা দিয়া নাহিল। তাৰ সপোন আছিল নিজাকৈ এটা কোম্পানি খোলাৰ। সন্ধ্যাক সি কথাবোৰ কৈছিলো। কিন্তু তাই মন নিদিলে। দেউতাকৰ যেন সিহঁত দুয়োৰে মাজত হেঙাৰ হৈ থিয় দিলে। এদিন অৱশেষত সন্ধ্যাহ প্ৰেমৰ ওচৰত হাৰ মানিলে। দুয়োয়ে মনে মনে বিয়া পাতি চহৰৰ কোনোবা এচুকত গোপনে থাকিবলৈ ল'লে। কিন্তু সিহঁতে ভবাৰ দৰে সিহঁতৰ সংসাৰ সুখৰ নহ'ল। দুয়োগৰাকীৰে ব্যক্তিত্ব সম্পূৰ্ণ বিপৰীত। সন্ধ্যা তাইৰ দেউতাকে দেখুওৱা পথে গমন কৰিবলৈ ল'লে আৰু কমলে নিজৰ সপোন পূৰণৰ চেষ্টাত ব্ৰতি হ'ল। এদিন ৰাতি চৰকাৰী মিটিং এখনত যাবলৈ বুলি ওলাই সন্ধ্যা আৰু ঘূৰি নহা হ'ল। পিছত গম পালে তাই ঘৰলৈ ঘূৰি গ'ল।

কমলৰ অনুৰোধ সন্ধ্যাই নুশুনিলে। দেউতাকক এৰি তাই নাযায়। দেউতাকে হেনো তাইক কাষৰ চহৰত বৰ্তমানৰ এম এল এ লৈ বিয়া দিব। তাইয়ো ৰাজি।

তাৰ পিছৰে পৰা দুখবোৰ পাতলাবলৈ কমলে নিশা মদ খায়। সন্ধ্যা এৰি যোৱাৰ পিছত নিজৰ স্বাভিমান ঘূৰাই আনিবলৈ সি নিজক প্ৰতিষ্ঠা কৰিলে। মিষ্টাৰ কমল দুৰৰা বুলি ক'লে বৰ্তমান নিচিনা মানুহ চহৰখনত নোলাবই। তাৰ সপোন পূৰণ হ'ল। কিন্তু টকাৰে জানো সুখ কিনিব পাৰি! কিমান ভাল পাইছিলি সি সন্ধ্যাক। তাই নুবুজিলে। "কমল, কমল, বলা এতিয়া শুই দিয়াগৈ। বহুত ৰাতি হ'ল। মই থাকোঁতে কোনো সন্ধ্যাৰ প্ৰয়োজন নাই উঠা"। সঁচাকৈ সঞ্জয় এই ইংৰাজীত যে lifetime বুলি কয়, এ মোৰ কাৰণে তই সেইটোৱে অ'। হাতখন ধৰি থাকিবি। ❖

# প্ৰতিশোধ

**সুদিপ্তজিত নাথ**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ঘৰনৈ পাৰৰ আহঁত বোৰ বহুত সৰু হৈ আছে। নৈ খনৰ পাৰত খেতিয়ক বিলাকে কৰা সৰিয়হৰ খেতিবোৰ বৰ ধুনীয়া হৈ পৰিছে। তাৰ ওচৰতে থকা চিৰ সেউজীয়া হাবিখনত সদায় বিমল অমল হঁতে বগৰী খাবলৈ যায়। বগৰীবোৰ বৰ মিঠা। নৈখনৰ ওচৰতে থকা বালিচৰত সদায় অমল বিমলহঁতে খেলি থাকে।

অমল আৰু বিমল দুয়ো মৰমৰ ভাই ককাই। সিহঁত বৰ দুখীয়া ঘৰৰ। দুয়োৰে মাক সৰুতে ঢুকাইছে। দেউতাক কৰুনে এখন গধুলি বজাৰত শাক পাচলিৰ দোকান দিয়ে। দুয়ো দেউতাকৰ লগত গৈ সহায় কৰে। দুয়োৰে এটা মাটিৰ কলহ আছিল সদায় সিহঁতে দেউতাকৰ দোকানৰ পৰা পোৱা পইচা অলপ অলপকৈ সাঁচি ৰাখে। সিহঁতৰ মৰম চেনেহ, দেউতাকৰ প্ৰতি থকা শ্ৰদ্ধা, দুখীয়া যদিও মিলিজুলি থকাৰ যি প্ৰক্ৰিয়া দেখি সঁচাকৈ বৰ ভাল লাগে। এদিন টাউনৰ এজন বৰ ধনী ব্যৱসায়ী এজনে সিহঁতৰ ঘৰৰ অৱস্থা দেখি নিজৰ সন্তান কৰি অমলক লৈ গ'ল। অমলৰ ইচ্ছা নাছিল যদিও ভায়েক বিমল, দেউতাকৰ অনুৰোধত সি গুচি গ'ল, বৰ বেজাৰ মনেৰে।

সময় সলনি হ'ল। অমল আৰু বিমল দুয়ো ডাঙৰ হ'ল। ঘৰনৈ পাৰৰ আহঁতবোৰেও ছাঁ দিয়া হ'ল। হাবিখনো কিছু ডাঙৰ হ'ল। পিছে অমল এজন স্বাৰ্থপৰ, অহংকাৰী মানুহ লগতে এজন ডাঙৰ অফিচাৰ হ'ল। ইফালে বিমলে বেমাৰী দেউতাকৰ লগত খেতি কৰি জীৱন নিৰ্বাহ কৰে। এটা সময়ত দুয়োয়ে বিয়া পাতিলে আৰু অমলে এজন ল'ৰা আৰু বিমলে এজনী ছোৱালীৰ জন্ম দিলে।

অমলে কেৱল নিজৰ সম্পত্তি গঢ়াৰ প্ৰতি সদায় মনযোগ। লাগিলে নিজৰ সন্তানকো বিক্ৰী কৰিব পাৰে। এদিন অমলে নিজৰ পিতৃৰ সম্পত্তি আৰু সৰুতে বিমলৰ সৈতে পইচা থোৱা মাটিৰ কলহটো বিচাৰি নিজৰ ঘৰলৈ গ'ল। পিছত অমলে গৈ বেমাৰী দেউতাকক ক'লে, "দেউতা মোক মোৰ মাটি আৰু কলহৰ ভাগটো লাগে," সেই কথা শুনি বিমলে উত্তৰ দিলে, "দাদা, তুমি নিজে সম্পত্তিৰ কাৰণে আহিছা মইয়ে ইমানদিনে কত কষ্ট সহ্য কৰি দেউতাক চাই আৰু মাটি বিলাক ৰক্ষণাবেক্ষণ দি আছো, তুমি জানো আহিছিলা, এতিয়া নিজৰ কামৰ কাৰণে আহিছা, তুমি অকনমানো মাটি নোপোৱা, তোমাৰচোন বহুত মাটি, গাঁওৰ এইখিনি মাটিক কিয় লোভ কৰিব লাগে।" বিমলৰ সুৰতে সুৰ মিলাই দেউতাকেও অমলক মাটি নিদিলে।"

মাটি নাপাই অমলে নিজৰ ভায়েক বিমলৰ ওপৰত প্ৰতিশোধ পূৰণত লাগি গ'ল। এই কথা অমলে নিজ পুত্ৰ বিমানক ক'লে। বিমান এজন অভদ্ৰ, অহংকাৰী। ইফালে বিমলৰ এজনী মৰমলগা কন্যা নিৰ্মালি আছিল। অমলে সিদ্ধান্ত ল'লে যে যদি নিৰ্মালীক হত্যা কৰা হয় তেতিয়া সিহঁতে গোটেই সম্পত্তিৰ গৰাকী হ'ব। এই উদ্দেশ্য আগত ৰাখি সিহঁত নামি গ'ল।

তেতিয়া আছিল গৰমৰ দিন, ঘৰনৈ পাৰত বৰ সুন্দৰ বতাহ বলি থাকে, আঁহত গছবোৰো ডাঙৰ হৈছে। নিজৰ শান্ত মনটোক আৰু অলপ শান্ত কৰিবলৈ ঘৰনৈ পাৰৰ আঁহত গছৰ তললৈ অকলশৰীয়াকৈ নিৰ্মালি আহিছিল। অলপ সময় পিছতে সন্ধিয়া হ'ব। ইফালে অহংকাৰী অমলে সৰু কথাটোতে নিজৰ ভায়েকৰ ওপৰত প্ৰতিশোধ পূৰণৰ বাবে নিজ পুত্ৰ বিমানক দায়িত্ব দিলে।

অকলশৰীয়া নিৰ্মালিক নিজ ককায়েক বিমানে আঁহত গছৰ তলত ধৰ্ষন কৰি হত্যা কৰিলে। নিজ প্ৰতিশোধৰ বাবে বিমানে নিজৰ ভনীয়েকক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰিলে।

এই সকলো ঘটনা এজন পথচাৰীয়ে কেমেৰাত বন্দী কৰিলে। ইফালে বিমলে নিজৰ ছোৱালীৰ মৃত্যু কথা গম পাই আত্মহত্যা কৰিলে। ইফালে Vidio ভিত্তিত বিমানক ফাঁচী Order দিলে।

শেষত অমলে নিজৰ ভুলৰ কথা গম পাই সন্ন্যাসী ৰূপ ধাৰণ কৰিলে। দুয়ো ভায়েকৰ সপোনৰ ঘৰ দুখন মৰিশালী হৈ পৰিল।

সেয়েহে কোৱা হয় প্ৰতিশোধ এটা বেয়া কৰ্ম। মানুহে যিকোনো কথাত প্ৰতিশোধ ল'ব নালাগে। প্ৰাচীন কালৰ শকুনি মামাৰ পৰা প্ৰতিশোধ চলি আহিছে। প্ৰতিশোধে মৰমবোৰ কাঢ়ি নিয়ে। সেয়েহে আমি কোনো কথাত প্ৰতিশোধ ল'ব নাপায়। ❖

# আলহী

**দীপজ্যোতি চহৰীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

দুদিন পিছত ৰঙালী বিহু। চাৰিওফালে বিহু বুলি উৎসৱমুখৰ পৰিৱেশ এটাই বিৰাজ কৰি আছে। পিছে ৰঙালী বিহুৱেও কিছুমান মানুহৰ জীৱনলৈ ৰং কঢ়িয়াই নানি দুখৰ বতৰাহে কঢ়িয়াই আনে। অসীমহঁতৰ ঘৰখনো সেই দুৰ্ভগীয়াসকলৰে অন্যতম। গৰু বিহুত ধুৱাবলৈ বুলিও সিহঁতৰ মাত্ৰ গাই গৰু এটাহে আছে। বিহু বুলি নতুন কাপোৰ কিনিবলৈ বজাৰলৈ যোৱাটো দূৰৰে কথা, ঘৰৰ বাহিৰ হ'বলৈও সিহঁতৰ দহবাৰ ভাবিবলগীয়া হৈছে। কাৰণ অসীমৰ দেউতাকে বহু ঠাইৰ পৰা টকা ধাৰে লোৱা আছে। বিহুৰ বতৰত ধৰুৱাসকলৰ যিয়েই দেখিছে ধাৰলৈ লোৱা পইচা ঘূৰাই দিবলৈ সকীয়াই দি গৈছে। অসীমৰ দেউতাকৰ বহুদিন আগতে অচিন ৰোগ এটাই দেখা দিছিল। যাৰ বাবে দিনৰ বেছিভাগ সময় তেওঁ বিচনাতে পৰি থাকিছিল। ধাৰলৈ লোৱা টকাবোৰ চিকিৎসাৰ নামতে খৰচ হৈছিল যদিও কোনো সুফল অসীমৰ দেউতাকে পোৱা নাছিল। অসীমৰ মাকেহে লোকৰ ঘৰে ঘৰে কাম কৰি কিছু টকা উপাৰ্জন কৰিছিল। আৰ্জিত সামান্য টকাৰে কিঞ্চিত কিঞ্চিতকৈ অসীমৰ মাকে ভৱিষ্যতৰ কথা চিন্তা কৰি সাঁচি থৈছিল। যেতিয়া অসীমৰ মাকে অসীমক সুধিছিল উৰুকাৰ সাজ হাঁহ নে পঠাৰে খাবি তেতিয়া অসীমেই মাকক একো খাবলৈ মন নাই বুলি কৈছিল। কাৰণ অসীম বয়সত সৰু যদিও বুজি পাইছিল মাকে অতি কষ্টৰে জমা কৰা ধন ভাঙি তাক তৃপ্তিৰে খুৱাব বিচাৰিছে। কিন্তু দুপৰীয়া এটা ফোন ক'লে সিহঁতক বৰ দোধোৰ মোধোৰত পেলাই দিলে। অসীমৰ চুবুৰীয়া দাদা এজনে আহি ক'লে অসীমৰ মাহীয়েকে ফোন কৰা বুলি। অসীমৰ মাহীয়েকৰ পৰিয়ালটো সন্ধিয়া আহিব অসীমহঁতৰ ঘৰলৈ। ৰাতিও সিহঁতৰ ঘৰতে থাকিব। অসীমৰ মাকে মহা বিপাঙত পৰিল। ইমানদিনৰ মূৰত অহা আলহীক কি খুৱাব আৰু ৰাতি থাকিবলৈওটো সিহঁতৰ ঘৰত ভাল বিচনা চাদৰ, কম্বল আদি নাই। অসীমেও ভাবি নাপালে তাৰ ভাল লাগিব লাগে নে নালাগে। ইফালে তাৰ মহা আৰু মাহীয়েক ইমানদিনৰ মূৰত আহিব সিহঁতৰ ঘৰলৈ। নিশ্চয় তাৰ বাবে ভাল উপহাৰ সামগ্ৰী আনিব। আনফালে দুখ এই কাৰণে যে সি বুজি পাই তাৰ অৱস্থাৰ কথা। সি জানে যে মাহীয়েকৰ পৰিয়ালক ভালদৰে এসাঁজ খুৱাব নোৱাৰিলে সিহঁতে ভীষণ লাজ পাব। ঘৰৰ অভাৱে জুৰুলা কৰিছে বুলিয়ে কি সিহঁতৰ স্বভিমান নাথাকিব। শেষত দেউতাকৰ পৰামৰ্শ মতে মাকে অসীমক সিহঁতৰ একমাত্ৰ গৰুটো চুবুৰীৰ এজন বেপাৰীক বেছি আহিবলৈ দিলে। অসীমহঁতৰ দুৰৱস্থাৰ কথা বুজি বেপাৰীজনে সুবিধাহে ল'লে। প্ৰাপ্য মূল্যতকৈ মাত্ৰ আধাহে গৰুটোৰ বিনিময়ত দিলে। অসীমেও বাধ্য হৈ বেপাৰীজনে দিয়া মূল্যতে গৰুটো বিক্ৰী কৰিব লগা হ'ল। সেই টকাকেইটাৰে মাকে কোৱামতে বজাৰৰ পৰা পঠা ছাগলীৰ মাংস, ৰৌ মাছ আৰু ভাতৰ লগত প্ৰয়োজনীয় সামগ্ৰীবোৰ কিনি লৈ আহিল। মাকেও নিজৰ সঞ্চিত পইচাকেইটা উলিয়াই বজাৰৰ পৰা মিঠাই, দৈ, বিস্কুট ইত্যাদি লৈ আহিল।

আলহীৰ আপ্যায়ন কৰিবলৈ ঘৰত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। আদি বহুদিনৰ পিছত অসীমহঁতৰ পাকঘৰ আমিষ খাদ্যৰ গোন্ধেৰে মলমলাই উঠিছে। ঘৰৰ একমাত্ৰ গৰু আৰু কষ্টৰ সঞ্চয়খিনি ব্যয় হ'ল যদিও আলহীক ভালদৰে খুৱাব পৰাৰ আনন্দৰে সিহঁতৰ মন ভৰি পৰিছে। সময় তেতিয়া আঠ বাজি পাৰ হৈ গৈছে। কিন্তু মাহীয়েকৰ দেখা দেখিয়ে নাই। শেষত অসীমৰ মাকে অসীমক ওচৰৰ দাদাজনৰ ঘৰত গৈ মাহীয়েকক ফোন এটা কৰিব দিলে। অসীমে মাহীয়েকক ফোন কৰিবলৈ যাবলৈ লওঁতেই দাদাজনে নিজে আহি খবৰটো দি গ'ল যে — অসীমৰ মাহীয়েকে হেনো আজি মহাকৰ বন্ধু এজনৰ ঘৰলৈ গৈছে। তাত দুদিনীয়াকৈ ৰঙালী বিহুৰ ফাগুন আছে আৰু সাংস্কৃতিক সন্ধিয়াৰ আকৰ্ষণ হিচাপে দুজন ডাঙৰ গায়ক আহিব। সেয়ে অসীমৰ ঘৰলৈ পৰহিহে আহিব। কথাটো শুনি অসীমৰ মূৰটো ঘূৰাব ধৰিলে। কাৰণ পৰহি বেছিবলৈ সিহঁতৰ আৰু একো সম্পত্তি নাই। ❖

# খলনায়িকাৰ প্ৰতিশোধ

**তুলিকা বৈশ্য**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বৃষাই খকমককৈ বিছনাত উঠি বহিল। উঠি তাই চাৰিওপিনে দৃষ্টি পেলাই দেখা পায় যে তাই ৬ বছৰ পিছুৱাই অৰ্থাৎ অতীতৰ ১২ বয়সত কটোৱা নিজৰ শোৱা কোঠাত উপস্থিত। তাকে দেখি তাই হতভম্ব। নিজে নিজৰ দৃষ্টিক বিশ্বাস কৰিব নোৱাৰি তাই নিজকে চিকুটি চালে। তেতিয়া তাইৰ চকুৰ পৰা ধাৰাসাৰে অশ্ৰু নিগৰিব ধৰিলে। কিন্তু অনতি পলমে বৃষাই নিজকে চম্ভালি ল'লে আৰু মনতে থিৰাং কৰিলে যে যিসকলে তাইৰ লগত অন্যায় কৰিছিল তাৰ প্ৰতিশোধ তাই ১০০ গুণতকৈ বেছি ল'ব।

বৃষা মাক-দেউতাকৰ প্ৰথম ছোৱালী। তাইৰ নিজ মাতৃ জন্ম দিয়াৰ পিছতেই তাইৰ পৰা আঁতৰি গৈছিল। আচলতে আঁতৰি যোৱা নাছিল আঁতৰাই পঠিয়াইছিল। বৃষাৰ পিতৃ এগৰাকী ঘোচ খোৰ ৰাজনৈতিক বিষয়া। কেৱল মাত্ৰ ছোৱালী জন্ম দিয়াৰ বাবেই তেওঁ নিজৰ প্ৰথম পত্নীৰ লগত বিবাহ বিচ্ছেদ কৰিছিল। তাৰ পিছত তেওঁ বিয়া কৰাইছিল এগৰাকী নায়িকাক, যাৰ সম্পৰ্কত তেওঁ আছিল। বৃষাৰ জন্মৰ বহু দিন আগত আৰু তেওঁৰ দ্বিতীয়া পত্নীৰ লগত ২টা সন্তান জন্ম দিছিল। এটা ল'ৰা আৰু আনজনী ছোৱালী। তেওঁৰ ২য় আৰু ৩য় সন্তানটো সম্পূৰ্ণ তেওঁৰ স্বভাৱৰ আছিল। (বৃষাৰ দেউতাকৰ নাম আছিল ৰত্নকান্ত তামুলী)। ৰত্নকান্তই তেওঁৰ পৰিবাৰ আৰু তেওঁলোকৰ সন্তান কেইটিৰে বৃষাৰ জীৱন নৰকৰ লগত এক কৰি দিছিল। তেওঁলোকে তাইক বান্দীৰ দৰে ব্যৱহাৰ কৰিছিল, তাইৰ ওপৰত অকথ্য অত্যাচাৰ চলাইছিল আৰু সৰ্বশেষত নিজৰ অপৰাধৰ পৰা হাত সাৰিবলৈ তাইক মিছা গোচৰত অভিযুক্ত কৰি জেললৈ পঠিয়াইছিল, য'ত বৃষাৰ মাহী মাকে মানুহৰ হতুৱাই তাইৰ ওপৰত মানসিক, শাৰীৰিক সকলো প্ৰকাৰৰ জুলুম যাতনা কৰোৱা ফাঁচী কাঠত ওলমাইছিল।

এই সকলোবোৰ দৃশ্য বৃষাৰ চকুৰ সন্মুখত কাগজৰ দ... এখিলা পাত হৈ আহিব ধৰিলে। সেয়ে তাই এইটো লক্ষ্য... উপনীত হ'ল যে যদিহে তাইক তাইৰ ওপৰত হোৱা অক... নিৰ্যাতন, ঘটনা-পৰিঘটনাসমূহৰ প্ৰতিশোধ লাগে ; তেনেহ'লে তাই শক্তিশালী হ'ব লাগিব, নিজৰ নামমাত্ৰ পৰিয়ালৰ হাত... মুঠিৰ বান্ধোনৰ পৰা মুক্ত হ'ব লাগিব আৰু তাৰ বাবে প্ৰথমে তাই ৰত্নকান্তৰ ঘৰৰ বাহিৰ হ'ব লাগিব। কাৰণ সেই ঘৰখনত থাকি তাই নিজৰ দুৰ্ভাগ্যকহে আমন্ত্ৰণ দিয়া হ'ব।

তেনেকৈ বৃষাই লক্ষ্য বান্ধি কিছুদিনৰ বাবে ৰত্নকান্তৰ ঘৰ... দিন পাৰ কৰিব ধৰিলে।

—কেইমাহমানৰ পিছত—

আজি ৰত্নকান্তৰ ২য় আৰু ৩য় সন্তান দুটিৰ জন্মদিন। আচলতে সিহঁত যঁজা ল'ৰা-ছোৱালী। আজি ৰত্নকান্তৰ ঘৰত বহু ডাঙৰ সবাহ। ৰাজনীতিৰ সৰু-ডাঙৰ বহুতো নেতাৰ সন্মিলন আজি তাৰ ঘৰত। তেনে কাৰণত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হোৱাটো তেনেই স্বাভাৱিক আৰু এই ক্ষণৰে অপেক্ষাত আছিল বৃষা। আজি তাই নিজৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰথম পদক্ষেপ হাতত ল'ব আৰু সেইটো হ'ল ৰত্নকান্তৰ ঘৰ সদায়ৰ বাবে ত্যাগ কৰা।

ৰাতি ১২.৩০ বজা—

সকলো সদস্য ভাগৰৰ বাবে টোপনিত লালকাল। বৃষাই অতি সাৱধানেৰে নিজা জমা টকাখিনি আৰু প্ৰয়োজনীয় দুই এটা সামগ্ৰী হাতত লৈ পদূলিৰ মুখত থিয় হৈ নিজৰ থকা কোঠাটোৰ পিনে চাই এৰি অহা কাগজখনৰ কথা ভাবিলে, যিখন তাই নিজৰ শেতেলিত থৈছিল য'ত লিখা আছিল "মোৰ নতুন ৰূপৰ বাবে অপেক্ষাত থাকিবি তহঁত, যিদিনা মই আহিম সেইদিনা তহঁতে (বৃষাৰ পৰিয়ালবৰ্গ) এজনী অমায়িক ছোৱালীৰ পৰিৱৰ্তে দেখিবি এজনী খলনায়িকা যিজনী খলনায়িকা তহঁতৰ জীৱনৰ ধ্বংসৰ মুহূৰ্ত্তত থাকিব। কেৱল মোৰ উভতাৰ মুহূৰ্ত্তলৈ থাকিবি তহঁত।

পিছদিনা ৰাতিপুৱা যেতিয়া বৃষাৰ পৰিয়ালে এই কথা গম পালে তেতিয়া তেওঁলোকে জ্বলন্ত অগ্নিৰ দৰে হৈ পৰিল আৰু

তেওঁলোকে ঠাট্টাৰ ভাৱেৰে ভাবিলে, “কিনো কৰিব সেইজনী ছোৱালীয়ে, যাৰ মূল্য তেওঁলোকৰ জোতাৰ মলিৰ যোগ্যও নহয়।

—সময় উকলি ১২ বছৰ পাৰ হ'ল—

উৰাজাহাজেৰে এজনী অতি দিপ্‌লিপ্ যুৱতী নামি মানুহৰ সমাগমৰ মাজেৰে খোজ দিছে। তাইলৈ চালে মানুহে ৰ লাগি চাই থকা যেন দৃশ্য। তাই কাৰো পিনে নাচাই নিজৰ বাবে অপেক্ষাৰত গাড়ীখনৰ পিনে পোনাই গ'ল। কিছু সময় পিছত তাই নিজৰ প্ৰসাদসদৃশ আলয়ত উপস্থিত হৈ নিজৰ শোৱা কোঠালৈ চিধা-চিধি গ'লগৈ। তাৰ পিছত অলপ জিৰণি লৈ তাই নিজৰ পৰিকল্পনা কিদৰে আৰম্ভ কৰিব তাকে ভাবিলে। ক্ষন্তেক পিছতে তাইৰ মুখত এটি কুটিল হাঁহি পৰিলক্ষিত হ'ল।

ৰাতি অহাৰ সময়ত কাম কৰা বৃদ্ধা মহিলাজনীয়ে ঘৰৰ মালিকনীক খোৱাৰ বাবে এনেদৰে মাতিব ধৰিলে, “মহোদয়া খোৱাৰ যোগাৰ হ'ল। অনুগ্ৰহ কৰি পলম নকৰি খোৱা মেজলৈ আহক”।

তাকে শুনি ভিতৰৰ পৰা মাত আহিল এনেদৰে, “ৰত্না খুৰী। আপোনাক কেইবাৰ ক'ব লাগে যে মই আপোনাতকৈ বহু সৰু। সেয়ে মোক আপুনি বৃষা বুলিয়ে সম্বোধন কৰিব”।

তাকে শুনি ৰত্নাই হাঁহি মাৰি খোৱা মেজলৈ গ'ল।

—কিছু অকথ্য তথ্য—

এতিয়া বৃষা এজনী ৰহস্যৰে ভৰপূৰ ছোৱালী। তাইৰ পৰিচয় কোনেও ক'ব নোৱাৰে। মাত্ৰ দুই এজন আপোন সম্পৰ্কীয়ৰ বাবেহে তাই বৃষা। কিন্তু সমাজে তাইক বহু তথা বিভিন্ন নামেৰে জানে। কাৰণ বৃষাৰ বহু পেচা। যেনে- উকিল, পুলিচ, ডাক্তৰ, বিজ্ঞানী আৰু বহুতো।

লাহে লাহে বৃষাই দিন বাগৰাৰ পিছত চিকাৰৰ বাবে জাল গুঠিবলৈ ধৰিলে। য'ত প্ৰথম পৰিল তাইৰ মাহী মাক। বৃষাৰ মাহী মাক নিজৰ কষ্টৰ বলত এগৰাকী সুফল নায়িকা হ'ব পৰা নাছিল। বিভিন্ন দুই নম্বৰি কাম, বিভিন্ন নতুন নতুন নায়িকাৰ জীৱন ধ্বংস কৰিহে তেওঁ তেওঁৰ জীৱনত সফলতা লভিবলৈ সক্ষম হৈছিল।

এনেদৰে মাহীমাকৰ জালত পৰাৰ পিছত বৃষাই মাহীমাকক আজীৱন কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰিছিল আৰু লাহে লাহে

উৰাজাহাজেৰে এজনী অতি দিপ্‌লিপ্ যুৱতী নামি মানুহৰ সমাগমৰ মাজেৰে খোজ দিছে। তাইলৈ চালে মানুহে ৰ লাগি চাই থকা যেন দৃশ্য। তাই কাৰো পিনে নাচাই নিজৰ বাবে অপেক্ষাৰত গাড়ীখনৰ পিনে পোনাই গ'ল। কিছু সময় পিছত তাই নিজৰ প্ৰসাদ সদৃশ আলয়ত উপস্থিত হৈ নিজৰ শোৱা কোঠালৈ চিধা-চিধি গ'লগৈ। তাৰ পিছত অলপ জিৰণি লৈ তাই নিজৰ পৰিকল্পনা কিদৰে আৰম্ভ কৰিব তাকে ভাবিলে। ক্ষন্তেক পিছতে তাইৰ মুখত এটি কুটিল হাঁহি পৰিলক্ষিত হ'ল।

ৰত্নকান্তৰ দুই সন্তানকো বৃষাই তেওঁলোকৰ প্ৰাপ্য শাস্তিৰ বাতৰি প্ৰেৰণ কৰিলে।

এতিয়া একমাত্ৰ বাকী থাকিল ৰত্নকান্ত। বৃষাই ৰত্নকান্তক আটাইতকৈ কঠোৰ শাস্তি দিয়াৰ কথা ভাবিলে। সেয়ে তাই ৰত্নকান্তৰ কু-কৰ্মৰ কথা দেশৰ সকলো বাতৰিত প্ৰকাশৰ ব্যৱস্থা কৰিলে। কাৰণ বৃষা এগৰাকী বিশ্বৰ প্ৰথম আটাইতকৈ ধনাঢ্য ব্যৱসায়িনী আছিল সেয়ে তাইৰ বাবে এনে কাম একো ডাঙৰ কথা নাছিল আৰু অনতি পলমে দেশৰ আৰক্ষী বিভাগে ৰত্নকান্তক ফাঁচীৰ নিৰ্দেশ শুনালে।

এই সকলোবোৰ ঘটনা ঘটাৰ পিছত বৃষাই এখন ফুলনি বাগিচাত বহি নিজে নিজকে ক'বলৈ ধৰিলে—

এতিয়া মই মোৰ আগৰ জন্মৰ অত্যাচাৰৰ প্ৰতিশোধ ল'লো। আজি সমাজৰ কাৰণে মই এগৰাকী খলনায়িকা হ'ব পাৰো, যিয়ে নিজে নিজৰ পৰিয়ালৰ দুৰ্গতিৰ কাৰণ। কিন্তু এনে কিছু পৰিয়ালৰ বাবে সমাজ সদায় কলংকিত আৰু তেনে কলংকৰ বিনাশৰ বাবে মোৰ নিচিনা খলনায়িকাৰ জন্ম সদায় হ'ব যিয়ে প্ৰতিশোধ লৈ নিজকে ন্যায় প্ৰদান কৰে। ❖

*এদিন দুদিনকৈ সেই বিশেষ দিনটো পালেহি, যাৰ অপেক্ষা মোমায়েক মামীয়েক অতদিনে উত্ৰাৱল হৈ আছিল। তেওঁলোকৰ জীৱনলৈ নামি আহিল এজনী মৰমলগা কন্যা। তাইৰ নাম ৰাখিলে 'দেৱী', সঁচাকৈ দেৱী সদৃশ আছিল কণমানি জনী। জ্যোতিকাই মনতে ভাৱিছিল যে হয়তো কণমানি জনীৰ জন্মৰ পিছত তাই পুনৰ কলেজ যাব পাৰিব। কিন্তু ভৱা মতেই জানো সকলো হয়? লাহে লাহে জ্যোতিকাই নিজৰ অস্তিত্ব হেৰুৱাইছিল। দেৱীৰ সম্পূৰ্ণ যতনৰ দায়িত্বৰ বোজা তাই দাঙিব লগীয়া হৈছিল। লাহে লাহে তাই দেৱীক ঈৰ্শা কৰিবলৈ ল'লে। ঈৰ্শাৰ অগণিত তাই নিজকে দহন কৰি পেলাইছিল।*

# পাশৱিকতা

**সুদৰ্শনা বৰুৱা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কমাৰ গাঁৱৰ ৰাংঢালী 'জ্যোতিকা'। মাটিত গোৰোহা নেপেলাই ফৰিঙৰ দৰে চিটিকা ফুৰা জ্যোতিকাৰ জীৱনলৈ হঠাৎ নামি আহিল অমানিশা। সৰুৰে পৰা তাইৰ মাক-দেউতাক দুয়োজনৰে অভাৱ অনুভৱ কৰিবলৈ নিদিয়া তাইৰ একমাত্ৰ সাহস আইতাকো ইহ সংসাৰৰ পৰা বিদায় মাগিলে। আইতাকৰ শ্ৰাদ্ধৰ সকলো ক্ৰিয়া-কৰ্ম সুকলমে পাৰ হৈ যোৱাৰ পাছতহে সকলো চিন্তাত পৰিল জ্যোতিকাক লৈ। ৰীণা খুৰীয়েকেতো খুৰাকক কৈয়ে দিছে — "এই আপদবোৰ চপাই নল'বা দেই। মোমায়েক হঁতৰ ঘৰতেই তাইক থকাৰ ব্যৱস্থা কৰি দিয়া।" অনেক আলোচনা বিলোচনাৰ অন্তত সিদ্ধান্তত উপনীত হোৱা গ'ল যে মোমায়েকে তাইৰ দায়িত্ব বহন কৰিব।

মোমায়েক ৰজত চলিহা কৰ্মসূত্ৰে গুৱাহাটী মহানগৰীৰ বাসিন্দা। মামীয়েক জুলি যিহেতু দিনটো অকলে কটাবলগীয়া হয়, সেয়ে তেওঁ জ্যোতিকা তেওঁলোকৰ লগত থকা কথাটোত বিশেষ আপত্তি নজনালে। জ্যোতিকাক তেওঁলোকে ওচৰৰেই বিদ্যালয়খনত নামভৰ্তি কৰাই দিলে। জ্যোতিকাই পঢ়াৰ উপৰিও মামীয়েকক সকলো কামতেই সহায় কৰি দিয়ে। লাহে লাহে তাই সেই কণমানি চিৎপখিলীজনীৰ পৰা এজনী দীপ-লীপ গাভৰুত পৰিণত হ'ল। হঠাৎ এটি ভাল খবৰে ঘৰখন উৎসৱমুখৰ কৰি তুলিলে। জুলি অৰ্থাৎ জ্যোতিকাৰ মামীয়েক 'মা' হ'বলৈ ওলোৱা কথাটোৱে ঘৰখনৰ পৰিৱেশেই সলনি কৰি দিলে। সঁচাই মা হোৱাৰ গৌৰৱতকৈ এজনী নাৰীৰ সুখ আন কি হ'ব পাৰে? এই খবৰটোৱে যিদৰে ৰজত আৰু জুলিৰ জীৱনলৈ আনন্দৰ বৈনা বোৱাইছিল, আনহাতে, জ্যোতিকাৰ জীৱনলৈ লৈ আনিছিল বিসন্নতাৰ ক'লা ডাঁৱৰ। সেইদিনা প্ৰথমবাৰলৈ তাইক মোমায়েকে কঠোৰ কণ্ঠেৰে কৈছিল - "তই আৰু আজিৰ পৰা কলেজ যাব নালাগে, মামীয়েৰে এতিয়া আৰু কাম কৰিব নোৱাৰে। গতিকে তই ঘৰখন চম্ভালিব লাগিব। বুজিছ নহয়?" পাৰ ভাঙি নামি আহিছে তপত লোতক। কেনেকৈ মানুহ ইমান সোনকালে সলনি হ'ব পাৰে। তাই মনতে ভাবিলে - "তাৰ মানে মই এতিয়া ইহঁতৰ ঘৰৰ চাকৰণি হৈ যাম!" উফ্ নোৱাৰে আৰু তাই ভাবিবলৈ। নিজৰ সকলো সপোন জলাঞ্জলি দি গেবাৰী খাটিৰ লাগিব এতিয়া।

এদিন দুদিনকৈ সেই বিশেষ দিনটো পালেহি, যাৰ অপেক্ষা মোমায়েক মামীয়েক অতদিনে উত্ৰাৱল হৈ আছিল। তেওঁলোকৰ জীৱনলৈ নামি আহিল এজনী মৰমলগা কন্যা। তাইৰ নাম ৰাখিলে 'দেৱী', সঁচাকৈ দেৱী সদৃশ আছিল কণমানি জনী। জ্যোতিকাই মনতে ভাবিছিল যে হয়তো কণমানিজনীৰ জন্মৰ পিছত তাই পুনৰ কলেজ যাব পাৰিব। কিন্তু ভবা মতেই জানো সকলো হয়? লাহে লাহে জ্যোতিকাই নিজৰ অস্তিত্ব হেৰুৱাইছিল। দেৱীৰ সম্পূৰ্ণ যতনৰ দায়িত্বৰ বোজা তাই দাঙিবলগীয়া হৈছিল। লাহে লাহে তাই দেৱীক ঈৰ্শা কৰিবলৈ ল'লে। ঈৰ্শাৰ অগণিত তাই নিজকে দহন কৰি পেলাইছিল।

আগতেই সাজু কৰি থোৱা তাইৰ কাপোৰৰ টোপোলাটো আৰু ৰাতিপুৱা মোমায়েকৰ টেবুলৰ পৰা চুৰি কৰা টকাখিনি লৈ সেইখন ঘৰ এৰি দৌৰ দিলে এক অচিন পথত। হয়তো তাই এবাৰো নাভাবিলে তাই কি কৰিলে।

প্ৰতিশোধ বা আবেগত লোৱা সিদ্ধান্তই কেতিয়াবা নজনাকৈয়ে দেৱীৰ দৰে বহু অজান নিৰ্দোষীক শাস্তি দিয়ে। প্ৰতিশোধ লোৱাৰ লালসাত নিজকে হিংসুক পশুলৈ ৰূপান্তৰিত কৰাতকৈ সময় থাকোঁতেই অন্যায়ৰ বিৰুদ্ধে মাত মতা উচিত। ❖

গ্ৰন্থ সমালোচনা শিতান

## গল্পকাৰ নমিতা তালুকদাৰৰ

# ‘মেঘে ঢকা প্ৰভাতী বেলিৰ বাট’

**লিখিতা ডেকা**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

‘মেঘে ঢকা প্ৰভাতী বেলিৰ বাট’ এই গল্পটোৱে সকলোকে ভবাই তুলিব পাৰে। আমি সকলোৱে দৈনন্দিন নানা ধৰণৰ কৰ্মস্থলিত শিশু শ্ৰমিক দেখিবলৈ পাওঁ। যিখন সমাজত আমি আজিৰ শিশুক কালি দেশৰ ভবিষ্যৎ বুলি কওঁ সেই একেখন সমাজতে শিশুসকলে এসাজ ভাতৰ বাবে হাড়ভঙা পৰিশ্ৰম কৰিব লগা হয়। পখিলা খেদা বয়সত কাগজৰ ঘৰ অঁকাৰ বয়সত সিহঁতে এখন ঘৰৰ দায়িত্ব নিজৰ কান্ধত ল'ব লগা হয়। আমি যি সকলে আজিৰ শিশু কালি দেশৰ ভবিষ্যত বুলি কৈ থাকোঁ, আমি সেই শিশুসকলক এক সুৰক্ষিত ভবিষ্যত দিব পাৰিছোনে? নে সুযোগ-সুবিধা এইবোৰ এক পক্ষীয়? ‘মেঘে ঢকা প্ৰভাতী বেলিৰ বাট’ এই গল্পটিৰ জৰিয়তে লেখিকাই এই কথাখিনিকে দেখুৱাব খুজিছে। খুবেই সাধাৰণ লিখনশৈলীৰে লেখিকাই আমাৰ সমাজৰ কৰ্কশ চিত্ৰখন অংকন কৰিছে।

২০২৩ বৰ্ষৰ ছেপ্টেম্বৰ সংখ্যাৰ ‘গৰীয়সী’ আলোচনীৰ সামাজিক মাধ্যম ঃ নতুন কণ্ঠ শিতানৰ ‘মেঘে ঢকা প্ৰভাতী বেলিৰ বাট’ (পৃষ্ঠা ৮১-৮২) শিৰোনামেৰে এটি চুটি গল্প প্ৰকাশ পাইছিল। গল্পকাৰ নমিতা তালুকদাৰ। লেখিকাই গল্পটিত খুব কম শব্দৰ ভিতৰত শৈশৱৰ এখন সুৰক্ষিত আৰু এখন অসুৰক্ষিত মৰ্মান্তিক চিত্ৰ অঁকাৰ চেষ্টা কৰিছে।

গল্পৰ পটভূমি এখন বিদ্যালয়, য'ত শিশু দিৱস উদযাপিত হৈ আছে। গল্পৰ প্ৰধান চৰিত্ৰ এজন শিক্ষক। তেখেতে নিজে প্ৰথম পুৰুষত গল্পটিৰ ঘটনাখিনি বৰ্ণনা কৰিছে। তেখেতে যিমান পাৰে সৰলকৈ তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলক শিশু দিৱসৰ তাৎপৰ্য্য বুজাবলৈ এটি বক্তৃতা প্ৰদান কৰিছিল। বুজা-নুবুজাৰ মাজেৰে শিক্ষকজনৰ বক্তৃতাক ছাত্ৰ-ছাত্ৰীসকলে মন দি শুনা বাবে শিক্ষকজনৰ ভাল লাগিছিল। সভাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হোৱা এখন সৰু কাজিয়াৰ মিটমাট কৰি তেওঁ ভাবিছিল যে এই সৰলতাখিনি ডাঙৰৰ কিয় নাথাকে। ইয়াৰ পিছত ঘৰৰ বজাৰ কৰি বাছৰ বাবে বৈ থাকোঁতে তেওঁ এজন ল'ৰা দেখে, চাইকেলযুক্ত ঠেলাগাড়ী এখন চলাই আহিছে। ঠেলাখনত কেইটামান প্লাষ্টিকৰ বটল আৰু টিনৰ টুকুৰা আছিল। নৱেম্বৰ মাহৰ আবেলি সময়তো তাৰ পিন্ধনত এটি মলিয়ন গেঞ্জী আৰু এটা মলিয়ন হাফপেণ্ট আছিল। কিন্তু দেখাত এনে লাগিছিল যেন সি গেঞ্জী আৰু

হাফপেণ্ট দুটা কেৱল লজ্জা নিবাৰণৰ বাবেহে পিন্ধিছে। তেওঁ তাৰ লগত কথা পাতি গম পালে যে তাৰ নাম আবুল হুচেইন। স্কুলৰ কথা সোধাত সি কৈছিল যে সি স্কুললৈ যায় আৰু দ্বিতীয় শ্ৰেণীত পঢ়ে। কিন্তু শিক্ষকজনৰ তাৰ কথাত বিশ্বাস হোৱা নাছিল। তাৰ পিতৃৰ বিষয়ে সোধাত তাৰ পিতৃ ঢুকোৱা বুলি কৈছিল আৰু দুটমান কথা সোধাৰ পিছত আবুল হুছেইন গৈছিল। কিন্তু তাৰ নিস্পৃহ উত্তৰবোৰে আৰু মুখত দেখা পোৱা ৰেখাবোৰে শিক্ষকজনক তাৰ ভৱিষ্যৎ সম্পৰ্কে শংকিত কৰিছিল আৰু তেওঁৰ যেন নিজৰ পুত্ৰৰ আকাৰত কিনা পনীৰ আৰু পেষ্ট্ৰীৰ টোপোলাটো গধুৰ যেন লাগিছিল।

'মেঘে ঢকা প্ৰভাতী বেলিৰ বাট' এই গল্পটোৱে সকলোকে ভবাই তুলিব পাৰে। আমি সকলোৱে দৈনন্দিন নানা ধৰণৰ কৰ্মস্থলিত শিশু শ্ৰমিক দেখিবলৈ পাওঁ। যিখন সমাজত আমি আজিৰ শিশুক কালি দেশৰ ভৱিষ্যৎ বুলি কওঁ সেই একেখন সমাজতে শিশুসকলে এসাজ ভাতৰ বাবে হাড়ভঙা পৰিশ্ৰম কৰিব লগা হয়। পখিলা খেদা বয়সত কাগজৰ ঘৰ আঁকাৰ বয়সত সিহঁতে এখন ঘৰৰ দায়িত্ব নিজৰ কান্ধত ল'ব লগা হয়। আমি যি সকলে আজিৰ শিশু কালি দেশৰ ভৱিষ্যত বুলি কৈ থাকোঁ, আমি সেই শিশুসকলক এক সুৰক্ষিত ভৱিষ্যত দিব পাৰিছোনে? নে সুযোগ-সুবিধা এইবোৰ এক পক্ষীয়? 'মেঘে ঢকা প্ৰভাতী বেলিৰ বাট' এই গল্পটিৰ জৰিয়তে লেখিকাই এই কথাখিনিকে দেখুৱাব খুজিছে। খুবেই সাধাৰণ লিখনশৈলীৰে লেখিকাই আমাৰ সমাজৰ কৰ্কশ চিত্ৰখন অংকন কৰিছে। আবুল হুছেইন যেন আমাৰ সমাজৰ সেই শ্ৰমিক শিশুসকলক প্ৰতিনিধিত্ব কৰা প্ৰতীকি চৰিত্ৰ। লেখিকাই গল্পটিত সমাজৰ দুখন চিত্ৰ অংকন কৰিছে। এখনত সু জীৱনৰ সকলো নেতিবাচকতা আৰু জটিলতাৰ পৰা আঁতৰত শিশুসকলে শৈশৱৰ ৰংবোৰ উপভোগ কৰি আছে আৰু আনখনত এজন শিশুৱে নিজৰ আৰু মাকৰ পেট প্ৰৱৰ্ত্ততাবলৈ ভঙা-চিঙা বুটলা কামত সোমাইছে। লেখিকাই গল্পটিৰ নামাকৰণতেই যেন গল্পটিৰ বিষয়বস্তুৰ পূৰ্বাভাস দিছে। 'মেঘে ঢকা প্ৰভাতী বেলিৰ বাট' ইয়াত প্ৰভাতী বেলিৰ দ্বাৰা শিশুসকলক বুজোৱা হৈছে আৰু মেঘক শিশুসকলে জীৱনত আগবাঢ়ি যোৱাত সৃষ্টি হোৱা সমস্যাসমূহৰ লগত তুলনা কৰিছে। যেনেকৈ কেতিয়াবা মেঘে সূৰ্য্যটো ঢাকি ৰ'দ অহাৰ পৰা বাধা প্ৰদান কৰে ঠিক তেনেদৰে আমাৰ আশে-পাশে আমি প্ৰায়ে দেখা পোৱা বহুতো শিশুৰ মাজত বিভিন্ন প্ৰতিভা থাকিব পাৰে। কিন্তু পৰিস্থিতিয়ে সিহতক একোজন শ্ৰমিক কৰি তোলে। সিহঁতৰ প্ৰতিভাৰ সুৰুযটোক পৰিস্থিতিৰূপী ডাৱৰবোৰে আৱৰি ধৰে।

নমিতা তালুকদাৰৰ গল্প 'মেঘে ঢকা প্ৰভাতী বেলিৰ বাট'ত পঢ়ুৱৈৰ মনত এক প্ৰশ্নৰ সৃষ্টি কৰিব শিশু শ্ৰমিকসকলৰ ভৱিষ্যৎ কি? সিহঁতৰ প্ৰতি আমাৰ দায়িত্ব কি? লেখিকাৰ অতি সুন্দৰ শব্দচয়নে গল্পটি পঢ়াৰ এক সুকীয়া মাদকতাৰ সৃষ্টি কৰিছে। ❖

# গল্পকাৰ দেৱজিৎ কলিতাৰ
# 'হাৰুকি মুৰাকামিয়ে পোহা খেতৰটো'

**মমী বৈশ্য**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

*২০২৩ বৰ্ষৰ ছেপ্তেম্বৰ সংখ্যাৰ 'গৰিয়সী' আলোচনীত প্ৰকাশিত মই অধ্যয়ন কৰা গল্পটি হৈছে — 'দেৱজিৎ কলিতা'ৰ দ্বাৰা ৰচিত "হাৰুকি মুৰাকামিয়ে পোহা খেতৰটো"। উক্ত গল্পটিয়ে 'চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প পুৰস্কাৰ - ২০২৩' প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে।*

গল্পটিৰ আৰম্ভণিতে কথকে এজন মানুহৰ কথা বৰ্ণনা কৰিছে, যিজন মানুহে হেনো কেতিয়াও আইনাত মুখ নাচায়। তেখেতে আইনাৰ লগত ৰাহি যোৱা নিমিলা বুলি আৰু ভগৱানে তেওঁৰ বাবে আইনাৰ সৃষ্টি কৰা নাই বুলি ভাৱে। তেওঁ মল্লযুঁজাৰু, ঘৰৰ ওচৰৰ মুখ চোকা তিৰোতা আদিৰ বাবেহে আইনাৰ সৃষ্টি কৰিছে। আচলতে তেওঁ ভাবে তেওঁৰ যিমান উপাৰ্জন, সিমানখিনি উপাৰ্জন কৰা মানুহক আইনাৰ প্ৰয়োজন নাই।

ইয়াৰ পিছতে কথকজনে মানুহজনৰ শৈশৱৰ কিছু কথাও গল্পটিত উল্লেখ কৰিছে। মানুহজনে শৈশৱত তেওঁৰ দেউতাকৰ ডাঢ়ি খুৰোৱা দৃশ্যটো চাবলৈ খুব ভাল পাইছিল কাৰণ দেউতাকৰ ডাঢ়ি খুৰোৱা যোগাৰবোৰ অদ্ভুত আছিল, মানুহজনৰ দেউতাকৰ ডাঢ়ি খুৰোৱা যোগাৰবোৰৰ প্ৰতি এক দুৰ্বলতা আছিল। দেউতাকক ডাঢ়ি খুৰাই থকা চাই থকাৰ সময়ত মানুহজনে ভবিছিল যে দেউতাকৰ বয়সত তেওঁৰো এনেদৰে ডাঢ়ি কটা নিৰ্দিষ্ট দিন থাকিব, তেওঁৰ ল'ৰাটোৰেও তেখেতে দেউতাকক চোৱাৰ দৰে চাই থাকিব, দেউতাকৰ দৰে তেৰোঁ পালনামত যাব, পালনামৰ পৰা নিজৰ ল'ৰা-ছোৱালীকেইটাৰ বাবে লুচি আৰু নাৰিকলৰ লাড়ু আনিব। এনেধৰণৰ বহুতো কথা তেখেতে দেউতাকক চাই ভবিছিল বুলি গল্পটোত উল্লেখ কৰিছে।

মানুহজন কিছু ডাঙৰ হৈ অহাৰ লগে লগে কিছুমান বদঅভ্যাসত সোমাই পৰাৰ কথাও গল্পটিত উল্লেখ আছে। প্ৰথমে বয়সত ডাঙৰ এজন মানুহৰ লগত চাধা খাইছিল আৰু এবাৰ মাকৰ টাইফয়ড হোৱাত ঘৰৰ বিভিন্ন বস্তু বেচিবলগীয়া হৈছিল। এই কথাবোৰ সহ্য কৰিব নোৱাৰি মানুহজনে এদিন চুলাই এসোপা খাই গাঁৱৰ কেন্দুজোপাৰ তলত বমি কৰাত হৰেণ খুৰাকে 'বাপেৰেতো অকৰ্মণ্যই আৰু তয়ো মদাহী হ'লি'- এইবুলি কৈ কটাক্ষ কৰি গুচি গৈছিল। তেতিয়াই মানুহজনৰ হুঁচ আহিছিল আৰু ভাবিছিল সঁচাইতো দেউতাক অকৰ্মণ্যই নহ'লেনো কাম কৰি খাব পৰা বয়সত পালনাম গাই ঘুৰি ফুৰেনে। সেইদিনাৰ পৰা মানুহজনে দেউতাকক খুবেই বেয়া পোৱা হ'ল, দেউতাকৰ ছাঁটোকে সহ্য কৰিব নোৱাৰা হ'ল। তাৰ পিছত কিছু অগা-পিছাকৈ দেউতাক আৰু মাক দুয়োজন ঢুকায়, ভনীয়েক দুজনীও পলাই গৈ বিয়া হোৱাৰ পাছত খালী ঘৰখন এৰি মহানগৰীলৈ গুচি যায়। মহানগৰীলৈ গৈ প্ৰথমে মানুহজনে দিন হাজিৰা কৰিছিল, পিছলৈ দিন হাজিৰা কৰি চলিব নোৱাৰা হৈছিল। হঠাৎ তেওঁ এদিন এজন মানুহক লগ পাইছিল, যিজনে তেওঁক কম কষ্টৰ কাম দিম বুলি কৈ লৈ গৈ এটা চোৰৰ গেঙত সোমাই দিয়ে তাৰ পাছত তেওঁৰ জীৱনটি খুবেই দুখময় হৈ পৰে। লপা-থপা, পুলিচ, লক-আপ, জেল, হাস্পতাল, মিডিয়া আদি বিভিন্ন

সমস্যাৰ সন্মুখীন হয়। গাঁৱৰ সেই সৰল মানুহজন মহানগৰীলৈ আহি চোৰ হৈ পৰে। মানুহজনে ঘৰত দেউতাক আৰু ভনীয়েকহঁতে ব্যৱহাৰ কৰা আইনাখন ভঙাৰ পিছৰ পৰা জীৱনৰ এই সুদীৰ্ঘ কালছোৱা আইনাৰ মুখামুখি হোৱা নাছিল।

হঠাতে এটা খবৰ চাৰিওফালে বিয়পি পৰিছিল। খবৰটো হ'ল বিশ বছৰৰো অধিক সময় আইনাত মুখ নোচোৱা মানুহক জাপানৰ পৰা অহা খেতৰে (যাক জাপানী সকলে আকুমা বোলে) লম্ভিব। মানুহজনে খবৰটি শুনাৰ লগে লগে নিজৰ মুখখন আইনাত চাবৰ বাবে এখন আইনা কিনিবলৈ দোকানলৈ যায়। দোকানীজনে আইনাখন তেওঁৰ হাতত দিয়াৰ লগে লগে তেওঁ নিজৰ মুখখন আইনাত চাই হতভম্ব হৈ পৰে। তেওঁ নিজৰ মুখখন আইনাত দেখি ডিচেম্বৰ মাহৰ ঠাণ্ডাতো ঘামিবলৈ ধৰে আৰু ভবিবলৈ ধৰে যে - তেওঁ এনেকুৱা এখন মুখা লৈ গাঁৱৰ পৰা ইয়ালৈ অহা নাছিল। না ! না ! এইখন তাৰ মুখ নহয় জাপানী খেতৰে লম্ভিছে তাক। মুখখন দেখি তেওঁৰ কঁপনি উঠি যায় আৰু কঁপি কঁপি দোকানৰ মজিয়াতে বহি পৰে আৰু আইনাখন দূৰলৈ দলিয়াই দিয়ে। দলিয়াই দিয়া আইনাখনৰ টুকুৰাবোৰ দোকানৰ ল'ৰাজনে বুটলিবলৈ গৈ চিৎকাৰ কৰি তেওঁৰ কাষৰ পৰা বাহিৰলৈ দৌৰি গৈ চিঞৰিবলৈ ধৰে — আকুমা আকুমা .......

এনেধৰণে গল্পটিৰ সামৰণি ঘটে।

গল্পটিৰ জৰিয়তে এজন মানুহৰ শৈশৱৰ বৰ্ণনা পোৱাৰ লগতে ডাঙৰ হৈ মহানগৰীলৈ আহি কেনেদৰে চোৰৰ গেঙত সোমাই পৰিল সেই সম্পৰ্কে বৰ্ণনা আছে। মানুহে সদায় আনে কিবা ক্ষতি কৰিব বুলি ভাবে কিন্তু কেতিয়াবা মানুহে জীৱনৰ পাকচক্ৰত পৰি অজানিতে নিজেই নিজৰ ক্ষতি কৰে সেই সম্পৰ্কে কেতিয়াও চিন্তা নকৰে। একেদৰে গল্পটিত উল্লেখ কৰা মানুহজনেও ২০ বছৰৰ বেছি আইনা নোচোৱা মানুহৰ গাত জাপানী খেতৰ লম্ভিব বুলি শুনাত ভয় খাই তেওঁ ততাতৈয়াকৈ আইনা কিনিবলৈ যায় আৰু আইনাত ইমান বছৰ পিছত নিজৰ মুখখন দেখি অৱশেষত উপলব্ধি কৰে গাঁৱৰ পৰা লৈ অহা সেই সৰল মুখখনত জাপানী খেতৰ লম্ভিছে, জীৱনৰ পাকচক্ৰত পৰি তেওঁ নিজেই এজন খেতৰ হৈ পৰিছে। ❖

# গল্পকাৰ খনিন্দ্ৰ ভূষণ মহন্তৰ 'ৰূপালী মকৰাৰ বাট'

**সুজাতা চক্ৰৱৰ্তী**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

*২০২৩ বৰ্ষৰ ছেপ্তেম্বৰ সংখ্যাৰ 'গৰিয়সী' আলোচনীত প্ৰকাশিত মই অধ্যয়ন কৰা এটি গল্প হৈছে — খনিন্দ্ৰ ভূষণ মহন্তৰ দ্বাৰা ৰচিত 'ৰূপালী মকৰাৰ বাট'। এই গল্পটি 'গৰিয়সী - চন্দ্ৰপ্ৰসাদ শইকীয়া চুটিগল্প পুৰস্কাৰ ২০২৩' প্ৰতিযোগিতাত তৃতীয় স্থানপ্ৰাপ্ত গল্প।*

উক্ত গল্পটিত গল্পকাৰ খনিন্দ্ৰ ভূষণ মহন্তই উপস্থাপন কৰা মুখ্য চৰিত্ৰটিয়ে তেওঁৰ কলেজীয়া জীৱনৰ এক বিশেষ বন্ধু নিমী নামৰ চৰিত্ৰটিক বহু বছৰ পিছত লগ কৰিব যোৱাৰ কথা বৰ্ণনা কৰিছে। নিমীক লগ কৰিবলৈ যোৱাৰ সময়ত তেওঁ ভ্ৰমণ কৰা গাড়ীখনৰ পৰা আৰম্ভ কৰি সম্পূৰ্ণ বাটটোৰ বিৱৰণ তেওঁ দি গৈছে। গল্পটিৰ প্ৰথম দফাত তেওঁ ভ্ৰমণ কৰি থকা গাড়ীখনৰ কথা কৈছে আৰু বিগত দুটা মাহত থকা তেওঁৰ ব্যস্ততাই তেওঁক জুৰুলা কৰি পেলোৱাৰ কথা উল্লেখ কৰিছে। এই জুৰুলা কৰাৰ কথা তেওঁ এনেদৰে ব্যঙ্গ কৰি কৈছে যে অতিৰিক্ত কামৰ প্ৰতি লিপ্ততাই তেওঁৰ ৩২ ককঁালৰ পেণ্টকেইটা এতিয়া বেল্ট লগাই ৰাখিবলৈও অসুবিধা হৈ পৰিছে । কথকে ভ্ৰমণ কৰা বাটটোৰ কথা বৰ্ণনা কৰোঁতে কৈছে যে এই বাটটো তেওঁৰ অতিকৈ চিনাকি কাৰণ তেওঁ মাহেকে-পষেকে এইটো বাটেৰেই অহা-যোৱা কৰি থাকে। এইটো বাটেই তেওঁৰ জীৱনৰ বহুতো অলিখিত, কোনেও নজনা বুৰঞ্জী এটা সামৰি আছে, গল্পটিৰ পিছৰ দফাত কথকে তেওঁৰ কলেজীয়া জীৱনৰ কিছু মনোৰম কাহিনী ব্যাখ্যা কৰিছে। তেওঁৰ বন্ধুমহলত নিমীৰ লগত জোন-বেলি আদি বিষয়বস্তুক লৈ হোৱা সৰু সৰু তৰ্কযুদ্ধৰ কথাকে উল্লেখ কৰিছে। নিমীয়ে অতি সহজভাৱে কোৱা ৰহস্য সন্মিলিত কথাবোৰ তেওঁ বুজি উঠিব নোৱাৰাৰ কথাও প্ৰকাশ কৰিছে। তেওঁ কৈছে যে নিমীয়ে জীৱনৰ জটিল ৰহস্যক খুব সহজেই বুজি উঠিব পাৰিছিল যিবোৰ কথা তেওঁৰ দৰে সাধাৰণ মানুহে শত কৰ্মব্যস্ততাৰ মাজত কেতিয়াও বুজি উঠিব নোৱাৰে বা বুজিবলৈ চেষ্টা নকৰে। এনেদৰে খুব আনন্দ-স্ফুৰ্তিৰ মাজেৰে দিনবোৰ অতিবাহিত কৰি থাকোঁতে এদিনাখন 'লগ পাই থাকিম' বুলি প্ৰতিশ্ৰুতি দি দুয়ো সময়ৰ বুকুত জীৱনৰ নিষ্ঠুৰ হেচাঁত ক'ৰবাত যেন বিলীন হৈ গ'ল। স্নাতক ডিগ্ৰী লোৱাৰ পাছত স্নাতকোত্তৰৰ বাবে কথক যেতিয়া দিল্লীলৈ গুচি গ'ল তেতিয়াৰ পৰাই দুয়োৰে আহ-যাহ কমি গৈছিল। গৱেষণাৰ কামত ব্যস্ত থাকি কথকে কাৰো খবৰ ল'বলৈকে সময় পোৱা নাছিল। পিছে যেতিয়া তেওঁ পুনৰ অসমলৈ ঘূৰি আহিল তেতিয়া পুৰণি বন্ধুমহলৰ লগত আকৌ যোগাযোগ কৰিবলৈ ল'লে। কিন্তু আচৰিত কথা যে তেওঁ নিমী বিষয়ক কোনো খবৰ কাৰো পৰা পোৱা নাছিল। ফোন নম্বৰতো দূৰৰ কথা তাই ক'ত থাকে, কি কৰে কোনো ধৰণৰ খবৰ পাবলৈকে তেওঁ ব্যৰ্থ হৈছিল। পিছলৈ এদিন হঠাতে তেওঁৰ পুৰণি চিনাকি এজনে নিমীৰ ঠিকনাটো দিলে। কথকৰ মনটো সেই মুহূৰ্ততে লগে লগে নিজৰা পাৰ্কৰ গাতে লাগি থকা নিমীৰ ঘৰখনলৈ উৰা মাৰিলে। সেই দিনাখনে তেওঁ ঠিক কৰিলে যে এইবাৰ বন্ধ পালে নিমীৰ ঘৰলৈ যাব আৰু তেওঁ ঠিক ভবামতেই কাম কৰিলে। বন্ধ পাই তালৈকে যাবলৈ ৰাওনা হ'ল। নিমী বাৰু এতিয়া কেনে আছে, আগৰদৰেই আছে নে তাইৰ চঞ্চলামিবোৰ অলপ কমিছে? আদি বিভিন্ন ধৰণৰ প্ৰশ্ন তেওঁৰ মনত উদয় হ'বলৈ ধৰিলে। লগতে কথকে তাইৰ চুলিৰ কথা এনেদৰে শংকিত হৈ ভাবিলে যে — মাকৰ

গালি শুনাৰ ভয়ত দীঘলকৈ চুলি ৰখা ছোৱালীজনীয়ে এতিয়া চুলিখিনি বব কাট কৰি ল'লে নেকি? ইত্যাদি। গল্পটিৰ এইটো স্তৰত নিমী দৰাচলতে এজনী ছোৱালী বুলি গম পাওঁ। এনেদৰে কথকে তেওঁৰ মনত উদয় হোৱা বিভিন্ন প্ৰশ্ন আৰু তাৰ উত্তৰ নিজেই বিচাৰি কল্পনা কৰি কৰি নিমীৰ ঘৰৰ যিমানেই ওচৰ চাপিছে সিমানেই এক অনামী শংকাত ব্যতিব্যস্ত হৈছে ।

এনেদৰে যেতিয়া তেওঁ অৱশেষত নিমীহঁতৰ ঘৰ পালে আৰু অনন্ত শংকাৰে দুৱাৰত টুকুৰিয়ালে তেতিয়া দুৱাৰখন নিমীৰ মাকে খুলিলে। নিমীৰ মাকে তেওঁক ভিতৰলৈ আহি বহিবলৈ ক'লে আৰু তেখেতৰ লগত কথা পাতিবলৈ ল'লে। কিন্তু কথকৰ মনত নিমীক লগ পোৱাৰ উদ্বিগ্নতা সিমানেই বাঢ়ি যাবলৈ ধৰিলে। তেওঁ ঘৰখনৰ চাৰিওফালে নিজৰ দৃষ্টি ঘুৰালে আৰু ক'তো নিমীক বিচাৰি নাপাই নিমীৰ মাকক প্ৰশ্ন কৰিলে নিমী ক'ত আছে? তেতিয়া নিমীৰ মাকে গধুৰ মন এটা লৈ চলচলীয়া চকুৰে কথকৰ আগত ব্যক্ত কৰিলে যে - দেউতাক নোহোৱা ছোৱালীজনীক তেওঁ বহুত আলফুলেৰে ডাঙৰ-দীঘল কৰিছিল। পঢ়া সামৰাৰ পিছত হেনো তাই স্বেচ্ছাসেৱী অনুষ্ঠান এটাৰ লগত জড়িত হৈছিল। তাৰ পিছৰ পৰাই কথা কৈ ভালপোৱা ছোৱালীজনী নিশ্চুপ হৈ পৰিছিল। সকলোৰে পৰা আঁতৰি-আঁতৰি ফুৰিছিল। কিয় তাই তেনেকুৱা আচৰণ কৰিছে তাৰ উত্তৰ বিচাৰি নাপাওঁতেই তাই এদিন হেৰাই গৈছিল। অৱশেষত তাই লিখা ডায়েৰিখন মাকে কথকৰ হাতত দি পঠিয়াইছিল আৰু কথকে কিয় ডায়েৰিখন তেওঁকহে দিলে বুলি ভবাতকৈ এইটো ভাবিলে যে তেওঁ এই ডায়েৰিখন পঢ়াৰ শেষত কি পৰ্যায়ত উপনীত হ'ব। এনেদৰে এক ৰহস্যৰ মাজেৰে গল্পকাৰে কাহিনীভাগ শেষ কৰা দেখা যায়।

গল্পটিত গল্পকাৰে প্ৰকৃতিৰ উপাদানসমূহৰ খুব আকৰ্ষণীয় আৰু গভীৰ বিশ্লেষণ আগবঢ়োৱা দেখা যায়। প্ৰকৃতিৰ ৰহস্যাত্মক দিশটোক ইয়াত সুন্দৰকৈ পৰিস্ফুটিত কৰিছে। গল্পটিৰ ভাষা সহজ সৰল। গল্পটিত প্ৰকৃতি সম্পৰ্কীয় ব্যাখ্যা, উপমা অলংকাৰৰো প্ৰয়োগ হোৱা দেখা যায়।

গল্পটি এটি সামাজিক স্তৰৰ গল্প। সমাজৰ কিমান এনেকুৱা বিভাগ বা সংগঠন আছে, য'ত অপ্ৰিয় সত্য কিছুমান গোপন হৈ থাকে। তেওঁলোকে সমাজৰ নৱপ্ৰজন্মসমূহক ইয়াত যোগদান কৰাই এক অজান বিপত্তি ঘটায়। ইয়াৰ ফলত দেশৰ নৱপ্ৰজন্মক আমি হেৰুৱাই পেলাওঁ। ২০২৩ বৰ্ষত ছেপ্তেম্বৰ মাহৰ 'গৰীয়সী'ত প্ৰকাশিত এই গল্পটি খনিন্দ্ৰ ভূষণ মহন্তৰ এক অসাধাৰণ চুটিগল্প। গল্পটি মোৰ পঢ়ি খুবেই ভাল লাগিল যিহেতু মই আগতে এনেধৰণৰ চুটিগল্প পঢ়া নাছিলোঁ। গল্পটোৰ বিষয়বস্তুৱেও মোক খুব আকৰ্ষিত কৰিছে। গল্পটিৰ নামকৰণ মোৰ বিশেষ বোধগম্য হোৱা নাই কাৰণ গল্পটিত নামকৰণৰ লগত সম্বন্ধিত কোনো ব্যাখ্যাই উল্লিখিত নাই। যিহেতু গল্পটি চুটিগল্প সেয়েহে লেখকে সদায়ে অন্ত নাটকীয় ধৰণে কৰি পাঠকক নিজাকে ভাবিবলৈ এৰি দিয়ে। সম্ভৱতঃ তাত নিমীৰ জীৱন বাটৰে কথা নিহিত আছে।

দৰাচলতে আমাৰ জীৱনত কিছুমান ঘটনা ঘটে যিবোৰৰ ফলত আমি কেতিয়াবা নহ'লে কেতিয়াবা মানসিক অন্তৰ্দ্বন্দ্বতাত ভুগিব লগা হয়। নিমীৰ জীৱনতো সেই স্বেচ্ছাসেৱী সংগঠনটোত যোগ দিয়াৰ পিছৰে পৰা মানসিক সংঘাত ঘটিছিল। কিন্তু আমি সদায় নিজৰ মনৰ যন্ত্ৰণাত দগ্ধ হৈ থকাতকৈ কিছুমান কথা হয়তো আমাৰ হিত চিন্তা কৰি আৱৰি থকা মানুহক আমি সময়মতে কৈ দিয়া উচিত। গল্পটিত যদি নিমীয়ে তাই ভুগি থকা মানসিক অশান্তিৰ কাৰণবোৰ এবাৰৰ বাবেও তাইৰ আপোনজনক ক'ব বিচাৰিলেহেতেঁন তাইৰ এনেকুৱা পৰিণতি নহ'লহেঁতেন। ❖

গল্পটিৰ প্ৰথম দফাত তেওঁ ভ্ৰমণ কৰি থকা গাড়ীখনৰ কথা কৈছে আৰু বিগত দুটা মাহত থকা তেওঁৰ ব্যস্ততাই তেওঁক জুৰুলা কৰি পেলোৱাৰ কথা উল্লেখ কৰিছে। এই জুৰুলা কৰাৰ কথা তেওঁ এনেদৰে ব্যঙ্গ কৰি কৈছে যে অতিৰিক্ত কামৰ প্ৰতি লিপ্ততাই তেওঁৰ ৩২ ককাঁলৰ পেন্টকেইটা এতিয়া বেল্ট লগাই ৰাখিবলৈও অসুবিধা হৈ পৰিছে । কথকে ভ্ৰমণ কৰা বাটটোৰ কথা বৰ্ণনা কৰোঁতে কৈছে যে এই বাটটো তেওঁৰ অতিকৈ চিনাকি কাৰণ তেওঁ মাহেকে-পষেকে এইটো বাটেৰেই অহা-যোৱা কৰি থাকে। এইটো বাটেই তেওঁৰ জীৱনৰ বহুতো অলিখিত, কোনেও নজনা বুৰঞ্জী এটা সামৰি আছে, গল্পটিৰ পিছৰ দফাত কথকে তেওঁৰ কলেজীয়া জীৱনৰ কিছু মনোৰম কাহিনী ব্যাখ্যা কৰিছে। তেওঁৰ বন্ধুমহলত নিমীৰ লগত জোন-বেলি আদি বিষয়বস্তুক লৈ হোৱা সৰু সৰু তৰ্কযুদ্ধৰ কথাকে উল্লেখ কৰিছে।

অনুভৱৰ একাষাৰ

# আৰ্য্য বিদ্যাপীঠ ঃ এটি অনুভৱ

**বৰ্ণিকা ঘোষ**
স্নাতক পঞ্চম ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

প্ৰাণৰ আৰ্য্য, হেপাঁহৰ আৰ্য্য, ভালপোৱাৰ আৰ্য্য!
আৰ্য্য আমাৰ, আমি আৰ্য্যৰ!

সপোনে পাখি মেলা আকাশেদি উৰি আহি ২০২১ত যেতিয়া আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত ভৰি থৈছিলোঁহি, তেতিয়া এখন্তেকৰ বাবেও ভবা নাছিলোঁ যে তিনিবছৰীয়া যাত্ৰাটো ইমান বেছি ধুনীয়া হ'ব! মহাবিদ্যালয়ত পঢ়ি থকা এই সময়ছোৱাত সাংস্কৃতিক দিশত অভিজ্ঞতা বুটলিবলৈ তথা প্ৰতিনিধিত্ব কৰিবলৈ মহাবিদ্যালয়খনে যিমান সুযোগ দিলে, সেয়া কল্পনাতীত। প্ৰথম ষাণ্মাসিকতেই আমি সুযোগ পাইছিলোঁ সত্ৰীয়া নৃত্যৰ যোগেদি নিজক প্ৰতিষ্ঠা কৰাৰ। পাছলৈ বাটৰ নাট দুখন, যুৱমহোৎসৱৰ মাণ্ডলিক আৰু কেন্দ্ৰীয় পৰ্যায়ত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰাৰ দিনবোৰ পাহৰিব নোৱাৰিম। খাৱন-শোৱন কাটি কৰি হ'লেও, পঢ়া পৰীক্ষাক আওকাণ কৰি হ'লেও অনুষ্ঠান এটি কৰাৰ নামত হোৱা সময়ৰ খৰচখিনিৰ কোনো অনুতাপ নাথাকে, কাৰণ এই সময়বোৰেই আহি এদিন স্মৃতিত খুন্দিয়াবহি। আমি জীৱন জীয়াই ভালপোৱা মানুহ। এই সুখবোৰেই আমাৰ হেঁপাহৰ একোটি উজ্জ্বল হীৰাৰ টুকুৰা যেন।

'শোণিত কুঁৱৰী' নাট আৰু 'অশ্ৰুত' নাটকৰ আখৰাৰ দিনবোৰ যে সদায় বুকুৰ কোণত ৰৈ যাব। হাঁহি-ধেমালি, মান-অভিমানতেই আমি জীৱনৰ কিতাপত নতুন নতুন পৃষ্ঠা লিখিলোঁ। এই কিতাপেই এদিন জীৱন বাটৰ পথ পোহৰাব — এইকণ বিশ্বাস নিশ্চয়কৈ আছে।

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, দাদা-বাইদেউ তথা বন্ধু-বান্ধৱীসকলৰ কথা নক'লেনো জানো সম্পূৰ্ণ হ'ব? বিশেষকৈ অসমীয়া বিভাগৰ বাইদেউসকলৰ মৰম-আদৰ আৰু যত্নৰ হাতকেইখনে আমাক আগুৱাই যাবলৈ সদায় প্ৰেৰণা দিছে, যাৰ কাৰণে কৃতজ্ঞ নহৈ নোৱাৰোঁ। ধন্যবাদ আৰ্য্য বিদ্যাপীঠ! ভালে থাকক আৰ্য্য, আৰু ইয়াৰ বুকুত নকৈ সেউজ হৈ গজা অকণ-অকণ সপোনবোৰ। ❖

জয়তু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

# "গৰম বন্ধ" ৰ স্মৃতি

**মৃগাংক নেওগ**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়




বাৰিষা গাঁৱত থকা আত্মীয় আৰু বন্ধু-বান্ধৱীৰ ঘৰলৈ গৈ বৰ সুখ পাইছিলোঁ ; বিশেষকৈ যাৰ ঘৰৰ ওচৰত নেখেলোঁ! গাঁৱত থকা মোৰ সমনীয়াই সাঁতুৰিব পাৰিছিল আৰু মই নোৱাৰিছিলোঁ। সেইবুলি নদীত নানামিমনে? নদীৰ পাৰৰ বালিত মূৰ থৈ পানীত ডিঙি লৈকে বুকু পাতি শুই থাকোঁ কাৰো হকা-বাধা নামানো। প্ৰচণ্ড ৰ'দত নদীত খেলি জৰ হৈছিল প্ৰতিবাৰ.... কিন্তু পথাৰৰ বোকাত লুতুৰি-পুতুৰি হ'মেই, বৰষুণত তিতি-বুৰি বৰশী বাব যামেই - বৰশীত মাছ কেতিয়াও নুঠে, লগৰীয়াই পুতৌ কৰি দি পঠিয়ায় ।কিন্তু উঠিব বুলি কি উত্তেজনা!

আইতাই সোঁৰৰাইছিল - 'অমুকৰ বাৰীত ভূত আছে, তমুকৰ বাৰীত যখিনী আছে.... নেযাবি," হয় আমাৰ শৈশৱত ভূত-প্ৰেতৰো এক অধ্যায় আছিল, আমাৰ নিচিনা হাবিত পন পনাই ফুৰা ল'ৰা-ছোৱালীক শাসন কৰিবলৈ কণভূত, বুঢ়াডাঙৰীয়া, যখিনী, বাক আদি কৰি কিমানযে ভূতৰ কাহিনী আমাক কৈ শুনাইছিল।

ববচা বনত বকুল বুটলি, বাঁহনিৰ আগৰ বগা বগলীৰ জাক, গাঁৱৰ ধুলি বা বোকাময় বাট, দুপৰৰ গছৰ ছাঁৰ শান্তি, গা-মন চুই যোৱা ৰ'দ-বতাহ, সকলোৰে লগত ফুলৰ কি সুগন্ধ মন ভাল লগাই দিয়া, চৰাই-চিৰিকটিৰ মধুৰ সুৰ আদিয়ে যেন মনৰ ভিতৰত এক বিশেষ মধুৰ সুন্দৰ এখন পৃথিৱী সৃষ্টি কৰিছে।

কেনেকৈ পাহৰোঁ গৰমৰ ৰাতি চৰাভৰা আকাশৰ তলত আইতাই বিচনীৰে বিচি কোৱা সাধুবোৰ! সাধুৰ দৰেই মনোৰম আইতাৰ সৰুকালৰ কথা! সেই তৰাৰ চন্দ্ৰতাপৰ তলত মই আইতা লগতে, ৰন্ধা, ৰাণী চৰাই-চিৰিকটি, বাঘ-সিংহ, ভূত আদি সকলো যেন একাকাৰ।

এনে মনোৰম দৃশ্যৰ কথা, মৰম-চেনেহ আদি এৰি আকৌ চহৰৰ যান্ত্ৰিকতাৰ মাজলৈ উভতি আহিছোঁ, ইয়াত যেন কাৰো-কাকো মাতিবলৈকে সময় নাই। ❖

# সোণচেঁকুৰাৰ পলবোৰ...

**কস্তুৰী দাস**
প্ৰাক্তন ছাত্ৰী
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আৰ্য বিদ্যাপীঠ কলেজত পঢ়ি থকা সময়ৰ ঢুখুৰীয়া স্মৃতিবোৰ (২০১৮-২০২১ চনৰ কথা)

<u>স্নেপশ্বট (১)</u> ঃ

নষ্টালজি দেশৰ সোণালী দিনবোৰ বুলি ক'লে মোৰ স্মৃতিৰ টোপোলাটি বৰ গধুৰ। পাৰ কৰি অহা প্ৰতিটো দিন/প্ৰতিটো মুহূৰ্ত যেন পাহৰিব নোৱাৰা মিঠা স্মৃতি গাঁথা।

<u>স্নেপশ্বট (২)</u> ঃ

বুকুত অদম্য হেঁপাহ আৰু এটা উৎসাহী মন লৈ মা আৰু বাৰ সৈতে কলেজৰ প্ৰাংগনত ভৰি থৈছিলোঁ। ৰেগিঙৰ নামত কোনেও নামটো সুধিও আমনি দিয়া নাছিল। কলেজখনৰ এই কঠোৰ নীতি-নিয়মসমূহে কলেজৰ প্ৰথম দিনটোৰ পৰাই কলেজ খনৰ প্ৰতি আকৰ্ষিত কৰিছিল। পুনশ্চঃ যেন কলেজখনৰ প্ৰেমত পৰিম।

ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেৱে ঠিকেই কৈছিল - "সঁচাকৈয়ে জীৱনতকৈ ডাঙৰ কবিতা একো নাই। জীৱন এক অনন্ত কবিতা।"

<u>স্নেপশ্বট (৩)</u> ঃ

আৰ্য বিদ্যাপীঠ কলেজত পঢ়ি থকা সময় সেয়া । কলেজখনত ভৰি দিয়া প্ৰথম দিনটোতেই বকুলকেইজোপাৰ প্ৰেমত বাউলি হৈছিলোঁ । কলেজৰ পুথিভঁৰালটো কলেজখনৰ এটা অন্যতম বৈশিষ্ট্য । য'ত সকলো কিতাপৰে সুগন্ধ পোৱা যায়। প্ৰতিগৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ পাঠদানে কলেজখনৰ প্ৰতি পুনৰবাৰ আকৰ্ষিত কৰিছিল । প্ৰতিগৰাকী শিক্ষক-শিক্ষয়ত্ৰীয়ে ইমান সুন্দৰকৈ পাঠদান কৰে যে সকলো নিজৰ ক্ষেত্ৰত পৃথক। এইক্ষেত্ৰত কলেজৰ অসমীয়া বিভাগৰ প্ৰণীতা বৰ্মন বৰুৱা বাইদেউৰ নাম প্ৰণিধানযোগ্য । মোৰ জীৱনত বাইদেউৰ আশিষ কিম্বা চেনেহ ভাষাৰে অপ্ৰকাশ্য , সেইদৰে অসমীয়া বিভাগৰে অৱসৰী অধ্যাপিকা চম্পা পাটগিৰী বাইদেউৰ আশিস অঞ্জলি মোৰ জীৱন পথৰ পাথেয় । শিক্ষাৰ ঘাই উদ্দেশ্যই হৈছে "বহুদন হিতায়, বহুজন সুখায়" - দুয়োগৰাকী বাইদেউ যেন এই কথাষাৰৰ প্ৰতিভু । ছাত্ৰী হিচাপে যদিও মই ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী তথাপি সাহিত্যৰ প্ৰতি থকা প্ৰীতিৰ বাবেই অসমীয়া বিভাগৰ সৈতে গঢ়ি উঠা আন্তৰিকতা যেন মোৰ বাবে বিস্মিত বিষয়স্বৰূপ । বিভাগটোত নামভৰ্তিৰ প্ৰথম দিনটোৰ পৰাই হোৱা তিতা-মিঠা অনেক অভিজ্ঞতাই স্মৃতিত দেউ দি যায়। কোঠা নং ৪, ৫ ৰ লগত গঢ়ি উঠা নিবিড় সম্পৰ্কবোৰৰ কথা কৈ বা লিখি শেষ কৰিব নোৱাৰি ।

<u>স্নেপশ্বট (৪)</u> ঃ

পুথিভঁৰালটো, য'ত মোৰ কলেজীয়া জীৱনৰ সৰহসংখ্যক সময়েই অতিবাহিত হৈছে । ক্লাছৰ মাজত ব্ৰেক থাকিলেই পুথিভঁৰাললৈ যোৱা দিনবোৰ , কেতিয়াবা সোনকালে ক্লাছ নাথাকিলেও পুথিভঁৰাললৈ যাবৰ বাবে প্ৰয়োজনতকৈ আগেয়ে কলেজ যোৱা দিনবোৰ । পুথিভঁৰালত প্ৰথম সোমায়েই চকুত পৰা তথা গোগ্ৰাসে পঢ়া হোমেন বৰগোহাঞিৰ 'এদিনৰ ডায়েৰি' আৰু বীণা বৰুৱাৰ 'জীৱনৰ বাটত' কিতাপ দুখন এতিয়াও মনত সজীৱ হৈ আছে ।

**স্নেপশ্বট (৫) ঃ**

সময় বাগৰে । কলেজখন এৰি অহা দুটা বছৰৰ অধিক হ'ল যদিও কলেজখনৰ প্ৰতি ভালপোৱাবোৰ দুগুণে বাঢ়িছেহে। সেই এৰি অহা দিনৰে পৰা আজিলৈ কলেজখনত ভৰি দিবলৈ সময়ে নহ'ল। কলেজখন এতিয়া নতুনেৰে ভৰি পৰিল। কলেজখনলৈ আগমন হোৱা নতুন পোহৰপিয়াসী তৰুণ চামে বুকুত বান্ধি আহিব কিছুমান আশা, ৰঙীন সপোন। আমিবোৰে এৰি আহিলো কিছুমান আশা, কিছুমান সপোন। কাৰোবাৰ উচ্ছল হাঁহি পুখুৰীৰ পানীত ঢৌ তুলি হেৰাই যাব। লাহে লাহে আঁতৰি যাব সকলো, ইজনে-সিজনৰ পৰা, এডাল-এডালকৈ ছিঙি যাব তিনিবছৰে গঢ়ি তোলা সম্বন্ধবোৰ নিঃশব্দে।

বহু বছৰৰ পাছত ইয়ালৈ আহিলে সকলো অচিনাকি হ'ব। নতুন নতুন মুখেৰে ভৰি পৰিব কলেজ, হোষ্টেল, কেণ্টিন সকলো। মোক চিনি পাব কেৱল বকুলকেইজোপাই, পুথিভঁৰালটোৱে, ৰাস্তাটোৱে আৰু মই চিনি পাম স্মৃতিখিনিক। স্মৃতিৰ পাপৰি খুলি সিহঁতক চুই চাম আলফুলে, উলিয়াই সুঘ্ৰাণ ল'ম। মোৰ চকুত ভাঁহি আহিব প্ৰথমদিনা কলেজলৈ যোৱা দিনটো। এইয়া মোৰ সন্মুখেৰে পাৰ হৈ গৈছে চিনাকি-অচিনাকি কত মুখ......

**স্নেপশ্বট (৭) ঃ**

ব্যাধি গ্ৰস্ত পৃথিৱীয়ে মুৰ তুলি উশাহ ল'ব পৰা সেউজ ঠাই সদৃশ কলেজখন। এই সেউজ ঠাইখনে আমি প্ৰতিদিনে উমলি থকা, এবাৰো সুস্থিৰ দৃষ্টি নিক্ষেপ নকৰা প্ৰকৃতি জগতখনৰ কথা পুনৰ ভবাৰ অৱকাশ দিয়ে। অন্যায়ৰ ভাৰ সহা পৃথিৱীয়েও বিচাৰে বিষাদবোৰ পাহৰিব পৰা সুখৰ মদিৰা, সেই সুখৰ মদিৰাবোৰে যেন পৰিপূৰ্ণ কলেজৰ প্ৰতি প্ৰান্তৰ স্মৃতিৰ সমান কাতৰ আম একো নাই। স্মৃতি বিজড়িত কলেজখনৰ কথা মনত পৰিলেই বীৰেন্দ্ৰনাথ দত্তদেৱৰ —

"বহুদিন বকুলৰ
গোন্ধ পোৱা নাই
বহুদিন বকুলৰ
মালা গঁথা নাই...."

উক্ত গীতটিয়ে বিহ্বল কৰি তোলে মোক !

আৰ্য্য বিদ্যাপীঠ কলেজৰ প্ৰতি শিৰোনত শ্ৰদ্ধা আৰু শুভ-ইচ্ছা। প্ৰতিনিয়ত জিলিকি থাকক, চিৰজ্যোতিস্মান হওক আৰ্য্য বিদ্যাপীঠ কলেজ।

"Good is not good when better is expected"

কবিৰ ভাষাৰে তেওঁলোকে "দোকমোকালিৰ ঘণ্টা বজাই" দিনটোলৈ সজাগ, সচেতন আৰু সাজু কৰি তোলে আমাক।

আহি থকা দিনৰ প্ৰতি নিজকে প্ৰস্তুত কৰাৰ দিশে প্ৰসাৰিত সময়। ❖



কবিতা

## ফাগুন

**জুমন ঠাকুৰীয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ফাগুনৰ মতলীয়া বতাহ জাকে যেন
মোৰ মনটো উৰুৱাই নিয়ে,
ফাগুনী মলয়াৰ সোঁতে সোঁতে যেন
মোৰ মনৰ উগুল থুগুল ভাৱনাবোৰ
উৰি গ'ল কল্পনাৰ অচিন দেশলৈ।

ৰাস্তা-ঘাটৰ ধূলিবোৰে দিলে মোক
কিছু অচিন দুখৰ এক সুকীয়া উমান,
যি দুখত মগ্ন মই বহু দিনৰে পৰা।
আৰু এই দুখ অকল্পনীয়।

ফাগুন তই প্ৰিয় আছিলি মোৰ বাবে
তই আপোন আছিলি মোৰ বাবে,
তোৰ আগমনতেই মোৰ মনে লাভ কৰিছিল
মোৰ প্ৰিয় কবিতাৰ শাৰীবোৰ।
তই আহিলেই নাইকিয়া হ'ব ধৰিছিল
মোৰ মনৰ অচিন দোমোজাবোৰ।
কিন্তু,
কিন্তু, এতিয়া তই আহিলেই
মোৰ ৰিক্ত হিয়াৰ দাপোনত জ্বলি উঠে
অতীতৰ সেই মৰহা ফাগুন,
য'ত আছিল তাইজনীৰ আৰু মোৰ
এক প্ৰেমৰ ফাগুন।

এতিয়া ফাগুন তই মোৰ বাবে নিসংগতা
এতিয়া তই মোৰ বাবে বিৰক্তিকৰ,
এতিয়া তই মোৰ বাবে আচহুৱা,
এতিয়া আৰু মোৰ ফাগুনলৈ নাই কোনো আস্থা। ❖

## অভিজ্ঞতা ! মৃত্যুক স্পৰ্শ কৰাৰ

**ৰিদিপ ৰঞ্জন কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ছেকেণ্ডৰ ভগ্নাংশ এটানো কি?
তাতেই জীৱনক লৈ টনা-আজোৰা
সকলোবোৰ ঠিক হৈয়ে থাকে নেকি
দিন, বাৰ, ঘণ্টা, ছেকেণ্ড।
হঠাৎ জীৱনৰ পৰীক্ষা
মৃত্যুক স্পৰ্শ কৰি অহাৰ
আপোন নদীতো টুলুং-ভুটুং
আজি মোৰ নাও।
বিশ্বাসৰ মাজত অবিশ্বাসীৰ
মুখা খোলাৰ চেষ্টা আজি।
জয়াল ৰাতি আপোনাৰো
চিৎকাৰ শুনিছো আজি
দেখিছো বহু মৃত্যু,
স্পৰ্শ কৰিছোঁ আত্মাৰ কোলাহল।
এয়াই ছাগে মৃত্যুৰ স্পৰ্শ
হয়তো অন্তিমটো বিন্দুৰ চিৎকাৰ। ❖

# বেশ্যা তাই এজনী নাৰী

**চিন্ময় চক্ৰৱৰ্তী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এন্ধাৰ জগতৰ বাসিন্দা তাই
সমাজৰ সেই অংশটোত
তাইৰ সুনাম আছে।
কিন্তু কিয় জানো ভদ্ৰসমাজত
তাইৰ স্থান নাই?

ভদ্ৰসমাজ!
তাই ইয়াৰ সংজ্ঞা নাজানে ;
নতুবা হয়তো নামানে।
কাৰণ সেই ভদ্ৰসমাজৰ
আধুনিক মানুহেইতো তাইৰ গ্ৰাহক।

গাৰ মঙহ বেচে তাই,
কিমানজন নতুন মানুহ লগ পায় তাই।
কিছুমান সদয়ী, কিছু নিৰ্দয়ী।
তথাপিও গাত ক্ষতিৰ চিন লৈ
হাঁহিয়ে থাকে তাই।

এইবাৰ তাইৰ হাঁহিয়ে
এটা নতুন ৰূপ পাব
মলয়া খুৰীয়ে কৈছে তাইয়ো হেনো মাক হ'ব
ক'ত তাইৰ ভুল হ'ল নাজানে তাই
সেই বিশাল অট্টালিকাৰ
মেহগণি পালেঙত নে
সেই ভঙা জুপুৰিটোত।
তথাপিও তাই সুখী,
কাৰণ তাই এইবাৰ মাক হ'ব।
বাপেকৰ নাম নজনা সন্তানটিক তাই
জীয়াই তুলিব।
পেটৰ সন্তানটোক লৈ তাইৰ ,
অসীম আশা, কত যে সপোন
কাৰণ,
বেশ্যা হ'লেও যে তাই এজনী,
নাৰী।। ❖

# জ্ঞান মন্দিৰ

**সুদৰ্শনা বৰুৱা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কুঁৱলীৰ আচ্ছাদন ভেদি
পৰাণত জ্ঞানৰ আলোক সিঁচা,
অতীত সাফল্যৰ পোৱালমণিৰে
জোনাকী পথৰ সন্ধান দিয়া তুমি।

এজাক তৃষ্ণাতুৰ মানসৰ
অযুত হেঁপাহক বাস্তৱায়িত কৰা,
সপোনৰ কাৰেং সাঁজিবলৈ প্ৰেৰণা দিয়া
চিৰ পূজনীয় এজন দেৱতা তুমি।

জীৱন সংগ্ৰামৰ মাজ সাগৰতো
নৱ চিন্তা হৃদয়ত অংকুৰিত কৰা,
আৰ্য্য বিদ্যাপীঠ খ্যাতিৰে উজলি থকা
এটি উজ্জ্বল ভোটা তৰা তুমি। ❖

# মই গুলজাৰ

**মৃণাল ঠাকুৰীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

তুমি নহা হ'লেই ভাল আছিল,
তুমি, নোচোৱা হ'লেই ঠিক আছিল।

উন্মাদ ফাগুণৰ কোবাল বতাহত
মাতাল হৈছিল দীঘলীপুখুৰী - পাণবজাৰ
ধুম্রায়িত আন্দাৰ মাজত
ঠিক উৰি ফুৰা ৰঙা শিমলুৰ দৰেই
আহিছিল ডাচ-কেপিটেলৰ কাৰ্ল-মাৰ্ক্স,
এলাগী কোনোবা এটি কোণত পৰি
চিৎকাৰ কৰিছিল ছেক্সপীয়েৰ-ভল্টেয়াৰে।

তোমাৰ খোলা চুলিত ফাকু গুড়ি চটিয়াম,
আৰু
তাৰ পাছত তাত মদিৰা ঢালি
মই শ্বায়েৰ হ'ম ;
বৈ আহক ৰঙা-নীলা সেউজীয়া টোপাল,
ধূলিৰ বতাহ জাকৰ দৰেই
তিক্ত সন্ধিয়া এটাত
নৈৰাশ্যবাদৰ চিগাৰেট হুপি হুপি
মই গুলজাৰ হ'ম
চিএৰিম
তুমি নহা হ'লেই ভাল আছিল। ❖

# অঁকৰা ফাগুন!

**কাবেৰী কছাৰী**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পলাশৰঙী মনত
বাখৰুৱা হৃদয়ত
কৃষ্ণচূড়াৰ অনন্ত স্বপ্ন!
দুবৰিৰ দলিচাত
মুকুতামণি জিলিকে।
মুক্ত আকাশে আজি,
ৰঙৰ ফাকু খেলে
প্ৰেমৰ ফাকু!!
সৰাপাতে উচুপে
ৰ'দালিয়ে হাঁহি কয়
'এয়াইতো ফাগুন',
অঁকৰা ফাগুন।
বেদনাত কবিয়ে লিখে
"অহাৰ দৰে উভতি আঁতৰি গ'লা।"
জয়ন্ত হাজৰিকাৰ গীতত
"অধীৰ নহ'বা অঞ্জনা।"
নুশুনে ফাগুনে কাৰো কথা,
ফাগুন যে অঁকৰা!
পছোৱাই উজাৰি দিয়ে মনৰ কথা।
এয়াইতো ফাগুন
নিলাজ ফাগুন! ❖

# সমাজৰ এচুকৰ জাবৰৰ কথাৰে

**ইমন বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

"হয়, আমি সমাজৰ এচুকৰ জাবৰ"
কেতিয়াবা যদি পৰি থাকোঁ হৈ সৰাপাত,
কেতিয়াবা আকৌ প্লাষ্টিক হৈ নৰ্দমাত
"হয়, আমি লেতেৰা সেয়ে আমাৰ নাম আৱৰ্জনা"।।

ভদ্ৰ সমাজৰ মুখা পিন্ধাবোৰ?
সিহঁত সমাজৰ বাবে জাবৰ নে সাঁথৰ?
আমাৰ সলিল সমাধিৰ নামেই 'ডাষ্টবিন'
সমাজ কলুষিত কৰাবোৰৰ বাবে আছে জানো 'ডাষ্টবিন'।।

"আমি দেখো, আমি বুজো"
মহানগৰীৰ মাতাল নিশাৰ নিস্তব্ধতা।
আন্ধাৰৰ ছেগ বুজি আৰম্ভ হোৱা নগ্নতাৰ বেহা
নগ্নতাৰ বেহাতেই সমৰ্পিত কত বেশ্যাৰ দেহা।।

শুকান সৰাপাতবোৰক তেজপীয়াবোৰে
গছক মাৰি ধৰে..,
একেখিনি তেজপিয়াৰ আৰেশতেই
সমাজক কলুষতাই বাট ভেটি ধৰে।।

আজিৰ সমাজৰ মানুহৰ মনৰ ৰ'দাকাশত
ভৰি পৰা এলাঙ্কুৰহে উকমুকনি।
ৰাতি পাশান হৈ পৰা তেজপিয়াই
দিন দুপৰতে শিয়াল হৈ দিয়ে বিননি।।

"আমিবোৰ জাবৰ, আমাৰ আয়ুস তেনেই চুটি"
আজি যদি ডাষ্টবিনত, কাইলৈ নদীৰে হৈ পৰিম মোহনাত।
সমাজক নিগনিৰ দৰে কুটি পেলোৱাবোৰক
নিঃশেষ নকৰালৈকে আমি মৰি থাকিম অবুজ বেদনাত।।

"আমিবোৰ বাৰু ডাষ্টবিনতেই থাকিম"
"সমাজৰ মাজৰ আৱৰ্জনাবোৰ আঁতৰি পৰক"।
সমাজক পংগু কৰা জাবৰৰ নাই প্ৰয়োজন
ডাৱৰবোৰ আঁতৰি হওঁক সমাজত ন-আলোড়ন।। ❖

# গৰখীয়াৰ স্বপ্ন

**অভিনৱ কমল ভূঞা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পিতাই কৈছিল,
তই বৰগছ হৈ,
মাটি খামুচি
আকাশৰ পিনে চাই থাকিবি,
ৰ'দ তোৰ গাত স্বতঃস্ফূৰ্ত হৈ পৰিব।।

আইয়ে কৈছিল,
তই আপোছ নকৰি
নৈৰ দৰে বৈ থাকিবি,
নিৰবধি হৈ
এদিন বৰষুণ তোৰ সহোদৰ হ'ব।।

এতিয়া মই লতা হৈ,
মাটি খামুচি
বৰগছ মেৰিয়াই জী আছোঁ,
দিবাস্বপ্নত গৰখীয়াৰ ৰ'দ আৰু
আপদীয়া বৰষুণৰ খেল চাই ।।। ❖

# ফাগুন

**জ্যোতিস্মান কলিতা**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

ফাগুন,............

ফাগুন যেন এক অনুভৱ
অনুভৱী মনৰ সিৰে সিৰে বিয়পি থাকে,
ফাগুন !.........

ফাগুন মোৰ এতিয়াও প্ৰিয়।
এই যে দোকমোকালিতে
টোপ-টোপ নিয়ৰৰ পৰশবোৰ।
আৰু, নিয়ৰৰ ভৰ ৰাখিব নোৱাৰি,
তললৈ হাউলি যোৱা দুৱৰিবোৰ
এনেতে হেঙুলীয়াকৈ পৰা সূৰ্যৰ কিৰণত
জিলিকি উঠা সেই টোপালবোৰ.......

আহ !

কিজে মধুৰ অনুভৱ।

সচাঁকৈ,

অনুভৱী মনৰ অনুভৱতে যেন বৰষে,
ফাগুন....... !

আচলতে, অনুভৱবোৰতো সুকীয়া।
কেতিয়াবা প্ৰেমৰ বান্ধোন হ'বলৈ
সুমধুৰ বন্যা হৈ বিয়পে, ফাগুন......
কেতিয়াবা আকৌ ইয়েই ভাঙি পেলায় আশাৰ বালিঘৰবোৰ।
মৃদু মৃদুকৈ বিয়পি থকা
ফাগুনৰো বহু কথা থাকে।
কেতিয়াবা যদি ভৱিষ্যতক সোঁৱৰায়,
কেতিয়াবা আকৌ অতীতক ৰোমন্থন কৰায়।

অতীত ..........

অতীতবোৰ মোৰ সচাঁকৈয়ে প্ৰিয়।

মোৰ মনৰ চৌহদত
এতিয়াও ই খেলা কৰে।
আৰু দুঃখ পালে
বাৰে বাৰে সেই ফাগুনকে সোঁৱৰে।
এইবাবে কওঁ,
ফাগুন মোৰ এতিয়াও প্ৰিয়।
সঁচাকৈ,
অনুভৱী মনৰ অনুভৱতে বৰষে,
ফাগুন ........ !!!! ❖

# আকৌ উভতি আহিম

**ঋতুপৰ্ণা চৌধুৰী**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আকৌ উভতি আহিম অসমৰ এই সেউজীয়া বুকুত,
হয়তো মানুহ নহয়, কপৌ চৰাই হৈ।
কিজানি পদুম বা হৈ গোলাপৰ পাহি
পুৱতি নিশাৰ পোহৰৰ নিচিনা আশা লগত লৈ।
আহিম মই আকৌ এবাৰ সুখৰ ডাৱৰ লৈ।

শুকান মাটিত পৰা বৰষুণৰ সুবাস নিজৰ লগত লৈ,
শৰতৰ নিয়ৰ বা শেৱালিৰ সুৱাস হৈ।
প্ৰকৃতিৰ হকে জিয়াই থাকিম,
এয়াই মোৰ হেঁপাহ।
আহিম! আকৌ আহিম! ❖

# ৰেখা

**পাৰ্থ প্ৰতিম শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

কোলাহল, আৰ্তনাদ, অপৰাধ, দুৰ্নীতি
আপাত দৃষ্টিত বাতৰিৰ প্ৰথম পৃষ্ঠা এইয়া,
কি যে ব্যথা!
সমাজ শেষ; কলটৌপ কলটৌপ অৱস্থা।
এডাল দীঘল ৰেখা।
বক্ৰ! নে সৰল?
দুই পাৰে ভিৰ।
ভীষণ অসন্তোসৰ সমাহাৰ।
আঙুলি টোৱাই-টোৱাই সকলোৰে একে কথা,
সকলো তোৰ লেথা।
অবুজ দুই একে আকৌ শুধৰাব যায়,
এতিয়াও যে সময় শেষ নহয় বুজাবলৈ যায়।
কোনে শুনে, কোনে বুজে!
অবুজবোৰে আকৌ কিবা বুজে নে!
নাই, একো নাই।
সিপাৰৰবোৰে সকলো খুলি-খুলি খায়।
কোলাহলেই যেন সমাজ বচায়।
ৰেখাৰ মাজত হেনো কেইটামান পাগল ওলাইছে।
ৰেখা নোহোৱা কৰাৰ সংকল্প লৈছে।
চিৰসত্যবোৰ জানো নোহোৱা হয়!
পাগলৰ প্ৰশ্ন।
ই জানে চিৰসত্য হয়!
ৰেখা নোহোৱা হলেই সমাজ হেনো বাঢ়িব প্ৰগতিৰ দিশে।
পাগলৰ বচনক হাঁহে সমাজত দশোদিশে।
বাতৰিৰ প্ৰথম পৃষ্ঠাত এই খবৰ ডাঙৰ ডাঙৰ হৰফেৰে। ❖

# ৰিক্তছায়া

**কুলদীপ কলিতা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মৰিব নোৱাৰাৰ বাবেই
তাই জীয়াই আছে।
অথচ, প্ৰতিনিশাই তাইৰ একো একোটা নৰমৃত্যু!
উস্ঃ,
ইমান বিষাক্ত এই মৃত্যু!
আৰু কিমান বিষাক্ত হ'লে মৃত্যু,
এই নৰকতো বলে বসন্ত?
বুকুত আৰু কিমান থাকিলে বিষাদ
কলিজাত ফুলে বকুল?
ৰাঙলী কৰিব পাৰি হিয়া??
কত চিনাকি চকুৰ কামনাৰ জুইত
পুৰি পুৰিওতো তাই জীয়াই আছে!
জীয়াই থকাৰ ছন্দ পাহৰি
তাই বিচাৰি ফুৰে একুৰা চিতাজুই।
আৰু কিমান বিষাক্ত হ'লে মৃত্যু,
কলিজাত ফুলে বকুল (?)
তাই নাজানে ।। ❖

# কিন্নৰ

**সুদিপ্তজিত নাথ**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শান্ত সময়, অশান্ত জোনাকী নিশা
জন্ম হয় শান্ত মাতৃৰ পুত্ৰ নিৰব
কোমল হৃদয়ত গজালি মেলে
চিৰ সেউজ সপোন বোৰে
লৰালিৰ দিনবোৰ আঁতৰি যায়
ময়ো সলনি হওঁ
মনৰো সলনি ঘটে
ছোৱালী যেন লগা মনটোত
জাগি উঠে ল'ৰা প্ৰেম
কাৰণ নিৰব যে কিন্নৰ
কোমল হৃদয়ত জাগি উঠা সপোন
আজিয়ে ল'ৰা হৈয়ো ছোৱালীৰ দৰে
অশান্ত সমাজ শান্ত প্ৰকৃতিৰ নিৰব
মনত প্ৰবল আশাৰে খুন্দা খাই থকা হৃদয়খন
আজি যে অলৰ অচৰ
কাৰণ নিৰব যে কিন্নৰ।
মৰম দিয়া বিলাকে গুচি যাই দূৰলৈ
লৰালিৰ লগৰীয়াও আজি নাই
সুন্দৰী হৈও আজি যে অকলশৰীয়া
কাৰণ নিৰব যে কিন্নৰ।
শিক্ষাৰ জ্যোতিৰে আজি উজ্বলিছে সমাজ
নতুনত্ব, নৱৰূপেৰে উজ্বলিছে জনজীৱন
কিন্তু,
সময়ৰ এই চিৰ প্ৰবাহিত বোৱতী গতিত
আজিৰ মানুহ যেন স্বাৰ্থপৰ, পৰচৰ্চা কাৰী
সমাজৰ কাৰণে,
আজিৰ কিন্নৰ এটি বিষাক্ত নাম
এতি বিষাক্ত মাতৃৰ, অসফল পুৰুষৰ
জন্মলোৱা এটি দূষিত ফল। ❖

# মনৰ চিৎকাৰ

**হৰ্ষজিত দাস**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

প্ৰলয়ৰ পিছৰ একমাত্ৰ কণিকা তই,
সমলয় অনুভূতিৰ একমাত্ৰ আশা তই।
সময়ৰ কালধুমুহাৰ ক্ষণ গণি গণি আগুৱাই যা তই,
বাধাক নেওচি বিজয়ৰ দুৱাৰ খুলি আগুৱাই যা তই।
প্ৰতি খোজত প্ৰতি পলে কৰিব চেষ্টা তোক হৰুৱাৰ,
নামানি হাৰ মৃত্যুকো জয়ী কৰি আগুৱাব লাগিব তই
বাৰংবাৰ
হাঁহিব খুজিব তোৰ প্ৰতি চেষ্টাত, পেলাব খুজিব তোক তল,
সময়ৰ সোঁতৰ বিপৰীতে কাম কৰি, দেখুওৱাব লাগিব তই
বল।
জীৱন নামৰ টুলুং-ভুটুং নৌকাখনত উঠি,
প্ৰতিটো ভূলে দিব তোক সহনশীলতাৰ ৰীতি।
এজাক শান্তিৰ বাৰিষাই পেলাব তোৰ উন্মাদ হিয়াশাত,
হেজাৰৰ মাজত নিজকে পৰিচয় দিবলৈ পাৰ কৰিব লাগিব
কাঁইটে ভৰা বাট।
উন্নতিৰ বাটকৰিৰ আন্ধাৰ পদূলিত
দেখিবি তই মৰীচিকা,
আশা ও উদ্যমৰ পোহৰেৰে ভাঙিব লাগিব
তই এই প্ৰৰোচনা। ❖

# শৈশৱ

**অগুষ্টিনা মহন্ত**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শৈশৱৰ যে মধুৰ দিনবোৰ,
আকৌ ঘূৰাই পাবলৈ হৃদয়ত এক দুৰ্বাৰ আশা ;
দৈনন্দিন জীৱনত ক্লান্ত হৈ পৰা মনটোৱে,
যেন আকৌ উভতি যাবলৈ খোজে সেই সুন্দৰ শৈশৱলৈ।

দেউতাই গুণগুণাই দিয়া নিচুকণি গীতবোৰ,
মায়ে মৰমতে মোৰ চুলিকোচা বান্ধি আওৰাই
দিয়া সেই অবৰ্ণনীয় সাধুকথাবোৰ।

লগৰ সমনীয়াহঁতৰ লগত কৰা অলেখ খেল-ধেমালি,
স্কুলত বন্ধু-বান্ধৱীৰ সতে কৰা অনেক দুষ্টামি ;
আজিও যেন আকৌ জিয়াবলৈ এক অপূৰ্ণ আশা।

মায়ে সৰুতে চিলাই দিয়া শুভ্ৰ ৰুমালখনলৈ চাওঁতে
যেন মোৰ শৈশৱে মোক কয় —
"আহা, আকৌ উভতি আহা তোমাৰ সুন্দৰ শৈশৱলৈ,
ব'লা আকৌ এবাৰ জিয়াই চাও তোমাৰ মধুৰ শৈশৱ।" ❖

# পশ্চিমৰ বেলি

**অভিনৱ কমল ভূঞা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

জীৱনটো আচলতে
বেলিটোৰ নিচিনা,
সদায় একে ঠাইত নাথাকে, অস্থিৰ।
কেতিয়াবা সুখৰ একো সীমা নাথাকে
আৰু কেতিয়াবা দুখে আবৰি ধৰে।।

জীৱনটো আচলতে
বেলিটোৰ নিচিনা,
অনবৰতে পোহৰ নিবিলাই
কেতিয়াবা আন্ধাৰৰ নিচিনা অকলশৰীয়া হৈ যায়
আৰু কেতিয়াবা পোহৰৰ দলিচা মেলে।।

বেলিটোই যেনেকৈ
জোনটেক পোহৰ বিলায়,
ঠিক তেনেকৈ আমি জীৱনত কাৰোবাক
পোহৰ বিলাওঁ,
হয়তো সেইটোকে প্ৰেম বুলি কয়।।

বেলিটোই যেনেকৈ
পৃথিৱীক গৰম বিলায়,
ঠিক তেনেকৈ
আমি জীৱনত কাৰোবাক
মৰম বিলাও,
হয়তো এইটোকে প্ৰেম বুলি কয়।।।

জীৱনতো সেইকাৰণে পশ্চিমৰ বেলি নিচিনা
সকলোবোৰ জীৱনৰ লগত
মিলি যায়, মাথো এটাই অন্তৰ,
তেওঁ বেলি, আমি মানুহ ।।। ❖

# তোমাৰ নিজকে এটা বাৰ্তা

**পিযুষ কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মই কোন?
কেতিয়াবা চিনি পাওঁ
কেতিয়াবা চিনিবলে হয়তো বৰ টান!

মই হ'লোঁ সেইজন যিয়ে এতিয়াও
নিজৰ অস্তিত্ব বৰ্তাই ৰাখিছোঁ
মই হ'লোঁ সেইজন যিয়ে এতিয়াও
জীৱন যুদ্ধত হাৰ মনা নাই।

ময়েই সেইজন যিজনে জীৱনৰ প্ৰতিটো
ভাল-বেয়া, সুখ-দুখ ইত্যাদি সকলোকে আকোৱালি
লৈছোঁ।
জীৱনৰ কৰুণ কালতো এমুঠি হাঁহি বিৰিঙাইছোঁ,
হয়, মইয়ে সেইজন।

নিজ চক্ষুৰে নিজ স্বপ্নৰ ধবংস যজ্ঞ
মইয়ে দেখিছোঁ
সকলোতে যেন মোৰেই ব্যৰ্থতা
তথাপিও কপালৰ লিখন জানো কোনোবাই সলনি কৰিব
পাৰে?

যোগাত্মক মানসিকতাৰে
সকলোকে কৰিম একেলগ
নিজৰ কৰ্মৰাজিৰে এদিন হ'ম
সকলোৰে গৌৰৱ।

নিজৰ ব্যৰ্থতাখিনিক মই আকোঁৱালি লৈছোঁ
সেই ব্যৰ্থতাখিনিক শুধৰণি কৰিবলৈ
যত্নেৰে চেষ্টা চলাইছোঁ আৰু
সদায় কৰি যাম।

কেতিয়াবা এনেকুৱা লাগে যেন মই
মা-দেউতালৈ এতিয়ালৈ একোৱে দিব পৰা নাই
হয়, দিয়া নাই !
কিন্তু দিছোঁ বহুত ক্ষেত্ৰত মোৰ
সত্যতা, সন্মান আৰু স্বচ্ছতা।

স্বপ্ন স্বপ্ন হৈ থাকিলে যিমান ভাল লাগে
সিমানে বাস্তৱত পৰিণত নহ'লে বৰ কষ্ট দিয়ে,
যি কষ্টৰ অধিকাৰী মই
তথাপিও আগুৱাই গৈছোঁ আৰু
সদায় আগুৱাই যাম।

এই সৃষ্টিশীল পৃথিৱীত কেতিয়াও নিজকে
পিছ পৰিবলৈ নিদিওঁ
শান্তিৰ বাৰ্তা বিয়পাই
মই সদায় আগুৱাই যাম
এদিন নিশ্চয় জয়ী হ'ম
জীৱন যুদ্ধত। ❖

# “তাই হেনো বেশ্যা”

**প্ৰদক্ষিণা কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মহানগৰীৰ কোনোবাটো গলিত
গাৰ পৰা সৰি পৰা কাপোৰ লানি লানি।
আকাশে ঢুকি নোপোৱা,
পোহৰে চুব নোৱাৰা সমাজৰ
এখন বিচনাৰ পৰশত
তাই হেনো বেশ্যা।

কোনেনো জানে কিমান দৰদী
জীৱন হেৰুওৱাৰ যাতনা!
কাপোৰ লজ্জা ঢকা সমাজত
সিহঁতৰনো কিহৰ ইমান উন্মাদনা?

সন্মানৰ গৰখহনীয়াত,
চিনচাব নোহোৱা চিনাকিৰ
তাই হেনো বেশ্যা।

এটা বন্ধ কোঠা,
এটা সম্পূৰ্ণ আৱৰণহীন মৰাশ ;
সন্মানৰ দোলাত উঠি অহা
কোনো চহকী পুৰুষৰ চকুৰ কামুকতাই
কৰিছে দৰ-দাম,
মৰাশৰ শৰীৰৰ আগ্নেয়গিৰি চায়।
জীৱনৰ কোনো অশান্ত প্ৰহৰত
বাধ্যবাধকতাৰ সুৰে গীত গাই ;
নৰ্তকীৰ ৰূপত বেশ্যাই
সেই তালে তালে
দেহ নচুয়ায়।

বেশ্যাৰ দিন-ৰাতি,
মুধাফুটাৰ কড়ি ;
আলাউদ্দিনৰ চাকি নেকি? ❖

# এটা বাৰ্তা

**চয়াস্মিতা দত্ত**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

মইজনী,
আৱেগিক মইজনী
নিজকে বহুত ভালপোৱা মইজনী
হাঁহি ভালপোৱা মইজনী,
কিন্তু আজি যেন মই হেৰাই গৈছোঁ
মই যেন আজি নিজকে বিচাৰি ফুৰিছোঁ
সময়ৰ সোঁতে মোক বহুদূৰলৈ আগবঢ়াই নিলে,
কিন্তু আগৰ মইজনীক আধা বাটতে এৰি আহিলে।
হয়তো এইয়া সময় মোৰ সলনিৰ,
এইয়া সময় মোৰ শক্তিশালী হোৱাৰ,
লুকাই থকা মইজনীৰ ওলাই আহিবৰ হ’ল,
নিজকে সমাজৰ আগত প্ৰতিষ্ঠা কৰিবৰ হ’ল,
আত্মবিশ্বাসবোৰ দৃঢ় কৰিবৰ হ’ল,
সপোনবোৰ বাস্তৱ কৰাৰ সময় হ’ল।
নিজকে ❖

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

**নিতুমনি বৰ্মন**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বোকাৰ মাজত পদুমৰ পাহি মেলা দি
গিৰিধৰৰ স্বপ্নত প্ৰকাশ দিলা।
মদ্যৰ বিভীষিকাত, অপৰাধৰ কোলাত,
শৈক্ষিক বৌদ্ধিক সমাজৰ সপোন ৰচিলা।

জ্ঞানৰ জেউতিৰ অক্ষয় বন্তি হৈ জ্বলিলা,
অযুত যুৱৰ সপোন ৰূপান্তৰ দিঠক কৰিলা।
এই সবিতাৰ ছায়া দেশ-বিদেশৰ দলিচাত,
পুত্ৰ হিচাপে আকোঁৱালি ল'লা বালক-বালিকাক।

আচাৰ্য্যৰ আচৰণত জাগি উঠে শ্ৰদ্ধাৰ উৎগিৰণ,
প্ৰধান উপপ্ৰধান ব্ৰতি কৰ্মী যেন সতি।
ডাৱৰ ভেদিলা কিৰণে, দিলা অভাৱ হীন দান জ্ঞানৰ,
আশাৰ উৎপত্তি তোমাৰ চৰণত পৰশ লম দিগন্তৰ।

অৰ্ধ দশক ধৰি সাৰতি ৰাখিছোঁ,
জ্ঞান, গৰিমা, মৰ্য্যদাৰ এই এনাজৰী।
হেজাৰৰ উপলব্ধি দেখি গৌৰৱোজ্বল মোৰ ছবি,
সেই গৰিমাত জীৱিত মোৰ অস্তিত্বৰ কাঠি।

ছাত্ৰৰ নেতৃত্ব, ছাত্ৰীৰ সাফল্য,
অপ্ৰাণ তোমাৰ প্ৰচেষ্টাৰ ভৱিষ্যত চিকমিকা।
মোৰ পোহৰ নহয় যদিও প্ৰখৰ,
অন্ধকাৰ ৰাতিৰ প্ৰয়োজনীয় জোনাক এয়া। ❖

# ঈ

**বিতোপন ৰাজবংশী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বৰলে বিন্ধা কঠালে এটা যেন
বাকলি গুচাওঁ
বাদু পেলাওঁ
আৰু আঁকুহি আঁজুৰি তাই নমৰালৈ
উদৰ পূৰাওঁ।
মই মানুহ নামৰ পিপৰা
মৰা মকৰাৰ দৰে তাই দেহ এৰে
আমি ভোকাতুৰ-আগুৰি ধৰোঁ।

ভোক কাৰ নালাগে?
জোনৰ তাপত চাউল সিজাহেঁতেন
তাই জানো নিজক বেচে!

উপু আৰু ওঠত
ডিঙি আৰু নাভিত
প্ৰত্যেকটো স্পৰ্শই যেন
একো একোটা আঘাত।

তথাপি জীৱন জীয়াব লাগে
'ঈ'এটাৰ দৰে লেতু লেতু সেতু হৈ বিচনাত পৰি নাথাকিলে
সন্তানে তাইৰ নিশ্বাস এৰিব।
আৰু সমাজখনেও! ❖

# অনুভৱ

**দ্বীপজ্যোতি চহৰীয়া**
স্নাতক ষষ্ঠ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

জোনাক নিশা আৰু স্নিগ্ধ আকাশ
য'ত ঘটে ভগ্ন হৃদয়ৰ প্ৰকাশ
পিচে ব্যৰ্থ প্ৰেমেও শিকাই যায়
প্ৰেমবিহীন যৌৱনৰ সুকীয়া আমেজ।

মায়াবিনী মহানগৰীৰ ৰাস্তাৰ দুয়োপাৰে
আকাশলংঘী সুউচ্চ অট্টালিকা
যাৰ ভিতৰত মাজনিশা চলে বিলাতী সুৰাৰ আড্ডা
আৰু তাৰ তলত খাদ্যবিহীন নিংকিন দৰিদ্ৰ জনতা।

অদূৰত ম্লান পৰি হেৰাই যোৱা সপোনবোৰে
দিঠকত ভূত হৈ লম্ভি বৰকৈ কষ্ট দিয়ে
কিয় জানো দুসাধ্য সপোনবোৰহে আমি বাচি লওঁ।

ৰাতি বাৰবজাত ঘৰ উভতা
মদৰ ৰাগিত মছগুল পিতৃ
ঘৰুৱা দায়িত্বৰ নাই কোনো বাসনা
দেখি একমাত্ৰ সন্তানৰ চকুপানী বয়
গোটেই ঘৰখনে অশান্তি লগা হয়।

শাসন আৰু শোষণৰ মাজৰ সীমাড়াল
যেতিয়া হেৰাই যায়
ডেকা ল'ৰাবোৰ তেতিয়া বনলৈ যায়
মনত বিপ্লৱী গীত গায়।

অন্ধ নিৰ্বিকাৰ ন্যায় গৃহ
আৰু বিবেচনাবিহীন বিবেকহীন ভণ্ড জনতা
ডাঙৰ ৰাজনীতিকৰ ভৰি চেলেকি নিজকে ধনাফলে
আজিৰ দিনৰ মেৰুদণ্ডহীন ছাত্ৰ নেতা।
বোকা গছকি আহিছোঁ দুৰ্ভিক্ষৰ দেশৰ মাজেৰে
জীৱনত ডাঙৰ সংগ্ৰাম কৰিছোঁ পংগু অৱস্থাৰে।। ❖

# মিনতি

**ৰীমা বেগম**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

দয়া কৰা প্ৰভু দয়াশীল
তোমাৰেই জগত অখিল।
বিচৰা নাই ধন আৰু ৰতন
তোমাৰ ওচৰতে মোৰ মন,
জীৱন যুদ্ধত যাওঁ কেতিয়াবা হাৰি
শক্তি দিবা প্ৰভু তুমি দুখহাৰী।
তুমিয়েই সুখ কৰ্তা,
তুমিয়েই দুখ হৰ্তা,
তুমিয়েই সৃষ্টি নিয়ন্তা,
তুমিবিনে নাই কেও।
তুমিয়েই সৰ্ব নামে খ্যাত
তোমাৰেই সকলো বিখ্যাত। ❖

# নাৰী

**নিকুমনি দাস**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

তুমিয়ে সকলো, তুমিয়েই নাৰী,
তুমি আছা, সেয়ে আমি আছোঁ।
হয় তুমিয়েই নাৰী।
তুমিয়ে এই পৃথিৱীলৈ
আমাক আনিলা।
তুমি নহ'লে আমি নাই,
হয় তুমিয়েই নাৰী।
তোমাৰ কোমল মন আৰু সহযোগীৰ
সকলোৰে মন আকোঁৱালি ল'লা।
তুমিয়ে এজনী ছোৱালী আৰু লগতে মা।
তুমি সহনশীল আৰু ৰক্ষাকৰ্তা
তুমি সুখ-দুখৰ কাৰণ।
হয় তোমাৰ সকলোতে অস্তিত্ব আছে,
তুমিয়ে হ'লা পুৰুষৰ সমান
হয় তুমিয়েই নাৰী। ❖

# ল'ৰালি

**ভিতালী কলিতা**
স্নাতক তৃতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পাৰ হ'ল এটি সময়
শেষ হ'ল এটি কাহিনী
নজনা ভাষাৰ ক'ত যে কবিতা
মচি নিলে বৰষুণ জাকে।
পাহৰিলো শুনিব বতাহৰ গান
পাহৰিলোঁ জোনাকীৰ মিঠা মাত
ধূলিতেই বিলীন হ'ল সকলো
অভিমান।
এতিয়া ..........
নিৰল নিস্তব্ধ ৰাতিৰ প্ৰহৰী
আৰু দুপৰীয়াৰ সেমেকা আভাস
মাথো মই। ❖

# তাইজনী

**প্ৰস্তুতি গগৈ**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

নীলা আকাশৰ দৰে
বিশাল জীৱন যাত্ৰাত
মাথোঁ এটি হাঁহি তাইৰ লগৰী।
দুচকুত অযুত সপোন লৈ
মাথোঁ খোজেদি আগুৱাই
গৈ আছে তাইজনী।

কেতিয়াবা প্ৰতিটো খোজতে
মনলৈ আহে,
"কিয়! কিয় বাৰু দুখবোৰ
লগৰী হৈ পৰিছে?"

ভাগ্য কৰ্মকল এইয়া?
নাই থমকি ৰোৱা নাই তাই
আশাবোৰ মৰহিব দিয়া
নাই তাই কেতিয়াও।

অন্তৰৰ গভীৰত জ্বলি উঠা
বিশ্বাসৰ এগচি বন্তি, যিয়ে দিছে
তাইক উজ্বলতা সাহসৰ।

বিশ্বাস তাইৰ লগৰী হৈ পৰিছে
আশাবোৰে পাখি মেলিছে,
হেঁপাহৰ ডেউকাত ধৰি উৰি যোৱাৰ
আপ্ৰাণ প্ৰয়াস তাইৰ,
প্ৰয়াস লক্ষ্য প্ৰাপ্তিৰ।। ❖

# এতিয়া দুঃখৰ সময়

**বাগ্মিতা ভূঞা**
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

দুখ লাগে
মনত, কলিজাত
মনৰ আবিৰৰ ৰং
হালধীয়া হ'ল
তোমাৰ শূন্যতাত।
সঁচাই ফাগুনৰ
বতাহ জাক
বহুত দূৰলৈ
উৰিলে,
তুমি আহিবা,
আন্দোলিত আকাশত
জোনৰ জ্যোৎস্না হৈ,
চাদৰৰ আঁচল পাতি
মাতিছোঁ তোমাক
এই ধৰা ধামলৈ।
তোমাৰ আধৰুৱা কামবোৰ
শেষ কৰিবলৈ,
আহিবা, আহিবা বুলি
বাট চাম নঙলামুখত
কেৱল তোমাৰ বাবেই।। ❖

# নীৰৱতাৰ গান

**বৃষ্টি পাল**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

নিশাৰ তমসা ভেদি
কোনোবা অভগাজনৰ
এটি অস্পষ্ট গেঙনিয়ে
মোৰ হৃদয় ভেদি,
অস্থিৰ কৰিছে মোক
বাৰে বাৰে কৰিছে আমনি
পুৱাবনে দুখৰ ৰজনী।

সৰাপাতৰ বেদনাৰে চকুলো মচি
ঢাকি থ'লোঁ নীৰৱে মোৰ
অব্যক্ত দুখৰ কাহিনী,
ঋতু আহে ঋতু যায়
দুৰন্ত সময়েও দি যায় মাথোঁ
চৰম অৱহেলা,
অশান্ত মোৰ মনৰ উৰ্মিমালা।

কি সতেনো বুজনি দিওঁ
শেতা পৰা কলিজাৰ
মৌন উচুপনি,
বিদায় দিলো এটি এটি বসন্ত
ভাঁহি থাকে অহৰহ হিয়াত
বেদনাৰ এখনি ছবি। ❖

# বৰষুণ

**ৰিংকি মণি ভৰালী**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

নীলা আকাশখন
হ'ল ডাৱৰে আৱৰা,
গিৰ গিৰ মেঘৰ শব্দ
টোপ টোপকৈ
সৰিল এজাক বৰষুণ।।
বৰষুণৰ টোপাল দেখি
মন প্ৰাণ হ'ল ভৰপূৰ।
মাজে মাজে এজাক বতাহে
বৰষুণৰ বাতৰি দিয়ে।।
গছ-গছনি বিলাকে
হালি-জালি ল'লে আনন্দ।।
চৰাইবোৰেও গছৰ ডালত বহি
চাই ৰ'ল বৰষুণৰ দৃশ্য। ❖

# পৰ্বতৰ সিপাৰে আছেনো কি ?

**নেন্সি নাথ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

পৰ্বতৰ সিপাৰে আছেনো কি ?
এখন হাবি যত থাকে সকলো সন্ন্যাসী,
নে এখন আদিবাসীৰ সমাজ
প্ৰশ্ন এক কিন্তু উত্তৰ বহুত।
এই ৰহস্যৰ কোনে দিব এক সঠিক উত্তৰ ?
নৈৰ পাৰত গছৰ তলত বহি
পাতবোৰ বুটলি, এইবোৰ কথা ভাবি,
মোহ-মায়াত আবদ্ধ মোৰ মনটো।
এনেকুৱা লাগিল যেন
টৌৱে টৌৱে মিলি এটি সুন্দৰ গানৰ সুৰ উলিয়াইছে,
সূৰ্যৰ পোহৰে পানীখিনিক জিলিকাই তুলিছে,
এজাক বিশুদ্ধ বতাহ বলিছে।
সকলোবোৰ যেন আকস্মিক হৈ পৰিছে,
হাতত এপাহ ফুল লৈ আৰু
মনলৈ অহা সেই প্ৰশ্নটো লৈ,
মই উভতি আহিবলৈ লওঁতে
হঠাৎ নামিলে এজাক কিন কিনিয়া বৰষুণ
চেৰেং কৈ ঠাণ্ডা লগাত,
টোপনিৰ পৰা সাৰ পাই
মোৰ অনুভৱ হল নিষ্ঠুৰ সত্য।
এই প্ৰশ্নটোৰ স্বপ্নই মোক
ৰিক্ত কৰি পেলালে। ❖

# জীৱন

**অনামিকা দাস**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

জন্ম ললোঁ যেতিয়া
খোজ কাঢ়িব লাগিব
খোজ কাঢ়িব শিকিলোঁ যেতিয়া,
আগবাঢ়িবও লাগিব
বন্ধু পাবা যিমান, শত্ৰুও থাকিব
লাভ কৰিবা বহু , ত্যাগ কৰিবও লাগিব
কিন্তু কষ্ট পালে ভাঙি পৰিলে নহব!
খোজ কাঢ়িব শিকিলোঁ যেতিয়া
আগবাঢ়িব লাগিব।
এই বাটতে কষ্ট বহুত
সুখ ইয়াতে থাকিব,
দুখ বেদনা সকলো এৰি
আগুৱাই যাব লাগিব
কিন্তু কষ্ট পালে ভাঙি পৰিলে নহ'ব!
খোজ কাঢ়িব শিকিলোঁ যেতিয়া,
আগবাঢ়িবও লাগিব। ❖

# দুৰ্ঘটনাৰ দিনটো

**উদয়ন চেতিয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

আজি জানো
হঠাতে কি মন গ'ল
বাইকখন লৈ এপাক
উলাই গলোঁ।
যিহেতু মই
বাইক চলাব নাজানোঁ
আৰু সেই দিনা ঘৰত মা-দেউতা
কোনো নাছিল
সেই বাবে চাগৈ
মই নিওঁ-নিনিওঁকৈ লৈ গ'লো।
সেই দিনা মই
বাইকখন দ্বিতীয়বাৰৰ বাবে চুইছিলোঁ।
অলপ দূৰ পাওঁতে
হঠাতে এখন ট্ৰাকে
মোক আগভেটি ধৰিল।।
কিছু দূৰ গৈ
ট্ৰাকখন হঠাতে ৰৈ গৈছিল
মই বাইকখন ব্ৰেক মাৰিব নোৱাৰিলোঁ
মোৰ মনলৈ নাহিল যে
মই ভৰিৰে ব্ৰেক
মাৰিব লাগে আৰু
মই বাইকখন
ট্ৰাকৰ পিছফালৰ চুক কনত
অলপ জোৰত লগাই দিলো
আৰু বাইখনৰ
হেড লাইটটো অলপ ঢিলা হৈ গ'ল
যিহেতু হেড লাইটৰ তলৰ দোখৰ
ভাঙি গৈছিল।
ট্ৰাকৰ ড্ৰাইভাৰে যিহেতু
গম নাপালে আৰু
ওচৰ মানুহ দুজন আহি
চাই ক'লে যে
এইয়া তোমাৰে ভুল আছিল।
মইয়ো হয়তে হয় মিলাই
গুচি আহিলোঁ
যিহেতু মোৰে ভুল আছিল।
আৰু লগালগ ঘৰ আহি
বাইকখন ঘৰৰ ভিতৰত
আগৰ দৰে ভৰাই থলোঁ।
আৰু মোৰ কিছু বন্ধুবোৰক
এই কথা জনাই
কিছু পৰামৰ্শ লৈছিলোঁ।
কিন্তু,
মা-দেউতাৰ ভয়ত
মই ঘৰত কাকো
একো কোৱা নাছিলোঁ।
সেই একেদিনাই মই
মোৰ কলেজৰ কিছু কামৰ বাবে
গুৱাহাটী যাবলৈ উলাইছিলোঁ
আৰু সেই দুৰ্ঘটনাৰ কথা
কাকো নকৈ গুৱাহাটীলৈ
গুচি গ'লোঁ।
মোৰ এতিয়াও ভয় আছিল যে
মোৰ চুবুৰীয়া ঘৰৰ মানুহগৰাকীয়ে
মোক বাইকখন লৈ যোৱা দেখিছিল
আৰু তেওঁ যদি কৈ দিয়ে।।
মোৰ মনত
ভয় ভাৱটো আছে
যিহেতু, এদিনতো অৰ্থাৎ
কাইলৈ মা-দেউতাই
গম পোৱাৰ পাছত
মই তেওঁলোকক
কি উত্তৰ দিম।
এই ভাবি মই
ট্ৰেইনত উঠি
গুৱাহাটীলৈ ৰাওনা হ'লোঁ। ❖

# বিদেশী চৰাইজনী

**জোনমণি কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

শীত আহিলে গুছি যোৱা তুমি
থাকি যায় মাথোঁ,
তুমি আঁকি যোৱা ছবি
ৰৈ থাকোঁ ভাবি আকৌ
কেতিয়া আহিবা উভতি
হেঁপাহৰ পাখি দুখনি মেলি
উৰি যোৱা তুমি,
দূৰ আকাশৰ বুকুলৈ
অ' চৰাই,
শীত আহিলে কিয় গুচি যোৱা তুমি? ❖

# স্নেহ

**হিয়া ৰাণী ডেকা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

প্ৰভাতী পুৱাতে পুৱতি শালিকী
উখল মাখল মন পদুলি

এজাক প্ৰভাতী সমীৰ
মিচিকণি স্নেহৰ ৰ'দালিৰ কোমল
পৰশ সিক্ত অমিয়া বিমল
স্নেহৰ দৰদী আহিব

পাত প্ৰতিখন মাতাল সুৰত
দেহ মন প্ৰাণ মধুময় জোৰত

দোভাগ ৰাতি কেতেকীৰ সুৰ
ধৰণীৰ মলয়া যুৰ
দূৰণিত অজান সুৰ
চিলমিল টোপনিত স্নেহকুঁৱৰী
প্ৰণয়ৰ সপোন সুঁৱৰি

স্নেহ লতা মগ্ন
শান্তিৰ নিবিৰ নিজৰা ক্লান্ত। ❖

# বেদনাৰ জুই

**মেঘালী মাৰাক**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

বেদনাৰ জুইয়ে মোক
কেতিয়াবা আমনি কৰে,
নভবা কথাবোৰ মনত
বিৰাজ কৰে।
অব্যক্ত বেদনাবোৰ
হৃদয়ৰ মনি কোঠাত
উঠি ভাঁহি ফুৰে।
নিজৰাৰ্লৈ কুলু কুলু
শব্দৰ দৰে
মনৰ ভাষাবোৰ
গুনা-গথা কৰে।
শ্ৰান্ত নিষ্ফল জীৱন
নকৰিবা উপেক্ষা
বিমোচন কৰি দিয়া প্ৰভু
হতভগাৰ বেদনা। ❖

# কিছু স্মৃতিৰ সৈতে

**মেঘালী মাৰাক**
স্নাতক দ্বিতীয় ষাণ্মাসিক
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়

এটি গভীৰ নিস্তব্ধ ৰাতি,
সাৰে আছোঁ মাথোঁ মই,
কিছু স্মৃতিৰ সৈতে.....।
অনবৰতে দোলা দি থকা স্মৃতিবোৰে
মনটোক বৰ অশান্ত কৰি তুলিছে
অবুজ প্ৰেম পিপাসু এই হৃদয়
তোমাৰেই বতৰা বিচাৰি ফুৰিছোঁ।
আকাশে বতাহে যেন
তোমাকেই বিচাৰিছোঁ।
পৰিধি ভাঙি এই অবুজন হৃদয়
প্ৰেম সাগৰত মেলি দিয়া
টুলুং ভুটুং নাৱৰে সৈতে
গৈছোঁ আগুৱাই
কেতিয়াবা জানো পাম তোমাৰ বাট
তাৰেই অপেক্ষাৰত
এই হৃদয়......। ❖



# English Section

**Article**

भारत 2023 INDIA

वसुधैव कुटुम्बकम्

ONE EARTH • ONE FAMILY • ONE FUTURE

**Pahi Saikia**
B. A. 3rd Semester
Arya Vidyapeeth College

The G20 on Group of 20 is an intergovernmental forum comprising 19 countries and the European Union. It works to address major issues related to the global economy, such as international financial stability, climate change mitigation and sustainable development.

The G20 is composed most of the World's largest economies finance ministries, including both industrialised and developing nations, it accounts for around 80% of gross World Product (GWP), 75% of international trade, two-thirds of the global population, and 60% of the World's land area. The G20 was founded in 1999 to several World economic crises in response. As of 2023 there are 20 members in the group. ❖



# Flood in Assam

**Tanuja Yasmin**
B.A 3rd semester
Arya Vidyapeeth College

Assam, situated in the north-eastern part of India, is a state with an extensive of rivers. Rewever, this very feature makes it vulnerable to frequent floods, which occur during the monsoon season. The overflowing rivers lead to destruction of crops and livestock, resulting in the displacement of people, loss of life and damage to property and infrastructure.

It is essential to take proactive measures to mitigate the effects of floods in Assam and provide sustainable solutions for the long term.

Flood of 2020

Assam experienced severe flooding in 2020 that affected miilions of people. The floods were caused by heavy monsoon rains and resulted in significant damage to the state's economy and infrastructure.

Cause :-

The primary cause of the floods in Assam in 2020 was the heavy monsoon rainfall that the state recieved. The Brahmaputra river received a record making amount of water, leading to widespread flooding. The floods were further exacerbated by the release of water from upstream dams in Bhutan and china. Deforestation and the construction of infrastructure, such as roads and buildings also contributed to the flooding.

Impact :-

The impacts of flood in 2020 were severe, over 100 people east their rivers and millions were affected by the flooding. The state's rail, roads networks were disrupted, making it challenging to transport essential supplies and access medical care. The floods also increased the risk of waterborne disease, like cholera and dysentry, led to a shortage of clean drinking water.

Preventative measures :-

The state government of Assam took several measures to mitigate the impact of the floods. The government provided relief measures such as food, shelters, and medical aid to affected by the floods. The govt. also set up relief camps to provide temporary housing for those who were dispalced. Additionally, the govt. launched a massive rescue operation, deploying boats and helicopters to reach those who were straded in flooded areas.

What we can do :-

To prevent future floods in Assam, there is a need to take a more compregensive approach. The govt. should take steps to prevent reforestation and protect the natural environment. It should also regulate the construction of infrastructure and ensure that it does not contributre to fllooding. Moreover, there is a need to improve the state's drainage system. ❖

# Landforms : Sculpting the Earth Surface

**Mriganka Neog**
B.A 3rd semester
Arya Vidyapeeth College

Introduction :-

Landforms are the in intricate result of the dynamic processes that shape the Earth's Surface over millions of years. These farmations, ranging from towering mountains to vast valleys, offer a fascinating glimpse into the geological history and forces that have been at play throughout out planet's existence. In this article, We drive into the captivating world of landforms, explaining their origins, characteristics and significance.

Mountains :-

Mountains the grandest of landforms, rise majestically above the Earth's Surface. They are born from the callisian of tectonic plates, pushing rock layers upwards and creating immense elevations. The Himalayas, for example, have been sculpted over millions of years by the convergence of the Indian and Eurasian plates. These towering giants not only influence climate patterns but also serve as natural barriers and sources of bio-diversity.

Plateaus :-

Plateaus are extensive, elevated watlands that often offer stunning vistas. These vast regions are the result of geological forces that uplifted large sections of land while eroding the surrounding areas. The colardo plateau in the United States showcases intricate rock formations and deep canyons sculpted by the colarado river. illustrating the persistent power or erosion.

Valleys :-

Valleys, the low-lying counterparts to mountains and plateaus, hold an essential role in shaping the Earth's Surface, River valleys, formed by the continuous flow of water, cut through landscape over time. The Great Rift valley, resulting from the movement of tectonic plates and offering a glimpse into the Earth's geological evolution.

Plains :-

Plains are vast stretches of relatively flat land that have undergone minimal tectonic activity. These regions are often fertile and cunducive to agriculture due to the accumulation of sediments over time. The North American Great plains. known as the "bread basket of the World". have been instrumental in global food production.

Deserts :-

Deserts, characterized by arid conditions and minimal vegetation, encompass diverse landforms such as sand dunes, salt wats and rock

formations. The Sahara Desert in Africa, the largest hot desert in the world. Showcases endless sand dunes shaped by ruined and occasional water flow, reminding us of the delicate balance between natural forces.




Coastal Landforms :-

Coastal areas are shaped by the continuous interaction between land and sea. Clifts beaches, spits and lagoons are among the many formations that emerge from the complex interplay of wakes, currents and sediment deposition. The iconic whites elifts of sover in the United Kingdom provide a striking example of coastal erosian and sedimentary processes.

Conclusion :-

Landforms are the result of a remarkable interplay between geplogical processes, climate patterns and the passage of time. From the majestic heights of mountains to the serene expanses of plains, each landform tells a unique story of Earth's geological history. Studying these formations not only unveils the forces that have shaped our planet but also underscares the delicate balance that exists within our natural world. ❖

# A Bird

**Mriganka Neog**
B.A 3rd semester
Arya Vidyapeeth College

Once upon a time in a lush forest, there lived a vibrant and curious bird named Luna with shimmering blue and green feathers. Luna would soar through the skies, exploring every corner of her woodland home. She'd often perch on the tallest trees, singing enchanting melodies that echaed throughout the forest, bringing joy to all who heard her.

One day, while soaring high above the treetops, Luna spotted a mysterious glimmer amidst the faliage. curiosity nest made of sparkling twings and delicate petals. Inside lay a single, radient egg that seemed to glow with an atherwarldly light.



